


# বিনন্দিয়ান

# Binandian

1st Issue

## শিল্পী নীলপৱন বৰুৱাৰ তুলিকাৰে...









# বিনন্দিয়ান

বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়,ৰামদিয়া ছাত্ৰ একতা সভাৰ মুখপত্ৰ

প্ৰথম সংখ্যা

২০০৮-০৯ আৰু ২০০৯-১০ বৰ্ষ

**PROFF. IN-CHARGE**
BHADRESWAR DEKA
JITENDRA DEKA

**EDITOR**
IMRAN HUSSIAN
GEETANJALI DAS

**তত্ত্বাৱধায়ক**
ভদ্ৰেশ্বৰ ডেকা
জিতেন্দ্ৰ ডেকা

**সম্পাদক**
ইমৰাণ হুছেইন
গীতাঞ্জলি দাস

***Binandian:-*** *Journal of the students union of Binandi Chandra Medhi College, Ramdia Published and edited by the editorial board.*

# বিনন্দিয়ান

## বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া ছাত্ৰ একতা সভাৰ মুখপত্ৰ

২০০৮-০৯ আৰু ২০০৯-১০ বৰ্ষ

**প্ৰকাশক**
সম্পাদনা সমিতি

**বেটুপাত পৰিকল্পনা**
শ্ৰীজিতেন্দ্ৰ ডেকা




**বেটুপাতৰ অৰ্থ**

অযুত অন্ধকাৰত এমুঠি পোহৰ
অযুত বেদনাত এমুঠি হাঁহি
অযুত মৰুভূমিত এমুঠি সেউজীয়া
অযুত চকুলোত এমুঠি বিনন্দ

**মুদ্ৰণ**
ভায়োলীনা গ্ৰাফিক্স
কুলহাটী বজাৰ চ'ক, দমদমা, কামৰূপ (অসম)

## সম্পাদনা সমিতি

### মুখ্য উপদেষ্টা
ড° জ্যোতিপ্ৰসাদ মেধি

### উপদেষ্টা মণ্ডলী
শ্ৰীশ্ৰীকান্ত বৈশ্য
শ্ৰীলোহিত চন্দ্ৰ ডেকা
শ্ৰীঅতুল চন্দ্ৰ কাকতি
শ্ৰীৰজত চন্দ্ৰ ভৰালী

### সভাপতি
শ্ৰীঅসিত কুমাৰ পাল (ভাৰপ্ৰাপ্ত অধ্যক্ষ)

### তত্ত্বাবধায়ক দ্বয়
শ্ৰীভদ্ৰেশ্বৰ ডেকা
শ্ৰীজিতেন্দ্ৰ ডেকা

### শিক্ষক প্ৰতিনিধি
শ্ৰীমীনা কুমাৰী দাস
ৰেজেক আলী
শ্ৰীদিলীপ দাস

### আলোচনী সম্পাদকদ্বয়
মঃ ইমৰাণ হুছেইন
শ্ৰীগীতাঞ্জলি দাস

### ছাত্ৰ সদস্য
গৌতম মেধি
উৎপল ডেকা
দিব্য ডেকা
মুজাফোৰ আলী

# উছৰ্গা

বিশ্ব বিশ্ৰুত সংগীত
শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকা,
অসমীয়া ভাষা সাহিত্যৰ সুলেখিকা তথা জ্ঞানপীঠ
বঁটা বিজয়ী মামণি ৰয়ছম গোস্বামী আৰু
যুদ্ধোত্তৰ যুগৰ শ্ৰেষ্ঠ গল্পকাৰ
সৌৰভ কুমাৰ চলিহাৰ পবিত্ৰ স্মৃতিত বিনন্দি
চন্দ্ৰ মেধি মহাবিদ্যালয়, ধামদিয়াৰ
আলোচনী খনৰ প্ৰথম সংখ্যা
**'বিনন্দিয়ান'** সশ্ৰদ্ধাৰে
উছৰ্গা কৰিলোঁ।

সম্পাদনা সমিতি
**বিনন্দিয়ান**

# শ্ৰদ্ধাঞ্জলি

বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা যিসকল বৰেণ্য ব্যক্তিয়ে এই মহান শিক্ষানুষ্ঠানটি বহু প্ৰচেষ্টা আৰু ত্যাগ স্বীকাৰ কৰি গঢ় দি শিক্ষাৰ প্ৰসাৰৰ শলিতা ডাল জ্বলাই আমাৰ মাজৰ পৰা চিৰ বিদায় লৈছে তেওঁলোকৰ পবিত্ৰ স্মৃতিত মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গই বিনন্দিয়ানৰ জৰিয়তে শ্ৰদ্ধা জনাই সেই পূণ্যাত্মাসকলৰ স্মৃতি চাৰণ কৰিছোঁ।

মহাবিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰস্তুতি সমিতিৰ সভাপতি স্বৰ্গীয় ৰমেশ চন্দ্ৰ দাস, স্বৰ্গীয় হংস নাথ শৰ্মা, স্বৰ্গীয় ভগৱান চক্ৰৱৰ্ত্তী (প্ৰাক্তন শিক্ষক), পৰিচালনা সমিতিৰ সভাপতি স্বৰ্গীয় প্ৰমোদ চন্দ্ৰ চৌধুৰী, স্বৰ্গীয় কমলা কান্ত দাস, স্বৰ্গীয় নিত্যানন্দ মেধি, উপ-সভাপতি স্বৰ্গীয়লোহিত ডেকা আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ক্ৰমে স্বৰ্গীয় প্ৰসন্ন কুমাৰ চহৰীয়া, স্বৰ্গীয় প্ৰসন্ন ৰাম দাসৰ লগতে প্ৰবক্তা স্বৰ্গীয় তাৰিণী কান্ত শৰ্মা আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক স্বৰ্গীয় হবিবুৰ ৰহমান চৌধুৰী, স্বৰ্গীয় দিগন্ত ডেকাৰ সৈতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে অকালতে আৰু অজ্ঞাতে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি গ'ল তেখেত সকলৰ পবিত্ৰ স্মৃতিত আমি 'বিনন্দিয়ান'ৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি জনাইছোঁ।

*সম্পাদনা সমিতি*
*বিনন্দিয়ান*

# প্ৰয়াত বিনন্দি চন্দ্ৰ মেধি



জন্ম ঃ ৪ আগষ্ট, ১৮৯৬ ইং চন,      মৃত্যু ঃ ২ আগষ্ট, ১৯৭৬ ইং চন।

Regd. No. 2419 of 1990-91
**INSTITUTE OF ADVANCED STUDY IN SCIENCE & TECHNOLOGY**
*(Funded jointly by the Govt. of Assam u The Govt. of India)*
JAWAHAR NAGAR :: KHANAPARA :: GUWAHATI- 781 022 :: INDIA :: TEL/FAX : 0361-5608589

" A Study on the Perfomances of S & T Students of the Universities of the N. E. Region in selected National Eligibility Tests."
(Sponsored by Department of Science & Technology, Government of India)

**Dr. Jyotiprasad Medhi, P.I.**
*Professor Emeritus, Guwahati University*
*Formerly, Visiting, Professor*
*Univ. of Toronto, Univ. of Montreal,*
*Mc Master University, Canada &*
*Univ. wisconsin U.S.A.*

U.N. Bezbarua Road
Silpukhuri West
GUWAHATI- 781003
Assam, India
Tel : 0361 2859, 2662959
E-mail : medhis@gw1.dot.net.in

# শুভেচ্ছা বাণী

প্ৰিয় বন্ধুসকল,

বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াৰ শিক্ষকসকল আৰু ছাত্ৰ-ছাত্ৰীয়ে 'বিনন্দিয়ান' নামেৰে মহাবিদ্যালয়ৰ প্ৰথম খন আলোচনী প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱাত আমি সকলোৱে নথৈ আনন্দিত হৈছো। নানান অসুবিধাৰ মাজত এনে এটা কথা চিন্তা কৰা আৰু কাৰ্যকৰী কৰাৰ চেষ্টা বৰ প্ৰশংসনীয়।

এনে আলোচনীৰ যোগেদি শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে এটা ডাঙৰ উদ্‌গনি পাব আৰু creative দিশত এখোজ আগবাঢ়ি যে যাব তাত অকণো সন্দেহ নাই। লগতে মহাবিদ্যালয়ৰ কিছু সমস্যাই তাৰ যোগেদি দাঙি ধৰাত কিছু সহায়ক হ'ব। এনে উদ্যম সৰ্ব্বোতোভাৱে সফল হওঁক। সেয়ে আমি সকলোৱে আশা কৰোঁ।

এনে চেষ্টাৰ বাবে আমাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। মহাবিদ্যালয় খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ উপৰিও 'বিনন্দিয়ান' ৰ সফল ভৱিষ্যত কামনা কৰিলো।

*জ্যোতি প্ৰসাদ মেধি*

*Prof.* **Dr. Pramod Chandra Bhattacahrya**
Nabagiri Road, Chandmari.
Guwahati-781003 2661405 (Res.)

*ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য*
নৱগিৰি পথ, চানমাৰী
গুৱাহাটী - ৭৮১০০৩ ২৬৬৪০৫

তাৰিখ........................ ২০/১০/২০১০

## *“ বিনন্দিয়ান” লৈ বিনন্দীয়া হিয়াৰে ............*



অসমৰ পৱিত্ৰ তীৰ্থ হাজো নগৰীৰ নিকটস্থ ৰামদিয়া বৈষ্ণৱ যুগৰ মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱৰ সময়ৰে পৰা জনসমাজত সেৱাৰ থলী আৰু সমন্বয়ৰ ক্ষেত্ৰ ৰূপে সুখ্যাত হৈয়ে আছে। এতিয়া আনন্দৰ কথা যে সত্ৰ নগৰী স্বৰূপে ৰামদিয়াত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীমাধৱ দেৱ,
শ্ৰীদামোদৰ দেৱ আনকি শ্ৰীচৈতন্য দেৱৰো সত্ৰানুষ্ঠান পৰম্পৰা অনুসৰি চলি আছে। ৰামদিয়াৰ ভঠেলি উৎসৱ বহাগৰ আদি ভাগতে দুদিনীয়াকৈ সমাৰোহেৰে পালিত হৈ আহিছে। এনেদৰে ঐতিহ্য-পৰম্পৰা, ধৰ্ম আৰু লোকউৎসৱৰে পৰিপূৰ্ণ ৰামদিয়াত অসম সাহিত্য সভাৰ তৃতীয় সংখ্যক বৰপেটা অধিবেশনৰ সভাপতি ভাষাবিদ পণ্ডিত কালিৰাম মেধিৰ সুযোগ্য জামাতা প্ৰয়াত বিনন্দি চন্দ্ৰ মেধি অধিবক্তাৰ নামত তেওঁৰ জ্যেষ্ঠপুত্ৰ ডক্টৰ জ্যোতিপ্ৰসাদ মেধিৰ উদ্যোগত ১৯৯২ ইং চনতে স্থাপিত মহাবিদ্যালয়ৰ পৰা “বিনন্দিয়ান” নামেৰে মুখপত্ৰ স্বৰূপ আলোচনী এখন প্ৰকাশৰ প্ৰচেষ্টালৈ বিনন্দীয়া হিয়াৰে শুভেচ্ছা নিবেদন কৰিলোঁ। বিবিধ প্ৰৱন্ধ সৌৰভেৰে “বিনন্দিয়ানে” ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা তথা আঞ্চলিক ৰাইজৰ সামাজিক দাপোন ৰূপে উজলি উঠক। সৰুৰে পৰা পাগলাদিয়াৰ পাৰত জন্ম লাভ কৰি ৰামদিয়াৰ বহুমুখী বৰঙণিৰ কথা শুনি আহিছো আৰু কেবাবাৰো ৰামদিয়ালৈ গৈ আনন্দত বিভোৰ হৈছোঁ।

জয়তু বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়।

*ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য*

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১ ❑ ☎ (০৩৭৬) ২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় : ভগৱতীপ্ৰসাদ বৰুৱা ৬ নং, গুৱাহাটী-৭৮১০০১ ❑ ☎ (০৩৬১) ২৫১৫৮৩০
ফেক্স : ২৭৩১৬৯৫
ডিফু কাৰ্যালয় : বাংছিনা ভৱন, ডিফু-৭৮২৪৬০❑ ☎ (০৩৬৭১) ২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১ ❑ ☎ (০৩৬৬২) ২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩

**ৰংবং তেৰাং**
সভাপতি

## শুভেচ্ছা বাণী



কামৰূপ জিলাৰ ৰামদিয়াত ১৯৯২ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠাপিত এখনি অগ্ৰণী শিক্ষানুষ্ঠান বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ে বিগত ওঠৰ বছৰ কাল ধৰি অঞ্চলটিত শিক্ষাৰ পোহৰ বিলাই অসমীয়া জাতি গঠনত প্ৰভূত বৰঙণি আগবঢ়াই আহিছে।

মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু শিক্ষাৰ্থী সকলৰ আশাসুধীয়া প্ৰচেষ্টাতে এইবেলি তেওঁলোকে 'বিনন্দিয়ান' নামেৰে এখনি মুখপত্ৰ প্ৰকাশ কৰিবৰ বাবে প্ৰস্তুতি চলাইছে। এনে প্ৰচেষ্টা সচাঁকৈ প্ৰশংসনীয়। আশা কৰিছোঁ, মুখপত্ৰখনৰ মাধ্যমেৰে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকাশ হ'ব। মহাবিদ্যালয় খনৰ সমূহ শিক্ষাগুৰু আৰু শিক্ষাৰ্থীলৈ মোৰ আন্তৰিক শুভ কামনা জ্ঞাপন কৰিলোঁ।

মুখপত্ৰখনি সৰ্বাংগ সুন্দৰ ৰূপে প্ৰকাশ পাওক- তাৰেই কামনাৰে

–

ৰংবং তেৰাং
সভাপতি

**প্ৰেৰকঃ** শ্ৰীবঙ্কিম চন্দ্ৰ শৰ্মা
অৱসৰ প্ৰাপ্ত অধ্যক্ষ,
দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়,
ডাকঘৰ- কুলহাটী, কামৰূপ।

# শুভ-ইচ্ছা



ঐতিহ্যপূৰ্ণ হাজো সমষ্টিৰ প্ৰসিদ্ধ গাঁও ৰামদিয়াত ১৯৯২ খ্ৰীষ্টাব্দত স্থাপিত হয় "বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়"। এই বেলি শিক্ষানুষ্ঠানটিৰ মুখপত্ৰ বিনন্দিয়ান খন প্ৰকাশ কৰিব। পৰম আনন্দৰ কথা। মুখপত্ৰই নিজ অনুষ্ঠানৰ আভ্যন্তৰীণ প্ৰতিচ্ছবি ৰাইজৰ ওচৰত দাঙি ধৰে। লগে লগে ই হৈ পৰে সাহিত্য সৃষ্টিৰ উৰ্ব্বৰ ক্ষেত্ৰ। শিক্ষক- শিক্ষাৰ্থীক দিয়ে অন্তৰ্নিহিত প্ৰতিভা বিকাশৰ সোণালী সুযোগ । আন্তৰিক আগ্ৰহ আৰু নিৰন্তৰ স্বকীয় চেষ্টা -যত্ন লাগিবই। মজবুত আৰম্ভণিৰ প্ৰতিশ্ৰুতি সফল সামৰণি।

মহান অনুষ্ঠানটি উজ্জ্বল সম্ভৱনাপূৰ্ণ। সৰ্ব্বত্ৰ সন্মনাই প্ৰতিষ্ঠাপক বিশেষৰ একান্ত লক্ষ্য সম্ভৱ আপোন গাঁও খনক অধিক উন্নত কৰা যুৱ বংশধৰ সকলক বিদ্যোৎসাহী কৰি তোলা, প্ৰয়োজনীয় সুযোগ-সুবিধা, প্ৰেৰণা সহজ লভ্য কৰা আৰু সক্ৰিয়, সক্ষম, নিঃ স্বাৰ্থ সমাজসেৱক গঢ়ি লোৱা। মুখপত্ৰ খনত জড়িত আৰু অনুষ্ঠানটোত ওতঃপ্ৰোত ভাবে লাগি থকা সকলোৰে সজ সহজ সৰল সংকল্প সফল হওক। উদ্যোক্তা সকলে শান্তি লভক।

ওঁম্ তৎ সৎ

শ্ৰীবঙ্কিম চন্দ্ৰ শৰ্মা

*শ্ৰীবঙ্কিম চন্দ্ৰ শৰ্মা, দমদমা*
১৬/১/২০১২

*Prof. O. K. Medhi*
**Vice-Chancellor**

Ph. No. : +91-361-2570412 (0)
Fax : +91-361-2675515
email : vc.gu@yahoo.in
**GAUHATI UNIVERSITY**
**Gopinath Bardoloi Nagar**
**Guwahati- 781014**
**Assam : India**

# শুভেচ্ছা বাণী

মই জানিবলৈ পাই সুখী হৈছো যে, বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "বিনন্দিয়ান" খন প্ৰকাশৰ যো-জা কৰা হৈছে।

মহাবিদ্যালয় এখনৰ সাহিত্য, সংস্কৃতি, অগ্ৰগতি আৰু বিভিন্ন পাৰিসাংখ্যিক তথ্য দাঙি ধৰিবলৈ এখন আলোচনীৰ আৱশ্যক। মোৰ দৃঢ় বিশ্বাস আলোচনী খনে ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত সাহিত্যক প্ৰতিভা বিকাশিত কৰাত সহায় কৰিব।

এই সুযোগতে আলোচনী খনৰ লগত জড়িত কৰ্ম-কৰ্ত্তাসকলৰ শলাগ লৈছো আৰু বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতি কামনা কৰিলোঁ।

অখিল মেধি

তাৰিখ ঃ ২৭-০১-২০১২ ইং

ড° অখিল কুমাৰ মেধি
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়

**নুৰুল হুছেইন**
প্ৰাক্তন মন্ত্ৰী, অসম
ফোন নং - ৯৪৩৫০-৪৭৮৭৪
৯৮৬৪২-০৩৭৩১

सत्यमेव जयते

**Nurul Hussain**
**Ex. Minister, Asom**
Ph.- 94350-47874
98642-03731

# শুভেচ্ছা বাণী



বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াৰ এখন উচ্চ শিক্ষাৰ অনুষ্ঠান। মহাবিদ্যালয় খন সৰ্বদিশতে আগবাঢ়ি যোৱাটো আমি কামনা কৰো। মহাবিদ্যলয়খনৰ মুখপত্ৰ 'বিনন্দিয়ান' প্ৰকাশ পাব বুলি জানি অতি আনন্দিত হৈছো। আশাকৰো মুখপত্ৰ খনত মহাবিদ্যালয়ৰ ইতিহাস প্ৰতিফলিত হ'ব আৰু মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ মানসিক উৎকৰ্ষ বিকশিত হ'ব। এনে প্ৰয়াস প্ৰতি বছৰে অব্যাহত হৈ থাকিব। মুখপত্ৰ 'বিনন্দিয়ান'ৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰিলো।

*নুৰুল হুছেইন*
*প্ৰাক্তন মন্ত্ৰী, অসম*

# From the Principal's Pen.......




The need for an educational institution for higher education in greater Ramdia area was felt during the early nineties by the inhabitants of the area. For that purpose, a general meeting was convened at Ramdia Higher Secondary School on 2nd Oct, 1991 under the guidance of some leading educationist of the locality and the meeting was presided over by the late Bhagawan Chakraborty. In that very meeting a resolution was taken to start the college named as Ramdia College. The college was inaugurated on 13th August, 1992 at Ramdia Puthibharal Aru Samuhik Sanskritik Kendra, Ramdia. It was shifted to its present premises on 30th Sept, 1994. Initially, the college was started with Higher Secondary classes only with 70 students. Consequently, the Arts Stream in Degree level was introduced in 1993-94. Mr. Sarbeswar Baruah, Subject Teacher in Assamese of S.B.S.K.R Higher Secondary School, Hajo was the founder Principal of the college. The college attains the financial support from No. 1 Ramdia Samabai Samiti, public donation, theatrical performance, lottery etc. up to 2006-07 financial years. It also received financial assistance from the state government since 2006-07.

The college was re-named as Binandi Chandra Medhi College, Ramdia as a gesture to Binandi Chandra Medhi, a highly educated and able administrator during the time of the British regime. The donor of the said college is his son Dr. Jyoti Prasad Medhi, a distinguished scholar of repute both nationally and internationally. The enrollment of the college is now about 700. Initially Major subject was not offered but now major is available in subjects like Assamese, Economics, Political Science and Education since 1994-95.

Binandi Chandra Medhi College, Ramdia has completed twentyone glorious years, which have been fruitful in many respects. It has achieved a high position in the domain of higher education. From the very beginning, the results of this college are satisfactory. In this year, the pass percentage of BA final year exam is about 96 percent. The college is temporary affiliated to Gauhati University up to Part-ll (Arts) standard for the session 1995-96 and obtained Govt. concurrence up to part-ll level in 2004. It was permanently affiliated to Gauhati University in 2009. The college is included under the Assam Venture Educational Institution (Provincialization of Services) Act 2011 for Provincialization.

The present globalized age is an age of quality education. Quality education is required to enable a person, a society, and a nation to acquire the skill and competence required for living meaningfully in this globalized age. To fulfill these objectives, our institution intends to provide quality education for the students of higher education so that they can survive significantly in this competitive world.

An effort to publish the first edition of the college magazine 'Binandian' has been going on for the last few years. I am very happy in the way of publishing the first edition of the Binandian. Magazine is an important instrument, which provides a great scope and opportunity to the students to innovate and improve their literary talents. Further, the magazine provides the glimpses of activities conducted by the institution during an academic year.

It is my earnest hope that this magazine will help the students to become a good citizen for the development of the society.

*Ashit Kr. Paul*
*Principal i/c*
*B.C.M.College, Ramdia*

# সূচীপত্ৰ...

আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন /১
তত্ত্বাবধায়কৰ কলম /৩

**চিন্তা শিল্প**

দেউতা বিনন্দি চন্দ্ৰ মেধিৰ সোঁৱৰণত — *ড° জ্যোতি প্ৰসাদ মেধি* /৭
হেম বৰুৱাৰ লোকবিদ্যা চৰ্চা — *ড° নবীন চন্দ্ৰ শৰ্মা*/১২
অম্বিকাগিৰীৰ কবিতাত আধ্যাত্মিকতাত স্বদেশপ্ৰেম আৰু আত্ম সচেতনতাৰ যোগসূত্ৰ — *ভগগিৰী ৰায়চৌধুৰী*/১৫
পুণ্ডৰীকাক্ষ ভৰালী — ৰজত ভৰালী/১৯
লোক সাহিত্য আৰু বিশ্বাস — মীনা কুমাৰী দাস/২১
শিশুৰ ব্যক্তিত্ব বিকাশত পিতৃ-মাতৃৰ ভূমিকা — বিজুলী ডেকা/২৬
অসমৰ ইতিহাস আৰু নাৰীঃ এটি চমু অৱলোকন — আবু লেইচ আহমেদ/২৯
অসমীয়া সাহিত্যৰ 'ৰামধেনু যুগৰ (যুদ্ধোত্তৰ) গল্প লেখকসকলৰ এক সমীক্ষা — দৰ্পণা চৌধুৰী/৩৩
অস্বাভাৱিক শিশু আৰু শিক্ষা — মণিষা মজুমদাৰ/৩৭
চিত্ৰ শিল্প — মণ্টু দাস/৪১
অসমীয়া ৰোমাণ্টিক কবিতাৰ এটি চমু খতিয়ান — জয়শ্ৰী মেধি/৪৩
প্ৰকৃতি কবি ৰঘুনাথ চৌধাৰীৰ 'জীৱন আৰু সাহিত্যৰাজিৰ এটি চমু আলোচনা — *হিমাক্ষী ভাণ্ডাৰ কায়স্থ* /৪৬
বৰ্তমান সময়ত নাৰীৰ শিক্ষাৰ প্ৰয়োজনীয়তা — নন্দিতা পাটোৱাৰী/৫০

**মুখামুখি শিতান**

জয়মতীৰ নায়িকা আইদেউ সন্দিকৈৰ সৈতে এখন্তেক — ভদ্ৰেশ্বৰ ডেকা/৫২

**কথাশিল্প**

এযোৰ খাৰুৰ বাবে — ৰেজেক আলী/৫৭

**ৰম্য ৰচনা**

স্পৰ্শসুখ — জিতেন্দ্ৰ ডেকা/৫৯

**উভতি চাওঁ**

ঢোলত চাপৰ পৰে — *ভূপেন হাজৰিকা*/৬২
মাতৃ — ড° মামণি ৰয়ছম গোস্বামী/৬৪
গোলাম — সৌৰভ কুমাৰ চলিহা/৬৭

**ছন্দ শিল্প**

জোনাক — লতিকা ডেকা/৭২
ছন্দ হেৰুৱাৰ জীৱন — প্ৰভা কলিতা/৭৩
দুখ যন্ত্ৰণা — তুলিকা ভৰালী/৭৩
এপলক — নিৰ্মল বৈশ্য/৭৩
তুমি — ভগবান ডেকা/৭৪

শৰৎ — স্মিতা শৰ্মা/৭৪
এখন প্ৰেমৰ দলং — অজন্ত তালুকদাৰ/৭৫
প্ৰেম — মিজানুৰ ৰহমান /৭৫
মই প্ৰেমিক হ'ব বিচাৰো — হৰিহৰ চক্ৰৱৰ্তী/৭৬
জ্ঞানৰ সন্ধান — কৰ্মেশ্বৰ বৈশ্য/৭৬
পৃথিৱীলৈ এমুঠি পোহঁৰ — দ্বীপজ্যোতি বৈশ্য/৭৭
তুমি আহিবা বুলি — ভগৱান বৈশ্য/৭৮
তুমি — কল্যাণী কলিতা/৭৮
মোৰ সঠিক মনত নাই — প্ৰণৱ ঠাকুৰীয়া/৭৯
আইজনীৰ শুভ লগনত — ভদ্ৰেশ্বৰ ডেকা/৭৯
তুমি মোৰ বন্ধু হ'বা নেকি? — জিতেন্দ্ৰ ডেকা/৮০
নৰকাসুৰ — নীলিম কুমাৰ/৮১


## English Section


Communication And 1st Importance in Society — A.K Paul/৮২
The Brahmaputra : A Portrait by Dr. Bhupen Hazarika — Dr. Prabin Ch. Das/৮৫
The Handloom Industry of Assam Its Glorious Past and Present Status — Satyabati Medhi/৮৮
Globalisation Rise As a Way of New Era — Md. Saidur Rahman./৯১
Library And Informat on Centre As Commnucation Source — Jaya Medhi./৯৩
Importance of Spoken English in Morern World — Md. Shahidul Islam/৯৬
An Introduction ToThe English Language — Md. Abdul Majid Ahmed./৯৮
Lecturing As a Method of Teaching — Lalit Ch Bharali/১০০
Right To Information Act. (RTI) At a Glance — Jitendra Deka/১০৩
The Hillock World — Mukut Pathak/১১১


## বিভাগীয় সম্পাদকৰ প্ৰতিবেদন


সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
খেল সম্পাদকৰ প্ৰতিবেদন
সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন
মহাবিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰস্তুতি সমিতিৰ পৰা মহাবিদ্যালয় পৰিচালনা সমিতি গঠনৰ তালিকা
মহাবিদ্যালয়ৰ অধ্যসকল আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক সকলৰ তালিকা
মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষক-কৰ্মচাৰীৰ তালিকা
বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ ২০০৮-০৯আৰু ২০০৯-১০ বৰ্ষৰ ছাত্ৰ একতা সভা
বৰ্ত্তমানলৈ মহাবিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল তালিকা
বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াৰ শিক্ষক কৰ্মচাৰীসকল



# সম্পাদকীয়



জয় জয়তে বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্য তথা শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী সকলৰ ওচৰত আমাৰ হিয়া ভৰা অভিনন্দন জ্ঞাপন কৰিছোঁ। যি সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীয়ে এই মহান বিভাগৰ দায়িত্ব আমাক অৰ্পণ কৰিলে তেখেত সকললৈ আমি শ্ৰদ্ধা নিবেদন কৰিছোঁ।

সাহিত্য হ'ল এটা জাতি বা সমাজৰ দাপোন স্বৰূপ। ই মানৱ জাতিৰ এক শ্ৰেষ্ঠ কলা। আলোচনী এখনে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক কৰ্মচাৰী সকলৰ মনৰ অভিৰুচি পুৰণৰ মুখ্য ভুমিকা বহন কৰি মহাবিদ্যালয় এখনক আগুৱাই নিয়াত যথেষ্ট সহায় কৰে।

সৃষ্টিৰ অৱকাশ নাই। সৃজনীমুলক প্ৰতিভাই এজন ব্যক্তিক পুৰ্ণাঙ্গ মানুহ হিচাপে গঢ়ি তোলে। ১৯৯২ চনত স্থাপিত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা এখন পুৰ্ণাঙ্গ আলোচনী প্ৰকাশৰ প্ৰথম পদক্ষেপ । ইয়াৰ আগতে আমি সৰস্বতী পুজা আৰু ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত নবাগত আদৰণি সভাত "ফেহুঁজালি"নামৰপ্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি আহিছো। উক্ত "ফেহুঁজালি" খন যোৱা ১৯৯৬ চনত প্ৰথম বাৰৰ বাবে প্ৰকাশ পায়। আলোচনী বিভাগৰ সম্পাদকৰ প্ৰকাশৰ ভাৰ লোৱাৰ পিছত আমি এখনি ৰুচিবোধক আলোচনী প্ৰকাশৰ কথা অনুধাৱন কৰো। সময়ৰ তাগিদাত ছাত্ৰ-ছাত্ৰীৰ অনুপ্ৰেৰণা আৰু চাৰ-বাইদেউ সকলৰ পৰামৰ্শ লৈ মুখপত্ৰ বিনন্দিয়া'ন প্ৰকাশ কৰিবলৈ মনোনিবেশ কৰিছোঁ। উল্লেখ কৰিব বিছাৰিছো যে মহাবিদ্যালয়ৰ পৰা এই বিনন্দিয়ান খনে হ'ব প্ৰথম আলোচনী। আলোচনী খনৰ নাম সম্পৰ্কত যোৱা ২০০৯ চনৰ ৪ এপ্ৰিলত আমাৰ সম্পাদনা সমিতিৰ সভাত আলোচনা ক্ৰমে মহাবিদ্যালয়ৰ মুখপত্ৰখনৰ নাম **"বিনন্দিয়ান"** ৰখা হ'ল। আলোচনী খন প্ৰকাশৰ বাবে বিভিন্ন জন শিক্ষাবিদ তথা গুণী ব্যক্তিৰ পৰা শুভেচ্ছা বাণী সংগ্ৰহ কৰা হৈছে। মহাবিদ্যালয়ৰ দাতা পৰিয়ালৰ বিশিষ্ট শিক্ষাবিদ তথা এমেৰিটাচ প্ৰফেচাৰ সন্মানীয় ড° জ্যোতিপ্ৰসাদ মেধি চাৰৰ পৰা পোৱা শুভেচ্ছা বাণীৰ লগতে তেওঁৰ দেউতাকৰ জীৱনী লিখি দিয়াৰ বাবে আমি নথৈ আনন্দিত হৈছো। ইয়াৰ লগতে আন আন লেখক সকলৰ পৰা পোৱা লিখনিসমূহে আমাক যথেষ্ট উৎসাহ যোগাইছে। সেয়েহে মহাবিদ্যালয়ৰ তৰফৰ পৰা আমি আটাইলৈ কৃত্বজ্ঞতা আৰু শলাগ যাচিছোঁ। এই ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰী



তথা ছাত্ৰ-ছাত্ৰী সকলৰ পৰা উন্নত মানৰ গল্প, কবিতা, জীৱনী, প্ৰৱন্ধ ইত্যাদি সময়ত পোৱাৰ বাবে আলোচনী প্ৰকাশৰ পথ সহজ হৈ পৰে। আলোচনী প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত অসুবিধা পোৱাত এক দিঘলীয়া সময় অনিচ্ছাকৃত ভাৱে আমি ল'ব লগা হৈছো। তাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষ, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰী ৰ ওচৰত ক্ষমা মাগিছো। মুখপত্ৰ বিনন্দিয়ানক সজাই পৰাই উলিওঁৱাত বিভিন্ন জনৰ পৰা পোৱা পৰামৰ্শ আমাৰ বাবে প্ৰেৰণাদায়ক হৈছে আৰু আলোচনীখন প্ৰকাশৰ পথত আগুৱাই যোৱাত আমি সচাঁকৈ আনন্দিত হৈছোঁ।

২০০৮-০৯ বৰ্ষৰ ভিতৰত আলোচনী প্ৰকাশ কৰাৰ ক্ষেত্ৰত যি প্ৰতিশ্ৰুতি দিছিলো যদিও প্ৰতিকুল পৰিবেশ, আনুসংঙ্গিক কিছু সমস্যাৰ বাবে যথা সময়ত প্ৰকাশ কৰিব নোৱাৰাত আমি ক্ষমা প্ৰাৰ্থী। পলমকৈ হ'লেও বিনন্দিয়ান প্ৰকাশ কৰাৰ ক্ষেত্ৰত চাৰ বাইদেউ তথা ছাত্ৰ-ছাত্ৰী সকলৰ পৰামৰ্শ সহায়, সহযোগিতা আগবঢ়োৱাৰ বাবে আমি শলাগ লৈছো। বিশেষকৈ সম্পাদনা সমিতিৰ তত্বাবধায়ক দ্বয় শ্ৰীযুত ভদ্ৰেশ্বৰ ডেকা আৰু শ্ৰীযুত জিতেন্দ্ৰ ডেকা চাৰৰ অক্লান্ত শ্ৰম আৰু পৰিকল্পনাৰে আলোচনী প্ৰকাশৰ দায়িত্ব লোৱাত আমি তেখেত সকলৰ ওচৰত চিৰ কৃতজ্ঞ। এই ছেগতে আলোচনী সম্পাদনা সমিতিৰ বিষয়ববীয়া সকল তথা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত অসিত কুমাৰ পাল ছাৰৰ সকলো ধৰণৰ দিহা পৰামৰ্শৰ বাবে আমি আটাইৰে ওচৰত শলাগ যাচিছোঁ। ছাত্ৰ একতা সভাৰ তত্বাবধায়িকা মাননীয়া শ্ৰীযুতা মীনা কুমাৰী দাস বাইদেউৰ সহায়-সহযোগ আমি পাহৰিব নোৱাৰো।

**'বিনন্দিয়ান'** প্ৰকাশৰ কাম কৰোতে অজানিতে হোৱা ভুল-ত্ৰুটিবোৰ পাঠক সকলে শুধৰাই গ্ৰহণ কৰিলে আমাৰ শ্ৰম সাৰ্থক হ'ব বুলি আশা ৰাখিছো। মহাবিদ্যালয়ৰ মুখপত্ৰ **'বিনন্দিয়ান'** দীৰ্ঘজীৱি হওঁক।

জয়তু বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া। জয়তু **'বিনন্দিয়ান'**।

*ইতি -*
*শ্ৰদ্ধাৰে*
*সম্পাদকদ্বয়*
*ইমৰাণ হুছেইন*
*গীতাঞ্জলী দাস*
*আলোচনী বিভাগ*

# তত্ত্বাৱধায়কৰ কলম...



সাহিত্য সমাজৰ এক দাপোন স্বৰূপ। পৃথিৱীত মানৱৰ সৃষ্টিৰ লগে লগে ভাষাৰো জন্ম হ'ল। এই ভাষা মানৱৰ হৃদয়ত বাজি থকা ভাৱ-অনুভূতি প্ৰকাশৰ মাধ্যম। কাল-ক্ৰমত এই ভাষা মানুহৰ বিজয়ৰ আনন্দ, সুখ-দুখ, হৰ্ষ-বিষাদৰ প্ৰকাশ হৈ মানৱ জাতিৰ জ্ঞান উৎকৰ্ষৰ সাহিত্য সৃষ্টিৰ মূল উৎস-হৈ পৰিল। ভাৰতীয় সাহিত্য যুগ যুগ ধৰি মহিয়ান হোৱাৰ থকাৰ মূলতে ৰামায়ণ আৰু মহাভাৰত নামৰ মহাকাব্য দুখনৰ শ্ৰেষ্ঠতাৰ কথা স্বীকাৰ কৰিবই লাগিব। মহাকাব্য দুখনৰ বিষয়-বস্তুয়ে ইতিমধ্যে ভাৰতবৰ্ষৰ কৌটিলোকৰ হৃদয় জয় কৰি সমগ্ৰ বিশ্ববাসীৰ হৃদয়ত ৰেখাপাত কৰি আজিও গৌৰৱান্বিত হৈ আছে। ই ভাৰতবাসীৰ বাবে গৌৰৱৰ বিষয়। জ্ঞান, বিজ্ঞান, দৰ্শন, অৰ্থনীতি, সমাজনীতি, ধৰ্মনীতি সকলোবোৰৰ উদ্ভৱ এই ভাৰত মাতৃৰ বুকুতে। ভাৰতীয় সাহিত্যৰ স্থান উচ্চ স্তৰলৈ যায়। ইয়াৰ ক্ৰমোন্নতিৰ ফল স্বৰূপে ভাৰত ৰাষ্ট্ৰৰ ৰাজ্য সমূহৰ ভাষা-সাহিত্য সংস্কৃতিৰ উৎকৰ্ষ হবলৈ ধৰাত জ্ঞান বিকাশৰ মাধ্যম গ্ৰন্থ, কাকত ,সংবাদ পত্ৰৰ ভূমিকা মন কৰিবলগা ।

আনুষ্ঠানিক ভাবে উচ্চ শিক্ষা গ্ৰহণ কৰা প্ৰধান মাধ্যম হ'ল মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহ। অসমৰ উচ্চ শিক্ষাৰ প্ৰথম খন মহাবিদ্যালয় হ'ল 'কটন কলেজ'। কুৰি শতিকাৰ প্ৰথমটি খোজত এই কলেজ স্থাপন হয় ১৯০১ চনত। এই মহান শিক্ষানুস্থানটিৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশ তথা মানসিক উৎকৰ্ষৰ মুখপাত্ৰ হৈ ওলায় কটন কলেজ নামটিৰে সম্পৰ্ক থকাকৈ 'কটনিয়ান'। কটনিয়ান' কটন কলেজৰ শিক্ষাৰ প্ৰসাৰৰ বাটকটীয়া হৈ আজিও সাক্ষী ৰূপে জীয়াই আছে।

কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ তীৰ্থ ক্ষেত্ৰৰ নগৰ ধৰ্মৰ ত্ৰিবেণী সঙ্গম ৰূপে খ্যাত হাজোৰ মণিকূট পৰ্বতস্থিত হয়গ্ৰীৱ মাধৱৰ পশ্চিমত অৱস্থিত বৃহত্তৰ কৃষি প্ৰধান অঞ্চল ৰামদিয়া। ৰামদিয়া অতি প্ৰাচীন আৰু ই ইতিহাস প্ৰসিদ্ধ। পাঁচশ বছৰ পূৰ্বে বৈষ্ণৱ গুৰু শ্ৰীশ্ৰীমাধৱদেৱে হাজোৰ ওচৰৰ পানীৰে আৱৰি থকা এই ৰামদিয়াৰ অঞ্চলৰ বালি চাপৰিত (ভঠেলিখোলা) ছমাহ কাল ছৈ দিয়া নাৱত বাহৰ পাতি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিব লয় আৰু অঞ্চলটিত তেতিয়াৰে পৰা সত্ৰ সংস্কৃতিৰ প্ৰভাৱ পৰি উৎকৰ্ষ হবলৈ ধৰিলে। মাধৱদেৱৰ পদৰেণুৰে ৰঞ্জিত হোৱা ৰামদিয়া সচাকৈয়ে এখন পূণ্যভূমিত ৰূপ ল'লে । বৰ্তমানে সত্ৰৰ সংখ্যা এই ৰামদিয়াত ত্ৰিশৰ ওপৰ পোৱা যায়।

সংস্কৃতি মানৱ জাতিৰ শিক্ষাৰ ক্ৰমোন্নতিৰ এক উৎকৃষ্ট ফচল। সত্ৰ সংস্কৃতিৰ প্ৰভাৱে ৰামদিয়া বাসীক আকৃষ্ট কৰাৰ ফলত ইয়াত শংকৰী, দামোদৰী, হৰিদেৱী আৰু চৈতন্যদেৱৰ ধৰ্মৰ মিলন ভূমি ৰূপে দেখা যায়। আধুনিক যুগৰ উনৈশ শতিকাত বৃটিছৰ শাসন কালত লৰ্ড উইলিয়াম বেন্টিং চাহাবৰ সময়চোৱাত অসমত আধুনিক শিক্ষাৰ প্ৰসাৰতা লাভ কৰে। বৃহত্তৰ হাজোৰ পাছতে বাৰিষাৰ ছমাহ কাল জলমগ্ন হৈ থকা এই ৰামদিয়াত আধুনিক শিক্ষাৰ ৰেঙণি পেলায়। ইয়াৰ ফলত ১৮৬৮ চনত ৰামদিয়াত ৰামদিয়া বালক বিদ্যালয় উচ্চ প্ৰাইমাৰী নামেৰে এখন বিদ্যালয় স্থাপন কৰে। এই খনে ৰামদিয়াৰ প্ৰথম বিদ্যালয়। বিদ্যালয় খন ৰামদিয়াৰ বৈদ্যপাৰাত অৱস্থিত। উক্ত বিদ্যালয়খন বৰ্তমানে এখন মজলীয়া বিদ্যালয় হিচাপে উন্নতি লাভ কৰে।

এই পুণ্যভূমি ৰামদিয়া হ'ল অসমৰ ভাষাবিদ প্ৰয়াত কালিৰাম মেধিৰ জন্মস্থান। ইয়াতে



শৈশৱৰ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি অসমৰ এগৰাকী নামজ্বলা প্ৰশাসনিক বিষয়া হিচাপে খ্যাতি লাভ কৰিছিল। এই গৰাকীয়ে হ'ল অসমৰ তৃতীয় গৰাকী এম.এ পাছ তথা অসম সাহিত্য সভাৰ তৃতীয় গৰাকী সভাপতি স্বনামধন্য প্ৰয়াত ভাষাবিদ কালিৰাম মেধি ডাঙৰীয়া । শিক্ষাৰ বাটকটীয়া প্ৰয়াত মেধি দেৱ আমাৰ চিৰ নমস্য।

বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰথম শিক্ষানুষ্ঠান। কুৰি শতিকাৰ শেষ দশকত এই অনুষ্ঠানটিৰ জন্ম হয়। সেয়া ১৯৯১ চনৰ ১৫ চেপ্তেম্বৰ কথা । ৰামদিয়াৰ কেইগৰাকীমান হিতাকাংক্ষীৰ উদ্যোগত ৰামদিয়াত এখন সভাৰ আয়োজন কৰি ৰাইজৰ মতামত লোৱা হ'ল । সেই মৰ্মে বৃহত্তৰ ৰামদিয়া মৌজাত ১৯৯২ চনৰ ১৩ আগষ্টৰ দিনা এই শিক্ষানুষ্ঠানটিৰ জন্ম হ'ল। মহাবিদ্যালয়খনৰ নাম আৰম্ভণিতে ৰাইজে ৰামদিয়া মহাবিদ্যালয় ৰাখিলে। এই নামেৰে মহাবিদ্যালয় খনে চাৰিটা বসন্ত পাৰ কৰাৰ পাচত ১৯৯৬ চনৰ অক্টোবৰৰ ২ তাৰিখে ৰামদিয়া মহাবিদ্যালয়ে অন্য এক নতুন নাম লোৱা সম্পৰ্কত অকণমান আমাৰ আলোচনাৰ জৰিয়তে পাঠক সমাজক অৱগত কৰিব বিচাৰিছোঁ। ৰামদিয়া অঞ্চলৰ কৃতি সন্তান তথা ওকালতিকে জীৱনৰ মহৎ বৃত্তি গ্ৰহণ কৰি জীৱন নিৰ্বাহ কৰা প্ৰয়াত বিনন্দি চন্দ্ৰ মেধি ডাঙৰীয়াৰ ৰামদিয়াৰ সুযোগ্য সন্তান তথা আন্তৰ্জাতিক খ্যাতি সম্পন্ন শিক্ষাবিদ, সন্মানীয় ড° জ্যোতি প্ৰসাদ মেধি দেৱৰ ভাতৃ সহ পৰিয়ালবৰ্গই ভূমি আৰু নগদ ধন আগবঢ়ায়। মেধি পৰিয়ালৰ সৈতেই তেওঁলোকৰ বংশৰ সহযোগী কেইটামান পৰিয়ালে ভূমিদান কৰে। এওঁলোক হ'ল স্বৰ্গীয় বিনোদ পাঢ়ে, ঁনবীন মেধি, ভূপেন চন্দ্ৰ মেধি, কামিনী মেধি ঁ অমৃত মেধি ঁ আনন্দি মেধি আৰু থানেশ্বৰ মেধি। মেধি পৰিয়ালৰ ভূমিদানৰ উপৰিও ৰামদিয়া নিবাসী শ্ৰীনাৰায়ণ ডেকা আৰু শ্ৰীকুশল ডেকাৰ পৰাও ভূমিদান পোৱা হয়। এখেতসকলৰ ভূমিদান আৰু আৰ্থিক দানে শিক্ষাৰ প্ৰতি এক আদৰ্শৰ দিশ নিৰ্ণয় কৰে। মেধি পৰিয়ালবৰ্গৰ উক্ত দান ৰাইজে আন্তৰিকতাৰে গ্ৰহণ কৰি ১৯৯৬ চনৰ ২ অক্টোবৰ তাৰিখে মহাবিদ্যালয়ত ৰাজহুৱা সভা পাতি ড° মেধিদেৱৰ দেউতাক স্বৰ্গীয় বিনন্দি চন্দ্ৰ মেধিৰ নামত মহাবিদ্যালয়খন আগবঢ়ায়। এই মহাবিদ্যালয়ে হ'ল বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়। তেতিয়াৰে পৰা ৰামদিয়া মহাবিদ্যালয় খন বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয় নামেৰে চিনাকি হৈ পৰিল। ড° জ্যোতি প্ৰসাদ মেধিৰ পৰিয়াল বৰ্গৰ সৈতে আন ব্যক্তি সকলৰ ত্যাগ আৰু মহানতাক আমি কেতিয়াও পাহৰিব নোৱাৰো। ই সদায় আমাৰ বাবে স্মৰণীয় হৈ থাকিব। দাঁতা পৰিয়ালবৰ্গলৈ কৃতজ্ঞতা প্ৰকাশ কৰিলো।

মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশৰ খেল-ধেমালিৰ লগতে সাহিত্য ,সংগীত কলা সংস্কৃতিৰ জ্ঞান উৎকৰ্ষৰ প্ৰকাশ মাধ্যম হ'ল এখন আলোচনী । অসমৰ প্ৰতিখন মহাবিদ্যালয়ৰ পৰা বহু সংখ্যক আলোচনী প্ৰকাশ হৈ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভাৰ স্বাক্ষৰ বহন কৰি আহিছে। অৱশ্যে চৰকাৰী কলেজ সমূহৰ ক্ষেত্ৰত আলোচনী খন ভাগ্যৰ বলতহে প্ৰকাশ পায় । চৰকাৰী নোহোৱা কলেজ এখনে আলোচনী প্ৰকাশ কৰাটো বৰ কষ্টকৰ । আমাৰ মহাবিদ্যালয় খনো তেনেকুৱা পৰিস্থিতিৰ মাজেৰে অতিবাহিত কৰি আছে। মহাবিদ্যলয় স্থাপন হ'বৰ আজি প্ৰায় বিশ বছৰ পাৰ কৰিলে । মহাবিদ্যালয় খনৰ ছাত্ৰ ছাত্ৰীয়ে বহু অভাৱৰ মাজেৰে পঢ়া শুনা কৰি নিজৰ প্ৰতিভা বিকাশৰ মাধ্যম কৰি ল'লে এখন প্ৰাচীৰ পত্ৰিকা (Wall Magazine) । সময় ১৯৯৬ চনৰ ডিচেম্বৰ মাহ । শিক্ষক ছাত্ৰ-ছাত্ৰী মিলি পত্ৰিকাৰ নাম ৰাখিলে 'ফেহুজালি'। উক্ত প্ৰাচীৰ পত্ৰিকা ফেহুজালি খন উন্মোচন কৰিছিল মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি প্ৰয়াত নিত্যানন্দ মেধি ডাঙৰীয়াই। সেইদিনা মেধিদেৱে 'ফেহুজালি' সম্পৰ্কে এক ৰসাল আৰু তত্বগধুৰ ভাষণ আগবঢ়াই ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আৰু শিক্ষকসকলক প্ৰেৰণা যোগাইছিল। ফেহুজালিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষকমণ্ডলীৰ সাহিত্য জগতৰ চিন্তা চৰ্চাত এক নতুন দিগন্তৰ সূচনা কৰে। ফেহুজালীয়ে মহাবিদ্যালয়ৰ ভাষা সাহিত্যৰ প্ৰধান বাটকটীয়া হৈ আজিও সাক্ষী হৈ আছে।

২০০৮ চনৰ নবেম্বৰ মাহ। আমাৰ গাতেই মহাবিদ্যলয় খনৰ পৰা প্ৰকাশ হ'ব লগা আলোচনী খনৰ তত্বাৱধায়কৰ নিচিনা গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰা হয় । মহাবিদ্যালয়ৰ পৰা এই মুখপত্ৰ খন প্ৰথম প্ৰকাশ হব। মহাবিদ্যালয়ৰ বয়স হলেও অনুষ্ঠানটিৰ হব ই নতুন মুখপত্ৰ। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীগৌতম মেধি আৰু আলোচনী বিভাগৰ সম্পাদক ইমৰান হুছেইন ।



এওঁলোকে উৎসাহ যোগালে, লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষক কৰ্মচাৰী তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ পৰা পালো যথেষ্ঠ প্ৰেৰণা। পূৰ্বৰ তত্ত্বাৱধায়ক সকলে সংগ্ৰহ কৰা কিছু প্ৰৱন্ধৰাজি আমি পাই আমাৰ যাত্ৰা পথত অগ্ৰসৰ হলোঁ। আমাৰ কাৰ্যকালত দুটা বৰ্ষ পোৰা হৈছে। ২০০৯-১০ বৰ্ষৰ সাধাৰণ সম্পাদক হ'ল— শ্ৰীমান উৎপল ডেকা আৰু আলোচনী সম্পাদিকা গীতাঞ্জালি দাস। এওঁলোকৰ উৎসাহ যথেষ্ট প্ৰশংসনীয়।

**মুখপত্ৰৰ নাম**

বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ মুখপত্ৰ খনৰ নামটি সম্পৰ্কে চিন্তা চৰ্চা কৰা হ'ল। ছাত্ৰ একতা সভা সহ সম্পদনা সমিতিয়ে আলোচনাত বহি চিন্তা চৰ্চা কৰি মুখপত্ৰৰ নামাকৰণ কৰা হ'ল "বিনন্দিয়ান"। বিনন্দিয়ান নামটি মহাবিদ্যালয়ৰ নামটিৰ সৈতে সম্পৰ্ক ৰাখি কৰা হ'ল।

**মহাবিদ্যালয়ৰ প্ৰতীক**

মহাবিদ্যালয় এখনৰ প্ৰতীক অঙ্গস্বৰূপ। আৰম্ভণীৰে পৰা বহুবাৰ যত্ন কৰিও এটা প্ৰতীক তৈয়াৰ কৰা হোৱা নাছিল। সেয়ে সম্পাদনা সমিতিযে এটা প্ৰতীকৰ পৰিকল্পনা আমাৰ ওপৰত দায়িত্ব দিয়ে। প্ৰতীকৰ বিষয়ে তত্ত্বাৱধায়ক শ্ৰীভদ্ৰেশ্বৰ ডেকাদেৱে পৰিকল্পনা কৰে আৰু তেওঁৰ পৰিকল্পনাকে মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীমান শংকৰ বৈশ্যই অংকন কৰি দিয়ে। প্ৰতীকটি পৰিচালনা সমিতি আৰু মহাবিদ্যালয়ৰ ৰাজহুৱা সভাই গ্ৰহণ কৰে। প্ৰতীকটি হৈ উঠাত মহাবিদ্যলয় খনৰ এক সৌন্দৰ্য্য হৈ পৰিল।

আলোচনী প্ৰকাশৰ দিশত এখোজ দুখোজ কৈ কামবোৰ কৰি গৈ আছো। সময় আহে সময় যায় । মহাবিদ্যালয়ৰ বিভিন্ন দিশত আমি জড়িত থকাত আৰু প্ৰবন্ধ পাতিৰ লেখা সময় উপযোগী মতে নোপোৱাত আলোচনী খন প্ৰকাশ কৰাত বহুতো পলম হৈছে। এই পলম আমাৰ অনিচ্ছাকৃত । ইয়াৰ বাবে ছাত্ৰ -ছাত্ৰী তথা ৰাইজৰ ওচৰত মাৰ্জনা বিচাৰিছোঁ।

**বেটুপাত**

বেটুপাত গ্ৰন্থ এখনৰ প্ৰধান অলংকাৰ স্বৰূপ। মহাবিদ্যালয়ৰ মুখপত্ৰ 'বিনন্দিয়ান'ৰ বেটুপাতৰ পৰিকল্পনাৰ ভাৰ তত্বাবধায়ক শ্ৰী জিতেন্দ্ৰ ডেকাক দিয়াত তেওঁ বেটুপাতৰ পৰিকল্পনা কৰি সজাই তোলে।

**এটুপি চকুলো**

মহাবিদ্যালয়ৰ জন্মলগ্নেৰে পৰা জড়িত থাকি গুৰু দায়িত্ব লৈ বা যিসকল হিতাকাংক্ষী লোক তথা অনুষ্ঠানটিৰ ছাত্ৰ-ছাত্ৰীয়ে অকালতে মৃত্যুক সাৱটি লৈ ইহসংসাৰৰ পৰা চিৰদিনলৈ আঁতৰি গ'ল, তেওঁলোকৰ পুণ্যাত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত এটুপি চকুলোৰে প্ৰাৰ্থনা জনালোঁ। ইয়াৰ লগতে অসমৰ বিশিষ্ট সাহিত্যসেৱী লেখক-সাহিত্যিক, সাংবাদিক, বুদ্ধিজীৱি তথা দেশ-বিদেশৰ ৰাজনৈতিক সংঘাতত, প্ৰাকৃতিক দুৰ্যোগত (ভাৰত, ইণ্ডোনেছিয়া, ইৰাক, জাপান আদি) মৃত্যুবৰণ কৰা লোকসকললৈ শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

মহাবিদ্যালয়ৰ বহুদিনীয়া আশাৰ ফচল **'বিনন্দিয়ান'**। **'বিনন্দিয়ান'** ৰ এই প্ৰথম সংখ্যাটি অসমৰ তিনিগৰাকী বৰেণ্যে বিশিষ্ট লেখক-সাহিত্যিক, সংগীত জগতৰ শ্ৰেষ্ঠ শিল্পী ড° ভূপেন হাজৰিকা, ড° মামণি ৰয়ছম গোস্বামী আৰু সৌৰভ কুমাৰ চলিহাৰ নামত উছৰ্গা কৰিছোঁ। **'বিনন্দিয়ান'**ত এই বৰণ্যে ব্যক্তিতিনিগৰাকীৰ তিনিটা লিখনি সজীৱ কৰি ৰখাৰ প্ৰয়াস কৰিলো...নতুন প্ৰজন্মৰ বাবে।

**কৃতজ্ঞতা**

মহাবিদ্যালয়ৰ মুখপত্ৰ খন প্ৰথম বাৰলৈ প্ৰকাশ কৰিব ওলোৱাত মহাবিদ্যালয়ৰ নামৰ লগত সঙ্গতি ৰাখিবলৈ প্ৰয়াত বিনন্দি চন্দ্ৰ মেধি দেৱৰ নামত এটি লিখনিৰ প্ৰয়োজন হয়। উক্ত লিখনি মাননীয় ড° জ্যোতিপ্ৰসাদ মেধি চাৰক লিখিবলৈ আমি অনুৰোধ জনোৱাত তেখেতে বৰ আগ্ৰহেৰে ইয়াক গ্ৰহণ কৰে।সময়ত ড°মেধি চাৰে **বিনন্দিয়ান**ৰ বাবে



দেউতাকৰ নামত জীৱনীটি বহু কষ্ট আৰু বহু ব্যস্ততাৰ মাজেৰে লিখি আগবঢ়োৱাত আমি বৰ সুখী হৈছো। আনহাতে ড° মেধি চাৰ আলোচনী খনৰ মুখ্য উপদেষ্টা। বহু ব্যস্ততাৰ মাজেৰে ড° মেধি চাৰে সময়ে সময়ে বিনন্দিয়ান প্ৰকাশৰ বাবে দিহা পৰামৰ্শ আগবঢ়ায়। দুই-চাৰিটা প্ৰৱন্ধ পাতিও চাই মেলি দিয়ে। **বিনন্দিয়ানৰ** অতিথি লেখক সকলৰ ভিতৰত বি. বৰুৱা কলেজৰ প্ৰাক্তন মুৰব্বী অধ্যাপক সন্মানীয় শ্ৰীযুত ভগগিৰী ৰায়চৌধুৰী, ড° নৱীন চন্দ্ৰ শৰ্মা, ড°প্ৰবীণ চন্দ্ৰ দাসদেৱৰ লিখনীয়ে আমাক যথেষ্ট উপকৃত কৰি তুলিছে। আমাৰ এই সংখ্যাত প্ৰগতিবাদী কবি নীলিম কুমাৰৰ এটি কবিতাও পাঠক সমাজলৈ আগবঢ়োৱা হ'ল। ইয়াৰ বাবে তেখেতসকললৈ কৃতজ্ঞতা প্ৰকাশ কৰিছো। এই ছেগতে আমাৰ মহ্যাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী সহ ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ পৰা পোৱা কবিতা, প্ৰৱন্ধ, গল্প আদিয়ে আমাক যথেষ্ট সহায় কৰিছে। সমূহ লেখক-লেখিকালৈ শলাগ যাচিছোঁ । এইবোৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে সাহিত্য সাধনাত অনুপ্ৰেৰণা যোগাব। মহাবিদ্যালয়ৰ মুখপত্ৰ হিচাপে বিনন্দিয়ান প্ৰকাশ কৰিব খোজা প্ৰথম প্ৰচেষ্টা। মুখপত্ৰৰ সম্পাদনা সমিতিৰ প্ৰতিগৰাকী বিষয়ববীয়া সদস্যৰ পৰা পোৱা দিহা-পৰামৰ্শই আমাক অনুপ্ৰাণিত কৰি তুলিছে আৰু মহাবিদ্যালয় সম্পৰ্কীয় বিষয়ৰ তথ্যপাতি সংগ্ৰহত সহায় হৈছে। ইয়াৰ ভিতৰত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰাক্তন সম্পাদক আৰু সভাপতি মাননীয় শ্ৰীযুত নাৰায়ণ চন্দ্ৰ তালুকদাৰ, প্ৰাক্তন সম্পাদক অতুল চন্দ্ৰ কাকতিৰ লগতে প্ৰাক্তন সহকাৰী সম্পাদক চফুৰ আলী, কমলেশ্বৰ মেধি, প্ৰাক্তন সম্পাদক বৰুণ চন্দ্ৰ তালুকদাৰ আৰু ৰজত চন্দ্ৰ ভৰালী আদিৰ পৰা পোৱা সহায়-সহযোগ পাহৰিব নোৱাৰোঁ।

এই ছেগতে **'ভায়োলিনা গ্ৰাফিক্স'**ৰ স্বত্বাধিকাৰী ভূপেন দাসে দায়িত্ব লৈ ছপা কামখিনি কৰি দিয়াত গ্ৰাফিক্সৰ কৰ্মচাৰী-উপেন, প্ৰতিমা, উৎপল, ৰুবুল আৰু নিভা কলিতাৰ সহযোগৰ শলাগ লৈছোঁ।

শেষত মহাবিদ্যালয়ৰ আলোচনী **'বিনন্দিয়ান'** খন প্ৰকাশ কৰাত নিৰ্দ্ধাৰিত সময়তকৈ বহু পলম হ'ল। সেয়েহে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীৰ ওচৰত মাৰ্জনা বিচাৰিছোঁ । লগতে **'বিনন্দিয়ান'**খনত ৰৈ যোৱা ভুল-ক্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি গঠনমূলক দিহা-পৰামৰ্শৰে আমাক ভৱিষ্যতে আগুৱাই যোৱাত সহায় কৰে যেন। আশা কৰিছোঁ পঢুৱৈ সমাজে **'বিনন্দিয়ান'**খন মৰমেৰে আকোঁৱালি ল'ব।

।। জয়তু বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়।।

**জয়তু 'বিনন্দিয়ান'**

**তত্ত্বাৱধায়ক, বিনন্দিয়ান**

চিন্তাশিল্প

# দেউতা বিনন্দি চন্দ্ৰ মেধিৰ সোঁৱৰণত

ড° জ্যোতিপ্ৰসাদ মেধি
ইমেৰিটাছ প্ৰফেছাৰ
গুৱাহাটী বিশ্ববিদ্যালয়

১৮৯৭ চনত ১২ জুনৰ দিনা ভাটিবেলা অসমত এটা ডাঙৰ ভূমিকম্প হৈছিল। মানুহ আৰু ঘৰবাৰী কম থকা বাবে অসমত ডাঙৰ দুৰ্যোগ হোৱা নাছিল। নদীৰ সোতৰ পৰিবৰ্ত্তন হৈছিল। লাহে লাহে সাম কাটিছিল যদিও মাজে মাজে জোকাৰণি কেইবা দিনলৈ আছিল। সেই সময়ত বিনন্দি চন্দ্ৰ 'আইতাৰ-বাপা' এখোজ দুখোজ দিছিল মাত্ৰ - মাটিত বাৰে বাৰে ধপ ধপকৈ পৰিছিল। বাপাৰ মা অৰ্থাৎ আমাৰ আইতাৰ মুখত শুনা কথা। আইতাৰ চিন্তাৰ অন্ত নাছিল- বাপাৰ পাছে পাছে ঘূৰি ফুৰিছিল। তেওঁ এখোজ দুখোজ দিছিল মাথো অৰ্থাৎ এবছৰীয়াও নহয়। বিনন্দি চন্দ্ৰৰ জন্ম হৈছিল ১৮৯৬ চনৰ ৪ আগষ্ট তাৰিখে ৰামদিয়া মাজৰকুৰি "পাঢ়ে" পৰিয়ালত। এই পৰিয়ালটো একান্নবৰ্ত্তি যৌথ পৰিয়াল আছিল ১৯২৮ চনলৈকে।

"পাঢ়ে" নামৰ আন কোনো পৰিয়াল ৰামদিয়াত থকাৰ কথা শুনা নাছিলো। কেনেকৈ এনে উপাধি পালে বুজা নাযায়। এই "পাঢ়ে" পৰিয়ালত এজন পিছলৈ বোধহয় হয় নামঘৰৰ "মেধি" হৈছিল আৰু সেই সূত্ৰে পৰিয়ালৰ বহুতো সতি সন্ততি পিছলৈ "পাঢ়ে"ৰ পৰিৱৰ্তে মেধি উপাধি লৈছিল।

ৰামদিয়াৰ মানুহৰ আচাৰ বিচাৰ কামৰূপৰ আন গাঁৱৰ মানুহৰ পৰা কিছু বেলেগ যেন অনুমান হয়। ভাষাটো সম্পূৰ্ণ নহলেও বহুতো পৃথক। এটা কথা ঠিক ৰামদিয়াৰ মানুহবোৰ আৰু তাৰে পাঢ়ে পৰিয়াল লোক বৰ Adventurous আছিল। বহুতো মানুহ ৰামদিয়াৰ পৰা উঠি গৈ উজনি অসমত "পাম" ধৰি পিছলৈ খেতি আৰু বেপাৰ-বণিজ কৰি উজনিতে বসতি কৰিবলৈ লৈছিল। ৰামদিয়াৰ মনুহ কেতিয়াৰ পৰা উজনিত বসতি কৰিব লৈছিল সেই সম্পৰ্কে সঠিক জনা নাযায়। তেওঁলোকৰ পূৰ্ব পুৰুষ অসমৰ বাহিৰৰ পৰা আহি ৰামদিয়াত বসতি কৰিছিল। পাঢ়ে ডাঙৰ পৰিয়াল আছিল, আৰ্থিক অৱস্থা স্বচ্ছল আছিল আৰু পাঢ়ে পৰিয়ালৰ এটা ডাঙৰ বেহা আছিল। এই বেহা উজনিৰ ব্ৰহ্মপুত্ৰ আৰু দিচাং নৈৰ সঙ্গম দিচাংমুখত। ৰামদিয়াৰ পৰা নাওঁ মেলি তালৈ অহা যোৱা কৰিছিল কেইজনমান মতা মানুহ, তেওঁলোকৰ স্ত্ৰী-পৰিয়াল আৰু আন ডেকা লৰাৰ সৈতে তাতে কিছুদিনৰ বাবে বসবাস কৰি বাণিজ্য চলাইছিল। সেইদৰে কিছুদিন থকাৰ পিছত পৰিয়ালৰে আন কিছুমান গৈ তাত বেপাৰ চলাইছিল। এইদৰে বহুত বছৰ ধৰি তেওঁলোকৰ দিচাংমুখত বেপাৰ বাণিজ্য চলি আছিল। তাত তেওঁলোকে বেতৰ মহল ডাকি লৈছিল আৰু বেতবোৰ ঠিক ভাবে উঠাই সেইবোৰ বিক্ৰী কৰিছিল ডিব্ৰুগড়ৰ বেতৰ ব্যৱসায় কৰা মানুহক। তেওঁলোকে বেতৰ টুকুৰি কৰিছিল। চাহ বাগিচাবোৰৰ বাবে চাহপাত তোলা টুকুৰি কৰিছিল। দিচাং মুখৰ পৰা ডিব্ৰুগড়লৈ ব্ৰহ্মপুত্ৰয়েদি সহজে অহা যোৱা কৰিব পাৰিছিল। ঘূৰি অহোঁতে ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতত যাত্ৰা সহজ আছিল যদিও ব্ৰহ্মপুত্ৰৰ সোঁতৰ বিপৰীতে দিচাংমুখৰ পৰা ডিব্ৰুগড় লৈ যোৱাত অলপ সময় লাগিছিল। পাঢ়ে পৰিয়ালৰ তাত এখন সকলো সামগ্ৰী থকা দোকান আছিল। তেওঁলোকে তাত থকা বিশেষকৈ মিচিং সম্প্ৰদায়ৰ মানুহৰ পৰা বহুতো সহায়ো পাইছিল। এনে বনিজ কেতিয়াৰ পৰা চলিছিল সঠিককৈ নাজানো। কিন্তু দেউতা বিনন্দি চন্দ্ৰই কোৱা মতে তেখেতে সৰু থাকোতে বঙলা ভাষাত ১৩০০ সালৰ হিচাব লিখাৰ বহী (ৰঙাখাটা হিচাবৰ বহী) দেখা মনত পৰাৰ কথা কৈছিল। অৰ্থাৎ আজিৰ পৰা প্ৰায় ১১৫-১২০ বছৰ আগৰ। অনুমান হয়, ১৮৯০ ৰ দহকত ৪০-৫০ (১৮৮০-১৯২৫ চনলৈ) বছৰ মান হয়। এনে ভাৱে দিচাংমুখ পাঢ়ে পৰিয়ালৰ প্ৰায় থকাৰ ঠাই আছিল। ৰামদিয়াত অসমীয়া মাধ্যমৰ উচ্চ প্ৰাইমেৰি আৰু মধ্যবৃত্তি মানলৈ পঢ়া প্ৰথম বিদ্যালয় খন স্থাপিত হৈছিল প্ৰায় ১৮৬৮ চনত। পাঢ়ে পৰিয়ালৰ প্ৰায় সকলো মতা মানুহ এই স্তৰলৈ পঢ়া শুনা কৰি সুন্দৰকৈ বেপাৰ বণিজ চলাই যাব পাৰিছিল। এনেদৰে এদিন প্ৰায় ১৯০৩ চনৰ পিচত এখন নাও ৰামদিয়াৰ পৰা ৰামদিয়াৰ মৰা সুঁতিৰে ব্ৰহ্মপুত্ৰয়েদি দিচাংমুখলৈ যোৱাৰ আয়োজন চলিছিল। বিনন্দি চন্দ্ৰ তেতিয়া প্ৰায় ৫/৬ বছৰ বয়সৰ। কিছুদিন পিছত ৰামদিয়াৰ স্কুলত

ভৰ্ত্তি হোৱাৰ কথা। বিনন্দি চন্দ্ৰ যোৱাৰ কথা নাছিল-পৰিয়ালৰ আনৰ লগত। নাওঁখন যোৱাৰ আয়োজন দেখি-যাবৰ দিনা তেওঁ নাও খনত উঠি এচুকত মনে মনে বহি আছিল। অৱশেষত নাও যোৱাৰ উপক্ৰম হ'ল। বহুতো বুজাই বঢ়াইও তেওঁক নাওৰ পৰা পাৰলৈ যাবলৈ সন্মত কৰাব নোৱাৰিলে। শুভক্ষণ আহিপৰিল-নাওয়ে যাত্ৰা আৰম্ভ কৰিলে। পাৰত আইতাৰ কান্দোন। নাওৰ আন বিলাকে শুভ মুহুৰ্ত্তৰ কথা মনত কৰি তেওঁক শুৱালকুছিত নমাই থব বুলি কৈ নাও এৰি দিলে। শুৱালকুছিতো বিনন্দি চন্দ্ৰক নাওৰ পৰা নমাব নোৱাৰিলে। পৰিয়ালৰ আন তিৰোতা সকলে ক'লে ইমান যাব খুজিছে যেতিয়া তেওঁক তেওঁলোকে লৈ যাওঁক। তিৰোতা সকলৰ কথাই ৰ'ল। সেই সময়ত মা-দেউতাকক ৰামদিয়াত এৰি থৈ পৰিয়ালৰ আনৰ লগত দিচাংমুখৰ ঘৰলৈ গ'ল বিনন্দি চন্দ্ৰ নামৰ সৰু ল'ৰাটি (মোৰ দেউতা)।

দিচাংমুখত অলপ দিন থকাৰ পিছত বিনন্দি চন্দ্ৰৰ এটা সমস্যা হ'ল। তেতিয়া বিনন্দি চন্দ্ৰৰ স্কুল আৰম্ভ কৰাৰ কথা। পৰিয়ালৰ আন জ্যেষ্ঠ লোকে বিনন্দি চন্দ্ৰৰ আচাৰ বিচাৰত সন্তুষ্ট হৈ তেওঁক লগত ৰখাৰ কথা ভাবিলে। কিন্তু পঢ়াশালি তাৰ ওচৰত নাই। এটা ব্যৱস্থা কৰিবলগীয়া হ'ল। গাঁৱতে মিছিং সম্প্ৰদায়ৰ মধ্যবৃত্তি পাছ কৰা এজন মানুহ আছিল— এবেবাৰে অকলশৰীয়া। মাজে মাজে আমাৰ দোকানলৈ আহি হিচাপ ৰখাত সহায় কৰিছিল। মধ্যবৃত্তি পাছ মানুহে পাঠশালৰ শিক্ষক হব পাৰে। উপায় ওলাল, এটা ঘৰ সাজি দোকানৰ ওচৰতে পাঠশালা এখন স্থাপন কৰি দিলে। পৰিয়ালটিয়ে শিক্ষকজনৰ থকা খোৱাৰ সকলো ব্যৱস্থা কৰি দিলে। শিক্ষকজনেও ভালেই পালে। স্কুলত গাঁৱৰ আন লৰা ভৰ্ত্তি কৰি সম্পূৰ্ণ পাঠশালা পাতি দিলে। বিনন্দি চন্দ্ৰৰ তাতে বিদ্যাৰম্ভ। দুবছৰ মান তাত পঢ়া শুনা' কৰি গাঁৱলৈ ঘূৰি অহাৰ পিছতহে ৰামদিয়াৰ স্কুলত ভৰ্ত্তি হয়। প্ৰাইমেৰি পাছ কৰিলে। পঢ়াশুনাত বৰ মন থকা বাবে বিনন্দি চন্দ্ৰক পৰিয়ালৰ জ্যেষ্ঠ লোকে ইংৰাজী পঢ়াবলৈ মন কৰিলে। পাঢ়ে পৰিয়ালৰ তেওঁ হ'ল প্ৰথম ইংৰাজী পঢ়া ছাত্ৰ। পিছত তেওঁক গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত নাম লগাই দিলে। কিন্তু পৰিয়ালৰ গুৱাহাটীৰ লগত বেছি অহা যোৱা নাছিল। তেওঁলোকে বিনন্দি চন্দ্ৰক ডিব্ৰুগড়ৰ ইৰাজী স্কুলত পঢ়াবলৈ মন কৰিলে। কাৰণ দিচাংমুখৰ পৰা ডিব্ৰুগড়ৰ লগত তেওঁলোকৰ সঘনে আহ-যাহ চলে। তেতিয়া ডিব্ৰুগড়ত দুখন ইংৰাজী হাইস্কুল আছিল। গভৰ্ণমেন্ট হাইস্কুল আৰু জৰ্জ ইষ্টিটিউট। এই জৰ্জ ইষ্টিটিউট স্কুলৰ প্ৰধান শিক্ষক তেতিয়া ককা বাগ্মীবৰ নীলমনি ফুকন আছিল আৰু আন শিক্ষকৰ ভিতৰত গ্ৰেজুৱেট লক্ষেশ্বৰ বৰুৱা, চন্দ্ৰকান্ত দত্ত পিছলৈ নামকৰা মানুহ আছিল। দুয়োজনে পিছত ওকালতি কৰিছিল। বৰুৱা কংগ্ৰেছী আছিল, জেইল খাটিছিল। পিছলৈ স্বাধীনতাৰ পিছত লক্ষেশ্বৰ বৰুৱা বিধান সভাৰ অধ্যক্ষ হৈছিল। সংস্কৃতৰ শিক্ষক দুজন, এজন ধীৰেশ্বৰ ভট্টাচাৰ্য্য, ঘৰ ৰঙিয়াত আৰু আনজন বঙালী। (তেখেত সকলৰ লগত বিনন্দি চন্দ্ৰই যোগাযোগ ৰক্ষা কৰি আহিছিল)। তেখেত সকলৰ চেষ্টাত স্কুলখন ভাল স্কুল হ'লগৈ। আন এটি কথা- হাইস্কুল খন ব্ৰহ্মপুত্ৰৰ পাৰতে, তদুপৰি এখন প্ৰাইভেট স্কুল। ব্ৰহ্মপুত্ৰৰ পাৰত স্কুলৰ মাটিতে এটা বাহা সাজি দি বিনন্দি চন্দ্ৰক তাতে পঢ়িবলৈ দিলে। "বাহা" ত আন দুজন বাহিৰৰ পৰা অহা ছাত্ৰও থাকিবলৈ ল'লে। দেউতাই কোৱা মতে "বাহা"টো সজাৰ বাবে খুটা, মাৰলি, খেৰৰ চাল, বাহৰ-বেঢ় আদি দিচাংমুখতে তৈয়াৰ কৰি নাওত উঠাই এদিন হাই স্কুলৰ পথাৰত "বাহা"টো থিয় কৰাই দিছিল। বিনন্দি চন্দ্ৰই তাত পঢ়িবলৈ ল'লে। মাজে মাজে বন্ধত দিচাংমুখলৈ অহা যোৱা কৰে। ঘৰৰ নাওত উঠি প্ৰায় দিচাংমুখলৈ ভটিয়াই যায়। কিন্তু উজাই যোৱাত সময় লগা বাবে খোজ কাঢ়িহে দিচাংমুখৰ পৰা ডিব্ৰুগড় পায় (নৈৰ পাৰে পাৰে গাঁৱৰ ভিতৰে ভিতৰে প্ৰায় ২৫ মাইল মান হব)। প্ৰায়েই ৰাতিটো মাজৰ এখন মাৰোৱাৰী দোকানৰ বাৰাণ্ডাত কটাইছিল। তেনে সময়ত ঠায়ে ঠায়ে গাওঁত মাৰোৱাৰী দোকান আছিল। তেওঁলোকে গাঁৱৰ ধান, মাহ, সৰিয়হ আদি শস্য গোটাই গৰু গাড়ীৰে চহৰ বোৰত যোগাইছিল। এতিয়া অৱশ্যে তেনে দোকান নাই।

এটা কথা বিশেষ মন কৰিব লগীয়া-তেতিয়া গাঁৱৰ মানুহ প্ৰায়েই নিৰক্ষৰ আছিল। বিনন্দি চন্দ্ৰ পঢ়াশুনাত বৰ মন থকাৰ বাবে বাধা বিঘিনি অতিক্ৰম কৰি পঢ়া শুনা কৰিছিল। সেই সময়ত শিক্ষাৰ ক্ষেত্ৰত হে কেইজনমান লেখত লব পৰা আছিল। ৰামদিয়াৰ কালিৰাম মেধিয়ে বহু কষ্ট কৰি পঢ়িছিল। গুৱাহাটীৰ পৰা অসমৰ প্ৰথমহে ১৮৯৭ চনত প্ৰৱেশিকা পাছ কৰি উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যোৱাত ডাঙৰ ঘটনা-এটা ঘটে। এইটো এটা Achievement হে তেখেতৰ বাবে। কালিৰামৰ বৰদেউতাক ধৰম মেধিয়ে তেখেতক পঢ়া শুনাত উৎসাহ দি কলিকতালৈ উচ্চ শিক্ষাৰ বাবে পঠাইছিল। তেতিয়াও কটন কলেজ স্থাপিত হোৱা নাছিল। বিনন্দি চন্দ্ৰৰ ক্ষেত্ৰতো বাতাবৰণ বৰ বেছি পৰিৱৰ্ত্তন নাছিল। হয়তো সামান্য ভাৱে উন্নত হৈছিল যদিও ৰামদিয়াৰ পৰা কলেজত গৈ পঢ়াটো এটা উল্লেখনীয় কথা আছিল। বিনন্দি চন্দ্ৰ পঢ়াত বৰ আগ্ৰহী আৰু মনোযোগী আছিল। ডিব্ৰুগড়ৰ পৰাই ১৯১৯ চনত বিনন্দি চন্দ্ৰই প্ৰৱেশিকা পৰীক্ষাত বহে আৰু প্ৰথম বিভাগত কৃতিত্বৰে প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। পৰিয়ালৰ আৰ্থিক অৱস্থা যথেষ্ট টনকিয়াল আছিল। সেইবাবে এনে পঢ়া শুনাত মন থকা মেধাবী ছাত্ৰ বিনন্দি চন্দ্ৰক কলেজত পঢ়োৱাত অসুবিধা নহ'ল আৰু

সকলোৱে তাকে ইচ্ছা কৰিলে। এইখিনিতে এজন তেওঁৰ বৰদেউতাকৰ পুত্ৰ ককায়েক সুখমল পাড়ৈৰ কথা উল্লেখ কৰা উচিত। তেখেতে মধ্যবৃত্তি পাছ কৰা হলেও বৰ জ্ঞানী আৰু দূৰদৰ্শী আছিল। বিনন্দি চন্দ্ৰ পঢ়া শুনাত ভাল আছিল বাবে তেওঁ যিমান পঢ়িব খোজে পঢ়াবলৈ তেওঁ ঘৰৰ আনবোৰক টানি ধৰিছিল আৰু ভায়েক বিনন্দি চন্দ্ৰক উৎসাহ দি আহিছিল। সেইবছৰতে বিনন্দি চন্দ্ৰৰ দেউতাকৰ মৃত্যু হৈছিল। যৌথ পৰিয়ালৰ কাৰণে বিনন্দি চন্দ্ৰৰ পঢ়াশুনাত অকণো বাধ্য নহ'ল।

কটন কলেজত আই. এ. (এতিয়াৰ উচ্চ মাধ্যমিক কলাৰ সম পৰ্য্যয়ৰ) ক্লাচত বিনন্দি চন্দ্ৰ ভৰ্তি হ'ল আৰু মনোযোগেৰে পঢ়াশুনা কৰি ১৯২১ চনত প্ৰথম বিভাগত (এইবাৰো গণিতত লেটাৰ সহ) উত্তীৰ্ণ হয়। তাৰ পিছত গণিত শাস্ত্ৰত অনাৰ্ছ লৈ কটন কলেজতে বি. এ. শ্ৰেণীত নাম লগায়। কটন কলেজ স্থাপিত ১৯০১ চনত। তেতিয়াৰ কলিকতা বিশ্ব্যবিদ্যালয়ৰ এখন খ্যাতনামা কলেজ-কলিকতাৰ বিখ্যাত প্ৰেছিডেঞ্চি কলেজৰ পিছতে কটন কলেজ। এই কলেজতে প্ৰথম জন অধ্যক্ষ আছিল চুডমাৰ্ছন চাহেব। তেখেতে ইংৰাজীৰ উপৰিও সেইদৰে Physics, Chemistry, Econamics বেছি ভাগেই শিকাইছিল। পণ্ডিত বঙালী মানুহো অধ্যাপক হৈ আহিছিল। সূৰ্য্যকুমাৰ ভূঞা (১৯১৫ চনত) প্ৰথম অসমীয়া অধ্যাপক আছিল। তেওঁৰ পাছতে বাণী কান্ত কাকতি (১৯১৭ চনত) দ্বিতীয় জন অসমীয়া অধ্যাপক। দু য়ো ইংৰাজী বিষয়ৰ। গণিত শাস্ত্ৰৰ প্ৰফেচাৰ আছিল তীখৰ পণ্ডিত ৰজনী কান্ত বৰাট আৰু হৰ্ষনাথ সেন। প্ৰথমতে দুইজন ছাত্ৰ আছিল যদিও পিছলৈ বিনন্দি চন্দ্ৰই একমাত্ৰ ছাত্ৰ আছিল। গণিতৰ অনাৰ্ছ ক্লাছত তেখেত সকলে Board লৈ নগৈ বিনন্দি চন্দ্ৰৰ বহীতে অঙ্কবোৰ কৰি দি বুজাই দিছিল। এইদৰে দুবছৰৰ পিছত ১৯২৩ চনত বিনন্দি চন্দ্ৰই বি. এ. পাছ কৰে। তেতিয়া তেওঁৰ বয়স হৈছিল-২৭ বছৰ। বিনন্দি চন্দ্ৰৰ সমসাময়িক এজন আছিল। তেওঁৰ নাম সুকুমাৰ বসু। তেওঁ গণিত বিভাগৰ অনাৰ্চৰ ছাত্ৰ আছিল, পিছলৈ তেওঁ আৰু ডাঙৰ I.C.S. চৰকাৰী বিষয়া হয়। বসুৰ লগত বিনন্দি চন্দ্ৰৰ ভাল সম্পৰ্ক আছিল।

পণ্ডিত কালি ৰাম মেধিৰ ঘৰো ৰামদিয়া গাঁৱত। তেখেতৰ জন্ম ১৮৭৮ চনত। তেখেত অসমৰ তৃতীয় গৰাকী এম.এ পাছ (১৯০৩) মানুহ। প্ৰথমজন ৰাধা নাথ ফুকন (পদাৰ্থ বিদ্যাত), দ্বিতীয় জন অন্নদাচৰণ ভট্টাচাৰ্য (দৰ্শন) আৰু তৃতীয় ব্যক্তি কালিৰাম মেধিৰ (পদাৰ্থবিদ্যা Natural Philosophy ত) এইটো এটা বিৰল সন্মানৰ কথা। তেখেতে Assam Civil Service ৰ প্ৰশাসনিক বিষয়া আছিল আৰু ১৯০৪-১৯৩৬ চনলৈ চাকৰিত আছিল। ৬ ৱত বৃটিছৰ অধীনত আছিল। তেতিয়া D.C. বিলাক সকলো আছিল বৃটিছ I.C.S বিষয়া। ভাৰতীয় I.C.S ও দুই এজন আছিল আৰু D.C. ৰ দায়িত্ব I.C.S. officer ৰ ওপৰতে পৰিছিল। Assam Civil Service ৰ প্ৰশাসনিক বিষয়া হিচাপে অসমত জিলাৰ ভাৰপাপ্ত D.C হোৱা প্ৰথম জন আছিল কালিৰাম মেধি। তেখেত এজন বিশিষ্ঠ ভাষাতত্ববিদ, বৈষ্ণৱ সাহিত্যৰ একনিষ্ঠ সেৱক আৰু অসমীয়া গদ্য লিখক আছিল। তেখেতে ১৯১৭ চনৰ অসম সাহিত্য সভাৰ তৃতীয় গৰাকী সভাপতি আছিল। তেখেতৰ বৈষ্ণৱ সাহিত্যৰ পুথি সমূহৰ ওপৰত এতিয়াও Ph. D ৰ বাবে গৱেষণা চলি আছে। তেখেতৰ Assamese Grammer and Orgin of Assamese Language এখন তেখেতৰ বহু পৰিশ্ৰমৰ ফল। (১৯৩৬ চনত প্ৰকাশ পোৱা) পুথিখন দেশে-বিদেশে বহু সমাদৃত হৈছিল। ১৯৫৪ চনত তেখেতৰ মৃত্যু হয়। তেতিয়ালৈকে তেখেতে লিখা পঢ়াত ব্যস্ত আছিল। এনে দক্ষ প্ৰশাসনিক বিষয়াৰ ওপৰিও অসমীয়া ভাষা সাহিত্যৰ চৰ্চ্চাত ব্যস্ত থকা কালিৰাম মেধি প্ৰসিদ্ধ আছিল।

কালিৰাম মেধিয়ে গাঁৱৰে কলেজত পঢ়ি থকা বিনন্দি চন্দ্ৰৰ খা-খবৰ ৰাখিছিল। কলিৰাম মেধিৰ ডাঙৰ জীয়ৰী কাদম্বৰীৰ লগত বিনন্দি চন্দ্ৰৰ বিবাহৰ কথা ওলাল। সেই সময়ত কালিৰাম মেধি গোৱালপাৰাৰ S.D.O. (আটাইতকৈ উচ্চ প্ৰশাসনীয় বিষয়া)। কালিৰাম মেধিৰ প্ৰথম কন্যা কাদম্বৰীপাঠশালাৰ পিছত স্কুললৈ যোৱাত বাধা পাইছিল। তেতিয়াৰ বালিকা উচ্চ বিদ্যালয় অসমত প্ৰায় নাছিলে। প্ৰথম খন আৰম্ভ হয় ডিব্ৰগড়ত। সেই বাবে দুই এগৰাকী অসমীয়া ছোৱালীক কলিকতাতে বালিকা বিদ্যালয়ত ৰাখি পঢ়ুৱাইছিল। কালিৰাম মেধিয়ে তেওঁৰ মাতৃ সোণতৰাক তেওঁৰ লগতে ৰাখিছিল। কালিৰাম বৰ বিদ্যানুৰাগী আছিল। দেউতাকৰ মৃত্যুৰ পিছত তেখেতৰ লগতে মাক সোণতৰাক ৰাখিছিল আৰু তেখেতেওঁ বাপাৰ পৰিয়ালৰ লগতে অসমৰ সেইখন চহৰত বাস কৰিছিল। ৰামদিয়াত বালিকা বিদ্যালয় নাছিল বাবে ছোৱালী আৰু নাৰী সকলো অশিক্ষিত আছিল। কালিৰাম মেধিয়ে কিন্তু বুদ্ধিমতী মাক সোণতৰাক শিক্ষিত কৰিব পৰা (অন্ততঃ কীৰ্ত্তন পঢ়িব পৰা হোৱা পৰ্য্যন্ত) প্ৰয়াস কৰি ঘৰতে ঘৰুৱা শিক্ষক ৰাখি সোণতৰাক পঢ়িব পৰা কৰিলে। মোৰ দিনলৈকে সেইদৰে তেওঁৰ পঢ়াৰ অভ্যাস বাঢ়ি থাকিল। মই কলেজত পঢ়োতে (১৯৪০-৪২) আজু আইতাক পুথি পঢ়ি থকাৰ দৃশ্য দেখিছিলো আৰু আপ্লুত হৈছিলো।

পিছত ৰামদিয়াৰ মানুহৰ সহযোগত কালিৰাম মেধিৰ

পৰিয়ালে তাত স্থাপন কৰিলে প্ৰথম ছোৱালী হাইস্কুল। স্কুল খনৰ নাম কালিৰাম মেধি বালিকা উচ্চ বিদ্যালয়। ই গাঁৱৰ বালিকাৰ সাক্ষৰতাত এটা ডাঙৰ অৱদান। কালিৰাম মেধিৰ স্ত্ৰীৰ শিক্ষাৰ প্ৰতি বিশেষ অনুৰাগ আছিল। ১৯৪০ চনৰ দশকত তেখেতে ছোৱালীক কলিকতাত এম. এ পঢ়াইছিল। তেতিয়া অসমীয়া এনে ছোৱালীৰ সংখ্যা একেবাৰে তাকৰ আছিল।

জীয়েক কাদম্বৰীক পঢ়াশুনাৰ প্ৰতি মন থকা দেখি কলিকতাতে হোষ্টেলত ৰাখি বালিকা স্কুলত পঢ়াৰ বন্দবস্ত কৰি আহিল। অসম পাই তেখেতে মাকক (আমাৰ আজু আইতা সোণতৰাক) এই কথা কোৱাত তেখেতে একেবাৰে গুজৰি গুমৰি উঠিল। এজনী ছোৱালী তেনেকৈ বাহিৰত থব নোৱাৰি-কথাটো তাতে অন্ত নপৰিল। কিন্তু কালিৰাম মেধিয়ে শিক্ষক ঠিক কৰি কাদম্বৰীক ঘৰতে পঢ়োৱাৰ বন্দবস্ত কৰিলে। ১৫ বছৰ বয়সত তেখেতৰ বিয়া হ'ল বিনন্দি চন্দ্ৰৰ লগত। বিয়াৰ কিছুদিন পিছতে ১৯২৩ চনতে বিনন্দি চন্দ্ৰই এম. এ. আৰু ল. (আইন শিক্ষা) পঢ়িবলৈ কলিকতালৈ যাত্ৰা কৰিলে-- পত্নী কাদম্বৰীক ৰামদিয়াৰ যৌথ পৰিয়ালতে থৈ। কাদম্বৰীয়ে কিন্তু নিজাকৈ পঢ়াশুনাতো ব্যস্ত থাকিল আৰু বহুত বয়সলৈ পঢ়া শুনাৰ অভ্যাস কৰি আছিল। বিয়াৰ কেইবছৰ মান পিছত ডিব্ৰুগড়লৈ যোৱাত তাতো সুবিধা বাঢ়িল-কিতাপ পত্ৰ পোৱা গ'ল আৰু বঙালী সাহিত্যৰ ভালে কেইজন মান সাহিত্যিকৰ ৰচনা কৰা পুথি পঢ়াত ব্যস্ত থাকিছিল। বুঢ়া বয়সলৈকে তেখেতৰ তেনে আগ্ৰহ আছিল। মোৰ মনত পৰে প্ৰায়েই দেউতাই গুৱাহাটীতৰ গ্ৰন্থমেলা (Book Fair) ৰ পৰা অসমীয়া আৰু বঙালী কিতাপ ক্ৰয় কৰি তেওঁলৈ পঠাইছিল।

বিনন্দি চন্দ্ৰ মেধিয়ে ঘৰত পৰিয়াল থৈ গৈছে যদিও তেখেতৰ কলিকতাত পঢ়াত কিছু ব্যাঘাত হৈছিল। ইতিমধ্যে ৰামদিয়াতে মোৰ জন্ম হৈছিল। বিনন্দি চন্দ্ৰই গণিত শাস্ত্ৰৰ এম. এ. সম্পূৰ্ণ নকৰি 'ল' পঢ়াতে মন দিলে আৰু যথা সময়ত কলিকতাৰ পৰা 'ল' পাছ কৰি ১৯২৮ চনত ওকালতি আৰম্ভ কৰিবলৈ ল'লে। প্ৰথমতে ৬ মাহ মান গুৱাহাটীত গৈ (১৯২৭-২৮ চনত) ওকালতি কৰিছিল আৰু পিছত ডিব্ৰুগড়তেই নিজৰ ঘৰ হিচাপে লৈ থাকিবলৈ লয়। আগতে কোৱা হৈছে তেখেতে স্কুলত তাতে পঢ়িছিল কাৰণ তাত থাকিবলৈ আৰু ওকালতি কৰিবলৈ লোৱাত কিছু সুচল হয়। কলিকতাত পঢ়া শুনা কৰি আহি প্ৰথমতে মাত্ৰ কেইমাহ মানৰ কাৰণে এটা চৰকাৰী চাকৰী (বিদ্যালয় উপ পৰিদৰ্শক) ত যোগদান কৰিছিল। কিন্তু স্বাধীন কামৰ বাবে তেখেতৰ বৰ ধাউতি আছিল। পিছত সেই ওকালতিৰ বৃত্তিকে গ্ৰহণ কৰিলে।

এজন ব্যক্তিৰ বিশেষকৈ কোনো পাছত নোহোৱাকৈ নতুনকৈ ওকালতি আৰম্ভ কৰাটো এটা কঠিন কাম। ইয়াৰ বাবে বহুতো মনোবল লাগে আৰু পৰিশ্ৰম কৰিব লগীয়া হয়। তেখেতে যথেষ্ঠ চেষ্টা কৰি লাহে লাহে ডিব্ৰুগড়ত নিজকে স্থাপন কৰিবলৈ সমৰ্থ হয়। ডিব্ৰুগড়ত বহু ধনী বিশেষকৈ মাৰোৱাৰী আৰু উত্তৰ ভাৰতীয় ব্যৱসায়ী আছিল। তেওঁলোকৰ চাহৰ বাগান আৰু বহু মাটি বাৰী আছিল আৰু প্ৰায়েই মামলা মোকৰ্দমাৰ সন্মূখীন হৈছিল। সেই কাৰণে তেওঁলোকে কিছুমান উকিলৰ Retainer (Adviser) হিচাপে নিয়োগ কৰি দিহা পৰামৰ্শ লৈছিল। বিনন্দি চন্দ্ৰকো এনে কেইজনমানৰ হে Retainer দি আছিল।

তেখেতৰ পৰিয়ালটো অলপ ডাঙৰেই আছিল। দুজন ভায়েক, এজন ভতিজাকক তেখেতৰ লগতে ৰাখি স্কুলত পঢ়াইছিল। ৰামদিয়াৰ বহু মানুহ ডিব্ৰুগড় জিলাৰ গাঁৱত বসবাস কৰি খেতি বাতি বেপাৰ আদি কৰিছিল। সেই দৰে নলবাৰী অঞ্চলৰো বহুতো মানুহ তেনেদৰে তাত বেপাৰ বাণিজ্য কৰি আছিল। তেখেত উকিল হৈ থকাৰ বাবে বহুতো তেনে মানুহ তেখেতৰ ওচৰলৈ সঘনে অহা যোৱা কৰি তেখেতৰ দিহা পৰামৰ্শ আৰু সহায় লৈ উপকৃত হৈছিল।

তেখেতৰ সৎসাহস আৰু পৰিশ্ৰমৰ ফলত তেখেতে ডিব্ৰুগড়ত লাহে লাহে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল আৰু ডিব্ৰুগড়ত নিগাজিকৈ থাকিবলৈ সকলো সুবিধা কৰি লব পাৰিছিল। মাজে মাজে অৱশ্যে ৰামদিয়ালৈ অহা যোৱা কৰিছিল। তেখেতৰ মাকক (আমাৰ আইতা) অৱশ্যে দেউতাই প্ৰায় লগতে ৰাখিছিল। চৰকাৰৰ প্ৰশাসনৰ ক্ষেত্ৰত (ভাৰতবৰ্ষতো) তেতিয়া Administration আৰু Judiciary পৃথক বিভাগ নাছিল। ১৯৪২ চনত তেতিয়া বৃটিছ চৰকাৰে নতুনকৈ অভিজ্ঞ (Experence Capable) উকিলৰ পৰা কিছুমান উচ্চ পদস্থ বিষয়া বাচি লৈছিল আৰু প্ৰশাসনীয় কামত নিয়োগ কৰিছিল। ১৯৪৪ চনত বিনন্দি চন্দ্ৰকো চৰকাৰে তেনেদৰে বাছি লৈ তেখেতক অসমৰ প্ৰশাসনীয় সেৱাত নিযুক্তি দিলে।

বিনন্দি চন্দ্ৰই ধুবুৰীত Senior EAC & Munsiff হিচাবে যোগ দিয়ে আৰু পৰিয়াল সহ তাতে থাকিবলৈ লয়। পিছত তেখেত গোলাঘাট আৰু হাইলাকান্দিলৈকে বদলি হয়। ১৯৫৪ চনত তেখেতক Sub-Ordinate & Asstt Session Judge

হিচাপে প্ৰমোচন দিয়ে।তেতিয়া অসমত মাথোন ২ জনহে District Judge আছিল। ধুবুৰীত তেখেতে এই দায়িত্ব লয়। তেখেতৰ অৱসৰৰ সময় ১৯৫৬ চন আৰু প্ৰশংসনীয় কামৰ বাবে তেখেতক এবছৰলৈ পুনৰ কাৰ্য্যকাল বঢ়াই দিয়ে। ১৯৫৭ চনত একেবাৰে অৱসৰ লৈ ডিব্ৰুগড়ৰ নিজৰ ঘৰতে নিগাজিকৈ থাকিবলৈ লৈ আকৌ ডিব্ৰুগড়তে ওকালতি কৰিবলৈ লয়। তাৰ উপৰিও তেখেতে কিছুমান সামাজিক কামত হাত দিয়ে।ইয়াৰ ভিতৰত দেউতাৰ উল্লেখনীয় কাম হিচাপে সেই অঞ্চলতে এখন বৈষ্ণৱ সমাজ গঠন কৰে। তেনেকৈয়ে সমাজ সেৱা কৰিছিল। ডিব্ৰুগড়ৰ বিখ্যাত চাহ খেতিয়ক আৰু ব্যৱসায়ী ৰায় চাহাব গঙ্গা ৰাম চৌধুৰীক টানি ধৰাত ৰায় চাহাবে চহৰৰ মাজমজিয়াত এটুকুৰা মাটি সমাজৰ বাবে দান কৰে। তাতে এটা নামঘৰ সজা হয় আৰু বৈষ্ণৱ সমাজৰ সভ্য সকলে তাতে প্ৰাৰ্থনা আৰু ধৰ্ম সভা কৰিবলৈ লয়। সেই অনুষ্ঠানৰ বাবে ডিব্ৰুগড়ৰ মানুহে বিনন্দি চন্দ্ৰক ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। নিষ্ঠাবান আৰু পৰোপকাৰি স্বভাৱৰ বাবে তেখেতে সকলোৰে ভক্তি ভাজন হৈছিল। কামৰ অৱসৰৰ সময়ত তেখেতে অধ্যায়নতে ৰত আছিল। বিশেষকৈ আধ্যাত্মিক বহুতো পুথিত তেখেতে মনোনিবেশ কৰিছিল আৰু তেখেতৰ চৰিত্ৰ আছিল স্থিত প্ৰজ্ঞৰ নিচিনা। সকলো মানুহকে তেনেদৰে পাৰ্য্যমানে সহায় কৰিছিল। উজনিৰ তিনিচুকীয়া, ডুমডুমা, নাহৰকটীয়া অঞ্চলত বহুতো নামনি অসমৰ মানুহে (বিশেষকৈ দলিবাৰী আৰু ৰামদিয়া অঞ্চলৰ মানুহ) বেপাৰ বাণিজ্য আৰু খেতি কৰি জীৱন নিৰ্বাহ কৰিছিল। ৰামদিয়াত বানৰ উপদ্ৰৱত বহুতো ন-ন পৰিয়াল ভাঙি আহি সেই অঞ্চলবোৰতে বসতি কৰিবলৈ লৈছিল। এই মানুহবোৰ ডিব্ৰুগড়লৈ নানান কামত অহাযোৱা কৰিব লগা হৈছিল। তেখেতেও তেওঁলোকক নানা কামত সহায় কৰিছিল। বহু সময়ত তেওঁলোকক নিজৰ ঘৰতে ৰাখি তেওঁলোকৰ বহুতো কষ্ট লাঘব কৰিবলৈ চেষ্টা কৰিছিল। সেইবাবে বিনন্দি চন্দ্ৰই বিশেষ প্ৰশংসা আৰু মৰম শ্ৰদ্ধা পাইছিল। সময়ত আমাৰ এই বৈষ্ণৱ সমাজখন এটা লেখতলবলীয়া অনুষ্ঠান হৈ পৰে। এতিয়াও পৰম্পৰা ৰক্ষা কৰি আগ বাঢ়িছে। উল্লেখযোগ্য যে সম্প্ৰতি সেই মাটিত বিনন্দি চন্দ্ৰ আৰু কাদম্বৰীৰ নামত এটা সভাঘৰ নিৰ্ম্মাণ হব ধৰিছে। তাৰ বাবে তেখেতৰ পুত্ৰ আৰু বোৱাৰী সকলে বৰঙণি আগবঢ়ায়।

ইতিমধ্যে ১৯৯২ চনত বিনন্দি চন্দ্ৰৰ নিজ গাওঁতে ৰামদিয়াত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয় নামেৰে এখন স্নাতক কলেজ স্থাপিত হৈছে। উক্ত মহাবিদ্যালয় খনৰ বাবে মাটি বাৰি বিনন্দি চন্দ্ৰৰ নিজৰ পুত্ৰ সকলৰ ওপৰিও Extended famialy এ দান কৰিছিল। অৰ্থ সাহায্যও আগবঢ়াইছিল তেখেতৰ পুত্ৰ সকলে আৰু পৰিয়াল বৰ্গই। আনন্দৰ কথা কলেজ খনে সেই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ এটা অভাৱ দুৰ কৰিছে। কলেজ খনে এতিয়া স্নাতক মহলা পৰ্য্যন্ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমোদন পাইছে। চৰকাৰী সাহায্যও পাইছে যদিও Deficit College ৰ (ঘাটি মঞ্জুৰী প্ৰাপ্ত) পৰ্য্যায়লৈ অহা নাই। কাৰণ কিছুদিনৰ পৰা চৰকাৰে এই পৰ্য্যায়লৈ কলেজ এখনো উন্নত কৰা নাই। বিনন্দি চন্দ্ৰৰো শ্ৰীশিক্ষাৰ প্ৰতি বিশেষ আগ্ৰহ আছিল। অন্য কামতকৈ ছোৱালীক কলেজত পঢ়াটোতহে বেছি জোৰ দিছিল। ছোৱালীবোৰ শিক্ষিত হ'লে সতি-সন্ততিৰ শিক্ষাৰ প্ৰতি ধাউতি বাঢ়িব। আশাকৰো যে অদূৰ ভৱিষ্যতে মহাবিদ্যালয়খনে চৰকাৰৰ পৰা প্ৰাদেশিকীকৰণ কৰাৰ পথত সমৰ্থন পাব আৰু ৰাইজৰ শিক্ষাৰ দিশ বহু আগবাঢ়িব।

বিনন্দি চন্দ্ৰৰ আৰু এটা ডাঙৰ গুণ আছিল যে তেওঁ বৰ উচ্চাকাঙ্খী আছিল। সদায় সকলো কথাতে বৰ ওখলৈ চাবলৈ সক্ষম আছিল। এইদৰে সমাজৰ কাম কৰি তেখেতে পৃথিৱীৰ পৰা বিদায় লৈছিল ১৯৭৬ চনৰ ২ আগষ্ট তাৰিখে। প্ৰায় ৮০ বছৰ বয়সত দুদিনৰ সাধাৰণ নৰীয়াৰ পিছত তেখেতে পুত্ৰ কন্যা, পৰিয়াল সকলোৰে আগত শান্তিৰে চিৰ বিশ্ৰাম লৈছিল। তেখেতক এতিয়াও সকলোৱে ভক্তিভাৱে সোঁৱৰে।

❖❖❖

# হেম বৰুৱাৰ লোক বিদ্যা চৰ্চা

ড° নবীন চন্দ্ৰ শৰ্মা
প্ৰাক্তন মুৰব্বী অধ্যাপক, লোক সংস্কৃতি বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

হেমবৰুৱাৰ নামটো ওলালেই মনত পৰে এগৰাকী বিচক্ষণ সাহিত্যিক কবি, প্ৰৱন্ধ নিৱন্ধকাৰ, ভ্ৰমণ কাহিনী প্ৰণেতা, কাহিনী নিৰ্মাতা, সমলোচক, লোকবিদ্যা, সংস্কৃতি চৰ্চাকাৰী, জীৱনী প্ৰণেতা, ৰাজনীতিবিদ, শিক্ষাবিদ আদি বহুগুণধৰ ব্যক্তি। এইগৰাকী প্ৰতিভাধৰ ব্যক্তিৰ জন্ম হৈছিল তেজপুৰত ১৯১৫ চনত।

অসমীয়া সাহিত্য জগতত তেওঁ নতুন ৰাজনৈতিক আদৰ্শ প্ৰৱৰ্তক স্বৰূপেও কালজয়ী খ্যাতি অৰ্জন কৰিছে। সমাজবাদী ৰাজনৈতিক আদৰ্শৰ পৃষ্ঠপোষক বৰুৱাই এখন শোষণ মুক্ত সমাজ প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছিল আৰু তদৰ্থে তেওঁ গ্ৰন্থৰ ৰচনা কৰিছিল। তেওঁ সক্ৰিয় ৰাজনীতিতো যোগ দিছিল, কিন্তু তেওঁৰ ৰাজনৈতিক আদৰ্শৰ লক্ষ্য আছিল বহুজনৰ মঙ্গল সাধন, বহুজনৰ স্বাৰ্থ সংৰক্ষণ তথা দেশৰ বৃহত্তম স্বাৰ্থ সংৰক্ষণ । তেওঁ কৈছিল মোৰ ৰাজনৈতিক পাৰ্টী আজি আছে, হয়তো কালিলৈ নাথাকিব পাৰে। কিন্তু মোৰ দেশ চিৰন্তন। আমাৰ প্ৰথম লক্ষ্য হোৱা উচিত দেশৰ স্বাৰ্থ সংৰক্ষণ আৰু দ্বিতীয় লক্ষ্য হ'ব লাগিব আমাৰ পাৰ্টী আমাৰ ৰাজনৈতিক সংগঠনৰ স্বাৰ্থ সংৰক্ষণ।

বৰুৱা এগৰাকী সুনিপুণ বক্তা। তেওঁৰ বক্তৃতাৰ বিষয়বস্তুৰ পৰিসৰ অসম বা ভাৰত বা এচিয়াতে সীমিত নাছিল। বিশ্বৰ বিশাল পৰিসৰ পৰ্য্যন্ত ব্যাপক। তেওঁ পৃথিৱীৰ বিভিন্ন দেশলৈ গৈছে আৰু সেই ভ্ৰমণ কাহিনীও ৰচনা কৰিছে। সেইদৰে তেওঁৰ কবিতাৰ বিষয় বস্তুৰ পৰিসৰো অত্যন্ত ব্যাপক। সমাজবাদী দৰ্শন, ফ্ৰয়দীয় মনো সমীক্ষণ, বুদ্ধি দীপ্ততা, আদি গুণেৰে সমৃদ্ধ কবিতাৰাজিত বাস্তৱ জীৱনৰ সংঘাতৰ বৰ্ণনা পোৱা যায়। তেওঁৰ কবিতাৰ আবেগ অনুভূতিৰ কোমলতাতকৈ বুদ্ধি নিষ্ঠতাৰ তীব্ৰতাৰহে পৰিচয় পোৱা যায়। তেওঁৰ কাব্য সাধনাৰ পৰিচয়পোৱা যায় বালিচনন্দা(১৯৬২) মনময়ূৰী(১৯৬৭) আদি কবিতা পুথিৰ মাধ্যমেৰে। হেমবৰুৱাই বহুদেশ ভ্ৰমণ কৰিছে আৰু প্ৰত্যেক খন দেশ নিজ চকুৰে চাই মেলি সঞ্চয় কৰা অভিজ্ঞতাৰ আধাৰত ৰচনা কৰা গ্ৰন্থ সমূহৰ ভিতৰত সাগৰ দেখিছা (১৯৫৪), ৰঙা কৰবীৰ ফুল (১৯৫৮), ইজৰাইল (১৯৬৭) মেক্ নৈ দেখিলোঁ (১৯৬৭) আদিয়েই উল্লেখ যোগ্য। তেওঁৰ ভ্ৰমণ কাহিনী ৰাজি উপন্যাসোপন।

সমালোচক হিচাপেও বৰুৱাই অসমীয়া সাহিত্যৰ ইতিহাসত এখন সুকীয়া আসন দাবী কৰিব পাৰে। এনেজাতীয় গ্ৰন্থৰ ভিতৰত আধুনিক সাহিত্য (১৯৫০) আঁচুফুল (১৯৬৬) সাহিত্য (১৯৭৯) আদি গ্ৰন্থত পশ্চিমীয়া সাহিত্যৰ ভাবে-আদৰ্শ, নৱজাগৰণ, আধুনিক সাহিত্যৰ লক্ষণ আৰু জীৱনৰ সৈতে ইয়াৰ সম্পৰ্ক আদিৰ আলোচনা ৰীতিৰ বিষয়ে ড° সত্যেন্দ্ৰ নাথ শৰ্মাই এনেদৰে লিখিছেঃ

হেম বৰুৱাৰ আলোচনা প্ৰাসংগিক উল্লেখ উদ্ধৃতি আদিৰ দ্বাৰা সমৃদ্ধ যদিও তাত স্বকীয় দৃষ্টিভংগী আৰু মননশীলতাৰ অভাৱ উপলব্ধ হয়। ( অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ৪৬)

হেমবৰুৱাই ইংৰাজী ভাষাতো কেইবাখনি গ্ৰন্থ প্ৰণয়ন কৰিছে। যেনে--

August Revolution in Assam, The Red River and the Blue Hill, I dle Hours, Folk Songs of Inda, Assamese Literature, Lakshmi nath Bezbarua ইত্যাদি।

হেমবৰুৱাই পদ্ধতিগত ভাৱে নহ'লেও বিষয় বস্তুগতভাৱে লোকবিদ্যা বা লোক সংস্কৃতিৰ বিষয়েও চিন্তা-চৰ্চা কৰিছে।

লোকবিদ্যা অৰ্থাৎ 'ফোক লেৰ'ৰ অৰ্থ লোকজ্ঞান, আৰু অভিজ্ঞতা। এই অভিধা দুটি পুৰণি, কিন্তু লোকবিদ্যা বা ফোকলেৰ শব্দ অভিধাটো নতুন। খ্ৰীঃ ১৮৪৬ চনত ইংৰাজ পণ্ডিত উইলিয়াম

থম্‌ছ-এ অভিধাটো নিৰ্মাণ কৰে। অতি প্ৰাচীন কালৰেপৰা লোক বিদ্যাই কবি-সাহিত্যিক আৰু কথা শিল্পী সকলৰ নানা ভাৱে সমল যোগাই আহিছে। পণ্ডিত সকলৰ মতে ৰামায়ন-মহাভাৰত আদিৰ বুনিয়াদো লোক বিদ্যাৰ আধাৰতেই প্ৰতিষ্ঠিত। বিখ্যাত কবি কালিদাস, ভৱভূতি, ছেক্সপীয়েৰ ওৱডছৱৰ্থ, ছেলি,কীটছ, কলেৰিজ আদি কবি সকলেও তেওঁলোকৰ কাব্য-কবিতাৰ বিষয়ে বস্তু লোকবিদ্যাৰ পৰা গ্ৰহণ কৰিছে। আমাৰ অসমৰ চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা আদিয়েও লোকবিদ্যাৰ পৰা নানা সমল গ্ৰহণ কৰি জুতি লগা কবিতা লিখিছে।

আমাৰ সকলোৰে চিৰপৰিচিত হেমবৰুৱাও এগৰাকী লোক বিদ্যা বিজ্ঞানী। আন্তৰ্জাতিক খ্যাতি সম্পন্ন এই বিষয়টোৰ প্ৰতি তেওঁক শ্ৰদ্ধা আছিল অপৰিসীম, যিহেতু লোক সংস্কৃতি আমাৰ সকলোৰে দেহৰ ধমনি আৰু প্ৰাণৰ স্পন্দন স্বৰূপ। লোক বিদ্যাৰ প্ৰতি বৰুৱাই উদাৰ মনোভাৱ পোষণ কৰিছিল-তত্বানুসন্ধানী বিজ্ঞানীৰ দৰে আৰু তাৰেই ফলশ্ৰুতিত তেওঁৰপৰা আমি পালোঁ কেইখনমান গ্ৰন্থ। লোক সংস্কৃতিবিদ্ হিচাপে তেওঁক প্ৰতিষ্ঠা কৰাত এই গ্ৰন্থ কেইখনৰ ভূমিকা স্বীকাৰ কৰিবই লাগিব। এই গ্ৰন্থ কেইখন হৈছে—
এই গাঁও এই গীত, বহাগতে পাতি যাওঁ বিয়া, ফেয়াৰছ্ এণ্ড ফেষ্টিভেল অৱ আসাম (Fair and festival of Assam), ফোক চংগছ অৱ ইণ্ডিয়া (Folk Songs of India) আদি গ্ৰন্থৰ পৰা পোৱা যায়। "এই গাঁও এই গীত" গ্ৰন্থত ভাৰতীয় সমাজ আৰু জীৱনক একতাৰ সূতাৰে সদা-সৰ্বদাই বান্ধি ৰখা সংস্কৃতি আৰু ঐতিহ্যক জীয়াই ৰখা বহুৰঙী বাচিক গীত ৰাজিৰ আকৰ্ষনীয় আৰু সহানুভূতি শীল আলোচনা পোৱা যায়। এই প্ৰসংগত তেখেতে ডক্টৰ ৰেৰিয়াৰ এলুইন, ডব্লিউ, জি আৰ্চাত, দেৱেন্দ্ৰ সত্যাৰ্থী, এছ.চি. ডুবে, ডাক্টৰ হাটন, ভন ফুৰাৰ হুইটমেন ডৰ্ক আদি বিখ্যাত লোকবিদ্যা বিজ্ঞানীৰ ৰচনাও চকুৰ আগত ৰাখিছে।

আমাৰ মাতৃ ভাৰতবৰ্ষ চিত্ৰ-বিচিত্ৰ ৰূপ-সৌন্দৰ্য্যৰে মহিমামণ্ডিত। ভাৰতীয় জীৱন আৰু সমাজ-পৰম্পৰাগত। খেতি-বাতি, খোৱা-লোৱা, উৰণ-পিন্ধন, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, বিশ্বাস-অবিশ্বাস আদি সকলো পৰম্পৰাগত ভাৱে চলি আহিছে। নিৰ্মম আৰু বাস্তৱ সত্য আশা-আকাঙ্খা, কামনা-বাসনা, প্ৰেম-প্ৰণয়, চেনেহ-ভালপোৱা, ব্যথা-বেদনা, বিৰহ-মিলন আদিৰ আনুভূতিক ৰূপায়ণ ঘটিছে লোক গীতত বাচিক সৃষ্টিত-যাক আমি বাহী বননিৰ ফুল বুলিব পাৰোঁ। ভাষা বেলেগ বেলেগ হ'ব পাৰে, প্ৰকাশৰ মাধ্যমো বেলেগ হ'ব পাৰে, কিন্তু সুখ-দুখ, বিৰহ-বেদনা আদিৰ অনুভৱ আৰু অনুভূতি একেই-মানুহ-একেই-হিয়া-মন-চিতো একেই, অনুভূতি সহানুভূতিও একেই। সেয়ে কোৱা হয় Culture is Universal-সংস্কৃতি বিশ্বজনীন। মনৰ মাজুলীত ফুলে কহুৱা ফুল স্বৰূপ বিবিধ গীত পদ-বিচিত্ৰ ভাবানুভূতিৰ। সংস্কৃতিৰ অন্যতম অংগ বাচিক কলাও বিশ্বজনীন। এই বিশ্বজনীতাৰ অধাৰ নিশ্চিতভাৱে। মানৱানুভূতি-সুখ-দুখ আদি। জাতি-বৰ্ণ-ধৰ্ম-অঞ্চল নিৰ্বিশেষে সকলোৱে বিৰহত কান্দে, মিলনত হাঁহে। অসমীয়া গাভৰুৱে মিলনত যিদৰে হাঁহে, মেক্সিকোৰ নিগ্ৰো গাভৰু এজনীয়েও হাঁহে। তেনেদৰে অসমীয়া গাভৰুৱে দুখত কন্দাৰ নিচিনাকৈ নিগ্ৰো গাভৰু জনীয়েও দুখত কান্দে। আৰু এই কাৰণেই লোকগীত বা বাচিক গীত যুগে যুগে একেই, অঞ্চলে অঞ্চলে একেই, দুখীয়া-সুখীয়া, শ্ৰমিক-বনুৱা-মালিক সকলোৰে একে।

বিশাল ভাৰতবৰ্ষ— দেশেই নহয়-উপমহাদেশ। মিল নাই তাৰ মাজতেই আছে এক ঐক্য সূত্ৰ। সেই ঐক্যৰ মাজেৰে লোক গীতৰ আনুভূতিক মিলন আৰু ঐক্যৰ সন্ধান পাব পাৰি উপলব্ধিৰ মাজেৰে আৰু এই সাদৃশ্যৰ আধাৰতেই আমাৰ বৰুৱা দেৱে অসমৰ বনগীতৰ বিষয়বস্তুৰ সৈতে মধ্যপ্ৰদেশৰ ছটিছগড় অঞ্চলৰ বন-ভজনবোৰৰ মিল দেখিবলৈ পাইছে। অসমীয়া বাৰমাহী গীতৰ সৈতে বিষয়বস্তু আৰু গঠনৰীতিৰ ফালৰ পৰা বাংলা আৰু উড়িয়া বাৰমাসী গানৰ সাদৃশ্য চকুত লগা।

বৰুৱাই ভাৰতীয় লোকগীত ৰাজিত ইয়াৰ বিষয়বস্তুৰ প্ৰতি চকু দি কেইটিমান ভাগত ভাগ কৰিছে, যেনে— প্ৰকৃতি গীত, প্ৰণয় গীত, বিবাহ-জীৱনৰ গীত, শিশুজীৱনৰ গীত, আৰু শ্ৰমজীৱনৰ গীত। এই বিভাজন সম্পূৰ্ণ ভাৱে বিষয়বস্তুগত হলেও তাৰ মাজতে সমীক্ষাগত পদ্ধতি বিভাজনৰ ইংগিতো দেখিবলৈ পোৱা যায়। বিবাহ জীৱনৰ গীত আৰু শিশুজীৱনৰ গীত - এই দুটি বিভাজন অনুষংগত (Contextual Category)।

বৰুৱাৰ মতে লোকগীত বোৰৰ মূল উৎস প্ৰণয়। কৃত্ৰিমতাৰ পৰশ নপৰা সমাজত প্ৰণয় এক স্বাভাৱিক আদিম প্ৰবৃত্তি। পেটৰ জুই আৰু বুকুৰ জুই সংসাৰ ৰক্ষৰ দুটি চকৰি। এই জুইয়ে এফালে যৌন বাসনাৰ জুই, আনফালে পেটৰ জুই আৰু ইয়াৰ প্ৰতিফল লক্ষ্য কৰা যায় প্ৰণয় গীতত। বৰুৱাই প্ৰণয় গীতৰ প্ৰসংগত ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰচলিত লোকগীত ৰাজিৰ পৰম্পৰৰ মাজত থকা বিস্ময়কৰ সাদৃশ্য দেখুৱাইছে। প্ৰণয়ে পৰিণতি লাভ কৰে বিয়াত আৰু বিয়াই পূৰ্ণতা লাভ কৰে মাতৃত্ব আৰু পিতৃত্বৰ সংযোগত আৰু পেটৰ জুইৰ দাবী পূৰণ কৰিবৰ বাবে প্ৰয়োজন হয় শ্ৰমৰ। গতিকে গীতবোৰৰ বিষয়বস্তুৰ বিভাজনত জীৱনৰ বিভিন্ন অৱস্থাৰ সৈতে সমপৃক্ত হোৱাই

স্বাভাৱিক।

ফোক ছংগছ অৱ ইণ্ডিয়া গ্ৰন্থখনৰ আলমত এই গাওঁ এই গীত গ্ৰন্থখন ৰচিত। দুয়োখন গ্ৰন্থৰে বিষয়বস্তুৰ বিশ্লেষণ প্ৰণালী আৰু উপস্থাপন পদ্ধতি প্ৰায় একে।

লোকগীতৰ বিশ্লেষণাত্মক আলোচনা আৰু উপস্থাপন দুয়োটা দিশকেই দুয়োখন গ্ৰন্থৰ লক্ষ্য কৰা যায়, যদিও আধুনিক লোকবিজ্ঞান সন্মত বিশ্লেষণ প্ৰণালী ৰক্ষিত হোৱা দেখা নাযায়। বিশেষকৈ গীতৰাজিৰ গঠন প্ৰণালীৰ বিষয়ে আলোচনা কৰাৰ প্ৰসংগত লেখকে মুঠেই চকু দিয়া নাই। দুয়োখন গ্ৰন্থতেই ভাৰতীয় লোকগীত বা বাচিক কলাৰ কাব্যিক আৰু নান্দনিক দিশৰ ৰূপায়ণতহে গুৰুত্ব দিয়া দেখা যায়।

বহাগতে পাতি যাওঁ বিয়া বিষয়বস্তু যুৱীয়া জীৱন আৰু বিচিত্ৰ অনুষ্ঠানৰ বিভিন্ন দিশ আলোচনা কৰোতে লেখকে লোকজীৱন, লোকআচাৰ আৰু লোক বিশ্বাসৰ পৰা সমল গ্ৰহণ কৰিছে আৰু সমাজ বুৰঞ্জীৰ পটভূমিত এইবোৰৰ ব্যাখ্যা আগবঢ়াইছে। এই প্ৰসংগত ৰতি-শাস্ত্ৰাদিৰ লেখিয়া গ্ৰন্থৰ আলোচনাও উপস্থাপন নকৰাকৈ থকা নাই। বহাগতে পাতি যাওঁ বিয়া গ্ৰন্থখনৰ জৰিয়তে ৰচয়িতাই বিবাহ আৰু যৌন জীৱনক সমাজ বিজ্ঞানৰ দৃষ্টি ভংগীৰ পৰা বিচাৰ বিশ্লেষণ কৰিবলৈ কৰা চেষ্টা-প্ৰচেষ্টা নিশ্চিত ভাৱে প্ৰশংসনীয়।

'ফোকছংগছ অৱ ইণ্ডিয়া' ভাৰতৰ বিভিন্ন অঞ্চলৰ বাচকবনীয়া লোকগীত ৰাজিৰ অংশ বিশেষৰ সংগ্ৰহ মাথোন। অৱশ্যে এই সংগ্ৰহত লেখকৰ সৃজনী প্ৰতিভাহে প্ৰকাশ পাইছে বেছিকৈ।

ফেয়াৰছ এণ্ড ফেষ্টিভেল অৱ আসাম (Fairs and Festivals of Assam) ৰচনা কৰা হৈছে জে. ডি বাবেজিয়াৰ (J. D. Baveja) সহযোগত। অসমৰ বিভিন্ন উৎসৱ-অনুষ্ঠানৰ চাক্ষুস বৰ্ণনা এই গ্ৰন্থখনত পোৱা যায়। উক্ত বৰ্ণনা নিদি বিশেষজ্ঞৰ দৰে বিষয়বস্তুৰ ভিতৰলৈ সোমাই যাব পৰাতেই লেখকৰ কৃতিত্ব প্ৰকাশ পাইছে। পৃথিৱীৰ সকলোবোৰ দেশত প্ৰচলিত প্ৰায়বোৰ লোক-উৎসৱৰ জন্মনীড় যে প্ৰকৃতিৰ মাতৃমুখী সৃষ্টি-স্পৃহা সেই তত্ত্বটোৰ স্থিতি লেখকদ্বয়ে অসমৰ লোক উৎসৱৰ প্ৰসংগতো লক্ষ্য কৰিছে।

হেমবৰুৱাৰ লোক সংস্কৃতি বা জন সৃষ্টিৰ বিষয়ক গ্ৰন্থ কেইখন তাত্ত্বিক বিচাৰ বিশ্লেষণ প্ৰধান নহ'ব পাৰে, কিন্তু তাত আছে তুলনামূলক অধ্যয়নৰ এক উৎকৃষ্ট নিদৰ্শন। জটিল বিষয় এটিক সৰ্বজন গ্ৰাম্য ৰূপত উপস্থাপন কৰিব পৰাতেই বৰুৱাৰ লোকসংস্কৃতি বিষয়ক গ্ৰন্থকেইখনৰ তাৎপৰ্য্য ৰক্ষিত হৈছে। এই তাৎপৰ্য্যই তেওঁক লোককৃষ্টিৰ সাধক স্বৰূপে প্ৰতিষ্ঠা কৰিছে। দ্বিতীয়তে, বৰুৱাৰ যাদুলগা ভাষায়ো পালতৰা নাৱক বতাহে সহায় কৰাৰ নিচিনাকৈ সহায় কৰিছে। তৃতীয়তে, বৰুৱাৰ উপস্থাপন বৈশিষ্ট্যয়ো সোণত সুৱগা চৰোৱাৰ দৰে গ্ৰন্থ কেইখনৰ আকৰ্ষণ বঢ়াইছে।

চতুৰ্থতে, লোক কৃষ্টি আৰু জনকৃষ্টিৰ চিন্তা চৰ্চাত বৰুৱাৰ গ্ৰন্থ কেইখনৰ বৰঙণি উলাই কৰিব পৰা নাযায়।

পঞ্চমতে, হেমবৰুৱাৰ লোকসংস্কৃতি বিষয়ক গ্ৰন্থকেইখনে অসমীয়া লোক সংস্কৃতি অধ্যায়নৰ পৰিধি বঢ়াইছে। এই গৰাকী বৰেণ্য ব্যক্তি তথা লোকবিদ্যা চৰ্চাবিদ আৰু সু-সাহিত্যিক হেম বৰুৱাদেৱৰ খ্ৰীঃ ১৯৭৭ চনৰ ৯ এপ্ৰিল তাৰিখে দেহান্তৰ ঘটে।

❖❖❖

# অম্বিকাগিৰীৰ কবিতাত আধ্যাত্মিকতা স্বদেশ প্ৰেম আৰু আত্ম সচেতনাতৰ যোগসূত্ৰ

ভগগিৰী ৰায় চৌধুৰী (প্ৰাক্তন মুৰব্বী অধ্যপক)
অসমীয়া বিভাগ, বি. বৰুৱা কলেজ, গুৱাহাটী

আধুনিক অসমীয়া সাহিত্যৰ যুগটো আৰম্ভ হৈছিল 'জোনাকী' নামৰ সাহিত্য আলোচনীৰ প্ৰকাশেৰে। সেই "জোনাকী" নামৰ আলোচনী খনতে ৰোমাণ্টিক ভাৱাদৰ্শৰ ইংৰাজী সাহিত্যৰ চানেকি লৈ অসমীয়া ভাষাতো 'নৱন্যাসবাদী ভাবধাৰা' ৰ কবিতা ৰচিত হ'বলৈ আৰম্ভ কৰিছিল।

১। নৰ-নাৰীৰ পাৰস্পৰিক আকৰ্ষণ সম্ভূত দৈহিক-প্ৰেমৰ অনুভূতি প্ৰধান ভাৱ আৰু কল্পনাৰ মুক্ত প্ৰকাশ।

২। প্ৰাকৃতিক সৌন্দৰ্য্যৰ ভাৱময় কাল্পনিক সৌন্দৰ্যৰে আকৰ্ষিত হোৱা কবি প্ৰাণৰ উচ্ছাস।

৩। দেশ আৰু জাতিৰ বৰ্ত্তমান অৱস্থাৰ সৈতে অতীতৰ গৌৰৱ-পূৰ্ণ অস্তিত্বৰ স্মৃতি সুৱঁৰি জাতীয়বাদী অনুভূতিৰে জাগ্ৰত হৈ উঠাৰ আৱেগিক জাগৰণ আৰু

৪। দৃশ্যমান জগৎ আৰু জীৱনক বিস্ময়-বিমূঢ় দৃষ্টিৰে অৱলোকন কৰি সৃষ্টি ৰহস্যক দাৰ্শনিক অনুধাবনৰ মাজেৰে তাৰ সৌন্দৰ্য্য আৰু মাহাত্ম্য নিজৰ কবি প্ৰাণত প্ৰতিফলিত কৰি অনুভৱ কৰাৰ আকাঙ্খাৰে কল্পনাৰ অনন্ত ক্ষেত্ৰত বিচৰণ কৰি ফুৰি আপোন পাহৰা হৈ থকা মানসিকতাত মগ্ন হৈ ৰোৱা অতিন্দ্ৰীয় চেতনাৰ প্ৰভাৱেৰে প্ৰভাৱিত হোৱা ইত্যাদি চিন্তাত কবিতাৰ মাধ্যমেৰে সহজ অভিব্যক্তিৰে প্ৰকাশ কৰাটো ৰোমাণ্টিক কবিতা ধাৰাৰ লক্ষণ আছিল।

এনে কবিতা স্ৰোতৰ মাজতে অসমীয়া ভাষাৰ আধুনিক ক্ষেত্ৰত সৃষ্টি হৈছিল সাধাৰণ দেহজ প্ৰেমৰ কবিতাৰ পৰা আৰম্ভ কৰি নৈসৰ্গিক প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনামূলক কবিতা, অসমীয়া সমাজৰ অতীত গৌৰৱৰ সোঁৱৰণি মূলক বিষয় বস্তু সম্বলিত ৰচনা, বিভিন্ন কবিৰ মনোজগতত সঞ্চাৰিত হোৱা ব্যক্তি প্ৰাণৰ বিবিধ কল্পনা আৰু আৱেগৰ অনুভূতি আদিৰ কাব্যিক প্ৰকাশ ইত্যাদি। ইং ১৮৮৯ চনত "জোনাকী" প্ৰকাশ পোৱা কালৰ পৰা ইং ১৯৪০ চনলৈ অৰ্থাৎ সাহিত্য আলোচনী "আৱাহন" খন চলি থকা সময়লৈকে অসমীয়া সাহিত্য ক্ষেত্ৰত কবিতা, চুটি গল্প, উপন্যাস আদি সৃষ্টি ধৰ্মী সকলো সাহিত্য মাধ্যমতেই "ৰোমাণ্টিক ভাৱধাৰা"ৰেই প্ৰভাৱ পৰিব্যাপ্ত আছিল যদিও কবিতাৰ ক্ষেত্ৰখনহে ৰোমাণ্টিক ভাব আবেগৰ আহল-বহল বিচৰণ ভূমি আছিল। কাৰণ কবি নাইবা সাহিত্যিকৰ ব্যক্তিগত জীৱনৰ পোনপটীয়া ভাৱাৱেগ প্ৰকাশ সম্ভৱ হৈছিল কবিতাৰ মাজেৰেহে। গতিকে যি কোনো সাহিত্যিকৰ ব্যক্তিত্বৰ স্বৰূপ বিচাৰ কৰিবলৈ হ'লে কবি সকলৰ অনুভূতি প্ৰধান ৰচনা কবিতাৰ সহায়েৰে বিচাৰ অনুভূতি প্ৰধান ৰচনা কবিতাৰ সহায়েৰে বিচাৰ কৰিলেহে উচিত বিচাৰ সম্ভৱ হয়। তেনে কাৰণত এই নিৱন্ধটিত অসম কেশৰী অম্বিকাগিৰীৰ কবিতাৰ মাজেৰে প্ৰকাশ পোৱা তেওঁৰ জীৱনৰ আদৰ্শৰ স্বৰূপ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হৈছে। লগতে তেওঁ ৰচনা কৰা কবিতাৰ মাজেৰেই তেওঁৰ ব্যক্তিগত জীৱন চিত্ৰৰূপ ৰেখাও যে প্ৰকাশ পাইছে, সেইটোও দেখুৱাবলৈ বিচৰা হৈছে।

ড° সত্যেন্দ্ৰ নাথ শৰ্মা দেৱে "অম্বিকাগিৰীৰ ৰচনাৱলী সম্পাদনা কৰোঁতে লিখা পাতনিত উল্লেখ কৰিছে যে অম্বিকাগিৰীয়ে তেওঁৰ সাহিত্যিক জীৱন আৰম্ভ কৰিছিল নাটক ৰচনাৰ মাজেৰে। তেওঁৰ সেই প্ৰথম ৰচিত নাটক "বন্দিনী ভাৰত মাতাৰ"ৰ পাণ্ডুলিপি সেই সময়ৰ

পৰাধীন ভাৰতৰ ইংৰাজ চৰকাৰৰ পুলিছে জব্দ কৰি লৈ গৈ নষ্ট কৰি পেলোৱাত নাইকিয়া হৈ গৈছে। অৱশ্যে সেইখন লিখাৰ সময়ত অম্বিকাগিৰী আছিল ১৮/১৯বছৰীয়া ডেকা "স্কুলীয়া ছাত্ৰ" আৰু ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতি অনুৰাগী সশস্ত্ৰ বিপ্লৱৰ ভাৱেৰে উদ্বুদ্ধ তৰুণ। 'বন্দিনী ভাৰত মাতা' নাটক খনত মুক্তি ফৌজৰ সেনানী সকলে গোৱা এটি গীত হেনো আছিল এনে-"যাৰ য'ত আছে দা কুঠাৰ যাঠি হাতে হাতে তুলি ল, নাই ভয় নাই, নাই সংশয় বুকুত সাহস ল"।

কোনো উচ্চ দৰৰ কবিতা বা গীত নহ'লেও এই কথাও ওলাই পৰিছে যে ডেকা কালৰ পৰাই তেওঁৰ মনত শিপাই আছিল ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ভাৱনা। অৱশ্যে এইটোও ঠিক যে, যিহেতু অসম ভাৰতবৰ্ষৰেই অন্তৰ্গত সেইবাবে ভাৰতৰ স্বাধীনতা মানে যে অসমৰো স্বাধীনতা সেইকথা সকলোৱে স্বতঃসিদ্ধ ৰূপেই জানিছিল। তথাপি, সেই সময়ত ইংৰাজ চৰকাৰে অসমক পূৰ্ব্ববঙ্গৰ লগত সাঙুৰী ৰাখি শাসন কৰিছিল আৰু ইং ১৯০৪ চনত সেই ব্যৱস্থাৰ পৰিৱৰ্ত্তন কৰিবলৈ ওলোৱাত বঙ্গদেশক বিভাজন কৰিব খোজা হৈছে বুলি বঙ্গদেশবাসী সকলে বঙ্গভঙ্গ আন্দোলনৰ সূচনা কৰিছিল। সেই পৰিস্থিতিত অম্বিকাগিৰী আৰু তেওঁৰ বন্ধু কেইজনমানে "বঙ্গ-ভঙ্গ আন্দোলন"ৰ বিষয়টো আওকাণ কৰি অসমক পূৰ্ব্ববঙ্গৰ লগত সাঙুৰি ৰখাৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ মনোভাৱ লৈহে একনিষ্ট দল গঠন কৰি বৃটিছৰ বিৰুদ্ধে যুদ্ধ কৰাৰ কথা ভাবিছিল। এই কথাৰ পৰাই বুজিব পাৰি যে সৰ্ব্বভাৰতীয় স্বাধীনতা আহৰণৰ চিন্তা মনত থাকিলেও অম্বিকাগিৰী আৰু তেওঁৰ বন্ধু বৰ্গই ভাৰতৰ লগতে অসমৰ কথাও মনত ৰাখিছিল। এনে কাৰণতে আমি দেখা পাওঁ যে কবি হিচাপে অম্বিকাগিৰীৰ দেশপ্ৰেম মূলক কবিতা ধাৰাত ভাৰত প্ৰেম আৰু অসম প্ৰেম দুয়োটায়েই পাৰস্পৰিক ভাৱে সমান্তৰাল গুৰুত্বৰে সহঅৱস্থিত ভাবে প্ৰকাশ লাভ কৰি আছে। এনেকি অসম প্ৰেম আৰু ভাৰত প্ৰেমৰ চিন্তা চৰ্চায়েই সকলো সীমাৱদ্ধতাৰ দেওনা চেৰাই গৈ আন্তৰ্জাতিক মহা-মানৱতাবাদৰ প্ৰান্ত ভূমিত অম্বিকাগিৰীৰ মনোজগতক মিলাই দিছে। সেয়েহে কব লাগিব যে গভীৰ সুক্ষ্ম কাব্যিক অনুভূতি সম্পন্ন প্ৰাণৰ গৰাকী অম্বিকাগিৰীৰ জীৱন আৰু জগতৰ সৈতে আধ্যাত্মিক চেতনাৰ সংযোগ ঘটি তাৰ লগত সংহতি ৰক্ষা কৰিয়েই তেওঁৰ ব্যক্তিগত জীৱন, সামাজিক জীৱন তথা উভয়ৰেই সন্মিলীত "মানৱ-ব্যক্তিত্ব" আধাৰিত পৰিচয়টোত নিজস্ব আদৰ্শৰ সপ্ৰকাশ সাৰ্থক কৰি তুলিছে।

অম্বিকাগিৰীৰ জীৱনৰ ডেকা কালছোৱাত দেশ প্ৰেমৰ ভাৱেৰে উদ্বুদ্ধ হৈ বিদেশী ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহী চিন্তাধাৰা আৰু কৰ্ম প্ৰয়াস জড়িত থকাৰ মাজতেই তেওঁৰ মনোজগতত যৌৱনৰ জাগতিক প্ৰেমানুৰাগৰ অনুভূতি সঞ্চাৰিত হৈছিল। কিন্তু তৎকালিক ভাৱে তেতিয়াই তেওঁৰ কাব্য চৰ্চা আৰম্ভ হৈছিল বুলি কব নোৱাৰি। সম্ভৱ দেশপ্ৰেমৰ আৱেগ মগ্ন হৈ "এনাকিষ্ট সংগঠনত" ব্যস্ত হৈ থকাত সাহিত্যৰ প্ৰতি ৰাপ মনত ওপজা নাছিল। কিন্তু যেতিয়া তেওঁৰ ৰাজনৈতিক গতিবিধিৰ ওপৰত চৰকাৰৰ চোকা নজৰত পেলাই অম্বিকাগিৰীক প্ৰশাসনীয় কৰ্ত্তৃপক্ষই ইংৰাজী ১৯০৮ চনৰ পৰা আঠ বছৰৰ কাৰণে বৰপেটালৈ নি "নজৰ-বন্দী" কৰি ৰখাৰ ব্যৱস্থা কৰিলে। তেতিয়া আপোনা-আপুনি সকলো ৰাজনৈতিক কাৰ্য্যকলাপ পৰিহাৰ কৰি অম্বিকাগিৰীয়ে কিছুমান সমাজ কল্যাণ মূলক কৰ্ম আঁচনি হাতত লৈ জনসেৱাত প্ৰবৃত্ত হৈ পৰিল আৰু লগতে সাহিত্য চৰ্চাত লাগিল। এইদৰে বৰপেটাত থকাৰ সময়তে অম্বিকাগিৰীয়ে সেই সময়ৰ বৰপেটাৰ সমাজত তিথি ৰাম ৰায়ন আদিৰ প্ৰভাৱত প্ৰচলিত হৈ থকা বঙলা ভাষাৰ নাটক অভিনয়ৰ প্ৰচলনত বাধা দিবলৈ অসমীয়া ভাষাত "জয়দ্ৰথ বধ" (গীতি-নাট্য) ৰচনা কৰি উলিয়াই স্থানীয় অভিনেতা বিচাৰি শিকাই বুজাই অভিনয় কৰাইছিল। লগতে সেই সময়তেই তেওঁৰ বিখ্যাত ৰহস্যবাদী কাব্য "তুমি" আৰু খণ্ড কবিতা "বীণা" অম্বিকাগিৰীয়ে ৰচনা কৰে। এই দুয়োখন কবিতা পুথিৰ জৰিয়তেই তেওঁ অসমীয়া সাহিত্যৰ বুৰঞ্জীত "ৰহস্যবাদী কবি হিচাপে পৰিচিত হৈ আহিছে। ড° বাণীকান্ত কাকতী দেৱে অম্বিকাগিৰীৰ "তুমি" কাব্যৰ সাহিত্যিক মূল্য বিচাৰ কৰিবলৈ যাওঁতে এইদৰে লিখিছে- "তুমি" কাব্য ৰায়চৌধুৰীৰ আধ্যাত্মিকতাৰ উজ্বল চানেকী। "তুমি" কাব্যক কবিৰ বিশ্ব ৰূপ দৰ্শন বুলিব পাৰি। ড° কাকতীয়ে এইদৰে কোৱাৰ তাৎপৰ্য্য হ'ল এই যে, কবি অম্বিকাগিৰীয়ে বিশ্বৰ সকলো বিবিধ সৌন্দৰ্য্যৰ মাজত এক অবিভাজ্য ঈশ্বৰ-তত্ত্বৰ অৱস্থিতি উপলব্ধি কৰি অনুভৱ কৰিছে।

"সকলো তুমিয়ে নাথ জগতত দেখিছা যিমান"। কিন্তু মন কৰিব লগা কথা হ'ল এই যে, যদিও কবি অম্বিকাগিৰীয়ে আধ্যাত্মিক দৃষ্টিৰে (১) সুন্দৰী ৰমণীৰ দৈহিক সৌন্দৰ্য (২) মানুহৰ সাংসাৰিক জীৱনত প্ৰচলিত বাস্তৱ সম্বদ্ধ আৰু স্নেহ বন্ধন জড়িত আদান-প্ৰদান আদিৰ মাধুৰ্য্য (৩) জগতৰ নৈসৰ্গিক ক্ষেত্ৰত বিৰাজমান প্ৰাকৃতিক নয়নভিৰাম শোভা (৪) পৃথিৱীৰ বিবিধ অনুপৰমানুৰ বস্তুৰ ৰূপ স্থিতিৰ মাজত নিহিত ভাৱে থকা স্পন্দিত চেতনা (৫) যাৰ সংস্পৰ্শত কবিৰ অন্তৰ জগত আৰু জীৱনৰ তত্ত্বময় ৰূপ নিজৰ অন্তৰত প্ৰতিভাত কৰি তুলিবলৈ বিচাৰি বিৰহৰ অনুভূতিৰে বেদনাৰ্ত্ত হৈ উঠাৰ কাৰণ (৬) অসীম "ঈশ্বৰ" আৰু সামীবদ্ধ জগতৰ মাজত মিলন ঐক্য স্থাপনৰ উপায় অন্বেষণ আৰু (৭) শেষত সেই সকলো অন্বেয়ণৰ অন্তত অনাদি অসীম সৃষ্টি

আৰু জাগতিক সীমাবদ্ধ স্থিতি দুয়োটাৰে অস্তিত্ব অটুত ৰাখিও কেনেকৈ এটি মহা-মিলনৰ পথ ৰচনা কৰিব পাৰি তাৰ উপায় বিচাৰি পোৱাৰ আনন্দ প্ৰভৃতি সকলো কথাই যে একোটি "বিশ্ব তত্ত্বৰেই" অন্তৰ্গত হৈয়ো বিচিত্ৰতাৰ মাজেৰে নিজা নিজা স্থিতিৰ কেন্দ্ৰ একোটাত চিৰকাল বৰ্ত্তি থাকিবলৈ বাধ্য, সেই কথায়েই অম্বিকাগিৰীৰ "তুমি" কাব্যৰ অন্তিম উপলব্ধিত প্ৰতিস্থিত হোৱা সত্য। মানুহে নিজৰ অস্তিত্ব আপোন কেন্দ্ৰৰ সীমাবদ্ধতাৰ মাজত সুৰক্ষিত কৰি ৰাখিও মানসিক সংযোগেৰে অনন্ত অসীমৰ সৈতে একাত্মক নিবিড়তা অটুত ৰাখিব নোৱাৰাৰ কাৰণ নাই। তেনে মনোভাৱেৰেই "তুমি" বাক্যত অম্বিকাগিৰীয়ে কৈছে—

১। মই নহ'লেনো কোৱা, কি দৰে
প্ৰকাশিত কৰে গৌৰৱ তোমাৰ?
বিশ্বৰ ৰচনা দেখি
প্ৰাণ চাটি-ফুটি কৰে প্ৰেমত তোমাৰ?

২। মোৰে শকতিৰে দেখো সাধিচা
সকলো কাম তৃপিতি সামৰি
মোৰে ভিতৰেদি দেখোঁ
ফুলি উঠে ওজুনাম ব্ৰহ্মাণ্ড বিদৰি।

অম্বিকাগিৰীৰ এই মন্তব্যৰ অৰ্থ হ'ল এই যে পৃথিৱীত যদি "কবি" অৰ্থাৎ মানুহৰ স্থিতি নাথাকিলে'হেতেন তেনেহ'লে ভগৱানৰ গৰিমা প্ৰকাশ পালেহেঁতেন কেনেকৈ? ভগৱানেতো মানুহৰ অৱলম্বনতেই নিজৰ অস্তিত্ব মানুহৰ হৃদয়ত প্ৰতিফলিত কৰি প্ৰকাশমান হৈছে। এতেকে অনন্ত অসীম ভগৱৎ সত্বাৰ স্থিতি, এই সীমাবদ্ধ জগতৰ প্ৰতিনিধি মানুহৰ অস্তিত্ব বৰ্ত্তি থাকিলেহে সম্ভৱ। জীৱন আৰু জগতৰ মাধুৰ্য্য, গৌৰৱ, সৌন্দৰ্য্য আদি অৰ্থপূৰ্ণ হৈ থাকিব লাগিলে সসীম জগত আৰু অসীম ভগৱৎ সত্বা দুয়োটায়েই সমিল মিলেৰে সহ অৱস্থান কৰি থাকিবই লাগিব। তেতিয়াহে জগত আৰু জীৱন সাৰ্থকভাৱে প্ৰবৰ্ত্তি ৰ'ব। সেয়েহে অম্বিকাগিৰীৰ সিদ্ধান্ত হ'ল—

"প্ৰেমময় ৰহস্যৰ উজলিত ৰাখি তুমি চলবা জগত।
মই তাক ভাবি ভাবি জুমি জুমি প্ৰকৃতি আৰত।"

"ভগবৎ সত্বায়ো জীৱন আৰু জগতৰ পৰম একক সত্বা" বুলি মানি লৈও অম্বিকাগিৰীয়ে নিজৰ ব্যক্তি সত্বাক অসমীৰ বুকুত লীন কৰি পেলাব খোজা নাই। নিজে সীমাৰ মাজত থাকিও, অসমীৰ সৈতে সংযোগ স্থাপন কৰি বিমল আনন্দৰ মহোৎসৱত অংশ গ্ৰহণ কৰি নিজৰ স্বকীয় স্থিতিৰ মূল্য প্ৰতিস্থা কৰাৰ লক্ষ্যটোৱেই হৈছে অম্বিকাগিৰীৰ ৰহস্যবাদী কবি মানুহৰ মূল সুৰ। আনহাতে "ব্যক্তিৰূপে" নিজৰ পৰিচয় সংৰক্ষিত কৰি ৰখাৰ মানসিক স্পৃহাটোৰ পৰাই কবি অম্বিকাগিৰীৰ মনত জাগ্ৰত হৈ উঠিছে নিজ সমষ্টি বা জাতিৰ অস্তিত্ব তথা স্থিতিৰ আত্ম-প্ৰতিস্থা কাৰ্য্যকৰী কৰি তোলাৰ অভিলাস। মনৰ মাজত থিতাপি লোৱা এই মনোভাৱটোৱেই হৈছে স্বদেশ প্ৰেম। আধ্যাত্মিক চেতনাৰ স্পৰ্শত যি চিন্তাই অম্বিকাগিৰীৰ মনটোক ঈশ্বৰৰ শ্ৰীচৰণত দ্ৰবীভূত হ'বলৈ নিদি ভগৱানৰ সৈতে জড়িত থাকিও মানুহক এটি জিস্বতা সম্পন্ন গৌৰৱৰ অধিকাৰী হৈ থাকিবলৈ উৎসাহিত কৰিছিল, সেই ভাৱৰ প্ৰৱাহেই তেওঁক ভাৰতৰ স্বাধীনতা সংগ্ৰামী মুক্তি যোদ্ধা আৰু অসমীয়া জাতীয়তাবাদী দেশ সেৱকত পৰিণত কৰিছিল। নিজ স্বদেশ আৰু স্বজাতি অম্বিকাগিৰীৰ মনত একেজন সৃষ্টি কৰ্ত্তা ভগৱানৰে অংশ বুলি গণ্য কৰিছিল, যি কাৰণে তেওঁৰ কবিতাৰ শেষ বাণী আছিল- "দেশেই ভগৱান"।

যৌৱনৰ আৱেগিক প্ৰেমানুভূতিৰ প্ৰভাৱৰ কবি অম্বিকাগিৰীৰ অন্তৰত অন্তঃসলীলা প্ৰৱাহেৰে ববলৈ আৰম্ভ কৰা ভাৱৰাশীয়ে ৰহস্যবাদী ভাৱধাৰাৰ সঞ্চালনে দৈহিক আৰু জাগতিক স্তৰৰ সকলো চিন্তা অতিক্ৰম কৰি এই অশ্ৰুটুপি ভেদি অহা "মুগুৰী পৰাণ" বুলি কবিৰ অন্তৰত ভগবৎ সত্বাৰ আলোকেৰে উদ্ভাষিত কৰি তোলাৰ পিচতো বিনন্দিয়া সৃষ্টিৰ কোলাত জীৱন ৰহস্যৰ পটভূমিত, সীমান আবদ্ধ দৃশ্যমান বস্তু জগত আৰু ভাৱময় তত্ব-আশ্ৰিতবোধক স্থিতিত জীয়াই থকা কবিৰ আত্মিক অস্তিত্বৰ লগত অনন্ত অসীম লীলাময় সৃষ্টি কৰ্ত্তাৰ এৰাব নোৱাৰা সংযোজিত সম্পৰ্কৰ প্ৰকৃতি নিৰ্ণয় কৰিবলৈ ব্যগ্ৰ হৈ উঠিছে। কাৰণ, নিজকো সামৰি সমগ্ৰ বিশ্বয়েই একেজন ভগৱানৰ লগত জড়িত হলেও অম্বিকাগিৰীৰ মতে ভগৱানৰ মহিমা প্ৰকাশৰ সহায়ক স্বৰূপে কবিৰ অৰ্থাৎ মানুহৰ এটা নিজা অস্তিত্ব পথিৱীত সদায় আছে আৰু থাকিব। মানৱ ব্যাক্তিত্বৰ এনে স্থিতি সাব্যস্ত কৰি ৰখাৰ চিন্তাটোৱেই অম্বিকাগিৰীৰ ভগৱানৰো মূল সুৰ। তেওঁৰ প্ৰাণে অনন্ত অসীমৰ প্ৰতি হৃদয়ৰ প্ৰেমময় আকৰ্ষণ অনুভৱ কৰে, তাৰ বাবে হাবাথুৰিও খায়, কিন্তু সেই বুলি আপোন নিজস্বতা জলাঞ্জলি দি নহয়। সেই কথা তেওঁ "বীণা" নামৰ একাধিক ক্ষুদ্ৰ কবিতাত প্ৰকাশ কৰিছে। অশেষ কাকুতি মিনতি কৰিও অনন্ত অসীমৰ পৰা প্ৰেম নিৱেদনৰ সঁহাৰি নাপাই ক্ষুদ্ধ হৈ উঠা মনৰ অভিমানেৰে "বীণা" নামৰ কবিতা পুথি খনত লিখিছে—

তুমি হেনো মহাৰাণী
বহি আছা বিশ্বৰ মূৰত
মই হেনো ক্ষুদ্ৰ প্ৰাণী
পৰি আছো মহা নৰকত
তাতেহে কৰিছা মোক

অৱহেলা ইমান।

সেই কথা অনুভৱ কৰি কবিয়ে কবিতাটোত কৈছে—

থাকা তেনেহ'লে বাৰু
নাই তুমি তোমাৰে গৌৰৱ
নোখোজো তোমাত আৰু
বিশ্বজয়ী নন্দন সৌৰভ
তোমাৰ দেশতকৈ মোৰ দেশ ভাল
ইয়াতে কটাম হাঁহি হাঁহি চিৰকাল।।

আধ্যত্মিক ৰহস্যবাদী মানসিক চেতনাত অম্বিকাগিৰী যিদৰে নিজৰ ব্যক্তি সত্বা সংৰক্ষণৰ অনুগামী, সেই একেদৰে মানুহৰ জাগতিক দেশগত স্থিতিত বাস্তৱ অস্তিত্বৰে জায়ীই থকাৰ অনুগামী। হৃদয় অনুভূতিৰ জাত ভাৱবাদী দৰ্শনে কল্পনাৰ স্বৰ্গভূমি ঈশ্বৰৰ আবাস বা দেশ বুলি ভাৱে আৰু সেই স্বৰ্গত থকা ঈশ্বৰৰ দয়া প্ৰেম তথা আৰ্শীবাদ লাভ কৰি ধন্য হ'ব খোজে। বহুতে পৃথিৱীৰ মাটিৰ মোহ পৰিহাৰ কৰি নিজৰ অস্তিত্ব ঈশ্বৰত বিলিন কৰি দিবলৈও ইচ্ছা কৰে। কিন্তু অম্বিকাগিৰীৰ আধ্যাত্মিক দৰ্শন তেনে নহয়। তেওঁৰ মতে পৃথিৱীৰ মাটিয়েই মানুহৰ "দেশ" য'ত মানুহে নিজা পৰিচয়ৰ চিনাকিৰে থাকি নিজা হৃদয়ৰ অনুভূতিৰ মাধ্যমেৰে জগত আৰু জীৱনৰ সৃষ্টি কৰ্ত্তা তথা পৰিচালক ভগৱানৰ লগত নিজৰ আনুভূতিক সম্পৰ্ক স্থাপন কৰি ধন্য হ'ব পাৰে। কিন্তু তাৰ বাবে ভগৱানৰ ফালৰ পৰাও মানুহৰ প্ৰতি সস্নেহ আকৰ্ষণ থাকিব লাগিব। যেতিয়া সেইটো নথকা যেন লাগে তেতিয়াই ভগৱানৰ প্ৰতি মানুহৰ মনত অভিমান জাগি উঠাটো অস্বাভাৱিক নহয়। অম্বিকাগিৰীৰ "বীণা" নামৰ কবিতা পুথিত থকা ওপৰোক্ত "মোৰ দেশ ভাল" শিতানৰ কবিতাটোত কবিৰ প্ৰাণৰ "অভিমান" ভগৱানৰ উদ্দেশ্যে সৰৱ হৈ উঠিছে। আধ্যাত্মিক ক্ষেত্ৰত উচ্চাৰিত একে ধৰণৰ "অভিমান"ৰ ভাৱ তেওঁৰ অন্যান্য "আত্ম-সচেতন" অনুভূতি প্ৰকাশক বেলেগ বেলেগ কবিতাত সময়ে সময়ে প্ৰকাশ পোৱা দেখা যায়। যেনে—

১। নালাগে তোমাৰ মোক সান্ত্বনাৰ দান
হম কিয় লঘু মই
দানৰ উচ্ছিষ্ট লৈ
দান লয় কোনে বাৰু?
কাপুৰুষ নেকি মই?
মোৰো আছে
যাতনাত ক্লিষ্ট অভিমান।
(অনুভূতি ঃ বেদনা-বিজয়)

২। কোনে কৰে আজি উপলুঙা মোক
এনে দূৰন্ত সাহস কাৰ?
শ্বাশত মোৰ স্থিতিৰ ভেটিটো
ওলাই তুলিছে হাই হুকাৰ!
স্বীকাৰ কৰিম মই কিয় তাক
যেয়ে কৰে মোক অস্বীকাৰ
মোৰ শিৰ কিয় নত হ'ব তাত
সাগৰ য'ত নাই বিচাৰ?
(অনুভূতি ঃ মই আছোঁ, মই আছোঁ)

অসম কেশৰী অম্বিকাগিৰীৰ কবিতা প্ৰৱাহৰ যি পৰিচয় ইয়াত দাঙি ধৰা হৈছে তাৰ পৰা এই কথা নিশ্চয় প্ৰতীয়মান হ'ব যে, যি আধ্যাত্মিক অনুভূতি সম্পন্ন চিন্তাই তেওঁক অতিন্দ্ৰীয়বাদী ৰহস্যৰ উপলব্ধিৰে সচকিত কৰি সাক্ষুকমান বিশ্ব জগতৰ বাহ্যিক স্থিতি আৰু অদৃশ্য, অনন্ত নিহিত জীৱন স্পন্দনৰ আধাৰ অসীম বিশ্ব শক্তিৰ পাৰস্পৰিক নিৰ্ভৰশীল চৰিত্ৰৰ সন্ধান দিছিল, সেইটোৰ অৱলম্বনতে তেওঁ অৰ্থাৎ কবি অম্বিকাগিৰীয়ে পৃথিৱীত মানৱ সমাজৰ প্ৰতিনিধি হিচাপে তেওঁৰ নিজা জন্ম ধাৰণা যে অসাৰ্থক নহয় সেই কথা অনুভৱ কৰিছিল আৰু বুজি পাইছিল যে "ভগবৎ তত্ব" আৰু জগতৰ প্ৰকাশ মান। বাস্তৱৰ "বস্তু-তত্ব" দুয়োটায়েই দুয়োটাৰ পৰিপূৰক। সেই কাৰণেই ব্যক্তিৰ ব্যক্তিত্ব, সামাজিক সংগঠিত ৰূপ দেশ আদি সকলো বিলাকৰ অস্তিত্ব মৰ্য্যাদা আৰু স্থিতিও সৃষ্টিৰ অনাদি ৰহস্যৰ বিচিত্ৰ আত্ম-প্ৰকাশৰেই অভিব্যক্তি আৰু কবি নিজেও ভগৱানৰ এই সৃষ্টি লীলাৰ অংশীদাৰ। এনে ভাৱনাৰ মাজেৰেই কবি অম্বিকাগিৰীৰ মনোজগতত আধ্যাত্মিকতা সম্ভূত ৰহস্যবাদ, মহামানৱীয় উদাৰতা আৰু স্বদেশ প্ৰেম (সৰ্ব্বভাৰতীয় আৰু অসমৰ অসমীয়া আঞ্চলিকতাবাদ) আৰু নিজৰ ব্যক্তিত্ব আশ্ৰিত সম্ভ্ৰমবোধ আদি সকলো ধাৰণাৰ একাত্মক চিন্তাৰ অঙ্গীভূত প্ৰকাশেৰে বিবিধ কবিতাৰ জৰিয়তে দেখা দিছে। কবি অম্বিকাগিৰীৰ উপলব্ধিত ভগৱৎ প্ৰেম, স্বদেশ প্ৰেম, বিশ্ব প্ৰেম, মানৱ প্ৰেম, এনেকি ব্যক্তিৰ নিজস্বতা জড়িত আত্মবোধক অনুভূতি বা উপলব্ধি আদি সকলো বিলাকেই একেটা মূল জগৎ তত্বৰেই বিভিন্ন ৰূপ।

❖❖❖

# পুণ্ডৰীকাক্ষ ভৰালী

## (১৯৪২-১৯৭৯)

ৰজতচন্দ্ৰ ভৰালী
শিক্ষক

এসময়ৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰবক্তা, কবি, প্ৰবন্ধকাৰ আৰু সাহিত্যিক পুণ্ডৰীকাক্ষ ভৰালীৰ জন্ম হয় ১৯৪২ চনৰ ১২ জানুৱাৰী ৰামদিয়াৰ কমাৰটোলাত। দেউতাক বস্তি ভৰালী, গুৱাহাটীত জীৱন বীমা নিগমত চাকৰি কৰে। সৰুৰে পৰাই পঢ়া শুনাত ভৰালী চোকা আছিল। ভৰালীয়ে স্কুলীয়া শিক্ষা লৈছিল গুৱাহাটীৰ এম চি এম ই স্কুল (এতিয়া মানিক চন্দ্ৰ বৰুৱা হাইস্কুল) আৰু কটন কলেজিয়েট স্কুলত। প্ৰৱেশিকা পৰীক্ষা পাছ কৰি ভৰালীয়ে কটন কলেজত নাম লগায়। ১৯৬৩ চনত ভৰালীয়ে পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ বি এচ চি পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ১৯৬৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা তেওঁ পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ উপাধি লাভ কৰে। ভৰালীয়ে বি এচ চি ৰ বাহিৰে সকলো পৰীক্ষাতে প্ৰথম বিভাগ পাইছিল। ভৰালীয়ে বি. এচ. চিত ২ য় স্থান লাভ কৰিছিল। এম এচ ছি ৰ স্পেচিয়েল পেপাৰ স্পেক্‌ট্ৰছকপিত ভৰালীৰ সহপাঠী আছিল বনমালী বৈশ্য, শিৱনাথ বৰ্মন, কল্পনা বৰুৱা আৰু প্ৰণতি শৰ্মা। প্ৰেকটিকেল কৰোতে কিবা খোকোজা লাগিলে তেওঁলোকে পুণ্ডৰীকাক্ষ ভৰালীকহে সোধে আৰু ভৰালীয়ে সহায় কৰি দিয়ে। এই সহপাঠী সকল সাহিত্য শিক্ষা আদি ক্ষেত্ৰত স্বমহিমাৰে প্ৰতিষ্ঠাপিত হৈছে। ভৰালীয়ে লেখা আৰু অধ্যাপনা দুয়োটাই সমানে চলাই নিছিল। কিতাপৰ লগত অনবৰতে জড়িত আছিল। তেওঁ অতি অমায়িক প্ৰকৃতিৰ আছিল। তেওঁ আছিল একেধাৰে বিজ্ঞানী, নিৰন্ধকাৰ কবি, আবৃত্তিকাৰ আৰু খুহুতীয়া কথাৰ ভঁৰাল। ভৰালীয়ে শোষণ নিষ্পেষণ মুক্ত এখন সমাজ গঢ়াৰ সপোন দেখিছিল। তেওঁৰ আশা আছিল মানুহবোৰ ধীৰে ধীৰে জাগি উঠিব-— আৰু এক সাংস্কৃতিক বিপ্লৱ হ'ব।

পুণ্ডৰীকাক্ষ ভৰালী কোনো ৰাজনৈতিক দলৰ সদস্য নাছিল, কিন্তু ভৰালী মাৰ্ক্সীয় দৰ্শনৰ আধাৰত প্ৰগতিশীল চিন্তা-চৰ্চা কৰা গোষ্ঠী সমূহৰ লগত ঘনিষ্ঠতা ৰাখি ফুৰিছিল। সেয়াই আছিল পুণ্ডৰীকাক্ষ ভৰালীৰ জীৱনৰ দোষ। তেওঁ সেই বাটে যাব নালাগিছিল। বিদেশী বিতাড়ন আন্দোলনৰ সময়ত বামপন্থী চিন্তা ধাৰাৰ বাবেই ভৰালীয়ে নেতা সকলৰ ককৰ্থনা আৰু লপা থপা খাব লগা হৈছিল। এনে আঘাত তেওঁৰ বাবে অসহ্যকৰ হ'ল। এইবোৰ মনৰ কথা পুণ্ডৰীকাক্ষ ভৰালীয়ে অসমৰ বিশিষ্ট চিত্ৰ শিল্পী চন্দন চুতীয়াক কোৱাৰ বাবে তেওঁৰ পৰা এঘন্টা সময় বিচাৰিছিল। পিছে বিশেষ কাৰণত ভৰালীক চুতীয়াই এঘন্টা সময় দিব নোৱাৰিলে। কিন্তু পিছদিনা যেতিয়া নিৰুদ্দিষ্ট কবি অৱনী চক্ৰৱৰ্ত্তীৰ মুখত শুনিলে পুণ্ডৰীকাক্ষ ভৰালী এই সংসাৰত নাই-তেতিয়া চুতীয়াৰ বুকুত অবধ্য বেদনাই হেচি ধৰিলে আৰু ধোঁৱা কোঁহা দেখিলে। পুণ্ডৰীকাক্ষ ভৰালীয়ে নিজৰ ঘৰতে ছিপজৰী লৈ আত্মা হত্যা কৰিলে। কি যে বেদনাদায়ক কথা.......... ভৰালীৰ বিবাহ, প্ৰেম আদিৰ প্ৰতি অনুৰাগ নাছিল। ঘৰখন, অধ্যয়ন আৰু লেখা এই বিলাকতে ব্যস্ত ৰাখিছিল। নিজকে মাত্ৰ ৩৭ টা বছৰ বয়সতে জীৱনৰ নাটখনি সামৰি থলে।

বিশিষ্ট চিন্তাবিদ, শিক্ষাবিদ আৰু সাহিত্যিক ড° শিৱনাথ বৰ্মনে লিখিছে— "যুক্তিবাদী মনৰ লগতে এটা সুকুমাৰ মনৰো অধিকাৰী আছিল পুণ্ডৰীকাক্ষ ভৰালী। বিজ্ঞান চৰ্চাৰ সমান্তৰাল ভাৱে তেওঁ কৱিতা ৰচনাতো হাত দিছিল। তেওঁ যি সময়ত কাব্য চৰ্চা আৰম্ভ কৰিছিল, সি আছিল অসমৰ সামাজিক ৰাজনৈতিক জীৱনৰ এক অস্থিৰ সময়।" সেই অস্থিৰ সময় তেওঁৰ কবিতাত প্ৰকট হৈছিল।

বিজ্ঞানৰ ছাত্ৰ হিচাপে ভৰালী অসম বিজ্ঞান সমিতিৰ লগত ঘনিষ্ঠ ভাৱে জড়িত আছিল। ভৰালীয়ে 'অসম বিজ্ঞান সমিতিৰ পত্ৰিকা "বিজ্ঞান জেউতি'ত নিয়মীয়াকৈ লেখিছিল। তেওঁৰ ধেমালিৰ চলেৰে বিজ্ঞান" গ্ৰন্থখনি অসম বিজ্ঞান সমিতিয়ে প্ৰকাশ কৰিছিল। গ্ৰন্থখনে ১৯৮০-৮১ চনৰ অসমীয়া শ্ৰেষ্ঠ বিজ্ঞানৰ জনপ্ৰিয় গ্ৰন্থ হিচাপে অসম সাহিত্য সভাৰ গোলাপ চন্দ্ৰ বৰুৱা সোঁৱৰণী বঁটা লাভ কৰিছিল। গ্ৰন্থখন বড়ো ভাষালৈও অনূদিত হৈছে। কবি ভৰালীৰ কবিতা খিনি থুপাই অলপতে প্ৰাগজ্যোতিষ মহাবিদ্যালয়ে প্ৰকাশ কৰি এসময়ৰ প্ৰবক্তা গৰাকীৰ ঋণ পৰিশোধ কৰিছে। 'পদ্ম ৰাগ' নামকৰণেৰে কবিতা পুথি খনি সম্পাদনা কৰিছে বিশিষ্ট লেখক তথা ভৰালীৰ সহপাঠী ড° শিৱ

নাথ বৰ্মনে। তেওঁৰ কবিতাৰ বিষয়ে আলোচনা কৰা বিশিষ্ট কবি দুগৰাকী হ'ল-- শংকৰ শইকীয়া আৰু নলিনীধৰ ভট্টাচাৰ্য। ভৰালীৰ 'চকু' কবিতাটোৰ সম্পৰ্কত কবি শংকৰ শইকীয়াই লিখিছে 'গাওঁৰ সংস্কৃতি কামে' পোন প্ৰথমে অসমত আবৃত্তি প্ৰতিযোগিতাত পুণ্ডৰীকাক্ষ ভৰালীৰ 'চকু' এই কালজয়ী কবিতাটো গ্ৰহণ কৰিছিল। ভৰালীয়ে চকু নামৰ কবিতাটিত এইদৰে উল্লেখ কৰিছে---

এই দুটা চকু মোৰ
চক্ চক্ নক্ষত্ৰৰ দৰে
তীক্ষ্ণ ধাৰাল
এই দুটা চকুৰে মই
দেখা পাওঁ
ব্ৰহ্মাণ্ড ইফাল- সিফাল।

আমাৰ বিশ্বাস পুণ্ডৰীকাক্ষ ভৰালীয়ে অইন একো কবিতা নিলিখি মাত্ৰ এই কবিতাটো লিখিলেও তেওঁ কবি হিচাপে দ্বিধাহীন ভাৱে স্বীকৃতি পালেহেঁতেন। কিন্তু বিদ্ৰোহ যাৰ তেজত লিখা আছে তেওঁৰ বাবে স্বীকৃতি অস্বীকৃতিৰ কথাটো তুচ্ছ। যিজনাৰ চকুৰে ত্ৰিকালজ্ঞ ঋষিৰ দৰে ব্ৰহ্মাণ্ডৰ তিনিওটা ফাল দেখা পায় তেওঁ দ্বিধাহীন ভাৱে নাকচ কৰে ৰজা, মহাৰাজাৰ ইতিহাস। প্ৰতাৰণাৰ সকলো ছালনা তেওঁ নাকচ কৰে। ..... পুণ্ডৰীকাক্ষ ভৰালী আছিল অত্যন্ত সংবেদনশীল কবি। ইমানেই সংবেদন যে ঘৰৰ মানুহেই পুণ্ডৰীকাক্ষ ভৰালীৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰা নাছিল। আন এগৰাকী বিশিষ্ট কবি তথা অকাডেমী বঁটা প্ৰাপক নলিনীধৰ ভট্টাচাৰ্য ই ভৰালীৰ কবিতা সম্পৰ্কত লিখিছে। পুণ্ডৰীকাক্ষ ভৰালীৰ ভাষাত সুক্ষ্ম ব্যঞ্জনাৰ আৱৰণ নাই, তথাপি তেওঁৰ ভাষাত সংযম আছে, আছে সৰল সহজ, শংকিত ধ্বনি। তেওঁৰ কবিতা বিচাৰ কৰোতে তেওঁৰ বয়স, কাল আৰু ইতিহাসৰ কথাও মনত ৰাখিব লাগিব। এজন সম্ভাৱনাময় প্ৰতিশ্ৰুতি সম্পন্ন কবি অকালতে মৰহি গ'ল। তেওঁৰ ভাষাত যিটো দৃষ্টিভঙ্গী ফুটি উঠিছে, সেই কালত তেনে দৃষ্টি ভংগীৰ বাবে কবি বাধা বিঘিনিৰ সন্মূখীন হ'ব লগা হৈছিল। তেওঁ দ্বন্দময় জগতখনৰ সাহস দেখুৱাইছিল যদিও দুখৰ পৃথিৱী এখন ছাঁৰ দৰে তেওঁৰ লগে লগে আহি আছে বুলি অনুভৱ কৰিছিল। কবি ভৰালীয়ে তেওঁৰ, জীৱননো কি তাক কবিতাৰ মাজেৰেই প্ৰকাশ কৰিছে---

কাঁইটে আবৰা মোৰ জীৱন
কাইট যদি ভাল পোৱা আহাঁ
ধুমুহা ধৰ্ষিত মোৰ জীৱন
ধুমুহা ভালপোৱা যদি আহা।
(প্ৰিয়তমাযু / ৩৮)

কাল-চেতনা, ইতিহাস চেতনাই তেওঁৰ যৌৱনক সকলো অন্যায়ৰ বিৰুদ্ধে যুজিবলৈ প্ৰেৰণা যোগাইছিল। তেওঁ এঠাইত কৈছে--

মই আন একোকে নিচিনো
চিনো মাথোঁ
ইতিহাস মানে
গম্বুজৰ দৰে
নাঙঠ ল'ৰাটো

ইয়াত নাঙঠ ল'ৰাটো ক্ষুধাতুৰ উলঙ্গ নিৰাশ্ৰয় মানুহৰ প্ৰতিনিধি আমাৰ দেশৰ ইতিহাস এই ভয়াবহ দাৰিদ্ৰতাৰে ইতিহাস। কবিয়ে আন এটি কবিতাত এনেদৰে কৈছে--

তথাপি আমি গৈ আছো
অন্ধকাৰৰ বাট বিচাৰি
কাৰণ আমি জানো
আমি ৰাতিৰ শেষত
যামগৈ পুৱা
নিকা ফৰকাল
যাৰ পোহৰত উদ্ভাসিত
হৈ উঠিব
আমাৰ স্বদেশৰ লাৱনি মুখ

স্তবীৰ জনতাক প্ৰবুদ্ধ কৰাৰ এই আশা, এই স্বপ্ন প্ৰশংসনীয় যদিও ইতিহাস গঢ়াত আমি সফল হৈছোঁ বুলি ক'ব নোৱাৰোঁ। পুণ্ডৰীকাক্ষ ভৰালীৰ জীৱনটো চুটি। তেওঁৰ জীৱনৰ সৃষ্টিও পৰ্য্যপ্ত নহয়। তথাপি জালিকটা যি কেইডাল আছে পূৰপহাৰ সদৃশ। সেইবোৰ সৃষ্টিৰ মাজতেই পুণ্ডৰীকাক্ষ ভৰালী জীয়াই থাকিব আৰু তেওঁৰ লেখনিৰ মাজতে তেওঁক বিচাৰি পাম আমি অনায়াসে।

❖❖❖

# লোক সাহিত্য আৰু বিশ্বাস

মীনা কুমাৰী দাস
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

সাহিত্য হ'ল জাতিৰ দপোন। দাপোনত যেনেকৈ হুবহু প্ৰতিবিম্ব দেখিবলৈ পোৱা যায়, ঠিক তেনেকৈ সাহিত্যতো কোনো এটা জাতিৰ সামাজিক, সাংস্কৃতিক আৰু মনস্তাত্বিক বিষয় সমূহ সুন্দৰকৈ দেখিবলৈ পোৱা যায়। সাহিত্য বুলিলে প্ৰথমে কবিতা, গল্প, নাটক, উপন্যাস আদি লিখিত গ্ৰন্থৰ কথা মনলৈ আহে, যদিও এনে গ্ৰন্থ সৃষ্টি হোৱাৰ বহু আগৰে পৰা জন সাধাৰণৰ মাজত আৰু এক প্ৰকাৰ সাহিত্যৰ প্ৰচলন আছিল·, সেয়াই হ'ল লোক সাহিত্য। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ ভাষাত "জাতিৰ আদিম অৱস্থাৰ পৰা সভ্যস্তৰলৈ আঁত নিছিগাকৈ চলি অহা জনশ্ৰুতিয়েই লোক সাহিত্য। ই গদ্য আৰু গীত দুয়ো ৰূপতেই যুগ যুগ ধৰি সমাজৰ মুখে মুখে সৃষ্টি আৰু সংৰক্ষিত।" এই শ্ৰেণীৰ সাহিত্য নিৰক্ষৰ লোকৰ দ্বাৰা মুখে মুখে ৰচিত আৰু প্ৰচাৰিত হৈ আহিছে। লোক সাহিত্য জন সাধাৰণৰ মুখে মুখে চলি অহা বাবে 'জনসাহিত্য' বা 'মৌখিক সাহিত্য' বুলিও জনাজাত। পাশ্চাত্য পণ্ডিত এগৰাকীৰ এষাৰ অভিমত এই প্ৰসংগত উল্লেখ কৰিব পাৰি—

" Under this (folk literature) rather than loase leading are to be included those traditional legends, tales, ballads, songs,proverbs, riddles and plays which from the popular entertainments of primitive peoples are of the uncultured elements of more civilized people."

লোক সাহিত্য সমাজৰ উমৈহতীয়া সৃষ্টি; সমাজৰ সৰ্বজনৰ ভাব, চিন্তা আৰু কল্পনাৰ মিলন তীৰ্থ, সমগ্ৰ সমাজৰ আনন্দ বিনোদনৰ কলাক্ষেত্ৰ। যুগ যুগ ধৰি জন সাধাৰণৰ মুখে মুখে লোক সাহিত্য চিৰন্তন আৰু চিৰজীৱি হৈ আছে। ভাব, অনুভূতি আৰু ৰচনা প্ৰণালীৰ সৰলতাই এই সাহিত্যৰ ঘাই বৈশিষ্ট্য। কবি গুৰু ৰবীন্দ্ৰ নাথে কৈছে যে—" সিয়াই যেনেকৈ মাটিৰ তলত থাকি গছক পত্ৰে পুষ্পে সুশোভিত কৰি ৰাখে, সেইদৰে সকলো দেশৰে সাহিত্যৰ মূল ভাগ লোক জীৱনৰ মাটিৰ তলত ঢাক খাই সজীৱ হৈ থাকে; ই কেৱল দেশৰ জন সাধাৰণৰ উপভোগৰ আৰু উপলব্ধিৰ যোগ্য।" কবি গুৰুৰ মতে বাহিৰৰ লোকৰ তাত প্ৰবেশৰ অধিকাৰ নাই।

লোক সাহিত্যই কোনো এটা জাতিৰ জীৱন ধাৰণ প্ৰণালীৰ আভাস দিয়াৰ উপৰিও সেই জাতিৰ আশা-আকাংক্ষা, হৰ্ষ-বিষাদ, ভয়-ভক্তি, লোকবিশ্বাস, মানসিক চিন্তাধাৰা আদিৰো সম্যক জ্ঞান দিয়ে। লোক সাহিত্যত সময়ৰ সীমা নাই, ৰক্ষণশীলতাৰ চাপ নাই আৰু গতিহীনতাৰ ধৰ্ম নাই। সেয়েহে লোক সাহিত্যৰ অন্যতম বাহন হ'ল মুখ।

কোনো এটা জাতিৰ অতীতৰ বিষয়ে জানিবলৈ হ'লে সেই জাতিটোৰ ধৰ্মনীতি, আচাৰ-ব্যৱহাৰ, আনন্দ উৎসৱ, লোক বিশ্বাস আদিৰ লগতে জাতিটোৰ মাজত আদিম কালৰে পৰা মুখে মুখে চলি অহা গীত-পদ,ফকৰা-যোজনা, সাঁথৰ-মালিতা, সাধুকথা আদিৰ বিষয়ে জনাৰ আৱশ্যক হৈ পৰে।

অসমীয়া লোক সাহিত্যক তিনিটা ভাগত পোৱা যায়। এই ভাগবোৰ হ'ল— লোক গীত, ফকৰা-যোজনা, প্ৰবচন আৰু সাধুকথা।

গাঁৱলীয়া জীৱনৰ চহা লোক সকলে মুখে মুখে ৰচনা কৰা গীত বোৰকে লোকগীত বুলি কোৱা হয়। অসমীয়া ভাষাত বিবিধ লোকগীত আৰু লোক সঙ্গীত আছে। এই গীতবোৰ গাঁৱলীয়া সম্প্ৰদায়ৰ আপুৰুগীয়া সাংস্কৃতিক সম্পদ। লোক গীতবোৰ হ'ল বিহুগীত, বিয়ানাম, দেহবিচাৰক গীত,বাৰ মাহীৰ গীত, বেলাড আৰু জিকিৰ।

'বিহুগীত' অসমীয়া লোক সাহিত্যৰ প্ৰধান অঙ্গ। এই গীতবোৰ বসন্ত ঋতুৰ দান। বিহুগীতৰ কেন্দ্ৰীয় বিষয়বস্তুহৈছে প্ৰেম। সেয়েহে বেছিভাগ বিহুগীতত পূৰ্বৰাগ, বিৰহ, মিলন আদি প্ৰেমজনিত ভাব প্ৰকাশ পাইছে। পুৰুষ প্ৰকৃতিৰ প্ৰেম পিৰীতিৰ কথাও বিহুগীতবোৰত দেখা

যায়।

প্ৰথমে ঈশ্বৰে পৃথিৱী সৃজিলে
তাৰ পিছে সৃজিলে জীৱ
সেইজন ঈশ্বৰে পিৰীতি কৰিলে
আমিনো নকৰিম কিয় ?

বিহুগীতবোৰত ডেকা গাভৰুৰ যৌৱনৰ উদ্দাম বাসনা, মিলনৰ তীব্ৰ আকাংক্ষা, কমোৱা তুলাৰ দৰে উৰি ফুৰা মনৰ সম্যক প্ৰকাশ দেখা যায়। বিহুগীতত প্ৰেমৰ তীব্ৰ আকৰ্ষণৰ কথা উপমা অলংকাৰৰ সহায়তো প্ৰকাশ পাইছে—

ঘৰতো নবহে মন সমনীয়া
পথাৰতো নবহে মন,
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।

অসমৰ বিভিন্ন জনগোষ্ঠীয়ে বহাগ বিহুক নিজা ধৰ্মীয় ধাৰণা ৰীতি-নীতি বা লোকাচাৰ সমূহ পৰম্পৰাৰ মাজেৰে পালন কৰি বিহুৰ জাতীয় বৈশিষ্ট, ঐতিহ্য, স্বকীয়তা অটুট ৰাখি আহিছে।

বিহুগীত অসমৰ জনজীৱনৰ এক আপুৰুগীয়া সম্পদ। বিহু প্ৰতিটো জনগোষ্ঠীৰ প্ৰাণৰ উৎসৱ বুলি কব পাৰি। মনত নপৰা কালৰ পৰাই এই গীতবোৰ ৰচিত হৈ আহিছে। ইয়াতে নিহিত হৈ আছে জন- জীৱনৰ জীৱন গাথাৰ এখন সুন্দৰ ছবি, ভঠেলী উৎসৱৰ গীত, ম'হো-হো গীত, ভেকুলী বিয়া নাম, লখিমী উৎসৱৰ গীত আদি এই শ্ৰেণীৰ গীত।

ধৰ্ম সম্বন্ধীয়া গীতবোৰ হ'ল মনসা বা বেউলা লখিন্দাৰৰ গীত, অপেশ্বৰী সবাহৰ গীত, আই নাম, দেউলৰ গীত ইত্যাদি। এইবোৰ নাৰী কেন্দ্ৰীক গীত।

অসমীয়া সমাজ সংস্কৃতিত নিজস্ব আচাৰ ৰীতি-নীতিৰে বিবাহ অনুস্থান অতীতৰে পৰা চলি আহিছে। সংস্কাৰ সম্বন্ধীয়া গীতৰ ভিতৰত বিয়া নামেই প্ৰধান। বিয়াৰ লগত সৰুবৰ নানা আচাৰ অনুষ্ঠান পালন কৰা হয়। বিবাহৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত গীত সমূহ হ'ল— জোৰণৰ গীত, পানীতোলাৰ গীত, মাহ হালধীৰ গীত, অধিবাসৰ গীত, দৈয়নৰ গীত, কন্যা সজোৱা নাম, কন্যাৰ গুৰিত গোৱা নাম, দৰা সজোৱা নাম, দৰা ওলোৱা নাম, সুৱাগুৰি তোলা নাম, দৰা আদৰা নাম, কইনা হোমৰ গুৰিলৈ নিয়া নাম, দৰা বৰণৰ নাম, আখৈ তোলা নাম, দৰা কইনাক আশীৰ্বাদ দিয়া নাম, দৰা কইনাৰ পাশা খেলাৰ নাম, কইনা উলিয়াই দিয়া নাম ইত্যাদি।

দৰা ঘৰৰ মানুহে জোৰণ লৈ কইনা ঘৰত যেতিয়া উপস্থিত হয়, তেতিয়া নামতী সকলে কইনাক উদ্দেশ্য কৰি গায়—

আহা বাইদেউ বহাহি
শিৰত সেন্দুৰ লোৱাহি
ৰামে দি পঠাইছে আঙঠিটো পিন্ধাহি।

দৰা কন্যাৰ সমুখত হৰ-পাৰ্বতী, কৃষ্ণ-ৰুক্মিণী, ৰাম-সীতা, নল-দময়ন্তী, সাবিত্ৰী-সত্যবানৰ কাহিনী উল্লেখ কৰি গোৱা বিয়ানামে মুলতে শাস্ত্ৰৰ কাৰ্য্যকে সাধে বুলি কব পাৰি। দৰা আহি কইনা ঘৰৰ পদুলি পোৱাৰ লগে লগে নামতি সকলে এনেদৰে বিয়া নাম গায়—

শিৱ গোসাঁই আহিছে
জম্বৰু বজাইছে
শহুৰৰ পদূলিত
কন্যা ভিক্ষা মাগিছে।

বিয়াৰ যোৰা নাম বা খিচা গীত বৰ আমোদজনক সৃষ্টি। হাস্য ৰসেৰে সমৃদ্ধ যোৰা নামত অসমীয়া তিৰোতাৰ কৌতুকী মনৰ আৰু উপস্থিত বুদ্ধিৰ পৰিচয় পোৱা যায়। দৰা ঘৰৰ নামতি সকলে দৰাক লৈয়ো এই গীত গোৱা দেখা যায়।

আনে মাছে মাৰে আনুলি কানুলি
বোপাই মাছে মাৰে পুঠি
আনে বিয়া কৰাই কুঁমলীয়া ছোৱালী
বোপাই বিয়া কৰাই বুঢ়ী।

সাধাৰণতে দৰা পক্ষৰ লোকে কইনা পক্ষৰলোকক জোকাই আৰু কইনা পক্ষৰ লোকে দৰা পক্ষৰ লোকক জোকাই যোৰা নাম বা খিচা গীতবোৰ গায়।

(১) দোকানৰে জিৰা
দৰা ঘৰৰ মানুহ কেইটা
বাঁহৰ তলৰ বিৰা।

(২) দোকানৰে জালুক
কইনা ঘৰৰ মানুহ কেইটা
বাঁহৰ তলৰ ভালুক।

বিয়াগীতবোৰত প্ৰেম, শৃঙ্গাৰ, বিৰহ, কৰুণ আদি ৰসো দেখা যায়। কাব্যিক সৌন্দৰ্য্যই এই গীতবোৰক মনোৰম কৰি তুলিছে। লোক গীতৰ আন এটা ভাগ হ'ল দেহবিচাৰক গীত। এই গীতবোৰক ভকতীয়া গীত বুলিও কোৱা হয়। মাধৱদেৱৰ ভনিতা থকা বাবে এই গীতবোৰ বৈষ্ণৱ সকলৰ আদৰৰ সম্পদৰ দৰে। দেহৰ ক্ষন ভঙ্গুৰতা, ভক্তিৰসৰ তাৎপৰ্য্য বৰ্ণাৱলৈ জিকিৰ, দেহবিচাৰক গীত, টোকাৰী গীত আদিয়ে

প্ৰকৃতিকে সদায় আশ্ৰয় কৰি আহিছে। দেহবিচাৰক গীতবোৰত পদুম, সেউতী, মালতী, ভোমোৰা, হেঙুলীয়া পখী, কাজলীয়া পানী, ৰাজহাঁহ আদিয়ে একোটা প্ৰতীক ৰূপ লৈ আহিছে।

নাৰী জীৱনৰ নানা আশা আকাংক্ষা স্পষ্টভাৱে প্ৰকাশ পাইছে বাৰমাহী ঋতুগীতবোৰৰ মাজেৰে। গীতবোৰ মনোৰম, কবিত্বময় আৰু পোষিতভত্ৰী নায়িকাৰ বিৰহৰ বৰ্ণনা পোৱা যায়। বাৰমাহী গীতত ধৰ্মীয় আৰু সামাজিক জীৱনৰ চিত্ৰ দেখিবলৈ পোৱা যায় ৰাধা বাৰমাহী, শান্তিবাৰমাহী, কন্যা বাৰমাহী, সীতা বাৰমাহী আদি অনেক বাৰমাহী গীত নামনি অসমত প্ৰচলিত আছে। বাৰমাহী গীতবোৰক 'বৰ্ষপদক্ষিন' গীত বুলি কোৱা হয়। এই পদক্ষিন আৰম্ভ হয় সাধাৰণতে আঘোন মাহৰ পৰা।

আঘোনৰ মাহতে নেকাটিলা পাত
খাবলৈ নাপালো প্ৰভু নবীন ধানৰ ভাত।
মাঘৰ মাহতে ধৰমৰ তিথি
ডাক ডালিম শ্ৰীফলখাইতে নেদে বিধি।
ফাগুন মাহত ফাগুনৰ বাতৰি
দেউলৰ ওপৰত দেউল তুলিয়া মগৰি।
আহিন মাহত তুলসীৰ গোৰে চাতি
বিধবা ব্ৰাহ্মণী পূজে হাতে লৈয়া বাতি।
আহিনৰ মাহতে দেৱীৰ অষ্টমী
হাঁহ কাটে পাঠা কাটে পাৰ জাকে জাকে।

লোকগীতৰ অন্য এটা ভাগ হ'ল বেলাড বা কাহিনীগীত। অসমীয়া সাহিত্যত কাহিনী গীত বা বেলাড যথেষ্ট আছে। ইয়াৰ ভিতৰত বৰফুকনৰ গীত, জনা গাভৰুৰ গীত, ফুলকোঁৱৰ আৰু মণি কোঁৱৰৰ গীত। ফুলকোঁৱৰ যেন অসমৰ ঋতুৰাজ বসন্তৰ প্ৰতীক। এই গীত বোৰত চহা জীৱনৰ বিশ্বাস আৰু মনস্তত্ত্ব প্ৰতিফলিত হোৱা দেখা যায়।

মালিনীৰ বাৰিতে পৰি ফুলকোঁৱৰে
চৌপাশে মাৰিলে দলি
সেউতীমালতী তগৰ গুৱামালী
সবেও পেলালে কলি।
মালিনীৰ বাৰিতে পৰি ফুল কোঁৱৰে
মিচিকাই পেলালে হাঁহি
সেউতী মালতী তগৰ গুৱামালী
সবেও মেলিলে পাহি।

লোক জীৱনৰ লগত নিবিড়ভাৱে সম্বন্ধ থকা সাহিত্যৰ ভিতৰত প্ৰধান হ'ল ফকৰা-যোজনা বা প্ৰবাদ, সাথৰ, নিচুকনিগীত, জন্মৰ পৰা মৃত্যুলৈকে পালন কৰা বিভিন্ন পৰ্বৰ লগত জড়িত গীত, উৎসৱ অনুষ্ঠানৰ গীত, ধৰ্ম সম্বৰ্দ্ধায় গীত, কৰ্মগীত, সাধুকথা,কিম্বদন্তী আৰু পুৰা কাহিনী।

ফকৰা যোজনা আৰু প্ৰবচন সমূহে লোক সাহিত্যৰ 'শুভাষিতা ৱলী' বুলি কোৱা হয়। প্ৰবচন প্ৰবাদ বাক্যবোৰ হৈছে 'দহৰ জ্ঞান একৰ বানী।' ফকৰাবোৰ গূঢ়াৰ্থক আৰু ইয়াৰ অন্তৰালত একোটা নিগূঢ় অৰ্থ সোমাই থাকে। বক্তাৰ কথা কোৱাৰ চমৎ কাৰিত্ব, বুদ্ধিদীপ্ততা, পৰ্য্যবেক্ষন শক্তি, আৰু সাংসাৰিক জ্ঞানৰ স্বাক্ষৰ এই প্ৰবাদ, প্ৰবচন, ফকৰা-যোজনা বোৰে বহন কৰে। ফকৰাবোৰ ছন্দোবাদ্ধ আৰু প্ৰহেলিকা ভাবাপন্ন। যেনে 'সাগৰত মৌ পৰ্বতত ঢৌ', 'বাপেকৰ তিৰি নাই পুতেকৰ সাত বৌ।' ফকৰা-যোজনাত ঘৰুৱা আৰু গাৱলীয়া জীৱনৰ চিত্ৰও দেখা যায়। কিছুমান যোজনা পটন্তৰত নাৰী সমাজৰ চিত্ৰ পোৱা যায়। এই বোৰৰ ৰচক নাৰী বুলি ঠাৱৰ কৰিব পাৰি। সেয়েহে যোজনা বোৰত নাৰীৰ মনস্তত্ত্ব আৰু ব্যৱহাৰ স্পষ্ট ভাৱে দেখিবলৈ পোৱা যায়।

লোক সাহিত্যৰ আন এটা শাখা হ'ল সাঁথৰ। ড° ফ্ৰেজাৰৰ মতে, সাঁথৰ মানুহৰ সভ্যতাৰ সেই যুগৰ সৃষ্টি যি যুগত মানুহে অন্তৰৰ কথা স্পষ্টকৈ প্ৰকাশ কৰিবলৈ ভয় কৰিছিল।

লোক সাহিত্যৰ প্ৰাচীনতম শাখা হ'ল সাঁথৰ। মহা ভাৰতত যুধিষ্ঠিৰক ধৰ্মই সাঁথৰৰ ৰূপত প্ৰশ্ন সুধিছিল—

কা বাৰ্তা ? কিমাশ্চৰ্যম্ ?
কঃ পন্থা ? কস্য মোদতে ?
ইতি মে চতুৰঃ প্ৰশ্নান্
উত্তৰং দত্বা জলং পীৱ।

সাঁথৰৰ প্ৰতি ল'ৰা-ছোৱালীৰ ধাউতি সম্বন্ধে ব্লুমফিল্ডে বঢ়িয়াকৈ ব্যাখ্যা কৰিছে— "আদিম মানুহে তেওঁৰ পাৰিপাৰ্শ্বিক জগৎখনৰ লগত নিজৰ মনটো খাপ খুৱাই ল'বৰ কাৰণে অতীতৰ পৰা কৰি অহা চেষ্টাৰ ফলেই হ'ল সাঁথৰ।" সাঁথৰ বিলাক মনত ৰখাৰ কাৰণে ছন্দত ৰচনা কৰা হয়।

শদিয়ালৈ নেযাবা সতফুল নেখাবা
কেঁচা পাতত নেবান্ধিবা লোন
উপজিয়েই লৰ মাৰে কোন ?

সাঁথৰবোৰ অকল মনোৰঞ্জকেইনহয়, মন্ত্ৰ, আখ্যান, সাধুকথা, আৰু প্ৰবচনৰ দৰে ই মানুহৰ বুদ্ধি আৰু চিন্তাৰো এক প্ৰাচীন ৰূপ বুলি কব পাৰি।

নিছুকনি গীতো লোক সাহিত্যৰ এটা প্ৰধান অঙ্গ। মাকৰ কাৰণে সন্তান যিদৰে মৰমৰ এই গীতবোৰো এটা জাতিৰ কাৰণে তেনে স্নেহৰ। নিচুকনি গীতক ধাইনামো বোলা হয়। অসংলগ্ন কথাৰে গীতবোৰ ৰচনা কৰা কাৰণে ল'ৰা ছোৱালীবোৰে মন্ত্ৰ মুগ্ধ বা সন্মোহিত হৈ টোপনি যায়। বয়সীয়াৰ মনত এই গীত বোৰ অসংলগ্ন হ'লেও শিশুৰ মনত প্ৰত্যেক কথাই জীৱন্ত সত্য, কাৰণ সিহঁতৰ জগতখন এখন স্বপ্নৰ জগত, এখন মায়াৰ জগত য'ত অসংলগ্ন বুলি একো কথা নাই। সুৰ ধ্বনিৰে সৃষ্টি কৰা এই অসংলগ্নতাতেই ধাইনাম বোৰত অনুপম সৌন্দৰ্য্য নিহিত আছে। কিছুমান গীতত কেচুৱাক নিৰ্ভয়বাণী শুনোৱাৰ লগে লগে শান্ত পৰিবেশৰ সৃষ্টি হয়, আৰু টোপনি যায়।

আমাৰে আইটি শুৱ এ
বাৰিতে বগৰি ৰুৱ এ
বাৰিতে বগৰি পকি সৰি যাব
আমাৰে আইটি বুটলি খাব।

আন কিছুমান নিচুকনি গীতত মাকে সন্তানৰ গুণানুকীৰ্ত্তন কৰা দেখা যায়।

বাপুকন ধুনীয়া পাটৰে চুৰিয়া
মূৰত হেঙুলী ছাতি,
বাটৰ বাটৰুৱাই ৰৈ ৰৈ সুধিছে
কোন বিষয়াৰ নাতি।

স্বভাব চৰিত্ৰ সজ হবলৈ পাৰিতোষিক প্ৰতিশ্ৰুতিয়ে হ'ল নিচুকনি গীতৰ সাধাৰণ বিষয় বস্তু।

লোক সাহিত্যৰ অন্য এটা ভাগ হ'ল সাধুকথা। সাধুকথা পৰম্পৰাগত ভাৱে ইজনৰ পৰা সিজনলৈ, এযুগৰ পৰা আন যুগলৈ, এখন সমাজৰ পৰা আন সমাজলৈ বাগৰি অহা। সাধুকথাৰ ঐতিহ্য একেবাৰে মৌখিক। হিতোপদেশ, পঞ্চতন্ত্ৰ আৰু বৌদ্ধ জাতকত অসমীয়া ভাষাত প্ৰচলিত বিভিন্ন ধৰণৰ সাধুকথা পোৱা যায়। অসমীয়া সাধুকথা প্ৰধানতঃ জীৱজন্তু, প্ৰাকৃতিক পদাৰ্থ, ঠাট্টা-বিদ্ৰূপ আৰু টেটোন সম্বন্ধীয়া। এসময়ত সাধাৰণ মানুহৰ লগত জগতখনৰ যে ঘনিষ্ঠ সম্বন্ধ আছিল, সেইবোৰ সাধুকথাত পোৱা যায়।

লোক সাহিত্য লোক বিশ্বাসৰ প্ৰতিচ্ছবি। লোক জীৱনৰ পৰম্পৰা আৰু অভিজ্ঞতাই লোক বিশ্বাসৰ সৃষ্টি কৰে। লোক বিশ্বাসে যুক্তিতৰ্ক স্বীকাৰ নকৰে, কিন্তু পৰম্পৰা স্বীকাৰ কৰে। এই সন্দৰ্ভত ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে সমীচীন মন্তব্য প্ৰকাশ কৰিছে " It is difficult to explain the whys and wherefores of popular beliefs. Beliefs are traditionally handed down and in a society which does not appreciate the sceptical and critical attitude of mind, how they started or why they started is hardly remembered. "

পৰম্পৰা জড়িত লোক বিশ্বাসৰ ফলশ্ৰুতিতেই ভেকুলীৰ বিয়ানাম, অপেচৰা সবাহৰ নাম, আই নাম আদিৰ জন্ম হৈছে। মহে'-হো উৎসৱটো পৰম্পৰাগত লোক উৎসৱ। গাৱৰ চেমনীয়া ল'ৰাবোৰে হাতত একোডাল টোকান লৈ প্ৰতিঘৰ মানুহৰ ঘৰত মহ খেদিব যায় আৰু এনেদৰে মহ খেদাৰ গীত গায়—

অৰে মহো'-হো, মহ খেদিবা টাকান লৌ
মহে বোলে মৰলোদেই, টেপোল পোৰা খাইলো দেই।

যি ঘৰত এনেদৰে মহো'-হো গীত গায় মহ নেখেদে, সেইখন ঘৰত গোটেই শীত কালটো মহ থাকি যায় বুলি বিশ্বাস কৰে।

অসমীয়া সমাজত চৰাই চিৰিকটিৰ লগত জড়িত বহুতো লোক বিশ্বাস আছে। আনৰ ঘৰৰ পৰা আহি ৰাতি ঘৰ লোৱা বগা পাৰ চৰাই সৌভাগ্য সূচক। ৰাতি ফেঁচা ঘৰ সোমালে, ফেঁচাই নিউ নিউকৈ মাতিলে, ৰাতি ম'ৰা চৰাই আৰু হুদুৱে মাতিলেও অমঙ্গল হয়। ম'ৰা চৰাইৰ পাখিৰে সজা বিচনীৰ বা ললে ৰোগ নিৰাময় হয়, আৰু ইয়াৰ প্ৰতীক ঘৰৰ চালত লগাই থলে ধুমুহা বৰষুণৰ পৰা ৰক্ষা পাব পাৰি বুলি বিশ্বাস কৰা হয়।

সাপ পূজা অসমত প্ৰায় সকলো সম্প্ৰদায়ৰ মাজতে আছে। ফেঁটীসাপ ধানৰ ভঁৰালৰ ৰখীয়া হৈ থাকে। নাম ঘৰত বাস কৰা সাপকো পবিত্ৰ জ্ঞান কৰে। চৰিত পুথিৰ মতে মহাপুৰুষ শঙ্কৰদেৱক ফেঁটী সাপে ফেঁট তুলি ছাঁ দি আছিল, সেই কাৰণে বৈষ্ণৱ সকলৰ মতে ফেঁটী সাপ মৰাটো নিষিদ্ধ। সাপ দেখাটো মঙ্গল বা অমঙ্গলৰ চিন বুলি বিশ্বাস কৰে। যোৰ পতা সাপৰ গাত পেলাই দিয়া কাপোৰ লগত থাকিলে যুদ্ধত নাইবা প্ৰণয় ঘটিত কাৰ্য্যত কৃতকাৰ্য্য হয় বুলি বিশ্বাস কৰা হয়।

বৰষুণৰ আৰম্ভণি আৰু বিৰতি সম্বন্ধে বহুতো লোক বিশ্বাস আছে। উই পৰুৱাৰ পাখি গজিলে আৰু উৰিলে বৰষুণ হয়। পাৰ চৰাই আৰু কুকুৰাই ৰদত পাখি মেলিলে বৰষুণ হয়। মঙ্গলবাৰে বৰষুণ হলে তিনি দিনলৈ, শনিবাৰে বৰষুণ হলে সাত দিনলৈ থাকে বুলি বিশ্বাস কৰা হয়। কেঁচুৱাৰ মাত ফুটাৰ সাধাৰণতে সময় থাকে। সময়মতে যদি মাত নুফুটে তেতিয়া জন সমাজে বিশ্বাস কৰে যে কেঁচুৱাৰ গাত দেও ভূত লাগিছে। এই দেওভূত আতৰাবলৈ আঁহতৰ

পাতত ভাত বাঢ়ি কেচুৱাক খুৱালে আখৈ ফুটাৰ দৰে মাত ফুটি ওলাই বুলি বিশ্বাস কৰা হয়।

যাত্ৰা শুভাশুভ বিচাৰোতে বহুতো লোক বিশ্বাস জড়িত। শুভ কাৰ্য্যলৈ যাত্ৰা কৰোঁতে ভৰা জল পাত্ৰত হাত দি গলে যাত্ৰাৰ ফল ভাল হয়। সেইদৰে পানী আনিবলৈ যোৱা মানুহ দেখিলে, দামুৰীয়ে ওহাৰ পি থকা দেখিলে, হাতী দেখিলে যাত্ৰা শুভ হয় বুলি বিশ্বাস। আনহাতে যাত্ৰা কৰি ওলাওঁতেই যদি শুদা পাত্ৰ, চুনৰ টিন, মিঠাতেলৰ ভাৰ, মুচী, নাপিত, ধোৱা খাৰৰ পাত্ৰ আদি দেখে তেনে সেই যাত্ৰা নিষ্ফল হোৱাৰ সম্ভৱনা থাকে।

মাইকী মানুহে মুৰেদি মেখেলা পিন্ধা, সৰু গাঠি উলিয়াই মেখেলাৰে চট্ চট্ কৈ খোজ কঢ়া আৰু চুলি মেলি খোজ কঢ়া বেয়া বুলি অসমীয়া সমাজে বিশ্বাস কৰে।

অসমীয়া মানুহে সপোন আৰু শাওঁ-শপনিওঁ অন্তৰেৰে বিশ্বাস কৰে। সপোনত ওপৰৰ দাঁত সৰিলে জেষ্ঠজনৰ আৰু তলৰ দাঁত সৰিলে সৰু জনৰ মৃত্যু সুচনা কৰে বুলিবিশ্বাস কৰা হয়। সপোনত কলা মাছ ধৰা আৰু সাঁতোৰা দেখিলে বেমাৰ আজাৰ আৰু ত্ৰাসবিভীষিকা কাষ চাপিছে বুলি ভবা হয়। ওপৰৰ পৰা খহি পৰা, ঘৰৰ বিয়া দেখা, তাঁত বোৱা দেখাওঁ বেয়া। সপোনত কাপোৰ কানি পিন্ধাই লগত লৈ যোৱা দেখিলে দেখোতা জনৰ মৃত্যু নিশ্চত বুলি বিশ্বাস কৰা হয়।

ধৰ্ম সম্বন্ধীয় বিশ্বাস আৰু পূজা পাতাল অনুষ্ঠান বোৰৰ মূল হ'ল ভূত-প্ৰেত, যশ-যশিনী, পিশাচ, প্ৰেতাত্মা আদি। গছ, পাহাৰ পৰ্বত নদীৰ পূজা এতিয়াওঁ বহু সম্প্ৰদায়ৰ মাজত প্ৰচলিত। জন সাধাৰণৰ ধৰ্মৰ লগত পশু পূজাওঁ জড়িত। পশুক কেন্দ্ৰ কৰিয়ে বহুতো বিশ্বাস সমাজিক প্ৰথাৰ উৎপত্তি হৈছে। এই ক্ষেত্ৰত গো পূজাই হ'ল প্ৰথম। গৰুৰ গোৱৰ আৰু মুত ঔষধত ব্যৱহাৰ কৰা হয়, আৰু ভূত পিশাচক খেদিব পৰা শক্তি থকা বুলিও বিশ্বাস কৰা হয়। পশুৰ ভিতৰত বান্দৰ পূজা বহু সম্প্ৰদায়ে কৰে। বান্দৰ বধ কৰা পাপ বুলি বহুলোকে বিশ্বাস কৰে। মেকুৰীক ভূত প্ৰেতৰ লগত সম্বন্ধ থকা বুলি গণ্য কৰা হয়। মেকুৰীয়ে মেও মেও কৈ ঘুৰি ফুৰিলে, ক'লা মেকুৰী গাড়ীৰ আগেৰে পাৰ হৈ গলে দুৰ্ঘটনা হয় বুলি বিশ্বাস কৰা হয়।

এইবোৰৰ উপৰিও অনেক লোক বিশ্বাসৰে লোক সাহিত্যৰ ভঁৰাল চহকী হৈ আছে। আজিৰ বিজ্ঞানৰ যুগতো এই লোক বিশ্বাস সমূহ গাৱলীয়া জনসাধাৰণৰ মাজত সজীৱ হৈ আছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। অসমৰ লোক সংস্কৃতি ঃ ড° বিৰিঞ্চি কুমাৰ বৰুৱা
২। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিহবৃত্ত ঃ ড° সত্যেন্দ্ৰনাথ শৰ্মা
৩। অসমীয়া লোক সংস্কৃতিৰ আভাস ঃ ড° নবীন চন্দ্ৰ শৰ্মা
৪। অসমৰ লোক সংস্কৃতি ঃড° নিৰ্মলপ্ৰভা বৰদলৈ
৫। Bassells Eneyclopaedia of Literature : Vol.

❖❖❖



# শিশুৰ ব্যক্তিত্ব বিকাশত পিতৃ-মাতৃৰ ভূমিকা

বিজুলী ডেকা
-সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

শৈশৱকাল জীৱনৰ আটাইতকৈ গুৰুত্বপূর্ণ স্তৰ। আজিৰ শিশুৱেই কাইলৈৰ সমাজ নায়ক, ৰাষ্ট্ৰ চালক, শিল্পী, বিজ্ঞানী বা দেশৰ ধৰণী। ভৱিষ্যত কালত শিশু কেনেদৰে বিকশিত হ'ব, তাৰ বিপুল সম্ভাৱনা নিহিত হৈ থাকে শিশুৰ বৰ্তমান কালত; তেওঁলোকৰ মাজত থকা সুপ্ত, সম্ভাৱনাপ্রসুত গুণ ৰাজিৰ মাজত। সেয়েহে শিশুৰ সৈতে যিসকলৰ সম্পর্ক নিবিড়, সেই মাক - দেউতাক, পৰিয়ালৰ অন্যান্য লোক সকল, প্রতিবেশী, শিক্ষক - শিক্ষয়ত্রী আদিৰ ভূমিকা অতি তাৎপৰ্য্য পূর্ণ। কিয়নো শিশু বিকাশৰ স্বতঃ স্ফূর্ত পৰিমণ্ডলত এই সকলোৰে অৱদান গুৰুত্বপূর্ণ। শিশু যি আবেষ্টনীৰ মাজত ডাঙৰ - দীঘল হয়, সেই আবেষ্টনীত শিশু যি সকলৰ সহচৰ্য্যলৈ আহে, তেওঁলোকৰ পৰাই আহৰণ কৰে ভাল - বেয়াৰ নানান দিশ। সেয়েহে শিশু বিকাশৰ ক্ষেত্ৰত শিশুক আবেষ্টন কৰি থকা সুস্থ, স্বতঃস্ফুর্ত পটভূমিৰ প্ৰভাৱৰ ওপৰত নিৰ্ভৰ কৰে এই বিৰাট সম্ভাৱনাৰ সফলতা বা বিফলতা। যেনেদৰে এজোপা বটবৃক্ষ হ'বলৈ হ'লে বীজৰ পৰা অংকুৰিত পুলিটোক অযত্ন কৰিব নালাগিব, বৰঞ্চ পলসুৱা মাটি, পৰিমিত পানী, নিয়মিত পোহৰ, বতাহ আৰু খাদ্য হিচাপে পচন সাৰ আদিৰ যোগান ধৰিব লাগিব, ঠিক তেনেদৰেই এটা শিশুৰ মাজত থকা বিশাল সম্ভাৱনা সমূহ কাৰ্য্যত ৰূপায়িত কৰিবলৈ হ'লে শিশুটোক বহু যত্ন, চেষ্টা, সতৰ্কতা আৰু মৰমৰ প্ৰতিপালন অতি প্ৰয়োজন। শিশুটোক " সৰু " বুলি অৱহেলা কৰিলে শিশুটিৰ বা সমাজৰ ক্ষতি হ'ব।

## শিশুৰ বিকাশত মাকৰ ভূমিকা

জন্মৰ প্ৰথম দুবছৰলৈকে শিশু একান্তভাৱে মাকৰ ওপৰত নিৰ্ভৰশীল হয়। ভ্ৰূণ এটা মাতৃগৰ্ভত স্থিত হোৱাৰে পৰা ভূমিষ্ঠ হোৱালৈকে এই দীঘলীয়া গৰ্ভাৱস্থাৰ সময়খিনিত শিশুটিৰ বিকাশত মাকৰ শাৰিৰীক, আবেগিক, মানসিক, সামাজিক আদি দিশৰ প্ৰভাৱ পৰে। সেয়েহে শিশুৰ ব্যক্তিত্ব বিকাশ প্ৰক্ৰিয়াত তাৰ দেহ- মানসিক ,আবেগিক, বৌদ্ধিক আদি দিশৰ উপযুক্ত বিকাশৰ বাবে পৰিয়ালৰ অন্যান্য সদস্যৰ তুলনাত মাকৰ ভূমিকা অনস্বীকাৰ্য্য। এই ক্ষেত্ৰত মাকজনীয়ে গ্ৰহণ কৰিব লগীয়া পদক্ষেপ সমূহ হ'ল ঃ-

(ক) ঘৰুৱা পৰিবেশত শিশুক স্বাভাৱিক মৰম স্নেহৰ মাজত ডাঙৰ - দীঘল কৰিব লাগে। নিঃ সঙ্গতাবোধ, আবেগিক ভাৱে পীড়াদায়ক, দুখ - কষ্ট আদিত যাতে কেতিয়াও ভুগিবলগীয়া নহয় তাৰ বাবে সচেতন হ'ব লাগে।

(খ) শিশুৰ স্বাভাৱিক দেহ - মানসিক আৰু আবেগিক প্ৰয়োজন সমূহ অতি সচেতন আৰু সতৰ্ক দৃষ্টিৰে পূৰণ কৰাৰ প্ৰচেষ্টা চলাব লাগে। গালি - গালাজ, শাৰীৰিক শাস্তি প্ৰদান আদি গুৰুদণ্ডেৰে কেতিয়াও দণ্ডিত কৰিব নালাগে।

(গ) শিশুৰ প্ৰতি সন্মান সূচক আচৰণ প্ৰদৰ্শন কৰিব লাগে। ৰহস্যপূৰ্ণ, গোপনীয়তা থকা, বিবাদপূৰ্ণ কথা- বতৰাৰ অৱতাৰণা শিশুৰ সন্মুখত কেতিয়াও কৰিব নালাগে।

(ঘ) শিশুৰ দৈহিক প্ৰয়োজন সমূহৰ ওপৰত অধিক গুৰুত্ব দিব লাগে। খোৱা, পিন্ধা, চাল - চলন আদি কাৰ্য্যৰ ক্ষেত্ৰত যাতে অধিক অভাৱ বোধত ভুগিব নালাগে তাৰ প্ৰতি গুৰুত্ব দিব লাগে। অৱশ্যে প্ৰয়োজনতকৈ বেছি আদৰ যত্ন, অধিক বস্তু সামগ্ৰীও শিশুক দিয়া অনুচিত।

(ঙ) ঘৰুৱা পৰিবেশ শান্তিপূৰ্ণ আৰু সু ৰুচিপূৰ্ণ কৰি গঢ়ি তুলিবলাগে। কিয়নো সংস্কৃতিবান, এটা মাৰ্জিত পৰিবেশতহে এটা শিশুৰ স্বাভাৱিক বিকাশ অতি সহজ আৰু শৃংখলাবদ্ধ হোৱা দেখা যায়।

(চ) ঘৰুৱা পৰিবেশত নিজৰ সন্তানৰ প্ৰতি কেতিয়াও পক্ষপাত মূলক আচৰণ আৰু মনোভাব প্ৰদৰ্শন কৰিব নালাগে। মুঠৰ ওপৰত শিশুৰ সুস্থ ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত তাৰ আদৰ, ভালপোৱা, সু- খাদ্য বা অন্যান্য মানসিক সুখ আনন্দ আদি সম্পুৰ্ণ ৰূপে মাকৰ ওপৰত নিৰ্ভৰশীল।

## শিশুৰ বিকাশত পিতৃৰ ভূমিকা

পৰিয়ালত মাকৰ কোলাত ডাঙৰ- দীঘল হ'লেও শিশুৰ

বিকাশত পিতৃৰ ভূমিকা নুই কৰিব নোৱাৰি। বহু পিতৃয়ে সন্তানৰ প্ৰতিপালনৰ দায়িত্ব মাকৰ ওপৰত ন্যস্ত কৰি মাথো পৰিয়ালক পোহ-পাল দিয়াটোৱে তেওঁলোকৰ মূল কৰ্তব্য বুলি বিবেচনা কৰি ঘৰুৱা দায়িত্ব, সন্তানৰ সৈতে দৈনন্দিন জীৱনত সক্ৰিয় ভূমিকা নলৈ নিজা বাহ্যিক জগত খনৰ লগতহে অধিক সমৃদ্ধ ৰাখে। বৰঞ্চ সেইটো ভুল।

শিশুৱে পৰিয়ালৰ এজন হিচাপে দেউতাকৰ মৰম- চেনেহ আদায় কৰাৰ উপৰিও সৰু - সুৰা, খুটি - নাটি কথাটো দেউতাকৰ ওপৰত নিৰ্ভৰশীল হয়, দেউতাকৰ সহযোগিতা বিচাৰে। যিবিলাক দিশত ল'ৰা - ছোৱালীয়ে আগ্ৰহ দেখুৱাই বা আনন্দ লাভ কৰে, তেনে দিশ বিলাকত দেউতাকে সহানুভূতিপূৰ্ণ, সক্ৰিয় ভূমিকা ল'ব লাগে। তেতিয়াহে শিশুৰ মাজত থকা অহংবোধৰ সুস্থ বিকাশ হয়, নিজকে পৰিয়ালৰ এজন হিচাবে একাত্ম বোধ কৰে আৰু শিশুৰ স্বতঃস্ফূৰ্ত বিকাশৰ পথ সুচল হৈ সু ব্যক্তিত্ব গঠনৰ সহায়ক হয়। ধৰা হওক , সৰু শিশু এটাই বালি, গছ - পাতত ৰন্ধা - বঢ়া খেলা কৰি থাকোতে দেউতাককো আমন্ত্ৰণ কৰি আহ্বান জনাই গছ - পাত এখিলাত আহাৰ পৰিবেশন কৰিছে। এনে অৱস্থাত দেউতাকে শিশুটিৰ আহ্বানক প্ৰত্যাখ্যান নকৰি সহাৰি জনাব লাগে। তেতিয়াহে শিশুটোৱে উৎসাহিত অনুভৱ কৰিব, নিজৰ প্ৰতি সন্মান জনাব। দেউতাকে প্ৰত্যাখ্যান কৰিলে, শিশুৰ তেনে খেল ক্ৰিয়াত উৎসাহ কমিব, আত্ম সন্মান বোধ সৃষ্টি নহয়, ব্যক্তিত্ব গঠনৰ সুস্থ সমলৰ অভাৱ হ'ব, আত্ম প্ৰত্যয়ৰ উদয় নহ'ব আৰু নিজৰ সম্পৰ্কত সন্দেহৰ সৃষ্টি হ'ব। মুঠৰ ওপৰত শিশুৰ সুস্থ ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত পিতৃৰ ভূমিকা সমূহ চমুকৈ নিম্নোক্ত ধৰণে দাঙি ধৰা হ'ল ঃ-

(ক) শিশুৰ সৰু সুৰা সমস্যা সমাধানত বা দুখ - কষ্টৰ ক্ষেত্ৰত আগভাগ লোৱা।

(খ) শিশুটিৰ খেলৰ সামগ্ৰী সৰু পুতলাটোৰ হাতখন ভাঙিলে, চৰাইটো অসুস্থ হ'লে বা কুকুৰৰ পোৱালিটো মৰি গ'লে সমবেদনাৰ অংশীদাৰ হোৱা।

(গ) অত্যাধিক দমনমূলক নোহোৱা।

(ঘ) শিশুটোৰ প্ৰতি মৰমিয়াল, সহানুভূতিশীল আৰু কৰ্ত্তব্যপৰায়ন হোৱা।

(ঙ) দৈনন্দিন জীৱনৰ নানান কাম - কাজত শিশুটোৰ সৈতে সহযোগ কৰা।

(চ) অনুকৰণশীল শিশুক উৎসাহ - উদ্দীপনা যোগাবৰ বাবে এক সুস্থ আদৰ্শৰ মান ৰক্ষা কৰা।

**শিশুৰ ব্যক্তিত্ব বিকাশৰে পিতৃ - মাতৃৰ ভূমিকা ঃ-**

পানী আৰু সূৰ্য্যৰ পোহৰত উদ্ভিদ যেনেদৰে সতেজ হৈ উঠে, ঠিক তেনেদৰেই শিশুৰ সুস্থ বিকাশৰ ক্ষেত্ৰত মাক - দেউতাকৰ মৰম-চেনেহ, সহানুভূতি, সাহাচৰ্য্যৰ স্নিগ্ধ পোহৰৰ একান্ত প্ৰয়োজন। শিশুৰ সমস্ত দৈহিক আৰু মানসিক বৃদ্ধি, নৈতিক জীৱন, অভ্যাস গঠন আদি নিৰ্ভৰ কৰে মাক -দেউতাকৰ সফলতাৰ ওপৰত।

মানুহৰ ভৱিষ্যত ব্যক্তিত্বৰ মূলধাৰা বা ভেটি মুলত জীৱনৰ প্ৰথম পাঁচোটা বছৰতেই স্থিত হয়। সেয়েহে মাতা- পিতাই এই পাঁচ - ছবছৰ বয়স পৰ্য্যন্ত শিশু শিক্ষাৰ ক্ষেত্ৰত লব লগা দায়িত্ব খিনি হৈছে ঃ-

(ক) শিশুৰ প্ৰকৃতিক সহজ ভাৱে গ্ৰহণ কৰা।

(খ) বিকাশ উপযোগী সকলো বিলাক দিশ প্ৰৱৰ্তন কৰা

(গ) শিশু কেনে হোৱা উচিত সেই সম্পৰ্কে সমালোচনা নকৰা।

(ঘ) শিশুক অনবৰত 'এইটো নকৰিবা', 'সেইটো নুচুবা', 'নাযাবা' আদি নেতিবাচক ধ্বনিৰে তৎস্থ কৰি ৰখাতকৈ সুধিব লাগে, 'তুমি এইটো কৰিব বিচৰা নেকি ?'

(ঙ) মাক -দেউতাকে কেতিয়াও পাহৰি যাব নালাগিব যে শিশুৰ দুৰন্ত প্ৰকৃতিক দমন কৰিবলৈ গৈ তাৰ মাজত থকা পূৰ্ণত্ব সম্ভূত, সম্ভাৱনা প্ৰসুত প্ৰতিভাখিনি যাতে নিষ্পেষিত নহয়।

(চ) শিশুৰ সজীৱ চাঞ্চল্য আৰু প্ৰাণোদ্যম বাধাপ্ৰাপ্ত নকৰি নিয়মিত ভাৱে পৰিপুষ্ট কৰি ৰাখিব লাগে, কিয়নো এনে কৰিলে তাৰ চাঞ্চল্যতা আৰু কৰ্মস্পৃহা অতি শক্তিশালী কাৰ্য্যকৰী ৰূপ হিচাপে শিশু জীৱন পৰিচালিত হ'ব।

(ছ) খেলন প্ৰক্ৰিয়া আৰু খেলন সামগ্ৰীৰ মাধ্যমেৰে যিগেতু শিশুৰ সামাজি কৰণে সফল ৰূপ লাভ কৰে, সেয়ে মাক -দেউতাকে শিশুৰ সবাতোকৈ প্ৰিয় স্বাভাবিক প্ৰবৃত্তি "খেলাধূলা"ৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

(জ) শিশুৰ বাবে অতি মোহনীয় আৰু আকৰ্ষণীয় খেলন সামগ্ৰী প্ৰধানকৈ - সৰু সৰু শিলগুটি, টিন, মাৰ্বল, কাঠৰ টুকুৰা, ফটা কাপোৰ আদিহে হ'ব লাগে।

(ঝ) সহজ লভ্য খেলন সামগ্ৰীয়ে শিশুৰ কল্পনা প্ৰৱণতাত অৰিহণা যোগায়। উদাহৰণ স্বৰূপে-অতি দামী খেলৰ সামগ্ৰী-ঘোঁৰা এটাতকৈ সামান্য লাঠী এডাল শিশুৰ বাবে অতি তাৎপৰ্য্য পূৰ্ণ। এই কাঠৰ বা বাঁহ -বেতৰ লাঠীডাল লৈ শিশুৱে দৌৰা-দৌৰি কৰিব পাৰে, কুকুৰ ছাগলী খেদায় বীৰত্ব প্ৰকাশ কৰিব পাৰে বা লাঠীত ঘূৰণীয়া কিবা এটুকুৰা লগাই গাড়ী-গাড়ীবা ৰেল গাড়ী খেলিব পাৰে। বহু দামী খেলনা বস্তু ইমান বেছি

সুন্দৰ আৰু সম্পূৰ্ণ যে সেই কল্পনাক গঢ় দিব পৰাকৈ সৃজনী মূলক দিশৰ অৱতাৰণা কৰাৰ সুবিধা নেপায়।

(ঞ) খেলনা সামগ্ৰীৰ ধ্বংস কাৰ্য্য শিশুৰ অন্য এক ৰূপ। ই শিশুৰ গঠনাত্মক দিশ উন্মোচন কৰে। সেয়েহে মাক-দেউতাকে শিশুৱে ইচ্ছা কৰা মতে ভঙা ছিঙা কৰি পুনৰ বেলেগ ৰূপ দিব পৰাকৈ কাঠৰ বা প্লাষ্টিকৰ ব্লক বা টুকুৰাৰে খেলিবলৈ দিলে শিশুৰ গঠন মূলক প্ৰতিভা বিকশিত হয়।

(ট) শিশুৰ আবেগিক দিশৰ সুস্থ বিকাশৰ ওপৰতো গুৰুত্ব দিব লাগে, যেনে ঃ-

(১) শিশুৰ অন্তৰৰ পৰা ভয় আতৰাবলৈ মাকৰ পৰা কিছু আতৰত ৰাখিব লাগে। অৰ্থৎ মাকে অনবৰত কোলাত বা একেবাৰে ওচৰত শিশুটোক ৰাখি থব নালাগে। তাক অকলে বা অন্যৰ লগত খেলিবলৈ বা থাকিবলৈ এৰি দিব লাগে।

(২) কোনো ভয়ে মনত বাহ ল'লে অত্যন্ত মৰম আৰু চেনেহৰে বিবেচনা কৰি শিশুৰ মনত উদয় হোৱা ভয়, বা উৎকণ্ঠা আতৰাবলৈ চেষ্টা কৰিব লাগে।

(৩) তিনি বা চাৰি বছৰ বয়সত যেতিয়া শিশুৱে জন্তু-জানোৱাৰ তথা সচৰাচৰ দেখা কুকুৰ, মেকুৰী আদি প্ৰাণী বোৰক ভয় কৰিবলৈ লয় তেতিয়া সেই ভীতি আতৰাবলৈ কুকুৰ বা পোহনীয়া জন্তুৰ সৰস গল্প, প্ৰভু ভক্ত আদিৰ গল্প ক'ব লাগে বা কুকুৰ পোৱালি পুহি সৰুৰে পৰা মৰম কৰাবলৈ শিকাব লাগে।

(৪) কেতিয়াবা কেতিয়াবা নানা কাৰণত শিশুৱে আন্ধাৰলৈ ভয় কৰে, এই ক্ষেত্ৰত শিশুক গল্প কৈ, গান গায় অন্ধকাৰৰ পৰা শিশুৰ মন আতৰাবলৈ চেষ্টা কৰিব লাগে। নতুবা শিশুটো শুই থকা অৱস্থাত কোঠালীটো তৎক্ষনাত আন্ধাৰ নকৰি পোহৰ লাহে লাহে আতৰ কৰিব লাগে।

(৫) শিশুৰ মনত অনাহকত কেতিয়াও ভয়ৰ সঞ্চাৰ কৰিব নালাগে। কিয়নো ভয়ে শিশুৰ মানসিক স্বাস্থ্যৰ প্ৰভুত ক্ষতি কৰে।

(৬) তিনি চাৰি বছৰীয়া শিশুৰ ভয়ৰ কাৰণ গুপ্তাঙ্গত হ'ব পাৰে। ল'ৰা-ছোৱালীৰ যৌনগত পাৰ্থক্যৰ ক্ষেত্ৰত প্ৰশ্ন তুলিলে শিশুক গালি পৰাৰ পৰিবৰ্তে ল'ৰা-ছোৱালীৰ যৌনগত আকাৰ যে জন্মগত তাক বুজাই দিব লাগে।

মুঠৰ ওপৰত ভয়, ক্ৰোধ, মৰম, ভালপোৱা, ঈৰ্ষা আদি আবেগ বোৰ শিশুৰ ব্যক্তিত্ব বিকাশত বিশেষ ভূমিকা লয়। তাৰ ভিতৰত ভয় অতি ভয়ংকৰ আবেগ। ই শিশু মনক সংকীৰ্ণ কৰে। আত্মবিকাশৰ পথত বাধা দিয়ে। সেয়ে শিশুৱে যাতে অযথা ভয় নাখায় তাৰ প্ৰতি সতৰ্ক হ'ব লাগে। এনেদৰে সুস্থ আবেগ, মন, দেহ, আত্মা আদিৰ প্ৰকৃত মানবীয় মূল্যবোধৰ ভেটীত শিশুৰ ব্যক্তিত্ব গঢ় দি তোলাৰ বাবে পিতৃ-মাতৃ বিশেষ ভাৱে জড়িত যদিও পৰিয়ালৰ সকলো ব্যক্তিৰে দৃষ্টিভংগী শুদ্ধ আৰু বিজ্ঞান সন্মত হ'ব লাগিব। অন্যথা শিশুৰ বিকাশ প্ৰক্ৰিয়া ভুল পথে পৰিচালিত হোৱাৰ আশংকাই অধিক।

❖❖❖



# অসমৰ ইতিহাস আৰু নাৰী ঃ এটি চমু অৱলোকন

আবু লেইচ আহমেদ
সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ

ভাৰতীয় সমাজ ব্যৱস্থা প্ৰাচীন কালৰে পৰা পুৰুষ প্ৰধান। পুৰুষৰ কাম কাজ বা তেওঁলোকৰ বীৰত্বব্যঞ্জক কাৰ্য্যাৱলীৰ কথাহে ইতিহাসৰ প্ৰতিটো পাতত সাক্ষী হৈ আছে। সেয়ে মনত প্ৰশ্ন উদয় হয় মানৱ সভ্যতা গঢ়াৰ কাৰ্য্যত নাৰীৰ ভূমিকাৰ বিষয়। প্ৰস্তৰ যুগ, নৱ প্ৰস্তৰ যুগ প্ৰাক ঐতিহাসিক যুগ, ঐতিহাসিক যুগৰ নাৰীয়ে কেনেদৰে ভূমিকা পালন কৰিছিল তৰা বিষদ বৰ্ণনা পাবলৈ নাই। ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীৰ স্থান একেবাৰে নিস্প্ৰভ হ'লেও ভালে খিনি অৱনমিত আছিল। সিন্ধু উপত্যকাৰ সভ্যতা তথা বৈদিক আৰু মহাকাব্যৰ যুগৰ নাৰীৰ স্থান সম্পৰ্কে অধ্যয়ন কৰিলে নাৰীয়ে পুৰুষৰ সমান গুৰুত্ব পোৱা নাছিল। প্ৰাচীন কামৰূপ তথা মধ্যযুগৰ অসম আৰু প্ৰাক স্বাধীনতা যুগৰ অসমীয়া নাৰীৰ কৃতিত্ব তথা বীৰত্ব অসমৰ ইতিহাসত তেওঁলোকৰ স্থান সম্পৰ্কে ধাৰাবাহিকভাৱে লিপিবদ্ধ হোৱা নাই। অ'ত ত'ত সিঁচৰতি হৈ থকা আখ্যান কিংবদন্তী আহোম স্বৰ্গদেও সকলৰ দ্বাৰা লিখিত বুৰঞ্জীৰ পৰা বৰ্তমান বৰ্তি থকা নাৰীসকলৰ বিষয়ে কিছু কথা আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

৪ৰ্থ শতিকাৰ আগৰ অৰ্থাৎ পুৰণি প্ৰাগজ্যোতিষপুৰ বা কামৰূপ ৰাজ্যৰ ৰাজনৈতিক বুৰঞ্জীৰ বিস্তৃত বিৱৰণ পোৱা নাযায়। গতিকে এই সময়ছোৱাৰ ৰাজনৈতিক বুৰঞ্জী চৰ্চা কৰিবলৈ হ'লে আখ্যান, কিংবদন্তী আৰু সিঁচৰতি হৈ থকা প্ৰাচীন স্মৃতি চিহ্নৰ ওপৰতে মুখ্যতঃ নিৰ্ভৰ কৰিবলগীয়া হয়।

প্ৰাক্ ঐতিহাসিক যুগৰ শাসক সকলক অসমৰ ইতিহাসত কিংবদন্তীয় শাসক হিচাপে আখ্যা দিয়ে। এই শাসক সকল মূলতে অনাৰ্য্য কিৰাট বংশীয় লোক আছিল। এওঁ লোকৰ ভিতৰত শ্ৰেষ্ঠ আছিল নৰক আৰু তেওঁৰ পুত্ৰ ভগদত্ত। প্ৰাক্ ঐতিহাসিক নাৰী সকলৰ ভিতৰত প্ৰধানকৈ বসুমতী অৰ্থাৎ পৃথিৱীৰ বা মাতৃদেৱীয়ে প্ৰধান ; বসুমতী নৰকাসুৰৰ জন্মদাত্ৰী মাতৃ। পিতৃ হ'ল নৰকাসুৰ, বৰাহৰূপী বিষ্ণুৰ অৱতাৰ। মাতৃ পৃথিৱীয়ে জন্মৰ পিছত এই বিষ্ণুদত্ত পুত্ৰ এটি বিদেহৰাজ জনকৰ যজ্ঞস্থলীত এটা মৰা মানুহৰ মূৰৰ খোলাত এৰি অন্তৰ্ধান হয়। মানুহৰ লাওঁখোলত জন্ম পোৱাৰ বাবে শিশুটিৰ নাম ৰখা হয় নৰক। ৰজা জনকে শিশুটি পাই পুত্ৰবৎ তুলি তালি ডাঙৰ দীঘল কৰে। মাতৃ পৃথিৱীয়েও কাত্যায়নী নামে এক পৰিচাৰিকাৰ ৰূপত জনকৰ ঘৰত নৰকক প্ৰতিপালন কৰে। শাৰীৰিক বুদ্ধি আৰু শক্তিত নৰকে জনকৰ পুত্ৰ সকলক চেৰ পেলাইছিল। সেয়েহে কাত্যায়নীৰূপী মাতৃ বসুমতীয়ে নৰকক চল কৰি ৰাজ প্ৰসাদৰ পৰা উলিয়াই আনি বিষ্ণুৰ সহায়ত প্ৰাগজ্যোতিষৰ ৰজা পাতে। ৰজা নৰকে সেয়েহে সকলো ক্ষেত্ৰতে কাত্যায়নীৰূপী মাতৃ বসুমতীৰ পৰামৰ্শ গ্ৰহণ কৰিছিল।

প্ৰাক্ ঐতিহাসিক যুগৰ আন এগৰাকী নাৰী হ'ল নৰকৰ পত্নী বিদৰ্ভৰ ৰাজকন্যা মায়া। বিষ্ণুৰ আজ্ঞা অনুসৰি নৰকে নীলকুট দেৱী মহামায়াক (যোগনিদ্ৰ) কামাখ্যা নামেৰে উপসনা কৰিছিল। প্ৰথম অৱস্থাত নৰক এজন অতি বিশ্বাসী ধৰ্মপ্ৰাণ আছিল যদিও পিছলৈ তেওঁ অত্যাচাৰী হৈ উঠাত বিষ্ণুৱে মাতৃ বসুমতীৰ আজ্ঞালৈ নৰকক বধ কৰি পুত্ৰ ভগদত্তক ৰজা পাতে। ভগদত্ত কন্যা ভানুমতী মহাভাৰতৰ যুগৰ এগৰাকী বিখ্যাত নাৰী; এওঁক জ্যেষ্ঠ কৌৰৱ দুৰ্যোধনলৈ বিয়া দিয়া হৈছিল। কথিত আছে যে বৰ্তমান গুৱাহাটী চহৰৰ দীঘলী পুখুৰীটো ৰজা ভগদত্তই ভানুমতীৰ বিয়াৰ সময়তেই খন্দাইছিল। কুৰুক্ষেত্ৰৰ মহাযুদ্ধত সেই বাবে ভগদত্তই কৌৰৱ পক্ষলৈ যুদ্ধ কৰিছিল।

প্ৰাগজ্যোতিষৰ ৰজা নৰকাসুৰৰ সম সমসায়িক হিচাপে শোণিতপুৰৰ ৰজা বানাসুৰৰ নাম পোৱা যায়। এই বানাসুৰৰে কন্যা ঊষাৰ লগত শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ বিয়া হয়। এই বিয়াক কেন্দ্ৰ কৰি কৃষ্ণ আৰু শিৱৰ মাজত যুদ্ধ হয়। উত্তৰ পূৰৰ শেষপ্ৰান্তত বিৰ্দভ নামৰ ৰাজ্যত ভীষ্মক ৰজাই ৰাজত্ব কৰিছিল। ভীষ্মকৰ জীয়ৰী ৰুক্মিনীক কৃষ্ণই বিয়া কৰাইছিল।

দ্বাদশ শতিকাত শদিয়াত প্ৰতিষ্ঠা হোৱা চুতীয়া বংশৰ ৰজা সকলে নিজকে ভীস্মকৰ বংশধৰ বুলি চিনাকী দিয়ে।

প্ৰাক্ ঐতিহাসিক যুগৰ কিংম্বদন্তীয় শাসক তথা তেওঁলোকৰ সৈতে জড়িত আখ্যান সমূহৰ ঐতিহাসিক তাৎপৰ্য্য নথকা নহয়। কামাখ্যা মন্দিৰলৈ যোৱা শিলৰ খট খটি পুখুৰী আদিয়ে আজিৰ সাক্ষ্য বহন কৰে।

প্ৰাচীন অসমৰ ঐতিহাসিক যুগ আৰম্ভ হৈছিল খ্ৰীঃয় ৪ৰ্থ শতিকাৰ মাজ ভাগৰ পৰা। ভৌম বংশৰ ৰজা বজ্ৰদত্তৰ পিছত বৰ্মন বংশীয় ৰজা সকলে কামৰূপ ৰাজ্য শাসন কৰিবলৈ লয়; বৰ্মন সকলে নিজকে নৰকৰ বংশধৰ বা ভৌম বংশীয় বুলিয়েই পৰিচয় দিছিল। এই সময় ছোৱাত ইতিহাসত কেইবাগৰাকী বিখ্যাত ৰাণী তথা ৰাজ পৰিয়ালৰ নাৰীৰ কাহিনী পোৱা যায়। এই মহিয়সী নাৰী সকলৰ লগতে দুগৰাকী মান সাধাৰণ শিক্ষিত ব্ৰাহ্মণ নাৰীৰ নাম উল্লেখযোগ্য।

কাশ্মীৰৰ পণ্ডিত কলহনৰ দ্বাৰা বিৰচিত ৰাজতঙ্গিনী গ্ৰন্থত উল্লেখ কৰা অনুসৰি কামৰূপৰ বৰ্মন বংশীয় ৰজা বলবৰ্মনৰ জীয়ৰী অমৃত প্ৰভাক কাশ্মীৰৰ ৰজা মেঘ বাহনে বিয়া কৰাইছিল। খ্ৰীষ্টাব্দ পঞ্চম শতিকাৰ এই বৈবাহিক সম্পৰ্ক কাশ্মীৰ আৰু কামৰূপ ৰাজ্যৰ ৰাজনৈতিক মিত্ৰতাকে সূচায়। অন্যহাতে সেই সময়ৰ কামৰূপ ৰাজ্যৰ পৰিসীমাৰ লগতে সুখ্যাতিৰ কথা ইতিহাসে সোঁৱৰাই দিয়ে।

পালবংশীয় ৰজা সকলৰ শাসন কালত প্ৰজাহিতকৰ কামৰ লগত ৰাণী সকলক জড়িত থকা দেখা যায়। পাল বংশৰ প্ৰতিষ্ঠাতা আছিল ব্ৰহ্মপাল; তেওঁক কামৰূপ ৰাজ্যৰ শাসক ৰূপে উপযুক্ত বুলি গণ্য কৰি নিৰ্ব্বাচিত কৰা হৈছিল। কামৰূপ ৰাজ্যৰ অধিপতি হৈ ব্ৰহ্মাপালে কুলদেৱীক বিয়া কৰাইছিল। কুলদেৱী এগৰাকী খ্যাতিমন্ত মহিলা আছিল। এই বংশৰ ৰজা গোপালৰ পত্নী নয়নাও এগৰাকী জনপ্ৰিয় মহিলা আছিল। এই বংশৰ ৰজা গোপালৰ পুত্ৰ হৰ্ষপালৰ পত্নী ৰত্নাই প্ৰজাহিতকৰ কামৰ বাবে খ্যাতি অৰ্জন কৰিছিল। এই বৈবাহিক সম্পৰ্কৰ দ্বাৰা প্ৰাচীন কামৰূপৰ ৰাজনৈতিক মৰ্য্যদা বৃদ্ধি পাইছিল।

প্ৰাচীন অসমত নাৰীৰ মাজত শিক্ষাৰ প্ৰচলন নাছিল যদিও কিছুসংখ্যাক ব্ৰাহ্মণ মহিলাই শিক্ষা গ্ৰহণ কৰাৰ কিছু তথ্য পোৱা যায়। ৰাজ্য শাসনৰ ক্ষেত্ৰত প্ৰাচীন অসমৰ মহিলাৰ ভূমিকা সম্পৰ্কে ৰাজমোহন নাথে বিভিন্ন উৎসৰ সহায়ত দেখুৱাইছে যে নগাঁও অঞ্চলত অৱস্থিত কদলী ৰাজ্যখন নাৰীৰ দ্বাৰা শাসিত আছিল। ইয়াত ৰাণীৰ পৰা আৰম্ভ কৰি মহিলা আৰু মহিলা সৈনীকে ৰাজকাৰ্য্য সম্পন্ন কৰিছিল বুলি জনা যায়।

অসমৰ ইতিহাসত ত্ৰয়োদশ শতিকাৰ আৰম্ভণিৰ পৰাই মধ্য যুগৰ আৰম্ভণি বুলি ধৰা হয়। ত্ৰয়োদশ শতিকাৰ মাজ ভাগত কামৰূপৰাজ সন্ধাই কমতাপুৰলৈ ৰাজধানী তুলি নিয়াৰ ফলত বা তুলি নিয়াৰ পিছত ঐতিহ্যপূৰ্ণ কামৰূপ ৰাজ্য বিলুপ্তি ঘটে আৰু কমতা ৰাজ্য গঢ় লৈ উঠে। কমতা সকলৰ বুৰঞ্জীত ৰাজ পৰিয়ালৰ দুগৰাকী বিখ্যাত নাৰীৰ বিষয়ে জনা যায়। ইয়াৰ ভিতৰত এগৰাকী হ'ল কমতাৰাজ প্ৰতাপধ্বজৰ জীয়েক "ৰাজনী কুঁৱৰী"। দ্বিতীয় গৰাকী ৰাজকন্যা হ'ল গড়মা বা সুশুদ্ধি। গৌড় দেশৰ ৰাজ কুমাৰী আছিল বাবে এওঁক গৌড়মা বা গড়মা বুলি কোৱা হৈছিল। গৌড়মা কুৱৰীক লৈ অসমৰ ইতিহাসত এটি ৰোমাণ্টিক ঘটনা পোৱা যায়। এই কাহিনী মতে নীলাম্বৰৰ গৌড় দেশীয় পত্নী সুসুদ্ধি বা গড়মা কুঁৱৰীৰ লগত নীলাম্বৰৰ ব্ৰাহ্মণ মন্ত্ৰী শশী পাত্ৰৰ পুত্ৰ মনোহৰৰ অবৈধ সম্পৰ্ক আছিল। এই গুপ্ত সম্পৰ্ক লোক চক্ষুত ধৰা পৰাত কমতা ৰাজে, শশী পাত্ৰৰ পুত্ৰক হত্যা কৰি পিতাকক পুতেকৰ মাংস খাবলৈ বাধ্য কৰে। এনে অমানুষিক কাৰ্য্যৰ প্ৰতিশোধ লবলৈ মন্ত্ৰী শশী পাত্ৰ বংগ দেশলৈ পলায় যায় আৰু চুলতান হুছেন ছাহক কমতা ৰাজ্য আক্ৰমণ কৰিবলৈ অনুৰোধ জনায়। এই কাহিনীৰ জনপ্ৰিয়তা ইমান যে ইয়াৰ সত্যতা ইতিহাসে নুই কৰিব নোৱাৰে। ৰূপত অতুলনীয় গড়মা কুৱৰীৰ বাবেই কমতা ৰাজ্য ধংস হৈছিল। হেলেনৰ বাবে গ্ৰীচ দেশৰ ট্ৰয় নগৰ যিদৰে ধংস হৈছিল। ভুঞা সকলৰ উৎপত্তি সম্পৰ্কে থকা কাহিনী আৰিমত্ত ৰজাৰ মন্ত্ৰী সমুদ্ৰৰ নাতিনী লখিমীৰ নাম পোৱা যায়। লখিমীৰ দুজন পুত্ৰ শান্তনু আৰু শ্যামন্তৰ ১২ (বাৰ) জনকৈ পুতেক আছিল। এওঁ লোকক যথাক্ৰমে বৰ বাৰভুএগ নামে জনাজাত আছিল। বুৰঞ্জীবাদি সকলৰ মতে ৰাণী লখিমীৰ নামেৰে লক্ষিমপুৰ নামৰ ঠাইৰ উৎপত্তি হয়।

দেওধাই অসম বুৰঞ্জীত চুতীয়া সকলৰ বিষয়ে উল্লেখ পোৱা যায়। চুতীয়া সাম্ৰাজ্যৰ এগৰাকী বিখ্যাত নাৰী ৰাণী সাধিনী ৰজা ধৰ্মধ্বজ পালৰ একমাত্ৰ সন্তান আছিল। অনেক সাধনাৰ ফলত জন্ম হোৱাৰ বাবে তাইৰ নাম সাধিনী ৰখা হৈছিল। সু-শিক্ষিত সৎ চৰিত্ৰ পৰম ৰূপৱতী সাধিনীক এটা সাধাৰণ চুটিয়া ল'ৰা নিতাইৰ লগত বিয়া দিয়ে। শেষত এওঁ নীতিপাল নাম লৈ চুটিয়া ৰাজপাট আৰোহণ কৰে। নীতিপালৰ মৃত্যুৰ পিছত আহোম সেনাপতি কনচেং বৰপাত্ৰ গোহাঞি ডাঙৰীয়াই সাধিনীক আত্মসম্পৰ্ণ কৰিবলৈ কয়। নিজৰ সতীত্ব

ৰক্ষাৰ্থে চুটিয়াৰ ভাগ্যলক্ষীৰ আহিলা "কুবেৰ দত্তৰ সম্পত্তি" বুকুত বান্ধি লৈ সাধিনী ৰাণীয়ে চন্দন গিৰি পৰ্বতৰ পৰা গুহাতলীয় কুণ্ডলৈ জাপ মাৰি আত্ম ত্যাগ কৰে।

কোচ সকলৰ বুৰঞ্জীত হীৰা আৰু জীৰা নামৰ দুগৰাকী উল্লেখযোগ্য নাৰীৰ নাম পোৱা যায়। সময়ত হীৰাৰ গৰ্ভত বিশু আৰু জীৰাৰ গৰ্ভত শিশু নামৰ দুটি পুত্ৰ সন্তান জন্ম হয়। এই বিশুৱেই হ'ল কোচ ৰাজ্যৰ প্ৰতিষ্ঠাপক বিশ্বসিংহ। হীৰা আৰু জীৰা দুয়োগৰাকী সাধাৰণ শ্ৰেণীৰ মহিলাৰ পৰা ৰাজমাতা হৈছিল। আহোম বুৰঞ্জীত কোচ সকলৰ আন এগৰাকী ৰাজকুঁৱৰীৰ নাম পোৱা যায়। তেওঁ হ'ল চাওঁকলা চান্দকলা বা সাংকলা।

আহোম যুগৰ নাৰী সকলৰ বীৰঙ্গনা মূলাগাভৰুৰ নাম অন্যতম। স্বৰ্গদেউ চুহুংমুঙৰ দিনত হোৱা তুৰ্বকৰ অসম আক্ৰমণৰ সময়ত এই গৰাকী নাৰীৰ বীৰত্বৰ কাহিনী বুৰঞ্জীত সন্নিবিষ্ঠ কৰা হৈছে। মূলাগাভৰু আছিল চাওঁ ফ্ৰাচেংমুঙ বৰগোহাই ডাঙৰীয়াৰ ভাৰ্য্যা। এই গৰাকী স্বামী ভক্ত বীৰঙ্গনা নাৰীক ইতিহাসে আজিও সোঁৱৰণ কৰে। ইতিহাসে সোঁৱৰণ কৰা আন এগৰাকী তীব্ৰ সাহসী নাৰী হ'ল নাংবাক্লা গাভৰু। এওঁ তথখান বৰগোহাইৰ পত্নী আৰু দিহিঙীয়া ৰজাৰ জীয়েক আৰু খোৰা ৰজাৰ পেহীয়েক আছিল।

ৰমণী গাভৰু আহোম যুগৰ আন এগৰাকী উল্লেখযোগ্য নাৰী। ১৬৬১ খ্ৰীঃত মিৰজুমলাই আহোমক পৰাজয় কৰি আহোমৰ ৰাজধানী গড়গাঁও অধিকাৰ কৰাত আহোম স্বৰ্গদেউ মিৰজুমলাৰ সৈতে "ঘিলাঝৰি ঘাটত" এক অপমান জনক সন্ধি কৰে। এই সন্ধিৰ চৰ্তমতে ধন সোণৰ উপৰিও জয়ধ্বজ সিংহৰ জীয়েক ৰমণী গাভৰুক মোগল হেৰেমলৈ উপহাৰ দিছিল। তেওঁক ঔৰংগজেৱৰ পুত্ৰ বংগৰ শাসনকৰ্তা আজমতৰাই বিয়া কৰাই ৰহমত বানু নাম দিছিল।

জয়মতী কুঁৱৰীৰ কাহিনী প্ৰতিগৰাকী অসমীয়াৰ বাবে নিশ্চয় গৌৰৱৰ বিষয়। এও তুঙখুঙীয়া বংশৰ প্ৰতিষ্ঠাপক আহোম ৰজা গদাপাণিৰ পত্নী। ক্ষমতা লোভী লালুকসোলা বৰফুকনে ল'ৰা ৰজাৰ সিংহাসন নিস্কণ্টক হবলৈ তেওঁ শত্ৰু পক্ষৰ লোক বিশেষকৈ ৰাজকোৱৰ সকলক অংগহানি বা বধ কৰিবলৈ ঘাতক নিয়োগ কৰিছিল। কিয়নো অংগহানি ৰাজকোঁৱৰে তেতিয়া ৰাজপাঠ আৰোহণ কৰিব পৰা নাছিল। পিছে তুঙখুঙীয়া ফৈদৰ গোৱৰ ৰজাৰ পুতেক লাঙ্গি গদাপাণি বৰ বাহুবলী কোঁৱৰ আছিল। আন আন ফৈদৰ কোঁৱৰৰ কঠিয়া মাৰি, লৰা ৰজাই গদাপাণিৰ ওপৰত চকু দিয়ে। সেয়েহে নিজৰ ভাৰ্য্যা আৰু আত্মীয় কুটুম্বাদিৰ প্ৰেৰণাত তেওঁ অগত্যা অকলে নগৰ এৰি নগা পৰ্ব্বতৰ ফালে পলাই যায়। পত্নী জয়মতীৰ লগত লাই আৰু লেচাই নামেৰে দুটি পুত্ৰ সন্তান ঘৰত এৰি গৈছিল। ল'ৰাৰজাই গদাপাণিক বিচাৰি নাপাই ভয়ত বিহ্বল হ'ল। গদাপাণিৰ ভাৰ্য্যা জয়মতীয়ে অজ্ঞতা প্ৰকাশ কৰিছিল। গতিকে ৰজাই শাস্তি দি গদাপাণিৰ সম্বেদ বা বাতৰি উলিয়াবলৈ আজ্ঞা দিয়ে। ইয়াৰ পিছত ৰাজাজ্ঞানুসৰি কুকুৰাচোৱা চাওঁদাঙে কুঁৱৰীক জেৰেঙা পথাৰলৈ নি গছত বান্ধিনানা শাস্তি দিওঁ গদাপাণিৰ বাতৰি উলিয়াব নোৱাৰিলে। সাধবী জয়মতীয়ে ১৬৭১ খ্ৰীঃত (১৬০১ শক) ১৩ চ'তত লৰাৰজাৰ নৰৰূপী দানৱ চাওদাঙৰ হাতত নশ্বৰ দেহা এৰি বৈকুণ্ঠলৈ ধাপলি মেলে। জয়মতীয়ে অমৰ বাঞ্চিত নাম গৌৰৱৰে পৃথিৱীৰ নাৰী সকলৰ মাজত চিৰস্মৰণীয় হৈ ৰ'ল আৰু ই এক জলন্ত-পটন্তৰ হৈ পৰিল। এতিয়াও শিৱসাগৰত জয়সাগৰ আৰু জয়মতীৰ সতীত্বৰ চানেকি স্বৰূপে জিলিকি আছে।

সতী জয়মতীৰ মৃত্যুৰ পিছত গদাপাণি কোঁৱৰে গদাধৰ সিংহ নামলৈ আহোম ৰাজপাট আৰোহণ কৰে। গদাধৰ সিংহৰ পিছত ৰুদ্ৰসিংহ ৰজা হয়। ৰুদ্ৰসিংহৰ পিছত শিৱসিংহ ৰাজপাটত বহে। ছমাহ ৰাজত্ব কৰাৰ পিছত দৈৱজ্ঞ আৰু জ্যোতিষি সকলে তেওৰ ওপৰত ছত্ৰভংগ যোগ পৰিছে বুলি কোৱাত তেওঁ ৰাজ্যভাৰ এৰি তেওঁৰ পাটমাদৈ ফুলেশ্বৰী, অম্বিকা দেৱী, আৰু সৰ্বেশ্বৰী কুৱৰীক সিংহাসনত বহুৱাই বৰকুঁৱৰী পাতি নিজে মুকলি মুৰীয়া হৈ আছিল। তিনি গৰাকী ৰাণীয়ে অসীম প্ৰতাপেৰে ৰাজ্য শাসন কৰি আহোম ইতিহাসত সুনাম অৰ্জন কৰিছিল।

আহোম ৰাজত্ব কালৰ বেলি মাৰ যোৱাৰ সময় উপস্থিত হৈছিল মানৰ আক্ৰমণৰ সময়ত। পূৰ্ণানন্দ বঢ়াগোঁহাই আৰু বদন চন্দ্ৰ বৰফুকনৰ মাজত ক্ষমতাৰ অৰিয়া অৰি ইমান প্ৰৱল ৰূপ ধাৰণ কৰিছিল যে ইজনে সিজনক হত্যা কৰিবলৈ আঁচনি লৈছিল। এবাৰ বদনে বুঢ়াগোঁহাই ডাঙৰীয়াক হত্যাৰ আচনি লৈছিল। এবাৰ বদনে বুঢ়াগোঁহাই ডাঙৰীয়াই ধৰি নিবলৈ মানুহ পঠালে। কিন্তু বদনৰ জীয়েক পিজৌ গাভৰু বুঢ়াগোঁহাইৰ বোৱাৰী আছিল। পূৰ্ণানন্দ বুঢ়াগোঁহাইক এসেকা দিবলৈ মান ৰজাক অসম আক্ৰমণ কৰিবলৈ আমন্ত্ৰণ কৰিলে। বদন চন্দ্ৰক অসমলৈ মান মাতি অনাত সহায় কৰিছিল ৰঙিলী কুঁৱৰীয়ে। ৰঙিলী কুঁৱৰী আছিল ৰঙাচিলা দুৱৰাৰ ঘৰৰ জীয়ৰী। এই ৰূপহী

ৰঙিলী গাভৰুৱে মান ৰজাৰ ৰাজ কাৰেঙ শুৱনি কৰি পাটমাদৈৰ সন্মান লাভ কৰিছিল। বদনে ৰঙিলীক লগ ধৰি নিজৰ আৰু দেশৰ কথা অতিৰঞ্জিত বৰ্ণনা দিয়ে। কুঁৱৰীয়ে দুখ বেদনাত অভিভূত হৈ মান ৰজাক অসম আক্ৰামণ কৰিবলৈ খাটনি ধৰে। ফলত মানে আহি সোণৰ অসম ছাৰখাৰ কৰি অসমৰ মান ইজ্জত ধুলিসাৎ কৰি থৈ গুচি গ'ল। এই দৰে পিজৌ আৰু ৰঙিলী কুঁৱৰীয়ে মানৰ আক্ৰমণৰ বাট মুকলি কৰি আহোম ৰাজত্বৰ অন্ত পেলোৱাত পৰোক্ষ ভাৱে সহায় কৰিছিল।

আহোম সকলৰ ছশ বছৰীয়া ইতিহাসত উল্লেখ থকা ৰাজামাতা সকলৰ লগতে অনেক সাধাৰণ পৰিয়ালৰ নাৰী সকলৰ বিষয়ে বৰ্ণনা পোৱা যায়। এই নাৰী সকলে একো একো সময়ত সমাজ ৰাজনীতি তথা ধৰ্মনীতিৰ ক্ষেত্ৰত বিশেষ ভূমিকা লোৱা দেখা যায় বা যথেষ্ট অৰিহণা যোগাইছিল।

১৮৩৮ চনত স্বৰ্গদেউ পুৰন্দৰ সিংহৰ ৰাজত্ব ইংৰাজৰ খাচ দখললৈ যায়। ইংৰাজ শাসনৰ অধীন হৈ অসমীয়া প্ৰজাৰ আহোমৰ দিনৰ সমৃদ্ধিৰ দৰিদ্ৰতালৈ পৰ্যবসিত হ'ল। এই সময়ছোৱাত অসমীয়া নাৰীৰ ভূমিকা ইতিহাসত বিশেষ বিবৰণ পোৱা নাযায়। কিন্তু ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ সময়ৰ পৰাই অসমীয়া নাৰীৰ দেশ প্ৰেম মূলক কাহিনী পোৱা যায়। ১৮৫৭ চনৰ বিদ্ৰোহত অসমীয়া অভিজাত পৰিয়ালৰ মহিলা ৰূপহী আইদেৱে বিদ্ৰোহী সকলক সহায় কৰাৰ বাবে তেওঁ লোকৰ সা-সম্পত্তি আৰু মৌজা বৃটিছে কাঢ়ি লৈছিল। ১৯২১ চনত মহাত্মা গান্ধী অসমলৈ আহে, গান্ধীজীৰ আগমনে অসমীয়া মহিলাকো আন্দোলনমুখী কৰি তুলিছিল। অসমীয়া নাৰী সমাজে ঘৰতে সূতা কাটি কাপোৰ বৈ অসহযোগ আন্দোলনৰ তাৎপৰ্য বহন কৰিছিল। এই সময়ত চাহ বাগিছা বিলাকত হোৱা আন্দোলনত মহিলা সকলে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। ১৯২১ চনৰ কানি, ভাঙ, মদ আদি নিবাৰণী আন্দোলনৰ দৰং জিলাৰ লালমাটি চাহ বাগিছাৰ (বাগান) শ্ৰীমতী মুংৰী ওৰফে মালতী মেম নামৰ এগৰাকী মহিলা পুলিচৰ হাতত প্ৰাণ আহুতি দিব লগা হৈছিল। বোধহয় অসমৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীত এওঁৱেই প্ৰথম শ্বহীদ।

মহাত্মা গান্ধী অসমলৈ আহি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমণ কৰি অসহযোগৰ মৰ্ম প্ৰচাৰ কৰে। মহাত্মা গান্ধীয়ে তেওঁৰ প্ৰবন্ধ "লাভলি আসাম"ত লিখিছিল যে— অসমে ইয়াৰ বোৱা কটাত পাকৈত। শিপিনী সকলৰ বাবে ভাৰতৰ অন্যান্য প্ৰদেশতকৈ আগতে স্বৰাজ আনিব পাৰিব। অসহযোগ আন্দোলনৰ সময়ত নিজৰ গৃহস্থজন আন্দোলনত ব্যস্ত থকাৰ বাবে মহিলা সকলে বোৱা কটা কৰি ঘৰ সংসাৰ চলাই গাঁৱে গাঁৱে ঘূৰি বিদেশী বস্তু বৰ্জন কৰিবলৈ বুজনি দিছিল। ব্ৰহ্মপুত্ৰ উপত্যকাত চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু কাছাৰত গিৰিজাবালা গুপ্তাই নাৰী আন্দোলনৰ নাৰী সকলক নেতৃত্ব দিছিল। ১৯৩০ চনত আইন অমান্য আন্দোলনত অসমীয়া মহিলা সকলে সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰিছিল। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য হ'ল গুণেশ্বৰী দেৱী আৰু মুক্তেশ্বৰী দেৱী। এই দুয়ো গৰাকী উল্লেখযোগ্য মহিলাই জাতীয় সংগ্ৰামত যোগদান কৰি কাৰাবৰণ কৰা অসমৰ প্ৰথম মহিলা।

কংগ্ৰেছে আনুষ্ঠানিক ভাৱে ক্ৰিপছ মিছনৰ প্ৰস্তাৱ নাকচ কৰাৰ পিছত গান্ধীজীৰ পৰামৰ্শ মতে ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। 'Do or die' অৰ্থাৎ "হয় দেশ স্বাধীন কৰিম নহয় প্ৰাণ বিসৰ্জন দিম" ধ্বনিয়ে ভাৰত তথা অসমৰ আকাশ বতাহ কপাই তুলিছিল। অসমৰ হেজাৰ হেজাৰ মহিলাই এই ৪২ ৰ আন্দোলনৰ বিভিন্ন কাৰ্য্যসূচীত যোগদান কৰিছিল। ইংৰাজ সেনা বাহিনী আৰু পুলিচৰ গুলি চালনাত দৰঙৰ তিলেশ্বৰী বৰুৱা, কুমলী দেৱী, গহপুৰৰ কনক লতা বৰুৱা, বৰহম পুৰৰ ভোগেশ্বৰী ফুকননীৰ মৃত্যু হয়। এওলোকৰ উপৰিও আৰু অনেক মহিলাই অসম তথা ভাৰতীয় স্বাধীনতা আন্দোলনত প্ৰাণাহুতি দিছিল। যাৰ সাক্ষী ইতিহাসৰ পাত লুটিয়ালে এতিয়াও দেখা পাওঁ। ইয়াৰ উপৰিও পুলিচৰ গুলি, লাঠিচালনা, মিলিটাৰীৰ মাৰ পিটত কিমান অসমীয়া মহিলা ঘূনিয়া হ'ল আৰু কিমানৰ জীৱনলৈ যে অন্ধকাৰ নামি আহিছিল যাৰ সঠিক তথ্য ইতিহাসে আজিও আমাক দিব নোৱাৰে।

ঐতিহাসিক পটভূমিত এনেদৰে বিচাৰ বিবেচনা কৰিলে খ্যাত অখ্যাত আৰু বহুতো ঐতিহাসিক ৰমণী বিষয়ক বহু কথা নিশ্চয় ওলাই পৰিব। বেণুধৰ শৰ্মাৰ এষাৰ উক্তিৰে সামৰণি মাৰিব বিছাৰিছোঁ যে— বুৰঞ্জী চৰ্চা কোনোৰ নিমিত্তে ভাত-মাছ, কোনোৰ নিমিত্তে গলগ্ৰহ। বিষয় আৰু ঘটনা সমূহৰ যথাযথ আলোচনাৰ ওপৰতেই বুৰঞ্জীৰ সুফল-কুফল নিৰ্মিত হয়। আধুনিক যুগত জাতীয় ঐক্য আৰু সংহতি স্থাপনৰ নিমিত্তে গৌৰৱময় অতীতৰ ঘটনাৰাজি নতুন প্ৰজন্মৰ বাবে অসমৰ শিক্ষা ব্যৱস্থাত প্ৰয়োগ কৰিলে সেই সকল সতী, ত্যাগী মহান নাৰী সকলৰ আদৰ্শক মহীয়ান কৰা হব।

❖❖❖

# অসমীয়া সাহিত্যৰ "ৰামধেনু যুগ বা যুদ্ধোত্তৰ যুগৰ গল্প লেখক সকলৰ" এক সমীক্ষা (১৯৪০-৭০)

দৰ্পণা চৌধুৰী
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

পৃথিৱীত বিভিন্ন দেশৰ জাতীয় সত্বাত বিভিন্ন সময়ত বিভিন্ন সমস্যাক কেন্দ্ৰ কৰি একোটা যুগৰ পট ভূমি গঢ়ি উঠে। এই সমস্যাবোৰক গুৰুত্ব দি লেখক সাহিত্যিক সকলে এটা সময়ত এটা নতুন যুগৰ সূচনা কৰে। অৱশ্যে সময় ভেদে এই সমস্যাবোৰ বেলেগ বেলেগ ভাবে লেখক সকলে তেওঁলোকৰ ৰচনাত প্ৰতিচ্ছবি দাঙি ধৰি আহিছে।

কোনো এটা যুগৰ পটভূমি গঢ়লৈ উঠে বিভিন্ন জাতীয় সমস্যাৰ ওপৰত। সময় ভেদে এই সমস্যাবোৰ বেলেগ বেলেগ। কিন্তু সাহিত্যৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম হোৱা দেখা যায়। সকলো যুগৰে সাহিত্যৰ ক্ষেত্ৰত প্ৰভাৱ পৰে সমকালিন ৰাজনৈতিক, অৰ্থনৈতিক, সমাজিক আৰু সাংস্কৃতিক মূল্যবোধৰ ওপৰত । বিশেষকৈ সাহিত্যৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত ৰাজনৈতিক অৱস্থাই গুৰুত্বপূৰ্ণ ভুমিকা লোৱা দেখা যায় যে, যুগে যুগে সলনি হৈ অহা ৰাজনৈতিক বাতাৱৰণৰ পৰিণতিৰূপে অসমীয়া সাহিত্যৰ গতি সলনি হৈ আহিছে। জোনাকী আৰু আবাহন যুগৰ ৰাজনৈতিক অৱস্থা একে নোহোৱাৰ ফলত দুয়োটা যুগৰ অসমীয়া সাহিত্যৰ প্ৰাণ স্পন্দন পৃথক হোৱা দেখা যায়। ঠিক তেনেকৈ ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ নতুন ৰূপত গঢ়লৈ উঠিছিল এটি আচহুৱা ধৰণৰ পটভূমিত।

দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণীৰ লগে লগে পূৰ্বৰ আবাহন যুগৰ বাতাবৰণো সলনি হ'বলৈ ধৰিলে। দ্বিতীয় বিশ্বযুদ্ধৰ লগতে শক্তিশালী হৈ উঠা ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অন্যান্য ৰাজনৈতিক আৰু সামাজিক ঘট নাই ১৯৪০ৰ পৰা অসমৰ জাতীয় জীৱনলৈ পৰিৱৰ্তনৰ ৰূপ বহুতো সলনি হ'বলৈ ধৰিলে। এনেবোৰ কাৰণত সৃষ্টি হোৱা নতুন বাতাবৰণৰ মাজতে ৪০ ৰ দশকত "জয়ন্তী" আৰু ৫০ ৰ দশকত মাহেকীয়া 'ৰামধেনু' আলোচনীৰ জন্ম হয়।

পূৰ্বৱতী কাৰণবোৰৰ ফলত ১৯৪০ৰ পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যক যুদ্ধোত্তৰ যুগ বা ৰামধেনু যুগ আখ্যা দিছিল। এই সময়ছোৱাক যুদ্ধোত্তৰ বা ৰামধেনু যুগ নামেৰে নামাৰণ কৰাৰ কাৰণ হ'ল দ্বিতীয় বিশ্বযুদ্ধত সৃষ্টি কৰা আচহুৱা পৰিৱেশৰ বাবেই ১৯৪০ ৰ পৰা অসমীয়া সাহিত্যৰ প্ৰাণ শক্তিটোৰে সলনি হ'বলৈ লয় আৰু এইটো যুগৰ সাহিত্যক যুদ্ধোত্তৰ যুগৰ সাহিত্ত বুলি বিশেষ ভাৱে চিহ্নিত কৰিব পাৰি । আনহাতে ১৯৫১ চনৰ পৰা প্ৰকাশ পোৱা ৰামধেনু আলোচনী খনে অসমীয়া সাহিত্যৰ নতুন প্ৰবাহটোক অধিক শক্তিশালী কৰি তুলিছিল আৰু ৰামধেনুৰ যোগেদি অসমীয়া সাহিত্যই এটা নতুন দিশ গ্ৰহণ কৰিছিল। এনে কাৰণতে ১৯৪০ ৰ পৰা পৰবৰ্তী কালৰ অসমীয়া সাহিত্যক যুদ্ধোত্তৰ অথবা ৰামধেনু এই দুই নামেৰে নামকৰণ কৰিব পাৰি বুলি "ড° প্ৰহ্লাদ কুমাৰ বৰুৱা"দেৱে তেখেতৰ "অসমীয়া চুটি গল্পৰ অধ্যয়ন" নামৰ গ্ৰন্থত মত পোষণ কৰিছে।

প্ৰশ্ন হয় যে, ৰামধেনু যুগ বুলিলে কোনখিনি সময়লৈ ধৰা যাব? এই ক্ষেত্ৰত বহুতে যুদ্ধোত্তৰ বা ৰামধেনু যুগ বুলি অতি সম্প্ৰতিকলৈ সামৰি ল'ব খোজে। কিন্তু দ্বিতীয় বিশ্বযুদ্ধৰ পিছত প্ৰায় দুটা দশকৰ অসমীয়া সাহিত্যই প্ৰায় তিনিটা দশকৰ পিছৰ পৰা ইয়াৰ গতি পুনৰ সলনি হ'বলৈ ধৰিলে। গতিকে যুদ্ধোত্তৰ বা ৰামধেনু যুগ বুলিলে ১৯৪০ ৰ পৰা ১৯৭০লৈ এই ত্ৰিশ বছৰ অসমীয়া সাহিত্যক সামৰি ল'ব পাৰি! এই ত্ৰিশ বছৰৰ ভিতৰত নতুন নতুন অসমীয়া লেখকেও আত্মপ্ৰকাশ কৰিছিল কিন্তু গল্পকাৰ সকলৰ একাংশই পূৰ্ব পৰম্পৰাৰ পৰা আঁতৰি আহিব পৰা নাছিল আৰু আন একাংশই পূৰ্ব পৰম্পৰাৰ পৰা বহু পৰিমাণে আঁতৰি আহি নতুন ভাৱবস্তু, নতুন দৃষ্টিভংগি আৰু নতুন কলা কৌশল প্ৰয়োগ কৰি অসমীয়া চুটি গল্পৰ পৰিৱৰ্তন সাধন কৰিলে। এনে পৰিৱৰ্ত্তনৰ ঢৌ ১৯৭০চনলৈকে দৃষ্টিগোচৰ হয় আৰু ৰাজনৈতিক পৰিবৰ্ত্তন তথা নানান সামাজিক সাংস্কৃতিক মূল্যবোধৰ পৰিবৰ্ত্তনৰ ফলত১৯৭০ চনৰ পৰা অসমীয়া সাহিত্যৰ চুটি গল্পৰ ধাৰণাটো পুনৰ সলনি হ'বলৈ ধৰিলে আৰু ন ন লেখক সকলে আত্মপ্ৰকাশ কৰি সাহিত্যৰ ধাৰাটো সলনি কৰাত অৰিহণা যোগায়। সেয়েহে যুদ্ধোত্তৰ অথবা ৰামধেনু যুগ বুলিলে ১৯৪০ চনৰ পৰা১৯৭০ চনলৈ ধৰিব পাৰি। ৰামধেনু যুগৰ বিশিষ্ট গল্পকাৰ সকলৰ বিষয়ে তলত চমু আলোচনা দাঙি ধৰা হ'ল----

**চৈয়দ আব্দুল মালিক** ঃ– অসমীয়া সাহিত্যৰ বিশিষ্ট্য সাহিত্যিক চৈয়দ আব্দুল মালিকে আবাহন যুগতে গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰি ৰামধেনু যুগলৈ গল্প ৰচনা কৰি চুটি গল্পক চহকী কৰিছিল। অসমীয়া চুটি গল্পৰ দিশত চৈয়দ আব্দুল মালিকে "গল্প সম্ৰাট" আখ্যা পোৱাৰ যোগ্য। মালিকে প্ৰায় ছয় দশক কাল নিৰন্তৰে গল্প লেখি অসমীয়া সাহিত্যৰ গল্পৰ দিশ সৰল কৰি তোলে। তেখেতৰ গল্প পুথি কেইখন হ'ল---'পৰশমনি ৰঙা গড়া, মৰহা পাপৰি এজনি নতুন ছোৱালী, শিখৰে শিখৰে'। এই কেইখনৰ উপৰিও ভালেমান গল্প অসমৰ সংবাদ প্ৰত্ৰত বিভিন্ন সময়ত প্ৰকাশ হৈ অসমীয়া সাহিত্যক অৰিহণা যোগায়। তেখেতৰ উল্লেখযোগ্য চুটি গল্প কেইটি হ'ল –'প্ৰাণ পোৱাৰ পিছত, কাঠফুলা, যীশুখ্ৰীষ্টৰ ছবি" হৰি মাষ্টৰৰ দোকান, তিনিচকীয়া গাড়ী, জপনা, বিভৎস বেদনা, চিকাৰ আখোজা, ফ্ৰি কাপোৰ ইত্যাদি। ৰামধেনু যুগতে মালিকদেৱে অসমীয়া সাহিত্যত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছিল।

**বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য** ঃ- এজন প্ৰসিদ্ধ উপন্যাসিক যদিও গল্প ৰচনাতো তেওঁৰ নিপুণতাৰ পৰিচয় পোৱা যায়। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য দেৱে "ৰামধেনু" যুগত লেখা গল্প পুথি সমূহ হ'ল---- কলং আজিও বয়, আৰু 'সাতসৰী'। তেখেতৰ কেইটিমান শ্ৰেষ্ঠগল্প হ'ল---এজনী জাপানী ছোৱালী, মাকনৰ গোসাঁই, মিঞা মনচুৰ, ঈদৰ জোন, ছিৱালা আৰু চিন্দুইন, শলিতা মামী, মান আৰু বাৎসায়ন। ৰামধেনু যুগৰে গল্পকাৰ সকলৰ ভিতৰত ভট্টাচাৰ্যই অসমীয়া চুটি গল্পক আংগিক কৌশলৰ উপৰিও বৌদ্ধিক দিশতো বহু পৰিমাণে গভীৰতা দান কৰিলে।

**প্ৰফুল্ল দত্ত গোস্বামী** ঃ- প্ৰফুল্ল দত্ত গোস্বামী অসমীয়া সাহিত্যত প্ৰসিদ্ধ সমালোচক হিচাপে খ্যাতি অৰ্জন কৰি কম সংখ্যাক চুটি গল্প লেখিলেও সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। গোস্বামী দেৱৰ উল্লেখযোগ্য গল্পৰ ক্ষেত্ৰত নাম ল'ব পাৰি 'ভেজাল সোণ' আৰু 'নিফুট বচন'।

**যোগেশ দাস** ঃ- ৰামধেনু যুগৰ আন এজন খ্যতিমান লেখক হ'ল যোগেশ দাস। ৰামধেনু যুগৰ গল্পকাৰ হ'লেও তেওঁৰ সৰহভাগ গল্পই আবাহন যুগৰ গল্পৰ সমধৰ্মী। উদাহৰণ স্বৰূপে বহু গল্প আছে যদিও গৰাখহনীয়া আৰু কলপটুৱাৰ মৃত্যুক আঙুলিয়াব পাৰি । যোগেশ দাস দেৱৰ "বৰদেউতা" নামৰ গল্পটোৰ অন্য গল্পৰ তুলনাত কিছু ব্যতিক্ৰম হোৱা দেখা যায়। তেখেতৰ আন কেইটিমান লেখত ল'বলগীয়া গল্প হ'ল--- টেমেকা ,পোৰা সোণ,, ছিন্নমূল, উৰুকাৰ , উকমুকৰ পোৱালী , পৃথিবীৰ আসুখ নামৰ গল্প পুথিয়েই যোগেশ দাসৰ সাহিত্যৰ এক নতুন দিশ নিৰ্ণয় কৰে। তেখেতৰ গল্প পুথি তিনিখন হ'ল 'পপীয়া তৰা, আন্ধাৰৰ আৰে আৰে আৰু ত্ৰিবেণী।

**মহিম বৰা** ঃ-যুদ্ধোত্তৰ যুগৰ এগৰাকী খ্যাতিমান লেখক মহিম বৰা। ১৯৪৫-৪৬ চনত বৰদৈচিলা আলোচনীৰ মাজেৰে গল্পকাৰ হিচাপে আত্মাপ্ৰকাশ কৰে তেখেতৰ গল্পৰ সংখ্যা যথেষ্ঠ। বৰাদেৱে গল্পত পৰিৱেশ সৃষ্টিত অধিক গুৰুত্ব দিয়া দেখা যায়। উদাহৰণ স্বৰূপে 'কাঠনিবাৰীৰ ঘাট, টোপ ইত্যাদি। বৰাদেৱৰ চক্ৰবৃৎ, এখন নদীৰ মত্যু, তিনিৰ তিনি গ'ল আদি গল্পই সমালোচনাৰ স্থান দখল কৰি গল্প সমুহক শ্ৰেষ্টত্বৰ আসন লাভ কৰিছে। বৰাদেৱৰ প্ৰকাশিত গল্পপুথি হ'ল– কাঠনি বাৰী ঘাট।

**সৌৰভ কুমাৰ চলিহা** ঃ- ৰামধেনু যুগৰ বিশিষ্ট তথা শীৰ্ষস্থানীয় গল্পকাৰ সকলৰ ভিতৰত সৌৰভ কুমাৰ চলিহাৰ নাম উল্লেখ কৰিব পাৰি। স্কুলীয়া অৱস্থাতে পাৰিজাত নামৰ আলোচনীত চলিহাদেৱে লিখা গল্প প্ৰথমে প্ৰকাশ পাইছিল। ছাত্ৰৱস্থাতে আন্দোলনৰ সময়ত সৃষ্টি কৰা গল্প হ'ল— 'অশান্ত ইলেক্‌ট্ৰন। অশান্ত ইলেকট্ৰনৰ বাবেই ১৯৫০ চনত কটন কলেজৰ গল্প প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পাইছিল আৰু এজন গল্প লেখক হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছিল। চলিহাৰ গল্পৰীতি জটিল কিন্তু ভাষা সাৱলীল। সৌৰভ কুমাৰ চলিহাৰ প্ৰকাশিত গল্প পুথি কেইখন হ'ল---- 'অশান্ত ইলেকট্ৰন' দুপৰীয়া গোলাম আৰু এহাত ডাবা। ৰামধেনু আদি বিভিন্ন আলোচনীত চলিহাৰ ভালেমান গল্প প্ৰকাশিত হৈছে। গল্পকাৰ সৌৰভ কুমাৰ চলিহা হ'ল এটি ছদ্মনাম। গল্পলেখক চলিহাৰ আছল নাম হ'ল সুৰেন্দ্ৰ নাথ মেধি।

**ভবেন্দ্ৰ নাথ শইকীয়া** ঃ-ৰামধেনু যুগৰ গল্প কাৰ সকলৰ ভিতৰত ভবেন্দ্ৰ নাথ শইকীয়া অন্যতম । ভবেন্দ্ৰ নাথ শইকীয়া দেৱৰ গল্প কিছুমান ৰামধেনু আৰু অন্য আলোচনীৰ পাতটো সিঁচৰিত হৈ আছে। তেখেতৰ গল্পৰ ভাষা সাৱলীল আৰু গল্পৰীতি কিছু জটিল। জটিল হোৱাৰ কাৰণ হ'ল এটা ঘটনাৰ আলমত আন আন ঘটনাৰ সংযোগ। শইকীয়াৰ শ্ৰেষ্ঠ গল্প নিৰ্ধাৰিত কৰাটো কঠিন । তথাপি ঢোৰাসাপ, সেন্দুৰ, দৰিদ্ৰ কুবেৰ, গ্ৰহণ, প্ৰহৰী, অসুৰ, গহ্বৰ, ইত্যাদি গল্পৰ নাম ল'ব পাৰি। তেখেতৰ প্ৰহৰী নামৰ গল্পই অসমীয়া সাহিত্যৰ গল্প শৈলীৰ এক বিশেষ ৰীতিত প্ৰযোগ কৰা দেখা যায়। প্ৰহৰীৰ স্ৰষ্টা শইকীয়া দেৱৰ গল্প সাহিত্যই অসমীয়া সাহিত্য ইতিহাসত আধুনিক যুগৰ এক বাটকটীয়া বুলি কব পৰা যায়।

**হোমেন বৰগোহাঞি** ঃ- যুদ্ধত্তোৰ যুগৰ আন এগৰাকী গল্পকাৰ হ'ল হোমেন বৰগোহাঞি ।তেখেতৰ গল্প পুথি বিভিন্ন কোৱান্ধ, প্ৰেম আৰু মৃত্যুৰ কাৰণে উপৰিও বিভিন্ন আলোচনীত প্ৰকাশিত গল্পত আছে।

তেখেতৰ গল্পৰ সংখ্যা বেছি নহয়। কম সংখ্যাক গল্পৰ মাজেদিয়ে তেখেতে অসমীয়া চুটি গল্পৰ ইতিহাসত বিশিষ্ট আখন লাভ কৰিবলৈ সক্ষম হৈছে। তেখেতৰ কেইটামান উল্লেখযোগ্য গল্প হ'ল ধুমুহা, আনন্দ, উৎস, ভয়, শূন্যতা, অক্টোপাছ আদি প্ৰধান।

**চন্দ্ৰপ্ৰসাদ শইকীয়া ঃ-** ৰামধেনুৰ প্ৰথম সংখ্যা ১৯৫১ চনতে প্ৰথম গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰা এগৰাকী বিশিষ্ঠ গল্পকাৰ হ'ল চন্দ্ৰ প্ৰসাদ শইকীয়া। তেখেতৰ প্ৰথম প্ৰকাশিত গল্প পুথি "মায়া মৃগ"। শইকীয়া দেৱৰ গল্পৰ সংখ্যা যথেষ্ঠ। ৰামধেনুৰ পাততে আত্মপ্ৰকাশ কৰা শইকীয়াদেৱে একৈশ শতিকাৰ প্ৰথম দশকতে যথেষ্ঠ পৰিমানৰ গল্প লেখি অসমীয়া গল্প সাহিত্যৰ পথাৰ খনক চহকী কৰি তোলে। তেখেতৰ প্ৰথম প্ৰকাশিত গল্প পুথি হ'ল "মায়া মৃগ"। তেখেতৰ গল্প সমুহ হ'ল— অন্তৰাল, অপৰজিতা, বাগদত্তা অথিৰ এন্থ সংসাৰ, ঋণ পৰিশোধ ইত্যাদিয়ে শ্ৰেষ্ঠ।

**স্নেহ দেৱী ঃ-** ৰামধেনু যুগৰ এগৰাকী বিশিষ্ট লেখিকা স্নেহ দেৱীয়ে যথেষ্ঠসংখ্যক গল্প লেখি অসমীয়া চুটি গল্পৰে চিনাকী হয় ৰামধেনুৰ পাতত। তেওঁৰ প্ৰকাশিত গল্প সংকলন কেইখন হ'ল - কৃষ্ণ দ্বিতীয়াৰ জোনাক,স্নেহ দেৱীৰ গল্প, স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প আৰু স্নেহ দেৱীৰ একুঁকি গল্প। স্নেহ দেৱীৰ কেইটিমান গল্প হ'ল নিৰ্ভেদাল, জননী,পোহৰ,সূচনা,জোৰাৰৰ পাছত, পৰিপূৰক, এটি বিশেষ ৰাতি ইত্যাদি। স্নেহ দেৱীৰ একুঁকি গল্পই শ্ৰেষ্ঠতাৰ অৰ্জন কৰি অসমীয়া গল্প সাহিত্যৰ দিশত এক বিশেষ ভূমিকা লোৱা দেখা যায়।

**ৰোহিণী কুমাৰ কাকতি ঃ-** ৰামধেনু যুগৰ গল্পকাৰ সকলৰ ভিতৰত ৰোহিণী কুমাৰ কাকতিৰ নাম উল্লেখযোগ্য । কাকতিৰ ৰামধেনু যুগৰ পৰা সাম্প্ৰতিকলৈকে গল্পৰ সংখ্যা যথেষ্ঠ । তেওঁৰ গল্প সমুহ বিভিন্ন আলোচনী ,বাতৰি কাকত আদিত প্ৰকাশিত হৈছে । তেওঁৰ কেইটিমান উল্লেখযোগ্য গল্প হ'ল --- সেই সুৰেৰে বালিচন্দা, পশ্চিমৰ আকাশ ,মৃত্তিকা ,অস্থিৰ শিখা, জৰাজীৰ্ণ, শলিতা, আমি কুকুৰ ইত্যাদি। ৰোহিণী কুমাৰ কাকতিৰ গল্পৰ ভাষা আৰু বিষয় বস্তু সহজ সৰল। কাকতিৰ গল্পৰ বিষয় বস্তুৱে পাঠক সকলক আকৰ্ষণ কৰিব পাৰিছে ।

**লক্ষ্মী নন্দন বৰা ঃ-** ৰামধেনু যুগৰ পৰা বৰ্তমানলৈকে গল্প সৃষ্টিত নিমগ্ন হৈ থকা অসমীয়া সাহিত্যৰ বিশিষ্ট কথা সাহিত্যিক পাতাল ভৈৰৱী উপন্যাসৰ স্ৰষ্টা গল্প লেখক লক্ষ্মীনন্দন বৰা ৰামধেনু যুগৰ এগৰাকী শ্ৰেষ্ঠ গল্প লেখক। ছাত্ৰৱস্থাতেই ৰামধেনুত ভাওনা আৰু সম্প্ৰতি আৰু সম্প্ৰতি নামৰ গল্প দুটা লেখি লেখক হিচাপে বৰাদেৱে আত্মপ্ৰকাশ কৰছিল। তেওঁৰ গল্প পুথি পাঁচখন-- 'দৃষ্টি ৰূপা, গৌৰী ৰূপক, কাঁচিয়লীৰ কুঁৱলী, মন মাটি মেঘ, সেই সুৰে উতলা। লক্ষ্মীনন্দন বৰাদৰে নিৰৱছিন্ন ভাৱে গল্প লেখি অসমীয়া চুটি গল্পৰ ভঁড়াল যথেষ্ট টনকিয়াল কৰি তুলিছে। বৰাদেৱৰ গল্পত অসমৰ আধ্যাত্মিক ঐতিহ্যৰ অৱক্ষয়ৰ বিষয়ে অতি সহৃদয়তা ব্যাখ্যা আগবঢ়াইছে। তেওঁৰ কেইখন মান গল্প গ্ৰন্থ হ'ল-- 'দেৱতা ব্যাধি, গুৰুপৰ্ব, সখা দামোদৰ, গচকি ভাঙি যাওঁ যতঁৰৰ নাচ চিকুণ তালে, কোনেও নেকান্দে' আদি।

**নিৰুপমা বৰগোহাঞিঁ ঃ-** ৰামধেনু যুগৰ আগৰ পৰাই গল্প লেখি ৰামধেনু যুগত জনপ্ৰিয় হৈ উঠা গল্প লেখিকা হ'ল নিৰুপমা বৰগোহাঞিঁ। তেওঁৰ গল্পত সমকালীন সমালোচনা আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ জীৱন যন্ত্ৰণা অতি স্পষ্টভাৱে প্ৰকাশ পোৱা দেখা যায়। তেওঁৰ কেইটিমান গল্প হ'ল— ৰেহাই মূল্য, এনথ্ৰপলজিৰ পিছত, ঢেকীৰ সৰগ, মধ্যবিৰ্তিনী, আকাশ চোৱা, জননী ইত্যাদি।

**পদ্ম বৰকটকী ঃ-** ৰামধেনু যুগৰ আন গেৰাকী গল্পকাৰ হ'ল পদ্ম বৰকটকী। তেওঁ উপন্যাসিক হিচাপেহে খ্যাত । তেওঁৰ গল্পপুথি খন হ'ল "অশ্লীল"। বৰকটকীৰ মাত্ৰ বাৰটা স্কেছ ধৰণৰ গল্প আছে। গল্পৰ ভিতৰত ফুলজাৰি, অবুজ, আমাৰ আশাৰ আছে ইতিহাস, এটা মেকুৰী, সুবন্তীৰ প্ৰেম, নিলাজ, অসভ্য, দাৰ্শনিক স্বামী উল্লেখ যোগ্য।

**বীৰেশ্বৰ বৰুৱা ঃ-** বীৰেশ্বৰ বৰুৱা এজন ৰামধেনু যুগৰ গল্পকাৰ যদিও বৰ্তমানলৈ গল্প লেখি আছে। তেওঁৰ গল্পপুথি পাঁচখন। প্ৰথম ৰাগিনী, নীলিমাৰ মন, বনহৰিনী, প্ৰাচীৰ, আৰু প্ৰতিচ্ছবি। বীৰেশ্বৰ বৰুৱাৰ গল্পৰ সংখ্যা যদিও বহুত কিন্তু তেওঁৰ গল্পবোৰ গুণগত দিশত গল্পৰ শাৰীলৈ উঠা নাই।

**অতুলানন্দ গোস্বামী ঃ-** ৰামধেনুৰ পৰা বৰ্তমানলৈ নিৰৱছিন্নভাৱে গল্প লেখি থকা গল্পকাৰ কেই জনৰ ভিতৰত অতুলানন্দ গোস্বামীও অন্যতম। অসমীয়া গল্পৰ পাঠক সমাজত গোস্বামীদেৱ "হামদৈ পুলৰ জোন" গল্পৰ লেখক হিচাপে অধিক জনপ্ৰিয় হৈ উঠিছিল। তেওঁৰ গল্প অনাড়ম্বৰ-- ভাষা সংযত, বৰ্ণনাৰ বাবে সুখপাঠ্য। তেওঁৰ কেইটিমান গল্প হ'ল পুলকেশ বৰুৱা, ঠেহ, আয়োজন, নিগ্ৰো দম্পতিৰ শিৰসন্ধান ইত্যাদি। গল্পৰ আৰম্ভণিৰ আকস্মিকতা আৰু সামৰণি নাটকীয়ই গোস্বামীৰ চুটি গল্পক বিশেষ সৌন্দৰ্যদান কৰা দেখা যায়।

**শীলভদ্ৰ ঃ-** ৰামধেনু আলোচনীৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ বিভিন্ন আলোচনীত গল্প লেখি থকা সমালোচক আৰু পাঠকৰ মন আকৰ্ষণ কৰা এগৰাকী গল্পলেখক হ'ল শীলভদ্ৰ। তেওঁ গল্পৰ প্ৰধান লক্ষণ হ'ল কম কথাৰ মাজেৰে গল্পৰ চৰিত্ৰবোৰ সজীৱ ৰূপত উপস্থাপন কৰা। অসমীয়া গল্প সাহিত্যৰ শীলভদ্ৰৰ এক সুকীয়া স্থান আছে। "মধুপুৰ বহু দূৰ" গল্প পুথিয়ে শীলভদ্ৰৰ গল্প ৰীতিক বিশেষ স্থান দিছে আৰু গল্পকাৰে অসমীয়া গল্প সাহিত্যৰ বিষয়ত এক নতুন দিশ নিৰ্ণয় কৰিছে।

**মামণি ৰয়চম গোস্বামী ঃ-** ৰামধেনু যুগৰ এগৰাকী লেখিকা হ'ল মামণি ৰয়চম গোস্বামী (ইন্দিৰা গোস্বামী)। উপন্যাসিক হিচাপে অসমীয়া

সাহিত্যৰ বুৰঞ্জীত এখন সু-উচ্চ আসন দখল কৰিলেও চুটি গল্পৰ দিশতো এওঁ দক্ষতা প্ৰদৰ্শন কৰিছে। কম সংখ্যাক চুটি গল্প লেখিলেও মামণি ৰয়চম গোস্বামীৰ গল্পত সৃষ্টিশীল নৈপূণ্যতাৰ পৰিচয় পোৱা যায়। তেওঁৰ গল্পত নৰ-নাৰীৰ প্ৰেমৰ পৰিপূৰ্ণতাৰ মনস্তাত্বিক বিশ্লেষণৰ ছবি উপস্থাপন কৰিছে। তেওঁৰ কেইটিমান চুটিগল্প হ'ল— ৰিণিকি ৰিণিকি দেখিছো যমুনা, সেই আন্ধাৰ পোহৰবো আধিক উদং কবচ, সংস্কাৰ, বচিৰুদ্দিনৰ চকু, মাইচান পুৰৰ হৰগৌৰী ইত্যাদি। জ্ঞানপীঠ বঁটা বিজয়ী মামণি ৰয়চম গোস্বামীৰ গল্প সমূহত সমাজৰ সহজ সৰল গাঁৱলীয়া জীৱনৰ প্ৰতিচ্ছবি দাঙি ধৰিছে।

ওপৰত উল্লেখ কৰা গল্প লেখক সকলৰ উপৰিও ৰামধেনু যগুৰ আন কেইগৰাকীমান গল্প লেখক অসমীয়া গল্প সাহিত্যত উল্লেখনীয় হৈ আছে। এই গল্প লেখক সকল হ'ল— মেদিনী চৌধুৰী, ছাইদুল ইছলাম, নিৰোদ চৌধুৰী, নগেন শইকীয়া, নীলিমা শৰ্মা, ইমৰাণ শ্বাহ, ভূবনমোহন মহন্ত, হৰেন্দ্ৰ কুমাৰ ভূঞাঁ অনিমা দত্ত ভৰালী, মহেন্দ্ৰ বৰঠাকুৰ, প্ৰবীণা শইকীয়া, ঈশ্বৰ মহন্ত, কেশব শইকীয়া, ৰুদ্ৰ প্ৰসাদ কাকতি, গোবিন্দ প্ৰসাদ শৰ্মা, কুমুদ গোস্বামী, অপূৰ্ব শৰ্মা, কুমুদ গোস্বামী, অপূৰ্ব শৰ্মা, প্ৰণৱজ্যোতি ডেকা, হৰেকৃষ্ণ ডেকা, সদা শইকীয়া, দীপালি দত্ত, যদু বৰপূজাৰী, প্ৰণীতা দেৱী, আলিমুনিচ্ছা পীয়াৰ, কামাখ্যা সভা পণ্ডিত ৰোহিণী কুমাৰ বৰা ৰাজেন্দ্ৰ নাথ হাজৰিকা, চিত্ৰলতা ফুকন মনতী হাজৰিকা ফুলেন বৰ্মন, ডলী তালুকদাৰ, সাধনা মজিন্দাৰ বৰুৱা ফুল বৰা; ভদ্ৰেশ্বৰ ৰাজখোৱা, পোলেন বৰকটকী, ত্ৰৈয়লোক্য ভট্টাচাৰ্য্য, মহেন্দ্ৰ বৰপূজাৰী, ৰিজু হাজৰিকা, বিনোদ শৰ্মা, ঘন হাজৰিকা, জমিৰুদ্দিন আহমেদ, উমা বৰুৱা, তাৰিণী কান্ত গোস্বামী, ৰূপেন চৌধুৰী, প্ৰতুল শৰ্মা, যোগেন শৰ্মা, কমলা কান্ত বৰা, বাসন্তী বৰুৱা, পজিৰউদ্দিন আহমেদ, কুমাৰ কিশোৰ, কীৰ্ত্তিনাথ হাজৰিকা, অতুল চক্ৰৱতী, সদত্যেন বৰকটকী, ক্ষীৰোদ শইকীয়া, ৰুণু বৰুৱা, আৰতি দাস বৈৰগী, যতীন বৰা, তাৰানাথ ভট্টাচাৰ্য্য, ৰত্ন ওজা, অনিমা গুহ, দ্বিজেন শৰ্মা, নিৰঞ্জন ফুকন, দৈবচন্দ্ৰ তালুকদাৰ, ইন্দিবৰ গগৈ, কমল গগৈ, তিলক কাকতি, অবনান্দ্ৰ বৰা, নিৰ্মলেশ্বৰ শৰ্মা, গোলাপ খাউণ্ড, কেশৰ চন্দ্ৰ দাস ইত্যাদি। ৰামধেনু যুগৰ গল্পকাৰ সকলৰ অবদানে অসমীয়া গল্প সাহিত্যৰ বুৰঞ্জীক এক গৌৰৱময় যুগৰ সুচনা কৰি তুলিছে।

❖❖❖

## মহৎ উক্তি

১) যি মানুহৰ শিক্ষা নাই তেওঁ এডাল শুকান কাঠৰ দৰে

*- হজৰত মহম্মদ।*

২) নজনাটো সিমান লাজৰ কথা নহয়, শিকিবলৈ ইচ্ছা নকৰাটোহে বেছি লাজৰ কথা

*- বেঞ্জামিন ফ্ৰেংকলিন।*

৩) স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মংগল মন্দিৰৰ সিংহ দুৱাৰ হৈছে--মাতৃভাষা।

*- লক্ষ্মীনাথ বেজবৰুৱা।*

৪) আমাক সেই শিক্ষাই লাগে যাৰ দ্বাৰা চৰিত্ৰ গঠন হয়, মানসিক শক্তি বাঢ়ে,মেধা শক্তি বৃদ্ধি হয়,মানুহে নিজৰ ভৰিতথিয় দিব পৰা হয় আৰু সেয়া সম্ভৱ মাতৃভাষাৰ দ্বাৰাহে

*-স্বামী বিবেকানন্দ।*

# অস্বাভাবিক শিশু আৰু শিক্ষা

মনিষা মজুমদাৰ,
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

ভগৱানৰ সৃষ্টিত বৈষম্য চিৰ দৃশ্যমান। সকলো শিশুৰে বুদ্ধি-বৃত্তি, কল্পনা, স্মৰণ শক্তি, আবেগ, ভাববৃত্তি আৰু শিক্ষা আহৰণৰ ক্ষমতা একে হোৱাটো কেতিয়াও সম্ভৱ নহয়। শিশুসকলৰ মাজত ব্যক্তি পাৰ্থক্য থকাটো এক স্বাভাৱিক বিষয়। এই ক্ষেত্ৰত " ধানটোৱে প্ৰতি কণটো আৰু মানুহটোৱে প্ৰতি মনটো" বোলা লোক বচন ফাঁকি আমাৰ বিবেচনা যোগ্য। সাধাৰণতে শিশুসকলৰ মাজত থকা দেহ - মানসিক পাৰ্থক্যৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ যোগ্যতা আৰু ক্ষমতাৰ ফালৰ পৰা শিশুসকলক তিনিটা ভাগত ভাগ কৰা হয়। সেই কেইটা হ'ল ঃ- উচ্চ মান বিশিষ্ট , স্বাভাৱিক আৰু নিম্ন মান বিশিষ্ট। এই তিনিও প্ৰকাৰৰ শিশুৰ উপৰিও কেতবোৰ শিশু আছে যি সকল শিশু স্বাভাৱিক শিশুৰ পৰা সম্পূৰ্ণ পৃথক। সেই কাৰণে তেনেবোৰ শিশুক অস্বাভাৱিক শিশু বুলি বিবেচনা কৰা হয়। সাধাৰণ শিশুৰ তুলনাত অস্বাভাৱিক শিশুসকল দৈহিক, মানসিক আৰু আবেগিক ভাৱে বৰ দুৰ্বল। এই অস্বাভাৱিক শিশু সকল তিনিধৰণৰ হোৱা দেখা যায়। সেই বিলাক হ'ল ঃ-

(১) মানসিক ভাৱে বাধাগ্ৰস্ত শিশু
(২) দৈহিক ভাৱে বাধাগ্ৰস্ত শিশু
(৩) মানসিক বৃত্তিসমূহৰ অকালতে উন্মেষিত শিশু।

## (১) মানসিক ভাৱে বাধাগ্ৰস্ত শিশু [Mentally retorded children)

মানসিক ভাৱে বাধাগ্ৰস্ত শিশু সাধাৰণতে জন্মৰে পৰা হীন বুদ্ধিৰ হয়। সেই কাৰণে সৰ্বসাধাৰণ লোকে এনেধৰণৰ শিশুক মূৰ্খ বা মূঢ় বুলি কোৱা দেখা যায়। এই শিশুসকলৰ দৈহিক আৰু বৌদ্ধিক বিকাশ মাকৰ গৰ্ভতে কিছুমান দোষ আৰু প্ৰয়োজনীয় বস্তুৰ অভাৱত বাধাপ্ৰাপ্ত হয়। শৈশৱ কালত এই শিশু সকল বিকশিত হয় অতি মন্থৰ গতিৰে। এটি সাধাৰণ শিশুৰ ছয় মাহমান বয়সত দাঁত ওলায়, আঠমাহত পেট চুচৰাই বগাবলৈ শিকে। এক বছৰত খোজ কাঢ়ে আৰু এক ডেৰ বছৰ বয়সত মুখেৰে দুই এটা শব্দ উচ্চাৰণ কৰিব পাৰে। কিন্তু অস্বাভাৱিক শিশু এটিৰ আঠ ন মাহমান বয়সতহে দাঁত ওলায়, দহ বাৰ মাহত বগাবলৈ শিকে,ডেৰ দুই বছৰত এখোজ দুখোজ দিব পাৰে আৰু দুইৰ পৰা আঢ়ৈ বছৰ পৰ্য্যন্ত তেওঁলোকে মুখেৰে মাতিবলৈ সক্ষম নহয়।

মানসিক ভাৱে বাধাগ্ৰস্ত শিশুসকলক দুটা প্ৰকৃতিত থকা দেখা যায়। এটা প্ৰকৃতিৰ শিশুৱে নিজে নিজৰ কামবোৰ কৰে অতি ধীৰ গতিৰে, আৰু এই ধীৰ গতিৰ কাৰণ হৈছে তেওঁলোকৰ দৈহিক আৰু বৌদ্ধিক অযোগ্যতা। এনেবোৰ শিশুক lethorgic children বুলি জনা যায়। প্ৰায় ভাগ অভিভাৱকে তেওঁলোকৰ এনেকুৱা সন্তানৰ অক্ষমতাক গুৰুত্ব নিদিয়ে আৰু অন্যান্য সাধাৰণ শিশুৰ দৰে কাম কৰিবলৈ হেঁচা দিয়ে। আনকি কিছুমান মাক দেউতাকে নিজৰ শিশুটোক গালি আৰু শাস্তি দিবলৈও কুণ্ঠাবোধ নকৰে। এনেদৰে কৰা অৱহেলাই যে শিশুটিক স্থায়ী মানসিক ৰোগীত পৰিণত কৰিব তেওঁলোকে উপলব্ধি কৰিব নোৱাৰে। আচলতে এনে ধৰণৰ শিশুৰ অভি ভাৱক সদায় মৰমিয়াল, সহানুভূতিশীল হোৱা দৰকাৰ আৰু তেওঁলোকে তেওঁলোকৰ শিশুসকলৰ মানসিক দুৰ্বলতাবোৰ জানিবলৈ চেষ্টা কৰিব লাগে। শিশুৰ ক্ষমতা অনুযায়ী কামবোৰ কৰিব পৰাকৈ তেওঁলোকক আৱশ্যকীয় সা-সুবিধা সমূহৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয় বিধ প্ৰকৃতিৰ মানসিকভাৱে বাধাগ্ৰস্ত শিশুসকল মানসিক ভাৱে অস্থিৰ আৰু দুৰ্বল যদিও শাৰীৰিকভাৱে স্বাস্থ্যবান আৰু সক্ৰিয়। দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় কামবোৰ কৰিব পাৰে। কিন্তু কামবোৰৰ প্ৰতি তেওঁলোক সতৰ্ক বা মনোযোগী নহয়। আৰম্ভণীতে কামটো খৰধৰকৈ কৰিবলৈ লয় যদিও অলপ পিছতে কামটোৰ প্ৰতি বিৰক্ত হয় আৰু নভৱা নিচিন্তাকৈ কামটো কৰিবলৈ এৰি দিয়ে। এইবিলাক শিশুৱে মানসিক ক্ৰীয়াতকৈ শাৰীৰিক ক্ৰীয়া কৰিবলৈ বেছি পচন্দ কৰে। বৌদ্ধিক যোগ্যতাৰ সৰ্বনিম্ন মানবিশিষ্টতাৰ বাবে তেওঁলোক সাধাৰণ শিক্ষা পৰিবেশৰ বাবে অনুপযুক্ত। মনোবিজ্ঞানী সকলৰ মতে তেওঁলোকৰ বুদ্ধ্যংক ৭৫ ৰ তলত। সৌভাগ্যক্ৰমে এনে মানসিক বাধাগ্ৰস্ত শিশুৰ সংখ্যা অতি সামান্য। শতকৰা ১ ৰপৰা ২ জনহে দেখা যায়। এই বাধাগ্ৰস্ত

শিশুসকলৰ অৱস্থা অনুযায়ী তিনি শ্ৰেণীত ভাগ কৰা হৈছে। যেনেঃ - (১) জড়ধী (Idiot) (২) হীনধি (Imbecile) (৩) মূঢ়ধী (Maron)। এই তিনিও শ্ৰেণীৰ ভিতৰত জড়ধীসকল আটাইতকৈ দুৰ্ভগীয়া। তেওঁলোকৰ বুদ্ধাংক ৩০ ৰো তলত আৰু তেওঁলোকৰ জীৱন কালো অতি চমু, মাত্ৰ ৩০ বছৰ। এনেধৰণৰ বাধা প্ৰাপ্ত বয়স্কজনৰ মানসিক বয়স মাত্ৰ তিনিবছৰীয়া এটি শিশুৰ সমান। জড়ধী সকলৰ দৰে হীনধী সকলৰ অৱস্থা বেয়া যদিও তেওঁলোক জড়ধী সকলতকৈ কিছু উন্নত। তেওঁলোকৰ বুদ্ধ্যংক ৩০-৩৫ ৰ পৰা ৫০-৫৫ লৈকে ধৰা হয়। তেওঁলোকক আনৰ সহায় নোলোৱাকৈ কিছুমান কামত নিয়োগ কৰিব পাৰি। বিপদৰ পৰা তেওঁলোকে নিজকে ৰক্ষা কৰিব পাৰে যদিও মানসিক ভাৱে দুৰ্বল হোৱা হেতুকে পঢ়া-শুনা কৰাৰ বাবে উপযুক্ত নহয়। আনহাতে মূৰধী সকল হীনধী সকলতকৈ কিছু উন্নত। তেওঁলোকৰ বুদ্ধ্যংক ৫০-৫৫ ৰ পৰা ৭০-৭৫ লৈকে ধৰা হয়।

**শিক্ষা** ঃ- মানসিক ভাৱে বাধাগ্ৰস্ত শিশুসকলে সাধাৰণ শিশুৰ দৰে স্কুলত স্বাভাৱিক গতিত লিখা পঢ়া কৰিব নোৱাৰিলেও সংবেদন শিক্ষাৰ দ্বাৰা ইন্দ্ৰিয় সমূহৰ উপযুক্ততা লাভ কৰিলে তেওঁলোকে লিখা পঢ়াৰ প্ৰাৰম্ভিক কাৰ্য্য কৰিবলৈ সক্ষম হৈ উঠিব পাৰে। এই ক্ষেত্ৰত ডাঃ ছেগুইন ডেক্ৰলীৰ নাম উল্লেখযোগ্য। এই জন শিক্ষাবিদে মানসিক ভাৱে বাধাগ্ৰস্ত শিশুসকলৰ শিক্ষা দিবলৈ এটা পদ্ধতি উদ্ভাৱন কৰিছিল, যাক জনপ্ৰিয় ডেক্ৰলী পদ্ধতি (Decroly method) বুলি জনা যায়। এই পদ্ধতিত দৈহিক আৰু ইন্দ্ৰিয় অনুশীলনৰ জৰিয়তে শিশুৰ পৰ্য্যবেক্ষন শক্তিৰ বিকাশ ঘটোৱা হয়। ডেক্ৰলীয়ে ধাৰণা কৰি লৈছিল যে মানসিকভাৱে বাধাগ্ৰস্ত শিশুৰ কল্পনা আৰু চিন্তন শক্তিৰ বিকাশ পৰ্য্যবেক্ষণ অনুশীলনৰ জড়িয়তেহে কৰিব পৰা যায়। ইটালীৰ মনো চিকিৎসক মেৰীয়া মণ্টেছৰীয়েও জ্ঞানেন্দ্ৰীয় অনুশীলনৰ শিক্ষাৰ জড়িয়তে শিশুৰ মানসিক বিকাশকত গুৰুত্ব দিছিল। তেওঁ শিশুক বাস্তৱৰ শুদ্ধ জ্ঞান দিবলৈ শিশুৰ খেলা প্ৰৱনতাক এক উদ্দেশৰ প্ৰণোদিত আৰু বিজ্ঞানসন্মত ভাৱে প্ৰয়োগ কৰিছিল। শিশুৰ বাবে কেতবোৰ খেলা ধূলাৰ আহিলা পাতি প্ৰস্তুত কৰি সেই আহিলা পাতিবোৰ শিশুক নিজহাতে প্ৰয়োগ কৰিব দিয়া হৈছিল যাতে শিশুৱে তাৰ শুদ্ধ প্ৰয়োগ পদ্ধতি সহজে বুজিব পাৰে। আমেৰিকাত মানসিক বাৱে বাধাগ্ৰস্ত শিশুসকলৰ শিক্ষা ব্যৱস্থা বিশেষভাৱে মন কৰিবলগীয়া। তাত অস্বাভাৱিক শিশুসকলক স্বাভাৱিক শিশুসকলৰ লগত একেলগে ৰখা হয়। তেওঁলোকৰ এলেহুৱা, লাজকুৰীয়া, চুচুক - চামাক আৰু হতাশাজনিত স্বভাৱ আদি সমস্যা সমূহ আতঁৰাবৰ বাবে বিভিন্ন বিষয়ৰ প্ৰতিযোগিতা মূলক সহ- পাঠ্যসুচীৰ ব্যৱস্থা কৰা পৰিলক্ষিত হয়। ভাৰততো এনেকুৱা আমেৰিকান পদ্ধতি প্ৰয়োগ কৰি শিশুবিলাকক সম্পূৰ্ণ ৰূপে সাধাৰণ শিশুৰ পৰ্য্যায়লৈ উন্নীত কৰিব নোৱাৰিলেও কিছু পৰিমানে উপকৃত কৰিব পৰা যাব। স্কুলত এনে ধৰণৰ কাৰ্য্যসুচী অন্তভূৰ্ক্ত কৰিব লাগে যি বিলাকৰ জড়িয়তে শিশুই নিজৰ দক্ষতা দেখুৱাব পাৰে। নাচ-গান, খেলা-ধূলা, শিল্পকৰ্ম আদিৰ প্ৰতি সাধাৰণতে শিশুসকল আগ্ৰহী হোৱা দেখা যায়। এনেধৰণৰ আগ্ৰহ, ৰুচি অভিৰুচিৰ ওপৰত গুৰুত্ব দি যদি তেওঁলোকক কিছুমান হস্তশিল্পৰ কামত নিয়োগ কৰা হয় তেনেহ'লে তেওঁলোকে ভৱিষ্যতে জীৱিকা নিৰ্বাহৰ বাবে স্বাৱলম্বী হৈ উঠিব পাৰিব। খেলা ধূলাৰ ক্ষেত্ৰতো কেতবোৰ শিশুৱে ভাল প্ৰদৰ্শন দেখুৱাব পাৰে। উপযুক্ত শিক্ষা আৰু অনুপ্ৰেৰণাৰে তেওঁলোকক একো একোজন ভাল খেলুৱৈ ৰূপে গঢ় দি তুলিব পৰা যায়।

**(২) দৈহিক ভাৱে বাধাগ্ৰস্ত শিশু** (Physically handi-capped children)

দৈহিক ভাৱে বাধাগ্ৰস্ত শিশু এটি মানসিকভাৱে স্বাভাৱিক হ'লেও সেই শিশুটিক অস্বাভাৱিক শিশু বুলি ধৰা হয়। বিভিন্ন কাৰণত এটি শিশু শাৰীৰিক ভাৱে ক্ষতিগ্ৰস্ত হ'ব পাৰে। বেছিভাগ শিশুৰ শাৰীৰিক বাধাগ্ৰস্ততাৰ কাৰণ জন্মা বধি। গৰ্ভকালীন অথবা জন্মপূৰ্ব অৱস্থাতে হোৱা পুষ্টিৰ অভাৱত শিশুৰ দৈহিক গঠন দোষযুক্ত হয়। মাতৃগৰ্ভত বা প্ৰসৱৰ সময়ত হোৱা অস্ত্ৰোপ্ৰচাৰৰদোষযুক্ত ব্যৱহাৰৰ ফলতো শিশুৰ স্বাভাৱিক দৈহিক বিকাশত বাধা আহিব পাৰে। গৰ্ভৱতী মাকৰ দৈহিক আৰু মানসিক কষ্টও শিশুটিৰ দৈহিক বিকাশত প্ৰভাৱ পেলায়। কেতিয়াবা আকৌ শৈশৱকালত হোৱা দুৰ্ঘটনা আৰু লালন পালনত গ্ৰহণ কৰা দোষযুক্ত নীতি নিয়মৰ ফলতো শিশু দৈহিক ভাৱে বাধা গ্ৰস্ত হোৱা দেখা যায়। পুষ্টিকৰ খাদ্যৰ অভাৱে যিদৰে অনিষ্ট কৰে, সেইদৰে ধূমপান আৰু মদ্যপান আদি ৰাগিয়াল বস্তুৰ ব্যৱহাৰেও ভ্ৰূণৰ অনিষ্ট সাধন কৰিব পাৰে। এনে কাৰ্য্যই ভ্ৰূণৰ হৃৎস্পন্দন, ৰক্ত সঞ্চালন আৰু স্নায়বিক গঠন আদিত বাধাৰ সৃষ্টি কৰে। দৈহিক ভাৱে বাধাগ্ৰস্ত শিশুসকলৰ অক্ষমতা অনুযায়ী তেওঁলোকক চাৰিটা ভাগত ভগোৱা হয়। যেনে ঃ- (১) কথনৰ বাধাগ্ৰস্ততা, (২) শ্ৰৱণৰ বাধাগ্ৰস্ততা, (৩) দৃষ্টিৰ বাধাগ্ৰস্ততা, (৪) আংগিক বাধাগ্ৰস্ততা।

**শ্ৰৱণ আৰু কথনৰ বাধাগ্ৰস্ততা** ঃ- শ্ৰৱণ আৰু কথনৰ দোষ থকা শিশুসকলক সাধাৰণতে আমি কলা আৰু বোবা (Deaf-mute) বুলি কওঁ। মানুহৰ শ্ৰৱণ শক্তি আৰু বাক্শক্তিৰ এক ওতঃপ্ৰোত সম্পৰ্ক আৰু যিটোৰ কাৰণে কাণেৰে নুশুনিলে আনৰ লগত কথা বতৰাৰ যোগে ভাৱ অনুভূতি আৰু অভিজ্ঞতাৰ আদান প্ৰদান কৰিব নোৱাৰি। সেইবাবে জন্মতে শ্ৰৱণ শক্তি হেৰুওৱা এটি

শিশুৱে বাক্‌শক্তিও হেৰুৱাব লগা হয়। আনহাতে কেতবোৰ শিশুৱে কথা কবলৈ শিকাৰ পিছত যদি শ্ৰৱণশক্তি হেৰুৱায় তেনেবোৰ শিশুৱে কথা কব পাৰে কিন্তু তেওঁলোক কাণেৰে শুনিবলৈ অপৰাগ হয়। মানসিক প্ৰস্তুতিৰ কাৰণেও কেতবোৰ শিশুৱে কাণেৰে শুনে যদিও তেওঁলোকৰ ভাষা বিকাশ স্বাভাৱিক হৈ নুঠে আৰু তেওঁলোকে সমাজত আত্মপ্ৰকাশৰ পৰা বঞ্চিত হয়। কেতবোৰ শিশুৰ বাক্‌যন্ত্ৰ আৰু ইয়াৰ সংশ্লিষ্ট মুখমণ্ডল দোষ যুক্ত ভাৱে গঢ়ি উঠা বাবে মৌখিক উচ্চাৰণ হয় অস্বাভাৱিক, দোষযুক্ত আৰু আনৰ বাবে দুৰ্বোধ্য। শিশুৰ বাক্ অস্বাভাৱিকতা কেইবা প্ৰকাৰৰ হব পাৰে। যেনে ঃ- উচ্চাৰণৰ বিশৃংখলতা, বিলম্বিত শব্দ উচ্চাৰণ, বাক্ স্খলন বা মূখত কথা লাগি ধৰা আৰু বাক্ অক্ষমতা বা আবেগৰুদ্ধ হৈ শব্দ সমূলি উচ্চাৰণ কৰিব নোৱাৰা অস্বস্তিকৰ অৱস্থা। বাক্ অস্বাভাৱিকতা মূলতে হৈছে এক আবেগিক সমস্যা। সামাজিক প্ৰতিবন্ধকতা, পৰিয়ালৰ অৱহেলা, পৰিয়ালৰ অবাঞ্চিত পৰিবেশ, ভুলকৈ কৰা কথন অনুকৰণ, কেতবোৰ জটিলতা আৰু হতাশাও শিশুৰ বাক্ অস্বাভাৱিকতৰ কাৰণ হব পাৰে। আৰু এনে ধৰণৰ বাধাগ্ৰস্ততাৰ অনুভৱ কৰা শিশুৱে হীনাত্মিকা মনোভাৱত ভোগা দেখা যায়।

**শিক্ষা** ঃ- সম্পূৰ্ণ ৰূপে শ্ৰৱণ আৰু কথনৰ অক্ষমতাত ভোগা শিশুসকলৰ বাবে আছুতীয়া শিক্ষাৰ প্ৰয়োজন। এই বিলাক শিশুক লিখাৰ অভ্যাস কৰিবলৈ দিব লাগে যাতে ইয়াৰ দ্বাৰা তেওঁলোকে নিজৰ ভাৱ অনুভূতি প্ৰকাশ আৰু দোষ ক্ৰুটিবোৰ পৰাজয় কৰিবলৈ অনুপ্ৰেৰণা পায়। আকাৰ ইংগিতৰ ভাষা (gesture language) কলা আৰু বোবা শিশুৰ বাবে এক উপযুক্ত মাধ্যম। ইয়াৰ বাবে তেওঁলোকৰ হাত, আঙুলি, জিভা, ওঁঠ, আদিৰ অৰ্থসূচক সঞ্চালনৰ বিশেষ শিক্ষা দিব লাগে। যিবিলাক শিশুৱে আশিংক ভাৱে শুনে সেইবিলাক শিশুৰ ব্যৱহাৰৰ বাবে 'head phone'(hearing aids) যন্ত্ৰ প্ৰয়োগ কৰি তেওঁলোকক স্বাভাৱিক অৱস্থালৈ আনিব পাৰি। বিদ্যালয়ত শিক্ষকে এনেকুৱা ছাত্ৰৰ কাৰণে বিশেষ সৰ্তক হোৱা দৰকাৰ। এনে শিশুক শ্ৰেণীকক্ষৰ প্ৰথম বেঞ্চতে বহিবলৈ দিব লাগে যাতে শিক্ষকৰ উচ্চাৰণ আৰু মুখ ভংগী শুনা আৰু বুজাত সুবিধা হয়। শিক্ষকে শ্ৰেণীত দ্ৰুত শব্দ উচ্চাৰণ ত্যাগ কৰিব লাগে আৰু কথাকোৱা অৱস্থাত তেওঁ গতি কৰিব নালাগে। ইয়াৰ উপৰিও শিক্ষকে তেওঁৰ কথিত বিষয় ব্লেক বোৰ্ডত লিখি দিব লাগে। কথনৰ বাধাগ্ৰস্ততাত ভোগা শিশুসকলক সহায় কৰিবলৈ বিদ্যালয়ত এক সুস্থ আৰু আন্তৰিকতা পূৰ্ণ পৰিৱেশ গঢ় দি তুলিব লাগে। শিশুৰ হীনাত্মিকা ভাব গুচাবলৈ খেলা ধূলাৰ প্ৰয়োজনীয় পৰিবেশ গঢ় দি তুলিব লাগে। সমবেত সংগীত, যন্ত্ৰ সংগীত, হস্তশিল্প আদি শিক্ষাৰ জৰিয়তে এই শিশুসকলৰ আবেগ অনুভূতিক মুকলিকৈ প্ৰকাশৰ সুবিধা দিয়া বৰ প্ৰয়োজন। শিক্ষক আৰু পৰিয়ালৰ সকলো সদস্যৰ মৰম আৰু আন্তৰিকতাপূৰ্ণ ব্যৱহাৰে শিশুৰ আত্মবিশ্বাস দৃঢ় কৰি তেওঁলোকক সাধাৰণ জীৱন যাপন কৰাত সহায় কৰিব পাৰে।

**দৃষ্টিৰ বাধাগ্ৰস্ততা** ঃ- অভিজ্ঞতাৰ সহজ মাধ্যম স্বৰূপে চকুৰ দৃষ্টিৰ বাধাগ্ৰস্ততা অনুভৱ কৰা শিশুসকল অভিভাৱকৰ বাবে অভিশাপ স্বৰূপ। এই দৃষ্টিহীন শিশুসকল দুই ধৰণৰ হব পাৰে। যেনে ঃ- সম্পূৰ্ণ অন্ধ আৰু আংশিক ভাৱে অন্ধ। কিছুমান শিশু জন্মৰে পৰা অন্ধ হয়, আকৌ কিছুমান শিশু ই শৈশৱৰ কালত হোৱা বেমাৰ বা অন্য কাৰণত দৃষ্টিহীনতাত ভূগিব পাৰে। আংশিক ভাৱে অন্ধ শিশুসকলে সামান্য দৃষ্টি প্ৰতিৰূপ লাভ কৰিব পাৰে যদিও স্পষ্ট আৰু শুদ্ধ জ্ঞান লাভৰ বাবে যথেষ্ট নহয়। সেয়েহে তেওঁলোকৰ বুদ্ধিৰ মান নিম্ন হৈ ৰয়। সম্পূৰ্ণ অন্ধসকলে দৃষ্টি সংবেদনৰ অভাৱত স্পৰ্শ আৰু ঘ্ৰাণ সংবেদনৰ যোগেদি নিজ পৰিৱেশত সমযোজনা কৰে যদিও নিজ চকুৰে দেখিবলৈ নোপোৱা বাবে তেওঁলাকৰ আচৰণ হয় ভয় সংকোচিত আৰু আত্মনিয়ন্ত্ৰিত বিধৰ।

**শিক্ষা** ঃ- চকুৰ বেমাৰৰ ক্ষেত্ৰত বৰ্ত্তমান বিজ্ঞানে বহুতো উন্নতি কৰা দেখাগৈছে। যিবিলাক শিশুৰ দৃষ্টি শক্তি দুৰ্বল উপযুক্ত চিকিৎসা আৰু দৃষ্টি শক্তিযুক্ত চশমাৰ সহায়ত উপসম পাব পাৰে। প্ৰাৰম্ভিক পৰ্য্যায়ত শিশুই নিজৰ দৃষ্টি শক্তি দুৰ্বলতাৰ কথা আনৰ আগত প্ৰকাশ কৰিবলৈ লাজ অনুভৱ কৰে। ফলত বেমাৰৰ বিষয়ে কৰা গোপনীয়তাই শিশুৰ দৃষ্টি শক্তি বেছি দুৰ্বল কৰি পেলায় আৰু এটা সময়ত সম্পূৰ্ণ ৰূপে অন্ধত্বক গ্ৰহণ কৰিবলগীয়া হয়। সেই কাৰণে বিদ্যালয়ত সময়ে সময়ে চকু পৰীক্ষা কৰা প্ৰাথমিক ব্যৱস্থা থকা উচিত। আংশিক ভাৱে অন্ধ শিশুৰ বাবে সাধাৰণ স্কুল ব্যৱস্থাত শিক্ষকে কেতবোৰ বিশেষ ব্যৱস্থা কৰিব লাগে। শ্ৰেণীকক্ষত পৰ্য্যাপ্ত পৰিমাণৰ লাইটৰ ব্যৱস্থা কৰি এনে শিশুক সন্মূখৰ বেঞ্চত বহিবলৈ দিব লাগে। পুথিৰ ছপা আখৰবোৰ ডাঙৰ হোৱাৰ উপৰিও ব্লেক বোৰ্ডত শিক্ষকে আখৰ ডাঙৰ কৈ লিখিব লাগে। সম্পূৰ্ণ অন্ধ শিশুসকলৰ বাবে শিক্ষা ব্যৱস্থা সম্পূৰ্ণ বেলেগ হোৱাৰ দৰকাৰ। কিয়নো তেওঁলোকক স্পৰ্শ আৰু শব্দ অনুভূতিৰ যোগেদিহে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হয়। এই শিশুসকলৰ শিক্ষা সফল কৰিবলৈ ব্ৰেইলী পদ্ধতি প্ৰয়োগ কৰাটো অতি আৱশ্যক। এই পদ্ধতিত স্পৰ্শ অনুভূতিৰে শিক্ষা দিয়া হয়। তাৰোপৰি অন্ধ শিশুসকলৰ হীনাত্মিকা মনোভাৱ গুচাবৰ বাবে বিদ্যালয়ত তেওঁলোকক নৃত্য গীত আৰু বাদ্যযন্ত্ৰৰ শিক্ষা দিয়াৰো ব্যৱস্থা কৰিব লাগে।

**আংগিক বাধাগ্ৰস্ততা ঃ-** সাধাৰণতে (আংগিক) বাধাগ্ৰস্ত শিশুসকলকো অস্বাভাৱিক শিশু বুলি গণ্য কৰা হয়। দোষ যুক্ত দৈহিক গঠন আৰু পুষ্টিহীনতা বা কোনো দুৰ্ঘটনাৰ অঙ্গচ্যুৎ হৈ শিশু অকৰ্মণ্য হৈ পৰিব পাৰে। তাৰোপৰি দেহৰ কোনো অংগ জন্মগত ভাৱে জড় বা স্নায়বিক ভাৱে নিষ্ক্ৰীয় হব পাৰে। ফলত এনে শিশুৱে দৈনন্দিন জীৱনৰ ক্ৰিয়া কলাপবোৰ আনৰ সহায় নোহোৱাকৈ স্বাভাৱিকভাৱে কৰিব নোৱাৰে আৰু সৰ্বসাধাৰণ লোকৰ বাবে পুতৌৰ পাত্ৰ হৈ ৰয়।

**শিক্ষা ঃ-** বৰ্তমান সমাজ এই ক্ষেত্ৰত দৈহিক পংগুসকলৰ শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আমাৰ সমাজ সজাগ হোৱা পৰিলক্ষিত হৈছে। এই শিশুসকল দৈহিক ভাৱে বাধাগ্ৰস্ততা হ'লেও মানসিক ভাৱে অযোগ্য নহয়। কিন্তু সাধাৰণ স্কুলৰ বৈষয়িক পৰিবেশ আৰু শ্ৰেণীৰ দৈহিক পৰিস্থিতি তেওঁলোকৰ শিক্ষা গ্ৰহণৰ বাবে উপযুক্ত নহয়। সেই বাবে স্কুলৰ শিক্ষা সা-সজুলি আদি তেওঁলোকৰ প্ৰয়োজনৰ লগত খাপ খোৱাকৈ গঢ় দি তুলিব লাগে। তেওঁলোকে ব্যৱহাৰ কৰা টেবুল-চকীকে ধৰি শিক্ষা গ্ৰহণৰ আন আন যন্ত্ৰপাতি বিশেষভাৱে নিৰ্মাণ কৰিব লাগে। কৃত্ৰিম অংগ প্ৰস্তুত কৰি আৰু উন্নত পৰ্য্যায়ৰ শিক্ষা সজুঁলি উদ্ভাৱন কৰি এইসকল শিশুৰ শিক্ষা সম্ভৱ কৰি তুলিব লাগে যাতে তেওঁলোকে ভৱিষ্যতে অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হৈ উঠিব পাৰে।

**<u>(৩) মানসিক বৃত্তিসমূহৰ অকালতে উন্মেখিত শিশু</u>(Preceious children):**

অকালতে মানসিক বৃত্তিসমূহৰ পৰিপক্কতা লাভ কৰা কিছুমান শিশুক অস্বাভাৱিক শিশু বুলি বিবেচনা কৰা হয়। কাৰণ এই শিশু বিলাকৰ কাৰ্য্যকলাপ আৰু আচৰণ উচ্চমান বিশিষ্ট যেন লাগে, যদিও তেওঁলোকৰ অভীক্ষাৰ অভীক্ষাংক সাধাৰণ মান বিশিষ্ট বা অতি নিম্ন মান বিশিষ্ট হোৱা দেখা যায়। এনেধৰণৰ শিশুই নিজকে বহুত জনা বুলি ভ্ৰান্ত ধাৰণাৰ বশবৰ্তী হৈ স্কুলৰ শিক্ষক অভিভাৱক আৰু পৰিয়ালৰ আন আন সদস্যৰ পৰা প্ৰশংসা বুটলিবলৈ চেষ্টা কৰে আৰু নিজকে আনৰ প্ৰিয় পাত্ৰ বুলি গণ্য কৰে। এই ক্ষেত্ৰত শিক্ষক আৰু অভিভাৱক সকলে শিশুসকলৰ দোষ-ত্ৰুতি সমূহক আওকান কৰা দেখা যায়। ফলস্বৰূপে তেওঁলোকৰ মানসিক বিকাশ হয় দোষযুক্ত আৰু বয়স বাঢ়ি অহাৰ লগে লগে তেওঁলোকৰ জীৱন হয় অকৃতকাৰ্য্যতাৰে পৰিপূৰ্ণ।

উপৰিউক্ত ধৰণৰ শিশুৰ সৃষ্টিৰ মূলতে আছে পৰিয়ালৰ ত্ৰুতিপূৰ্ণ পৰিৱেশ। পৰিয়ালৰ সঘনে হোৱা বাহিৰা মানুহৰ আগমন, তেওঁলোকৰ লগত কৰা মিলাপ্ৰীতি বা ঘৰৰ বয়স্ক সকলৰ আলোচনাত শিশুৰ উপস্থিতিয়ে শিশুসকলক বহুতো কথা শিকায়। এক পৰিমিত সীমালৈ শিশুক বয়স্ক লোকৰ আলোচনাত যোগদান কৰিবলৈ দিয়াটো গ্ৰহণ যোগ্য যদিও তেওঁলোকৰ সকলো কথাৰ আলোচনাতে শিশুসকলক আগভাগ ল'বলৈ দিব বিচৰাটো অভিভাৱক আৰু শিক্ষক সকলকৰ এক ভুল বিচাৰ। বয়স্ক সকলৰ লগত কৰা মিলা প্ৰীতিৰ জড়িয়তে শিশু সকলে সময়ৰ আগতে অবাঞ্চিত অভিজ্ঞতা লাভ কৰি উঠে যিটোৱে শিশুক বিপথে পৰিচালিত কৰে।

**শিক্ষা ঃ-** মানসিক বৃত্তি সমূহৰ অকালতে উন্মেখিত শিশুৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা শিক্ষা ব্যৱস্থাৰ কোনো প্ৰয়োজন নাই। এনে ধৰণৰ শিশুক স্বাভাৱিক শিশুৰ পৰ্য্যায়লৈ অনাৰ একমাত্ৰ উপায় হৈছে অবিবেকী ব্যক্তিৰ সান্নিধ্যৰ পৰা শিশুক আতৰত ৰাখিব লাগে। এই শিশুৰ স্বাভাৱিক বিকাশ কৰিবলৈ হলে তেওঁলোকৰ বয়সৰ স্বাভাৱিক শিশুৰ লগত মিলামিছা তথা একেলগে খেলাধূলা কৰিবলৈ দিব লাগিব আৰু সাধাৰণ শিশুৰ দৰে তেওঁলোকক ব্যৱহাৰ কৰা হব। ইয়াৰ উপৰি এই শিশুসকলক বয়স্ক লোকৰ আলোচনা বা আন কোনো ধৰণৰ অংগী ভংগীৰ দ্বাৰা কৰা আচৰণৰ পৰা বিৰত থাকিব লাগিব। সম্প্ৰতি সমাজত দেখা পোৱা যায় যে প্ৰায়ভাগ পৰিয়ালৰ দুয়োজন অভিভাৱকে জীৱিকা নিৰ্বাহৰ তাড়নাত চাকৰি অভিমুখে বাহিৰলৈ ওলাই যাবলগীয়া হয়। এনেকুৱা পিতৃ মাতৃৰ সন্তানে বেছি সময় ঘৰত আন ব্যক্তিৰ লগত কটাব লগীয়া হোৱাত কিছু কিছু ক্ষেত্ৰত তেওঁলোকৰ জীৱনত বেয়া প্ৰভাৱ পৰা পৰিলক্ষিত হয়। এই ক্ষেত্ৰত শিশু সকলক অসুস্থ পৰিৱেশৰ পৰা দূৰত ৰাখিব লাগিব। লগতে সময়ে সময়ে বুদ্ধিৰ মান জুখিবলৈ বিদ্যালয়ত বুদ্ধি পৰীক্ষাৰ আয়োজন কৰিব লাগিব যাতে শিশুসকলে তেওঁলোকৰ দক্ষতা প্ৰদৰ্শন কৰিব পাৰে।

বৰ্তমান বাধা প্ৰাপ্ত শিশুসকলৰ বাবে স্কুলৰ ব্যৱস্থা অতি কম। সাধাৰণ প্ৰাথমিক স্কুলৰ অৱস্থাই শোচনীয় হোৱাৰ কাৰণে ইয়াত তেওঁলোকৰ বাবে বিশেষ ব্যৱস্থা কৰাটো আশা কৰিব নোৱাৰি। কিন্তু এই বাধাগ্ৰস্ত দুৰ্ভগীয়া শিশুক আন শিশুসকলৰ এক অংশ বুলি ধৰি তেওঁলোকৰ ক্ষমতা অনুযায়ী শিক্ষাদানৰ ব্যৱস্থা কৰাটো সচেতন সমাজৰ দায়িত্ব। অস্বাভাৱিক শিশুসকলক আনৰ ওপৰত নিৰ্ভৰশীল আৰু পুতৌৰ পাত্ৰ কৰি তোলাৰ পৰিবৰ্তে উপযুক্ত প্ৰশিক্ষণৰ জৰিয়তে অৰ্থনৈতিক ভাৱে উৎপাদনশীল আৰু আত্মনিৰ্ভৰশীল কৰি তোলাটো কল্যাণকামী সমাজৰ এক গুৰুত্বপূৰ্ণ কৰ্তব্য।

❖❖❖

# চিত্ৰ শিল্প

মণ্টু দাস
প্ৰাক্তন ছাত্ৰ

পৃথিৱীত যেতিয়াই মানুহৰ জন্ম হৈছিল, তেতিয়াৰ পৰা প্ৰকৃতিৰ লগত মানুহৰ এক এৰাব নোৱাৰা সম্পৰ্ক গঢ়ি উঠিছে। প্ৰকৃতিৰ সৌন্দৰ্য্যই মানুহক সদায় আকৰ্ষণ কৰি আহিছে। বস্তু জগতৰ লগত মানুহৰ এই সম্পৰ্ক আৰু আকৰ্ষণে মানুহৰ মনত এক বিশেষ ভাব আৰু ৰসৰ সঞ্চাৰ কৰিছে। সেইৰূপ-ৰস-ছন্দত প্ৰভাৱিত হৈ মানুহে বিভিন্ন আধাৰ, উপকাৰৰ সহায়ত, নানা কলা কৌশলৰে বেলেগ বেলেগ ৰূপ নিৰ্মাণ কৰি এক নান্দনিক জগতৰ সৃষ্টি কৰে। তাৰ পৰাই সৃষ্টি হয় শিল্পৰ। অৰ্থাৎ এজন 'শিল্পীয়ে বিভিন্ন মাধ্যমৰ যোগেদি কৰা মনৰ সুখ-দুখ, হাঁহি-কান্দোন, কামনা বাসনা আৰু সকলো প্ৰকাৰৰ ৰূপৰ সৃষ্টি হৈছে "শিল্প"। মানুহে সৃষ্টি কৰা বিভিন্ন শিল্পৰ ভিতৰত চিত্ৰ শিল্পৰ বিষয়ে আলোচনা কৰিবলৈ ওলাইছোঁ। এই কলা এক শ্ৰেষ্ট মানৱ শিল্প।

চিত্ৰ শিল্প চৰ্চা মানুহৰ এক অতি প্ৰাচীন আৰু এৰাব নোৱাৰা প্ৰবৃত্তি। শিল্পীৰ মনৰ ভাব প্ৰকাশ কৰা আৰু মানুহৰ মাজত যোগসূত্ৰ স্থাপনৰ সহজ মাধ্যম হিচাপে সুদূৰ অতীতৰ পৰা চিত্ৰ শিল্পই বিশেষ ভূমিকা লৈ চলি আহিছে। আজিৰ একাবিংশ শতিকা আমাৰ সমাজত অন্যান্য বহুতো কলা মাধ্যম প্ৰচলিত হৈ আছে। বিজ্ঞান প্ৰযুক্তিৰ উন্নয়নৰ লগে লগে এই কলা মাধ্যম সমূহে সমাজত বিকাশ লাভ কৰিবলৈ সক্ষম হৈছে। বিজ্ঞানৰ চৰম অগ্ৰগতিৰ দিনতো চিত্ৰশিল্পৰ জনপ্ৰিয়তা কোনো গুণেঁই কমি যোৱা নাই। মানুহৰ চিন্ত ভাৱনাৰ উন্নতি হয় বিভিন্ন পৰীক্ষা নিৰিক্ষাৰ মাজেৰে। আদিম কালৰে পৰা যি চিত্ৰ শিল্পৰ আৱিৰ্ভাব হৈছিল সেই চিত্ৰ শিল্প বিকাশৰ ধাৰা আজিলৈকে অব্যাহত আছে।

ছবি হ'ল শিল্পীৰ ভাষা। কবিয়ে মনৰ অনুভূতিৰে শব্দময় কবিতাৰ সৃষ্টি কৰে। চিত্ৰ শিল্পীও ভাব খিনি ৰং তুলিকাৰে চিত্ৰপটত প্ৰকাশ কৰে। চিত্ৰ শিল্পী আৰু শিল্পীৰ মাজৰ সম্পৰ্ক অতি নিবিড়। শিল্পীয়ে যেতিয়া ৰং-ৰেখা, ছা-পোহৰৰ সহায়ত নিজৰ মনৰ ভাব কোনো মাধ্যমৰ দ্বাৰা চিত্ৰ প্ৰকাশ কৰে তাকে ছবি বুলি কোৱা হয়। প্ৰকৃতিৰ ৰূপ-ৰস ছন্দত শিল্পীয়ে বিচাৰি পায় শিল্পৰ সকলো সমল।

আদিম অৱস্থাত মানুহে যেতিয়া অঘৰী জীৱন যাপন কৰিছিল তেতিয়া কোনো ভাষাৰ সৃষ্টি হোৱা নাছিল ইজনে সিজনৰ মাজত ভাব বিনিময় সহজ মাধ্যম হিচাপে চিত্ৰ কলাকো বাছি লৈছিল।

প্ৰকৃতিৰ আচৰণ ভাব-ভাষা বুজিবলৈ দৈনন্দিন জীৱনৰ কাম কাজৰ অভিজ্ঞতা সঞ্চয় কৰি গুহাৰ বেৰত বা ডাঙৰ শিলত, মাটি আদিত পোৰা কাঠ, কয়লা, মাটিৰে কিছুমান ৰেখাচিত্ৰ অংকণ কৰিছিল।

ইয়াৰ ভিতৰত জীৱ-জন্তুৰ চিকাৰ, দেৱ দেৱতাৰ চিত্ৰ গুহাচিত্ৰ হিচাপে প্ৰকাশ পাইছিল। সেই সময়ত তেওঁলোকে চিত্ৰৰ যোগেদি মনৰ ভাব প্ৰকাশ কৰিছিল। আমাৰ শিশুসকলেও প্ৰথম অৱস্থাত ৰং আৰু ৰেখাৰ সহায়ত নিজৰ সংবেদনশীল মগজুৰ বিকাশ ঘটায় আৰু নিজকে আত্ম প্ৰকাশৰ সুযোগ গ্ৰহণ কৰে। শিশু সকলৰ কলা চৰ্চাত কোনো ধৰণৰ কৃত্ৰিমতা নাই । এওঁলোকে আদিম গুহামানৱৰ দৰেই ৰং আৰু ৰেখাৰে মনৰ ভাব প্ৰকাশ কৰিব বিচাৰে। শিশু কলা আৰু আদিম কলাৰ মাজত পাৰ্থক্য নাই যদিও বৰ্ত্তমান চিত্ৰ শিল্পৰ লগত জড়িত সকলোলোকেই মাধ্যমতোৰ নীতি-নিয়ম, ভাব-ভাষা, জ্ঞান কিছু পৰিমাণে জনাতো প্ৰয়োজন।

পৃথিৱীৰ প্ৰতিটো শিল্প সৃষ্টিৰে কম বেছি পৰিমাণে হলেও নিৰ্মাণ শৈলী গঠন শৈলী আছে। লগতে ইয়াৰ ভৱিষ্যত গুণমান আৰু প্ৰয়োজনীয়তা আছে। গতিকে সেই সমূহ জ্ঞান জনা বা আয়ত্ব কৰাতো আমাৰ পক্ষে গুৰুত্ব পূৰ্ণ কৰ্ম। ছবি অংকণ কৰিবলৈ আমি ড্ৰয়িং, ৰেখা, ছা-পোহৰ পেঞ্চিল, ৰবৰ আদিৰ বিষয়ে জনাৰ উপৰিও স্থান কাল পাত্ৰ নিৰ্বাচনতো গুৰুত্ব দিব লাগে।

শিল্প কলা চৰ্চাৰ ক্ষেত্ৰত আমি বিখ্যাত কলা সমালোচক হাৰবাট ৰিডৰ এট কথা মনত ৰাখিব লাগে- "যি সুন্দৰ, সেয়াই হ'ল শিল্প অথবা সমস্ত শিল্প কৰ্মহঁ সুন্দৰ, আৰু যি সুন্দৰ নহয় যি শিল্পও নহয়"। শিল্প চৰ্চাত আমি যি বিষয়েই চৰ্চা নকৰো কিয়, শেষ পৰ্য্যায়লৈকে আমি তাৰ সৌন্দৰ্য্য নান্দনিক আবেদনৰ ওপৰতহে গুৰুত্ব দিব লাগে। চিত্ৰ কলাৰ ক্ষেত্ৰত এইকথাতো সদায় মনত ৰাখিব লাগে। সেয়ে আমি চিত্ৰাংকন কৰিবলৈ যাওঁতে বস্তুৰূপৰ সঠিক ধাৰণা, আকাৰ, আকৃতি কিছু জ্যামিতিবোল ধাৰণা, পৰিপ্ৰেক্ষিত, পৰিবেশ, ৰং আদিৰ বিষয়ে জনাটো প্ৰয়োজন। তেতিয়াহে আমি এখন ভাল চিত্ৰ অংকণ কৰিব পাৰিম।

ছবি অকাঁৰ মাজেদিয়েই আমি ৰূপজ্ঞান, বস্তুজ্ঞান, বাস্তৱতা বোধ, পৰিবেশ আদি উপলব্ধি কৰিব পাৰো। এই চিত্ৰাংকণৰ যোগেদিয়ে আত্মাবিশ্লেষণ, প্ৰকৃতিৰ আচৰণ আৰু চৰিত্ৰক বুজাবলৈ সহজ হয়। মানুহ, পশু-পক্ষীৰ চৰিত্ৰৰ বিষয়ে জনাটো এই শিল্পৰ জৰিয়তে সহায় হয়। সেয়ে আমি মন কৰিব লাগিব যে দৰ্শকতকৈ শিল্পীৰ মনোভাব বেলেগ। 'শিল্পী হৈছে এজন সৃষ্টিকৰ্তা, শিল্পী সৃষ্টি কৰোতে শিল্পীয়ে সদায় সমাজৰ প্ৰতি লক্ষ্য ৰাখিহে কাম কৰিব লাগিব। এখন ভাল ছবিয়ে সমাজলৈ বহু পৰিবৰ্ত্তন আনিব পাৰে। চিত্ৰ হ'ল এক এনেকুৱা সৃজনীশীল কৰ্ম, যাৰ মাজেদি চিত্ৰৰ বিষয় আৰু দৰ্শন কাৰীৰ মাজত এক আত্মিক সম্পৰ্ক স্থাপন কৰে।

চিত্ৰকলাৰ বিষয়টো ভালকৈ জানিবলৈ বা আয়ত্ব কৰিবলৈ হ'লে, চিত্ৰকলাৰ বিষয়ে যথেষ্টে জ্ঞান অৰ্জন কৰিব লাগিব আৰু বিভিন্ন সময়ৰ দেশ-বিদেশৰ কলা সম্পৰ্কীয় ছবিসমূহ ভালকৈ নিৰিক্ষণ কৰি ইয়াৰ ইতিহাস অধ্যায়ন কৰা অতি প্ৰয়োজন। ইয়াৰ উপৰিও বৰ্ণ (ৰং) ড্ৰয়িং, নক্সা, স্কেচ, ষ্টিল লাইফ, পৰিপ্ৰেক্ষিত, ছাঁ -পোহৰ আদিক লৈ অধ্যায়ন আৰু অভ্যাস কৰিব লাগিব।

বিভিন্ন সময়ত চিত্ৰ শিল্পৰ ধাৰা সলনি হ'লেও ইয়াৰ নামকৰণে বেলেগ ৰূপ ললেও বৰ্ত্তমানলৈকে শিল্পৰ মূল উৎস হৈছে প্ৰকৃতি। প্ৰকৃতিক বাদ দি কোনো শিল্পই সাৰ্থক হব পৰা নাই।

**সহায়ক গ্ৰন্থ**

চিত্ৰকোৰ।
চিত্ৰকলা ।
গৰওেৰ চিত্ৰকলা।
শিল্প কলাদৰ্শন।

❖❖❖



# অসমীয়া ৰোমান্টিক কবিতাৰ এটি চমু খতিয়ান

জয়শ্ৰী মেধি
প্ৰাক্তন ছাত্ৰী

পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ ভাৰতীয় সাহিত্যত পৰাৰ লগে লগে অসমত ১৯ শতিকাত অসমীয়া ভাষা সাহিত্যত ৰোমান্টিক ভাৱধাৰা এক নতুন ৰূপত গা কৰি উঠে। ইউৰোপত ৰোমান্টিক ভাৱধাৰাৰ সাহিত্য সৃষ্টি হৈছিল ১৮ শ শতিকাত। সাহিত্যৰ আন আন বিভাগৰ দৰে কাব্য সাহিত্যকো ঘাইকে দুটা ভাগত ভাগ কৰিব পাৰি — ক্লাছিকেল আৰু ৰোমান্টিক । অষ্টাদশ শতিকাৰ শেষ দশকত ইউৰোপত ৰমন্যাসবাদ উদ্ভৱ হোৱাৰ পিছত সমগ্ৰ বিশ্বৰ শিল্প সাহিত্যত ই এক আন্দোলনত পৰিণত হয় । ৰমন্যাসবাদ সৃষ্টিৰ গুৰিতে আছে সমসাময়িক ৰাজনৈতিক ঘটনাৰাজি । ফৰাচী বিপ্লৱৰ সাম্য , মৈত্ৰী , স্বাধীনতাৰ ধ্বনি আৰু ফৰাচী চিন্তাজীৱি ৰুচোৰ বিদ্ৰোহমূলক জীৱন দৰ্শন ইয়াৰ অন্যতম কাৰণ । ৰমন্যাসবাদৰ প্ৰথম পাতনি হয় ইউৰোপত আৰু ইংৰাজী সাহিত্যৰ জৰিয়তে৷ ই প্ৰায় সমগ্ৰ বিশ্বতে বিয়পি পৰে । ওঠৰশ শতিকাৰ শেষৰ ফালে ব্লেক,বাৰ্ণচ চেটোৰটান, থমচন আৰু ঊনৈশ শতিকাৰ আদি ছোৱাত ৱৰ্ডছৱৰ্থ কলেৰিজ, শ্যেলী, বাইৰণ,কীটছ আদিয়ে এই ধাৰাৰ সাহিত্যৰ পাতনি মেলে।

ৰোমান্টিক কবিতাৰ কোনো এক নিৰ্দিষ্ট তথা স্পষ্ট ধাৰণা কৰিব নোৱাৰি যদিও এই শ্ৰেণীৰ কবিতাৰ বিষয়ে একে আষাৰতে ক'বলৈ গলে কব পাৰি যে "যি শ্ৰেণীৰ কবিতাত কল্পনাৰ ছবি প্ৰকাশ পায় আৰু আবেগ অনুভূতিৰ ভাৱ প্ৰকাশ ঘটে তাকে ৰোমান্টিক কবিতা বোলা হয়। ৰোমান্টিক কবিতাত কল্পনা প্ৰৱণতাৰ প্ৰতিচ্ছবি দেখা যায়। এই ক্ষেত্ৰত শ্যেলীয়ে কৈছে -"ব্যক্তি সত্বাৰ ৰোধ নকৰিবা। ব্যক্তিসত্বাক মুক্ত কৰি দিয়া। ৰোমান্টিক কবিতাত প্ৰকৃতিয়ে এখন বিশেষ তথা অপাৰ্থিৱ স্থান দখল কৰি আছে। ইংৰাজী সাহিত্যৰ বিখ্যাত কবি ৱৰ্ডছৱৰ্থ আৰু কলৰিজৰ কবিতাত অশেষ প্ৰকৃতি প্ৰীতি দেখা যায়। ৰুছৰ মতে 'প্ৰকৃতিয়ে মানুহৰ মনত পৰম শান্তি আনি দিয়ে"।

অসমীয়া সাহিত্যৰ জগতত ৰমন্যাসবাদ পোন প্ৰথমবাৰৰ বাবে প্ৰৱেশ কৰে ইং ১৮৮৯**চনত** "জোনাকী" নামৰ কাকতৰ জৰিয়তে। কিয়নো "জোনাকী" কাকতৰ প্ৰথম সংখ্যাত প্ৰকাশ হোৱা কবিতা "বনকুঁৱৰী" হ'ল অসমীয়া সাহিত্যত প্ৰথম ৰোমান্টিক ক বিতা। কলিকতাত উচ্চ শিক্ষাৰ কাৰণে কলেজীয়া জীৱন গ্ৰহণ কৰি থকা অৱস্থাত পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱেৰে অনু প্ৰাণিত হোৱা বনকুঁৱৰীৰ শ্ৰষ্টা কবি চন্দ্ৰ কুমাৰ আগৰৱালাৰ নাম উল্লেখনীয় । কবি চন্দ্ৰ কুমাৰ আগৰৱালাই ৰমন্যাসবাদৰ শুভৰাম্ভ বনকুঁৱৰী নামৰ কবিতাটিৰে অসমীয়া সাহিত্য জগতত ভূমুকি মাৰে। আগৰৱালাৰ পৰা আৰম্ভ কৰি একেধাৰে দেৱকান্ত বৰুৱাৰ সময়লৈকে অসমীয়া সাহিত্যত ৰমন্যাসবাদে এক বটবৃক্ষ ৰূপে প্ৰতিষ্ঠিত হয়।

অসমীয়া ৰোমান্টিক কবিতাৰ থূলমুল বিচাৰ এটা কৰিলে দেখা যায় যে পশ্চিমীয়া সাহিত্যৰ সংস্পৰ্শত পাশ্চাত্য সাহিত্যৰ অনুপ্ৰেৰণাতে অসমীয়া ৰোমান্টিক সাহিত্য ঠন ধৰি উঠিছিল। এহাতে অসমৰ ভাগ্য বিপৰ্য্যয় তথা বৃটিছৰ আমোলত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক পৰাধীনতা গা কৰি উঠিছিল। আনহাতে অসমৰ উপকূলত পশ্চিমীয়া সাহিত্যৰ জোৱাৰ। ইয়াৰ উপৰিও দেশী বিদেশী পুঁজিবাদ সাম্ৰাজ্যবাদৰ গৰাহত দেশত অশান্তি অনিশ্চয়তাৰ হেঁচা। ব্যৰ্থতাৰ হেঁচাত জুৰুলা হৈ থকা অসমীয়া প্ৰাণৰ পাশ্চ্যাত্য সাহিত্যৰ টৌৱে ইন্ধন যোগালে। স্পৰ্শকাতৰ জনৰ মনৰ বেদনা ৰোমান্টিক সাহিত্যৰ জন্ম বেদনালৈ ৰূপান্তৰিত হ'ল। অসমীয়া সাহিত্যত পলায়নবাদী সাহিত্যৰ সৃষ্টি হ'ল। এই পালায়ন ১) প্ৰকৃতি, ২) প্ৰিয়াৰ **কল্পনা,** ৩) অতীত গৌৰৱ আৰাধানা, ৪) অতীন্দ্ৰীয়বাদী, ৰূপ কল্পনাত মূৰ্ত্ত হৈ উঠিল। জাতীয় সংকটে প্ৰথম অৱস্থাত জাতীয় চেতনা গঢ়ি নুতুলি মনোধৰ্মী বা ব্যক্তিবাদী ভাৱপ্ৰৱণতাৰে গধুৰ সাহিত্যৰ সৃষ্টি কৰিলে।

"প্ৰতিমাৰ খনিকৰ" চন্দ্ৰ কুমাৰ আগৰৱালা, ৰোমান্টিক কবি হিচাপে প্ৰথম আৰু যুগজয়ী। তেখেতৰ কবিতা পুথি "প্ৰতিমা" আৰু "বীণবৰাগী" ত ৰোমান্টিক কবিতাৰ প্ৰায়বোৰ লক্ষণেই সুন্দৰভাৱে পৰিস্ফুত। আগৰৱালাৰদেৱৰ কবিতাৰ ঘাইকৈ দুই শ্ৰেণীত বিভক্ত -- প্ৰকৃতি বিষয়ক আৰু মানৱ প্ৰেমমূলক। তেখেতৰ কবিতাবোৰত আছে প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰ অতুলনীয় বৰ্ণনা আৰু মানৱ জাতিৰ প্ৰতি অকৃতিম প্ৰেম। দৰাচলতে আগৰৱালাদেৱ মানৱতাবাদী কবি। তেখেতৰ এই মানৱ প্ৰেম কেতিয়াবা বিশ্ব প্ৰেমলৈ উন্নত হৈ অতি প্ৰাকৃতিক স্তৰলৈ গতি কৰিছে। তেখেতৰ কবিতাত প্ৰকৃতিক ৰমনীয় সৌন্দৰ্য্যৰ ৰহস্য উদঘাটনৰ প্ৰচেষ্ট দেখা যায়। সৌন্দৰ্য্যৰ সন্ধান, মানৱ প্ৰীতি, বৈদান্তিক প্ৰভা ৱ, বৈষম্য অপসাৰণ কৰি সাম্যভাবৰ ওপৰত

প্ৰতিষ্ঠিত নতুন সমাজ গঢ়াৰ স্বপ্ন, আত্মিক সুখ আনন্দ লাভৰ পথান্বেষণ, সৰল আশাবাদ, মানৱৰ অকলংক মাধুৰিমা আৰু মহত্বৰ দিব্যদৃষ্টি। এই সকলোবোৰ বৈশিষ্টই চন্দ্ৰ কুমাৰৰ কবিতাক ভাব গম্ভীৰ অতুলনীয় কৰি তুলিছে। কবিৰ হৃদয় আপ্লুত আৰু সেই বৈচিত্ৰপূৰ্ণ সৌন্দৰ্য্যৰ ৰূপ মাধুৰী অসীম। বিশ্বৰ বৈভৱ পূৰ্ণ সৌন্দৰ্য্যৰ মাজেদি এক সত্য সুন্দৰৰ অভিব্যক্তি কবিয়ে দেখা পাইছে।

মানুহেই লগ মানুহেই সঙ্গ
মানুহেই পৰাৎপৰ
এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপি ঘৰ।
(মানৱ বন্দনা ঃ প্ৰতিমা)

নয়ৰ কলিৰে শোভে ফুলজুপি
চাইছোঁ ভাবতে ভাহি,
হায় কি বিষম পেলালে বায়ুৰে
জোকাৰি ফুলৰ পাহি।

চন্দ্ৰ কুমাৰ আগৰৱালাৰ পিচতে আমি নাম ল'ব পাৰোঁ হেম চন্দ্ৰ গোস্বামীৰ। তেখেতৰ ৰচনা অতি সিমীত। গোস্বামীৰ ৰোমাণ্টিক কবিতাত লক্ষণ সমুহ ফুটি উঠিছে। এখেতৰ কবিতাত বিশেকৈ প্ৰেম আৰু প্ৰতকৃতিৰ সুন্দৰ চিত্ৰ পোৱা যায়। হেমচন্দ্ৰ গোস্বামীৰ কবিতাতো আছে আশাবাদৰ ৰেঙণি। কবিয়ে "পুৱা" নামৰ কবিতাত কৈছে --

বৰষা অনন্তকাল জ্ঞানৰ পোহৰ
জ্যোতিৰ্ময়ী জোনাকী সবিতা ,
বজোৱা অনন্তকাল পঞ্চকত তুলি
বীণাপাণি কোমল কবিতা।

হেমচন্দ্ৰ গোস্বামীয়ে "প্ৰিয়তমাৰ চিঠি" নামৰ কবিতাটোৰ জৰিয়তে অসমীয়া কাব্যজগতত চনেটৰ শুভৰাম্ভণী কৰে। এই কবিতাটোৱে অসমীয়া কাব্য জগতত প্ৰথম চনেট কবিতা হিচাপে স্থান পাইছে। হেমচন্দ্ৰ গোস্বামীদেৱৰ পিছতে আমি নাম ল'ব পাৰোঁ লক্ষ্মীনাথ বেজবৰুৱাৰ। বেজবৰুৱাদেৱ সম্পূৰ্ণৰূপে ৰমন্যাসিক কবি। ইংৰাজ কবি শ্যেলী, বাইৰণ, কীটছ আদিৰ প্ৰভাৱ তেখেতৰ কবিতাত দেখা যায়। চন্দ্ৰ কুমাৰ আগৰৱালাৰ দৰে তেওঁৰ কবিতাত সৰল আশাবাদৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। "গা বীণ গা অমৃত সংগীত শুকানে মেলক কুঁহি"। "প্ৰিয়তমা" "প্ৰেম" আৰু "প্ৰিয়তমাৰ সৌন্দৰ্য্য" এওঁৰ আগশাৰীৰ প্ৰেমমূলক কবিতা। বেজবৰুৱাৰ প্ৰেমৰ কবিতা কেইটিত আছে লোকজীৱনৰ খৰিকাজাই যেন ৰোমাণ্টিক কল্পনাৰ বিস্ময় -- বিমুগ্ধ জিলমিল ৰূপ। "ধনবৰ ৰতনী", ৰতনীৰ বেজাৰ" "তিলক", "নিমাতী কইনা" এই আটাইকেইটা কবিতা অসমীয়া লোকগীতৰ ছন্দত দোলায়িত।

অসমীয়া, লোকমানসৰ উপমাৰে মুখৰিত ভাব ভাষাৰে অসমীয়া ৰোমাণ্টিক কবিতাক এটি নতুনত্ব প্ৰদান কৰিলে ৰঘুনাথ চৌধাৰীয়ে। তেওঁৰ দৰে প্ৰকৃতিৰ বৰ্ণনা কৰিব পৰা কবি আজিলৈকে ওলোৱা নাই। এখেতৰ কবিতাত দুটা ধাৰা দেখা যায়। প্ৰথম ধাৰাটোতে প্ৰকৃতিৰ বিভিন্ন চিত্ৰনৰ সৈতে কবি মনৰ আশা আকাংক্ষাৰ প্ৰতিফলন ঘটিছে। এইটো ধাৰা ইন্দ্ৰিয়মূখী। দ্বিতীয়টোৱে ইন্দ্ৰিয়াতীত অন্বেষণৰ স্বৰূপ প্ৰকাশ কৰিছে। গতিকে এই ধাৰাক ইন্দ্ৰিয়মুখী বোলা হৈছে। ড° মহেশ্বৰ নেওগে এই দুটি ধাৰাৰ বিষয়ে কৈছে-- "এটি ৰূপ, ৰস, গন্ধ, স্পৰ্শ আৰু শব্দস্বৰূপ তন্মাত্ৰ লব্ধ জীৱনৰ স্বীকৃতিৰ প্ৰতি এটি আকৰ্ষণ। আনটিত ভাৰতীয় চিত্তবৃত্তিৰ চিৰচিনাকী ভক্তি জ্ঞান বৈৰাগ্যৰ উদ্দাম ভাৱ। প্ৰকৃতি প্ৰীতি ৰঘুনাথ চৌধাৰীৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য। তেখেতৰ কবিতাত চৰাইৰ বৰ্ণনা সুন্দৰকৈ ফুটি উঠিছে। যেনে--

ধন্য পখী তোৰ বিহগী জনম
ধন্য পখীতোৰ নাম
সংসাৰ বনত ভ্ৰমো য'ত দিন
তোৰ গুনে গাম গাম।

মুকলি মূৰীয়া সুকণ্ঠি চৰাই, ৰঙৰ বিচিত্ৰ বৈভৱ আৰু সৌৰভৰ পোহাৰ মেলা গছ-গছনি, তৰু-তৃণ, ফুল লতা ওলমাই কবি চৌধাৰীয়ে কবিতাৰ এক বিশেষ সৌন্দৰ্য্য দাঙি ধৰিছে। চৌধাৰীৰ কবিতাত সজীৱতা, অনুভৱশীল, মানৱ হৃদয়ৰ লগত সমব্যাৰ্থী, জাগতিক সৃষ্টি, মহোৎসৱৰ আনন্দত মতলীয়া আৰু কবিৰ হৃদয় আলোড়নকাৰী ৰূপত প্ৰকাশ পাইছে।

ৰমন্যাসিক অসমীয়া কবিতাৰ ইতিহাসত অম্বিকাগিৰি ৰায়চৌধুৰীক এহাতে বিপ্লৱী কবি আৰু আনহাতে প্ৰেমৰ কবি ৰূপে মূল্যায়ন কৰিব পাৰি। এখেতৰ প্ৰথম পৰ্য্যায়ৰ পুথি "তুমি আৰু "বীণা" দেহজ প্ৰেমৰ পৰা ঐশ্বৰিক প্ৰেমৰ ক্ৰমবিৰ্বতনৰ মোহনীয়া চিত্ৰ আৰু আকৰ্ষণ বিকৰ্ষণৰ ইন্দ্ৰিয়স্পৰ্শী বৰ্ণনা কাব্য দুখনত অনুৰণিত হৈছে।

ইন্দ্ৰিয়ানুভৱ আৰু অতীন্দ্ৰিয় প্ৰেম একেটা মোহৰৰ ইপিঠি সিপিঠি মাত্ৰ। ৰায়চৌধুৰীৰ কবিতাৰ আনটো ধাৰা তেজোদ্দীপ্ত, জীৱন প্ৰতিষ্ঠা প্ৰয়াসী, স্বদেশ-স্বজাতি, অনবুক্ত দেশপ্ৰেমিকৰ উদাও আহ্বান ধ্বনিৰ সৰল সুৰ প্ৰবাহ। তেখেতৰ জাতীয়তাবাদ উগ্ৰ ধাৰণাৰ নহয়, ই বিশ্বপ্ৰেম বা মানৱ প্ৰেমৰ চানেকি স্বৰূপ।

ৰায়চৌধুৰীৰ পৰৱৰ্তী কবি সকলৰ ভিতৰত হিতেশ্বৰ বৰবৰুৱা যতীন্দ্ৰ নাথ দুৱৰা, ৰত্নকান্ত বৰকাকতি, নলিনীবালাদেৱী, গনেশ গগৈ, দেৱকান্ত বৰুৱা আদি উল্লেখযোগ্য।

যতীন্দ্ৰ দুৱাৰাৰ কবিতাত আছে ব্যৰ্থ প্ৰেম আৰু বিফলতাৰ সুন্দৰ প্ৰতিচ্ছবি। প্ৰকৃতিৰ নানা বস্তুক প্ৰতীক হিচাপে লৈ

ব্যঞ্জনাময়তাৰে জীৱনৰ দুখ-শোক, বিফলতাবোৰ প্ৰকাশ কৰিছে। তেখেতৰ কবিত্ব মনৰ লক্ষ্য স্থান এখন অপাৰ্থিৱ জগত যাৰ প্ৰাপ্তিৰ আকাংশাই কবিতাত ৰূপ দিছে। সাহিত্য ক্ষেত্ৰত দুৰ্ব্বাৰ গুৰু স্বৰূপ বেজবৰুৱাই তেওঁক "অসমীয়া শ্যেলী আখ্যা দিছিল। শ্যেলীৰ সৈতে সকলো দিশত মিল নেথাকিলেও দুৰ্ব্বাৰ কাতৰ হৃদয়খনি "ব্যক্তিগত বিষন্নতাৰে উপচি পৰা শ্যেলীৰ দৰে।" ওমৰ খায়ামৰ ৰুবায়াতৰ সুমধুৰ নিৰহ নিপানী অসমীয়া ভাঙনি "ওমৰ তীৰ্থ" দুৰ্ব্বাৰ প্ৰথম প্ৰকাশিত পুথি। তেওঁৰ আন কবিতা পুথি হ'ল "আপোন সুৰ" আৰু "বনফুল"। দুৰ্ব্বাৰ এই বনফুল নামৰ কবিতাপুথি খনেই ১৯৫৪ চনত সাহিত্য একাডেমীৰ পৰা বঁটা লাভ কৰা প্ৰথম অসমীয়া কাব্য। ই অসমীয়া সাহিত্যৰ গৌৰৱ। আত্মকেন্দ্ৰিক কবিৰ ব্যৰ্থ প্ৰেমৰ বেদনা, ব্যক্তিগত একাধিকত্বৰ হা-হুমুনিয়া, সহযাত্ৰী মানুহৰ অৱহেলা দেখি অভিমান। শেষৰ পিনে "বাহুতোলা মৰণৰ আলিঙ্গন" অনুভৱ ক ৰি সিপাৰত কাণ্ডাৰীক দেখি ইমান নৈৰাশ্যৰ মাজতো আশাবাদৰ উপলব্ধি। এয়ে তেওঁৰ কবিতাৰ মূল বক্তব্য। জেতুকাপাতৰ দৰে হিয়া এখনি লৈ অহা কবিয়ে তেওঁৰ অতীতটোক পাহৰি পেলাবলৈ অনুৰোধ কৰি গৈছে। আমি ক'ব পাৰোঁ যে তলৰ কবিতা ফাঁকিত যি বিস্মৃতিৰ কথা তেওঁ অনুভৱ কৰি গৈছে তাৰ গৰ্ভৰ পৰা তেওঁক অসমীয়া সাহিত্যৰ বুৰঞ্জীয়ে উ দ্ধাৰ কৰি আহিছে—

"সংসাৰৰ বেচা-কিনা চলিব সদায় একে
মাথোঁ মোৰ দেহা হ'ব অনন্তত লয়।
পাহৰণি নইখনি পজাঁৰ কাষেদি বই
দিব জগতত মোৰ শূন্য পৰিচয়।"

অতিন্দ্ৰীয়বাদী কবি হিচাপে খ্যাত নলিনীবালা দেৱীৰ কবিতা সমূহ দুখ যন্ত্ৰণা আৰু আলৌকিক অপাৰ্থিৱ জগতৰ সন্ধানৰ অতুলনীয় প্ৰতিচ্ছবিৰ বাহক। "সন্ধিয়াৰ সুৰ" নলিনীবালা দেৱীৰ আধ্যাত্মিক তাৰ উজ্জ্বল নিদৰ্শন। কবিয়ে প্ৰকৃতিৰ বিভিন্ন বস্তু চিৰ সুন্দৰৰ ৰূপ দেখিবলৈ পাইছে। এই চিৰ সুন্দৰক পোৱাৰ যি অনন্ত হেপাঁহ তাক কবিয়ে "পৰমতৃষ্ণা" কবিতাত প্ৰকাশ কৰিছে—

মানুহৰ দুচকুৰ অসীম সৌন্দৰ্য্য তৃষ্ণা
সুখ-আশা হেঁপাহ বুকুৰ
নহয় ই মৰতত ক্ষন্তেকীয়া জীৱনৰ
সুখ আশা পৰম পদৰ,
ৰূপ তৃষ্ণা চিৰ সুন্দৰৰ।

কবি নলিনীৱালা দেৱীৰ কবিতাৰ ভাব, শব্দচয়ন আৰু প্ৰকাশভংগীত ৰবীন্দ্ৰ নাথৰ প্ৰভাৱ লক্ষ্য কৰা যায়। দুৰ্ব্বাৰ দৰে প্ৰেম- উপেক্ষিত, বিৰহনালত দগ্ধ আৰু আবেগ প্ৰৱণ কবি আন এজন হ'ল অসমৰ কীটছ স্বৰূপ পাপৰি কবি গনেশ গগৈ। গগৈ আছিল প্ৰেম আৰু সৌন্দৰ্য্যৰ কবি—

বুকুৰে বিচাৰে মোৰ অপৰূপ ৰূপ ৰেখা
পৰাণে বিচাৰে মোৰ জীৱনৰ মোহ
বুকুৰে আপোন সুৰ বিচাৰি বিচাৰি ফুৰে
মউসনা চেনেহৰ কুমলীয়া কোঁহ।

কিন্তু কবিয়ে "অপৰূপ ৰূপ ৰেখা নেদেখিলে, চেনেহৰ কুমলীয়া কোঁহ বিচাৰি নাপালে, তাতেই তেওঁৰ বেদনা গভীৰ নৈৰাশ্য। এই বেদনা আৰু নৈৰাশ্যৰ গুৰিতে আছিল তেওঁৰ নিঠৰুৱা প্ৰিয়তমা,সেই বুলি তেওঁ প্ৰিয়তমাক দোষ দিয়া নাই। দূৰদৃষ্টিৰ কাৰণে নিয়তিকহে দুষিছে। কবিৰ প্ৰেমত বিশ্বাস আছে। কল্পনা প্ৰৱণতা আৰু আবেগৰ তীব্ৰতা গগৈৰ কবিতাৰ আন এটি বৈশিষ্ট্য।

দোমোজাৰ কবি দেৱকান্ত বৰুৱা ৰমন্যাসিক যুগৰ পেটমোচা কবি। তেওঁ যুগসন্ধিৰ কবি। তেওঁৰ কবিতাতেই ৰমন্যাসিক আন্দোলনে পৰিপূৰ্ণতা লাভ কৰিছিল। যৌৱনসুলভ তেজ আৰু সৌন্দৰ্য্য কঢ়িয়াই অনা প্ৰেমৰ কবি দেৱকান্তৰ হাতত অসমীয়া প্ৰেমৰ কবিতাই অধিক সমৃদ্ধশালী হৈ উঠে। কবিৰ একমাত্ৰ কাব্য সংকলন "সাগৰ দেখিছা" ৰ সৰভাগ কবিতাৰ কেন্দ্ৰীয়ভাৱ পল্লৱিত হৈছে ইন্দ্ৰিয়জ প্ৰেমৰ পাৰভঙা হিল্লোলেৰে। কাৰুণ্যই তেওঁৰ কবিতাত ফল্গুধাৰাৰ দৰে বৈ আছে, ই তেওঁৰ কবিতাৰ মূলভাৱ নহয়। কবিৰ মতে এই ক্ষন্তেকীয়া মানৱ জীৱনত যৌৱনত কাৰোবাক ভালপোৱাটো পাপ পুণ্যৰ উৰ্ধৰ এক বিচিত্ৰ অনুভূতি। কবিৰ প্ৰেমত কবিতাত প্ৰেমৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰিছে যদিও বিচ্ছেদৰ আশংকাই আটাইতকৈ উজ্জ্বল ৰূপে প্ৰতিফলিত হৈছে। "কলংপাৰত মাজনিশা" নামৰ কবিতাটোত এই বিচ্ছেদৰ আশংকা আটাইতকৈ উজ্জ্বল ৰূপে প্ৰতিফলিত হৈছে। "ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমৰ পাৰভঙা উল্লাস, য'তেই সৌন্দৰ্য্য ততেই প্ৰেম; বিশ্বচৰাচৰৰ সৰ্বত্ৰ প্ৰিয়াৰ অস্তিত্ব উপলব্ধি আৰু বিৰহ বেদনা— এই কেইটা বিশিষ্ট্য মনোভংগীয়েই "সাগৰ দেখিছা" ৰ কবিতাৰ প্ৰেমানুভূতি নিয়ন্ত্ৰিত কৰি ৰাখিছে।" ছন্দৰ বৈচিত্ৰ, বিশেষকৈ ব্ৰাউনিঙৰ নাটকীয় স্বগতোক্তিৰ আদৰ্শ এওঁৰ কবিতাত মন কৰিবলগীয়া। কবিয়ে গাইছে-

সাগৰ দেখিছা ? দেখা নাই ? ময়ো দেখা নাই।

জোনাকী যুগত জন্ম লাভ কৰা অসমীয়া ৰোমান্টিক কবিতাই আৱাহন যুগলৈকে এক বৃন্তিতৰূপ পৰিধান কৰে। ওপৰত উল্লেখ কৰা কবি সকলৰ কাপৰ পৰীক্ষা নিৰীক্ষাৰ মাজত ৰমন্যাসিক কবিতাৰ এই ধাৰাই অসমীয়া সাহিত্য জগতৰ চিৰ উজ্জ্বল নক্ষত্ৰ সদৃশ।

❖❖❖

# প্ৰকৃতি কবি ৰঘুনাথ চৌধাৰীৰ 'জীৱন আৰু সাহিত্যৰাজিৰ এটি চমু আলোচনা

*হিমাক্ষী ভাণ্ডাৰ কায়স্থ*
*প্ৰাক্তন ছাত্ৰী*

অসমীয়া ৰোমাণ্টিক কাব্যাকাশৰ অন্যতম উজ্বল নক্ষত্ৰস্বৰূপ বিহগী কবি ৰঘুনাথ চৌধাৰীৰ ব্যক্তিগত জীৱনপট তথা কবি মানস অন্বেষণ কৰাৰ প্ৰয়োজন আছে । তেওঁৰ কবিতাৰাজিৰ মাজেৰে প্ৰকাশ হোৱা বিহঙ্গ আৰু প্ৰকৃতি প্ৰীতি, ঘাট -প্ৰতিঘাটেৰে পৰিপূৰ্ণ সংসাৰৰ প্ৰতি বিতৃষ্ণা তথা বৈৰাগ্য ভাব দেখা যায় । আকৌ কোনো কোনো কবিতাত প্ৰচ্ছন্নভাৱে ফুটি উঠা প্ৰেমৰ চিত্ৰলৈ চাই তেওঁৰ ব্যক্তিগত জীৱন অতিশয় দ্বন্দ সংকুল আছিল বুলি অনুমান হয়। লগতে সেই পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ তেও প্ৰকৃতি দেৱীৰ শান্ত - শীতল ৰম্যভূমিত আশ্ৰয় গ্ৰহণ কৰিছিল।

ৰঘুনাথ চৌধাৰীয়ে জন্ম গ্ৰহণ কৰে ১৮৭৯ খ্ৰীষ্টাব্দৰ ২০ জানুৱাৰীত (১৮০১শকৰ মাঘ মাহৰ ৬ তাৰিখ) বৃহস্পতিবাৰে। চৌধাৰীৰ জন্মস্থান হ'ল কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ পশ্চিম বংশৰ মৌজাৰ অন্তৰ্গত লাওপাৰা গাঁৱত। তেওঁৰ পিতৃৰ নাম ভোলানাথ চৌধাৰী আৰু মাতৃ দয়ালতা চৌধাৰী আছিল।

"ব্যথাৰ সহস্ৰ জালা ব্যৰ্থতাৰ গ্লানি
বুকুপোৰা তপত উচ্ছ্বাস,
কোনেবা শুচাব মোৰ,কোনেবা শুনিব
আৰব্যৰ স্বপ্ন উপন্যাস ?"

(অন্তিমজ্যোতি)

ৰঘুনাথ চৌধাৰীৰ এয়াই স্তুপীকৃত (Epitomised) আত্মজীৱনী। ৰঘুনাথৰ কোষ্ঠীৰ নাম আছিল সোমনাথ আৰু গুপ্তনাম 'ৰঘুনাথ'। খনিৰ পৰা উলিওৱা সোণৰ লদাবোৰ জুইত পুৰি পুৰি চিকুণ কৰাৰ দৰে চৌধাৰীকো কোনো এক অদৃশ্যমান শক্তিয়ে 'বুকুপোৰা তপত উচ্ছাসেৰে' চিকুণ কৰি লবলৈ আৰম্ভ কৰিছিল।

মাত্ৰ ন মাহ বয়সতে এদিন পিৰালিত শুৱাই থোৱাৰ পৰা পৰি কেনেবাকৈ বাগৰি আহি আও গৰীয়া শিলৰ চেপাত আঘাত পাই দুয়োখন ভৰি চিৰজীৱনলৈ নিশকতীয়া হৈ'ৰ'ল। পংগুতাকে তেওঁ নীৰৱে আকোৱালি ল'বলৈ বাধ্য হ'ল। ৰঘুনাথে মাত্ৰ চাৰিবছৰ বয়সতে চিৰদিনৰ বাবে হেৰুৱালে সহোদৰ ককায়েক,বায়েক আৰু স্নেহ শীলা মাতৃদেৱীক । এই ঘটনা হৈছিল মাত্ৰ এমাহৰ ভিতৰতে । সাতবছৰ বয়সতে গুৱাহাটীত আত্মীয় গৰ্গৰাম চৌধাৰীৰ আশ্ৰয়ত থাকি গুৱাহাটীত ছাত্ৰবৃত্তি স্কুল আৰু ইংৰাজী স্কুলত প্ৰাথমিক শিক্ষা লাভ কৰিছিল। গৰ্গৰাম চৌধাৰীয়ে ৰঘুনাথক ঘৰতে সংস্কৃত ভাষাৰ শিক্ষা দিছিল। চৌধাৰীয়ে গুৱাহাটীৰ বালিকা প্ৰাথমিক বিদ্যালয় (১৮৯৯ -১৯০৩) আৰু ৰোমাণ কেথলিক বালিকা বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে কিছু বছৰ শিক্ষকতাৰ লেখীয়া পবিত্ৰ কামত নিয়োগ হৈছিল।

অসমীয়া ভাষা সাহিত্যৰ সংবাদ পত্ৰ জগতৰ অসমীয়া কাকতৰ ৰেঙণি উনৈশ শতিকাৰ শেষৰ ফালে পোৱা যায় । সেই সময়ত জোনাকী কাকতৰ ভূমিকা মন কৰিবলগীয়া । গুৱাহাটীৰ পৰা পুনৰ প্ৰকাশ পোৱা জোনাকীৰ সহকাৰী সম্পাদক আৰু জয়ন্তী (১৯৩৭)আলোচনীৰ সম্পাদক আছিল কবি ৰঘুনাথ চৌধাৰী । অসম সাহিত্য সভাৰ ষোড়শ অধিৱেশন তেজপুৰত (১৯৩৬) কবি ৰঘুনাথ চৌধাৰীয়ে সভাপতিৰ আসন অলংকৃত কৰিছিল। ৰঘুনাথ চৌধাৰীয়ে গুৱাহাটী সবিতা সভাৰ জন্মলগ্নৰে (১৯৫৩) পৰা জড়িত আছিল।

অসমীয়া সাহিত্যৰ 'জেনাকী যুগ'ৰ ৰোমাণ্টিক কাব্য আন্দোলনৰ কবি হৈছে ৰঘুনাথ চৌধাৰী। বাস্তৱৰ সংঘাত পূৰ্ণ জীৱনৰ জ্বালা যন্ত্ৰণা আৰু তীব্ৰ বেদনাবোধ কবিৰ মানস পটত সংসাৰৰ প্ৰতি নৈৰাশ্য আৰু বৈৰাগ্য মনোভাৱৰ উদ্বেগ কৰে। সাংসাৰিক সুখৰ মুখ নেদেখা সংসাৰৰ কুটিলতাৰ পৰা আঁতৰি প্ৰকৃতিৰ ৰম্যভূমিত এক অনাবিল আনন্দ লাভ কৰিছিল। প্ৰকৃতিৰ মাজৰ চৰাই -চিৰিকতিৰ

,তৰু-তৃণ আদিৰ নিস্বাৰ্থ প্ৰেমে তেওঁৰ মন প্ৰাণ আপ্লুত কৰিলে, প্ৰকৃতিৰ ৰম্যভূমিয়ে হৈ পৰিল তেওঁৰ জীৱন সঙ্গী। ৰোমান্টিক কাব্য সাহিত্যৰ প্ৰায়বোৰ লক্ষণেৰে সমৃদ্ধ চৌধাৰীদেৰৰ কবিতাৰাজিৰ সৌন্দৰ্যৰ প্ৰতি গভীৰ অনুৰাগ,অতীন্দ্ৰিয়বাদী মনোভাৱ, ঐতিহ্য প্ৰীতি,কল্পনা বিলাসী মন, সংসাৰৰ প্ৰতি গভীৰ নৈৰাশ্য আৰু বৈৰাগ্য মনোভাৱ,স্বদেশ প্ৰেম আদি সকলো বিলাক লক্ষণেই তেওঁৰ কবিতা শব্দজালত স্তুপীকৃত হৈ আছে। এই ভাৱৰাশি একেডাল সূতাৰে বান্ধ খোৱা । চৌধাৰীৰ কাব্যকৃতিৰ এটি চমু আলোচনা তলত উল্লেখ কৰা হ'ল----

ৰঘুনাথ চৌধাৰীৰ জীৱনৰ উল্লেযোগ্য অৱদান কেইটি হ'ল 'সাদৰি' (১৯১০),'কেতেকী' (১৯১৮),'নৱমল্লিকা' (১৯৫৮),'দহিকতৰা' (১৯৩১),'কাৰবালা' (১৯২৩),আৰু মৰণোত্তৰ কালত প্ৰকাশিত 'মনাই বৰাগী, পচতীয়া, 'বন্দী জীৱন'।

চৌধাৰীৰ জীৱনৰ প্ৰথম প্ৰকাশিত কবিতা পুথি হ'ল 'সাদৰি'। এই কবিতা পুথি খন কুৰি শতিকাৰ প্ৰথম দশকৰ শ্ৰেষ্ঠ কবিতা পুথি বুলি ধৰা হয়।এই পুথিখন প্ৰকাশিত হৈছিল ১৯১০চনত। ত্ৰিশ বছৰীয়া চফল ডেকা ৰঘুনাথৰ কল্পনাবিলাসী আৰু সৌন্দৰ্য লিপ্সা, মনত ভিন্ন সুৰীয়া ভাৱে উক মুকনি দিছিল। তেওঁৰ কবিতা সমূহ বিষয় বস্তু অনুসৰি চাৰিটা ভাগত ভাগ কৰিছে ।এই বিষয় কেইটা হ'ল প্ৰকৃতি মূলক, বিষাদমূলক, ঐশীভাবনা মূলক আৰু জাতীয় চেতনামূলক।

চৌধাৰীৰ সমগ্ৰ কাব্য ভাবনাকেই আচ্ছন্ন কৰি ৰাখিছে 'সাদৰী'য়ে। ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতিৰ ৰূপ ঐশ্বৰ্য প্ৰকাশ কৰাৰ উপৰিও প্ৰকৃতিৰ মাজেতেই পৰমেশ্বৰৰ অস্তিত্ব অনুভৱ কৰা দেখা যায়। 'সাদৰি' ৰ অন্তৰ্গত দুলড়ী ছন্দত ৰচিত 'ব'হাগীৰ বিয়া ' ৰঘুনাথ চৌধাৰীৰ এটি উল্লেখযোগ্য প্ৰকৃতিমূলক কবিতা। কবিৰ দৃষ্টিত সম্পূৰ্ণ উজ্জীৱিত, চলমান তথা প্ৰাণ সত্তাসম্বলিত। প্ৰকৃতিৰো আছে এখন সমাজ, যিখন সমাজৰ সদস্য হৈছে প্ৰকৃতি জগতৰ উপাদান গছ লতা, ফুল, চৰাই, পখিলা মুঠতে কবিৰ মনত প্ৰকৃতি সম্পদৰাজি। এই প্ৰকৃতি জগতৰে জীয়ৰী এগৰাকীৰ অনুষ্ঠানক কেন্দ্ৰ কৰি 'ব'হাগীৰ বিয়া নামৰ কবিতাৰ জন্ম।।

প্ৰকৃতিৰ জীয়ৰী ব'হাগীৰ বিয়াত সকলোৱে ন সাজেৰে, ন বেশেৰে, উপস্থিত হৈছে অতি আনন্দৰে। ৰভাতলিৰ চন্দ্ৰতাপ খনি তৰি দিছে যেন আকাশে আৰু আই বসুমতীয়ে পাতি দিছে সেউজীয়া আসন। তাতে বহি অভ্যাগতই মাংগলিক অনুষ্ঠান শুভ বিবাহৰ উপভোগ কৰিছে পাট গাভৰু ব'হাগীয়ে জীৱনৰ আগন্তুক সময়ক আদৰণি জনাবলৈ নিজকে সজাই পৰাই প্ৰস্তুত কৰি লৈছে।

"সোঁণ বৰণীয়া তৰীয়া কাঞ্চন  
সোঁণাৰু কনক চম্পা,  
ৰচিলে ধুনীয়া বেণীৰ আকাৰে  
কন্যাৰ লাহতী খোপা "

(সাদৰী ব'হাগীৰ বিয়া)

প্ৰকৃতিকৰ জীয়ৰী ব'হাগীয়ে নানা অলংকাৰ,নানা ধৰণৰ কাপোৰেৰে বিভূষিত হৈ তিলক আঁকি লৈ নিজকে সুন্দৰী অপৰূপা কৰি তুলিলে-------

"সাজি কাচি যেন আছে পাটৰাণী  
গোলাপ শয্যাত বহি  
কিবা অপৰূপ ৰূপ লাৱণ্যত  
পেলালে জগত মুহি।"

(সাদৰী ,বহাগীৰ বিয়া)

এইফালে ঋতুৰাজ বসন্ত দৰা বেশেৰে উপস্থিত হৈছে ব'হাগীক প্ৰাণী গ্ৰহণ কৰিবলৈ। ব'হাগীৰ বিয়া কবিতাটিৰ মাজেৰে কবিয়ে দাঙি ধৰা বিবাহ অনুষ্ঠানৰ দৰেই বাস্তৱ আৰু হৃদয় গ্ৰাহী । কবিৰ দৃষ্টিত প্ৰকৃতিৰ কোনো এটি উপাদানেই নিৰ্দিষ্ট নহয়। সকলো সজীৱ আৰু সচা , আৱেগ অনুভূতি , হাঁহি কান্দোন মিশ্ৰিত মানৱ সমাজৰ নৰ-নাৰীৰ দৰেই জীৱন্ত। সেয়ে ব'হাগীৰ বিয়া 'কবিতাটিত মানৱ সমাজৰ সুন্দৰ বিয়াৰ দৰেই বাস্তৱ যুগ হৈ উঠিছে। কবিতাটি সম্পৰ্কে হলীৰাম ডেকাই কোৱা এষাৰ কথা অতিশয় তাৎপৰ্যপূৰ্ণ।

তেওঁ লিখিছে ঃ ব'হাগীৰ বিয়াত কবিৰ মনত প্ৰকৃতি নীৰৱ,বাহিৰৰ সাজ সজ্জা বা তৰু লতাৰ সৌন্দৰ্য নহয় তাৰ আন্তৰিক সৌন্দৰ্য আৰু বসন্তকালত তীব্ৰ মোহিনী ৰূপ কবিৰ কল্পনাত মূৰ্তিমতী যুৱতী স্বৰূপে নিৰ্মল আনন্দৰ পূৰ্ণৰেখা।"

চৌধাৰীৰ চৰাই বিষয়ক এই অপূৰ্ব কবিতাটি হ'ল 'গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী'। চৰাই জনীৰ নাম নজনা কাৰণেই , কবিয়ে নেদেখা বাবে সেই অনামী ,অদৃশ্য চৰাইজনীক 'বিহঙ্গিনী ' নাম দিছে। চৰাই জনীৰ অমিয়ামাত শুনিলে কবিৰ হৃদয় সাঁত পৰে , জীৱন ধন্য হয় সংগীতৰ চয়ত্ৰিশ ৰাগিনী যুক্ত মূৰ্চ্ছনাত সকলো আপ্লুত হৈ পৰে । সেই বাবে কবিয়ে কৈছে ------

" কতবাৰ শুনিছিলো নালাগে আমনি  
তোমাৰ মাধুৰীসনা,  
প্ৰেমগীত আৰাধনা,  
কেনেকৈ পাহৰিম সেই সুখকনি  
গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী।

(সাদৰী ঃ- গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী)

ৰঘুনাথ চৌধাৰীদেৱৰ 'ফুল' বিষয়ক এটি মধুৰ কবিতা হ'ল--- 'গোলাপ'। কবিৰ অৰ্ন্তদৃষ্টিত গোলাপ ফুলৰ ৰাণী হিচাপে চিত্ৰায়িত কৰিছে। ফুলি উঠা গোলাপ পাহ দেখি এক আনন্দ সৌন্দৰ্য্যত বিমুগ্ধ হৈ পৰিছে আৰু গোলাপক সুধিছে -----

'কাৰ পৰশত ফুলিলি বান্ধৈ
অ' মোৰ সাদৰি ফুলাম পাহি
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি ?'

(সাদৰী, গোলাপ )

পাৰ্থিৱ জগতৰ এক চিৰসত্য পৰিণতি হ'ল অতৃপ্তি আৰু অসম্পূৰ্ণতা। অসম্পূৰ্ণতাৰ পৰাই সৃষ্টি হৈছে বিষাদ- প্ৰৱণতাৰ। ৰোমাণ্টিক কবিসকল স্বভাৱতেই আছিল স্পৰ্শকাতৰ।

ৰোমাণ্টিক গীতি-কবিতাৰ উপাদান হিচাপে কবিৰ হৃদয় সত্তাৰ আনন্দ উল্লাস আৰু হৰ্ষ-বিষাদ তৰঙ্গ উথলি উঠিলেও, কবি মনৰ তত্ত্ব জিজ্ঞাস তথা ঐশী চেতনা-প্ৰসূত বিষয় সমূহ উপস্থাপন কৰা দেখা যায়। চৌধাৰীৰ কবি মানসত পৰমাৰ্থিক জিজ্ঞাসাৰ স্ৰোত প্ৰৱল। ৱৰ্ডচৱৰ্থৰ দৰেই তেওঁৰ সমগ্ৰ কাব্য ভাবৰাশিৰ মাজতে ঐশী সত্তাৰ লীলা-বিস্তাৰৰ লক্ষ্য কৰা দেখা যায়। পৰমাৰ্থিক বিষয়ৰ এটি গুৰুত্বপূৰ্ণ কবিতা হ'ল 'ভিক্ষা'।

ঐশ্বৰ্য, শান্তি, সন্মান, সুখ, সম্ভোগ, আনন্দ, বিলাস, প্ৰেম এইবোৰ মানুহে পাবলৈ কামনা কৰে আৰু ইয়াকে পাবলৈ মানুহে নানা কষ্ট সহ্য কৰিবলৈ সাহস কৰে —

"ভূগিছো, ভূগিম আৰু দগ্ধ হৃদয়ত
শত শত বৃশ্চিক দংশন,
নকৰো বেজাৰ প্ৰভু, তোমাৰ কাষত
আনন্দত থাকিম মগন।" (সাদৰী, ভিক্ষা)

প্ৰেমমূলক তথা জাতীয় ভাবোদ্দীপক কবিতাৰ সংখ্যা নিচেই তাকৰ। 'সাদৰী'ৰ অন্তৰ্গত চাৰিটামান কবিতাতহে কবিৰ জাতীয় ভাবোদ্দীপনাৰ ভাব লক্ষ্য কৰা যায়। 'মিলন সঙ্গীত' তেনে এটি কবিতা, য'ত ঐক্য আৰু কৰ্তব্য নিষ্ঠাৰ জয়গান গোৱা হৈছে। ভাৰতবৰ্ষৰ সামগ্ৰিক উন্নতিৰ বাবে সকলোকে আহ্বান কৰি সাহসেৰে কাম কৰিবলৈ কৈছে —

" উঠা জাতি ভাই এৰা সোৰোপালি,
জাতীয় যুঁজত দিওঁ আত্মবলি;
নপৰিবা পাছ ই যুঁজত ভাই,
বুকে সাহ বান্ধি ব'লা আগুৱাই;
যদি হওঁ আমি আৰ্যৰ সন্ততি
নিশ্চয় সাধিম জাতীয় উন্নতি।"

('সাদৰী', 'মিলন সঙ্গীত')

'কেতেকী' ৰঘুনাথ চৌধাৰীৰ প্ৰকাশিত দ্বিতীয়খন কাব্যপুথি। ১৮৩৯ শকৰ ফাগুন মাহত (১৯১৮ চন) এই কাব্যখনে প্ৰথম প্ৰকাশ লাভ কৰে। পাঁচোটা তৰংগৰ বিশিষ্ট এই কাব্যখনিত মুঠ ১৯১ টা স্তৱক আৰু ৭৬৪ টা শাৰী আছে।

ড° বাণীকান্ত কাকতিয়ে দ্বিতীয় তাঙৰণত ৰঘুনাথ চৌধাৰীৰ কেতেকীখনিৰ বিষয়ে এনেদৰে কৈছে - " কেতেকী মাথোন এটি স্বৰ, এটি প্ৰহেলিকা, a voice of mystery."

এটি বিস্ময়ভাবতেই কবিতাটিৰ প্ৰথম তৰংগ আৰম্ভ হৈছে। সুদূৰ প্ৰান্তৰ পৰা আহি গীত গাই ঘূৰি ফুৰা এই চৰাইজনীনো কোন কবিয়ে জানিবলৈ প্ৰয়াস কৰিছে। জগতৰ সকলো ঠাইতে সুবাস বিলাই ফুৰা কেতেকী জনীক কবিয়ে প্ৰশ্ন কৰিছে গাইছে এনেদৰে ---------

ক'ৰ পৰা তই আহিলি সোণাই
কোন দিশে যাৰ উৰি,
কিয় বা ফুৰিছ দূৰ দূৰণিত
অকলই ঘূৰি ঘূৰি ?

(কেতেকী, চতুৰ্থ তৰঙ্গ)

পঞ্চম তৰঙ্গত কেতকী যেন এটি মধুৰ সপোন। শৰত মালা অহাৰ লগে লগে কেতেকী জনী কেনিবা উৰা মাৰিলে কতেকী লগতে কবিয়ে তাৰ লগত উৰি যাবলৈ বিচাৰিছে। কেতেকী যেন সৰগৰ বিদ্যাধৰী দেৱবালা,মৰ্জলৈ কৰিব অভিমানি মনটোৱে এনে ধৰণেও ভাবিছে ------

'বাটৰ ভিকহু দেখি ভুৱা দিলি
নিচিনিলো তোক পখি
ক'তনো কৰিলোঁ কাকউ মিনতি
তেওঁ নাপাতিলি সখী।'

'দহিকতৰা' কবি ৰঘুনাথ চৌধাৰীৰ তৃতীয়খন কাব্য পুথি। ইয়াতে মুঠ পঁচিশটা কবিতা সংকলিত হৈছে । প্ৰেমভাবত আত্মহাৰা হোৱা ভাবটোৱেই 'দহিকতৰা' কবিতাটিৰ কেন্দ্ৰস্থ ভাব। দহিকতৰাই যেন নিজেই কাৰোবাৰ প্ৰেৰণাত কাৰোবাৰ প্ৰেমত আত্মাহাৰা হৈ নদীৰ প্ৰবল সোঁতৰ দৰে প্ৰেম সংগীত গাবলৈ আৰম্ভ কৰিছে। সেই সংগীতৰ তৰঙ্গত তৰঙ্গিত হৈ নাচোনৰ ভংগিত অকল নিজৰ হৃদয়কে আপ্লুত কৰিতোলা নাই, প্ৰকৃতি জগতৰ জড় চেতনাকো আপ্লুত কৰি তুলিছে-

। কবিৰ মনত দহিকতৰা এটি নগন্য চৰাই নহয়, নিৰানন্দৰ সময়তো আনন্দ প্ৰদান কৰিব পৰা এজন প্ৰকৃত বন্ধু। কবিতাটিৰ আৰম্ভণিতে তেনে ইংগিতকে দহিকতৰাত কবিয়ে দাঙি ধৰিছে ——

"অ' মৰমী বন্ধু মোৰ অ' দহিকতৰা
কোন মূৰ্চ্ছনাত তোৰ বাজে দোতোৰা ,
মিলন মাধুৰী লই
আহিছ সাদৰী তই
কোন বিৰহীক দিবি প্ৰেমৰ বতৰা,
পদুলিতে আছে ৰই গুলকি কতৰা !'

ৰঘুনাথ চৌধাৰীৰ জীৱনৰ অপৰাহ্নবেলাত ৰচিত 'নৱ মল্লিকা' এখন বিশিষ্ট কাব্য । 'নৱ মল্লিকা' প্ৰথম প্ৰকাশ পায় ১৯৫৮চনত । কথা কবিতাত ৰূপৰ সমাবেশ থাকে আৰু ই প্ৰায়েই ৰূপকাত্মক । 'নৱ মল্লিকা'ত কথা কবিতাৰ সকলোবোৰ উপাদান নাথালিও প্ৰধান উপাদান সমূহ লক্ষনীয়। 'নৱ মল্লিকা' ৰ প্ৰথম কথা কবিতাটি হৈছে 'ফুল'। ফুলৰ ৰূপ গুণ আৰু মাহাত্ম্য সম্পৰ্কে কবিয়ে লিখিছে তোমাৰ ৰূপ আৰু গুণৰ অপাৰ মহিমা। তোমাৰ তেজস্বিতা ধাৰণাৰ অতীত। তোমাৰ অপূৰ্ব বেশৰ স্বৰ্গীয় অভিনয় লীলা চাই তন্ময় হৈ থাকিব লাগে। তুমি বেদনা ক্লিষ্ট জীৱনৰ সঞ্জীৱনী সুধা আৰু দিগন্ত সমালে তোমাক সদ্যস্নাতা ৰূপে পূজাৰ বেদীত পালে কিমান সন্তুষ্ট হয়।

আলোচিত কাব্য পুথিৰ কেইখনৰ বাহিৰেও আন কেইখন মান উল্লেখযোগ্য কাব্যপুথি হ'ল কাৰবালা, মনাই ,বৰাগী, পচতীয়া আদি। কাৰবালা কাব্যখনি আদিৰ পৰা অন্তলৈকে কৰুণৰসেৰে সিক্ত। কাহিনীটোক কবিয়ে কাব্যৰ ৰূপ দিওতে কৰুণ ৰসৰ লগতে বীৰ, ৰৌদ্ৰ আৰু বীভৎস ৰূপেও ভুমুকি মৰা দেখা গৈছে । এখন যুদ্ধৰ এটি কৰুণ পৰিণতিৰ কথা কবিয়ে বৰ্ণনা দিবলৈ গৈ প্ৰবৃতি চিত্ৰন , বিবাহৰ বৰ্ণনা, মাতৃ হৃদয়ৰ পুত্ৰশোক , স্বামী বিৰহ আদিৰ সুন্দৰ বৰ্ণনাৰে কাব্যখনি সহৃদয় পাঠকসকলৰ উপযোগী কৈ তুলিছে। কবিয়ে কাব্যখনিৰ ৰূপ দিওতে উপমা অলংকাৰ, শব্দচয়ন আদিৰ প্ৰতিও লক্ষ্য ৰাখিছিল । প্ৰথমতেই যেতিয়া মৰুভূমিত প্ৰকৃতিৰ এটি ৰূঢ় ৰূপ দাঙি ধৰিছে।

ৰঘুনাথ চৌধাৰীৰ আন এখন উল্লেখযোগ্য কাব্য পুথি হ'ল 'মনাই বৰাগী'। কাব্যপুথি খনিত পাঁচোটা কবিতাৰে পৰিপূৰ্ণ। কবিয়ে সহজ সৰল ঘৰুৱা ভাষাৰে স্বভাৱ সুন্দৰী ৰমণীৰ দৰে নিৰলংকাৰ ৰূপত কবিতা কেইটি ৰচনা কৰিছে। 'মনাই বৰাগীৰ কবিয়ে ভবিষ্যতৰ যন্ত্ৰনাত জীৱনৰ চিন্তাই কবিক অধিক কাতৰ কৰি তুলিছে। কবিয়ে এই বিফলতাৰ জীৱন এদিন সংসাৰ ধামৰ পৰা আঁতৰি যাব লাগিব বুলি আক্ষেপ কৰি গাইছে এনেদৰে ——

' আহিলো বিফলে যামও বিফলে
বিফলে কটালোঁ দিন,
জীৱন জঁকাটো মাটিত মিলিব
নাথাকিব তাৰ চিন।'

অসমীয়া সাহিত্য জগতখনত বিহগী কবি ৰঘুনাথ চৌধাৰীয়ে এক বিশেষ আসন দখল কৰিছে। অসমীয়া সাহিত্যৰ ভৰাল চৌধাৰীয়ে চহকী কৰি থৈ গৈছে । ৰঘুনাথ চৌধাৰী অসমৰ একনিষ্ঠ প্ৰকৃতি কবি । নিষ্ঠা আৰু প্ৰভাৱৰ বলত এখন সুন্দৰ , শুদ্ধ কল্পনাৰ জগত সৃষ্টি কৰিছে। ইয়াত যিয়ে সোমায় সেয়ে খন্তেকৰ কাৰণে দুখ ভাগৰ পাহৰি শান্তিৰ জুৰ মলয়ত নিজৰ মন প্ৰাণ জুৰ পেলায় । সেয়েহে সমগ্ৰ অসমীয়া জাতিয়ে এই জনা মহান কবিক অসমীয়া সাহিত্যৰ জগতত 'বিহগী কবি' 'প্ৰকৃত কবি' 'চিৰকুমাৰ ' আতা' আদি বিভিন্ন নামেৰে বিভূষিত কৰি অসমীয়া সাহিত্যৰ জগতত এক উচ্চ স্থান প্ৰদান কৰিছে।

এইজনা মহান কবিয়ে অসম তথা সমগ্ৰ বিশ্বতে এক আলোড়নৰ সৃষ্টি কৰিছিল তেওঁৰ কাব্য ৰাজিৰ মাজেৰে । এই জনা মহান কবিৰ জীৱনৰ অন্তিম জ্যোতি নুমাইছিল ১৯৬৭চনৰ ১৮নৱেম্বৰ তাৰিখে। চিৰ কৌমাৰ্যব্ৰতী চৌধাৰীয়ে আজীৱন সমাজৰ কামতে উচৰ্গিত কৰিছিল । এই জনা মহান ব্যক্তিৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ব অসমীয়া সাহিত্য সমাজ তথা বিশ্বৰ সাহিত্য অনুৰাগী সকল।

❖❖❖

# বৰ্তমান সময়ত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

নন্দিতা পাটোৱাৰী
প্ৰাক্তন ছাত্ৰী

'এজন লৰাক শিক্ষা দিয়া মানে এজন
পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী
ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা
পৰিয়াল শিক্ষিত কৰি তোলা।"
------পণ্ডিত জৱাহৰলাল নেহৰু।

পুৰুষ আৰু নাৰী উভয়ৰে সমষ্টিত এখন সমাজ, এখন দেশৰ ভেটি গঢ়ি উঠে। সেয়ে দেশ বা সমাজৰ উন্নতি অথবা অবনতি বহুলাংশে নিৰ্ভৰ কৰে, সেই নাৰীৰ প্ৰগতিৰ ওপৰত। আজিৰ কন্যা ভৱিষ্যতৰ মাতৃ। তেৱেঁই জন্ম দিব ভৱিষ্যত প্ৰজন্মক। সেয়ে নাৰী আৰু ইয়াৰ শিক্ষাই পৰিয়ালৰ সুখ শান্তি আৰু ৰাষ্ট্ৰৰ প্ৰগতি।

প্ৰাচীন ভাৰতীয় সমাজত নাৰীক অতি উচ্চ স্থান দিয়া হৈছিল। মধ্যযুগত ভাৰতলৈ মুছলমান সকলৰ আগমনৰ আগলৈ সম্ভ্ৰান্ত পৰিয়ালৰ উপৰিও সাধাৰণ মানুহৰ মাজতো স্ত্ৰী-শিক্ষাৰ ওপৰত গুৰুত্ব আছিল। দুৰ্ভাগ্যবশত পুৰুষ শাসিত পিতৃ-তান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীক সেই উচ্চ আসনৰ পৰা বঞ্চিত কৰা হয়। হয়তো তাৰেই সুদূৰ প্ৰসাৰী প্ৰভাৱে আজিৰ এই একবিংশ শতিকাটো নাৰীক বহু ক্ষেত্ৰত অৱহেলাৰ পাত্ৰ কৰি ৰাখিছে। ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যৰে ভাৰতৰ মাটিত পদাৰ্পন কৰা খ্ৰীষ্টান মিছনাৰী সকলে– শিক্ষা বিষয়ত আন্তৰিকতাৰে এক নতুন পদক্ষেপ গ্ৰহণ কৰি স্ত্ৰী-শিক্ষাৰ প্ৰসাৰৰ বাবে মুম্বাই, চেন্নাই, কলিকতাত শিক্ষা কেন্দ্ৰ স্থাপন কৰিছিল। তৎসত্বেও স্ত্ৰী-শিক্ষাৰ বিশেষ, উন্নতি হৈছে বুলি আজিৰ তাৰিখতো বুকু ফিন্দাই কবলৈ অসুবিধা হয়। প্ৰাচীন কালৰে পৰাই ভাৰতীয় নাৰীয়ে সামাজিক, ৰাজনৈতিক বিভিন্ন দিশত চমক লগা অৱিহণা যোগাই আহিছে। মাদাৰ টেৰেছা, ইন্দিৰাগান্ধী, কনকলতা, মুলাগাভৰু বিজয়লক্ষ্মী পণ্ডিত আদিৰ নাম ইতিহাসত সোণালী আখৰেৰে লিখা আছে। কিন্তু, ইতিহাসৰ এনে সোণালী অধ্যায় থকাৰ পিছতো, আজি শিক্ষিতৰ হাৰ পুৰুষতকৈ নাৰীৰ কম। সাম্প্ৰতিক কালত ভাৰতৰ অশিক্ষিত নাৰীৰ সংখ্যা ৭৫.২ %। প্ৰাথমিক পৰ্য্যায়ৰ শতকৰা চল্লিশভাগ ছোৱালী, মাধ্যমিক পয্যায়ত ছোৱালীৰ ত্ৰিশ আৰু উচ্চতৰ মাধ্যমিক পৰ্য্যায়ত মাত্ৰ পচিশ শতাংশ। গ্ৰাম্যঞ্চলত এই ছবি অত্যন্ত নিকৃষ্ট। ছোৱালী সন্তানৰ ওপৰত ঘৰুৱা কাম বনৰ বোজা, ছোৱালীৰ কম বয়সত বিবাহ কাৰ্য্য, নাৰী শিক্ষাৰ প্ৰতি অভিভাৱক সকল উদাসহীন হোৱা দেখা যায় বাবে ছোৱালীৰ শিক্ষা বহু ক্ষেত্ৰত পিছপৰা।

এইটো একেবাৰে ধ্ৰুৱসত্য যে নাৰী সমাজক বাদ দি পৃথিৱীৰ কোনো দেশেই উন্নতিৰ পথত অগ্ৰসৰ হ'ব নোৱাৰে। নাৰী আৰু পুৰুষৰ উমৈহতীয়া চেষ্টাৰ ফলতহে দেশৰ প্ৰগতিৰ পথত আগুৱাই যাব পাৰে। তদুপৰি দেশ এখনৰ সাৰ্বাঙ্গীন উন্নতিৰ বাবে নাৰীয়ে পুৰুষৰ সমানে আগবাঢ়ি যাব লাগিব। ইয়াৰ বাবে নাৰী উপযুক্ত শিক্ষাৰে শিক্ষিত হব লাগিব।

মানুহ গঢ়াৰ কমাৰশাল হৈছে ঘৰখন। শিশু পাঠশালালৈ যোৱাৰ আগতে আৰু যোৱাৰ পিছতো ঘৰখনকে প্ৰধান শিক্ষানুষ্ঠান হিচাপে ধৰা হয়। এই ঘৰখনৰ শিক্ষয়ত্ৰী হৈছে মাতৃগৰাকী। সেইবাবে কোৱা হয়- Mother is the best teacher. ঘৰত মাতৃগৰাকীয়ে শিক্ষক ৰূপত গঢ় দিয়ে, ঠিক তেনেকৈ শিশুটি গঢ় লৈ উঠে। গতিকে ঘৰুৱা পৰিৱেশত শিশুৰ সৰ্বাঙ্গীন বিকাশৰ বাবে মাতৃগৰাকী শিক্ষিত হোৱাটো অতি প্ৰয়োজন।

প্ৰতিদিনে বাতৰি কাকতৰ পৃষ্ঠাবোৰত আমি দেখিবলৈ পাওঁ নাৰী ধৰ্ষণ আৰু অন্যান্য নাৰী নিৰ্যাতনৰ বতৰা। এইবোৰ কদৰ্যৰ ওপৰিও ভাৰতীয় নাৰীয়ে এতিয়াও কু-সংস্কাৰ, অন্ধবিশ্বাস, ধৰ্মীয় গোড়ামী, সংকীৰ্ণতাৰ প্ৰদৰ্শন, যৌতুকৰ প্ৰথা, বাল্য- বিবাহ ইত্যাদি। এনেধৰণে ভাৰতীয় সমাজত বিবিধ সামাজিক প্ৰথাৰ বলি হৈ নাৰী সমাজে ভোগ কৰি আছে। ইয়াৰ পৰা নাৰীয়ে নিজকে স্বতন্ত্ৰ কৰিব খুজিলে পুৰুষৰ সমানেই শিক্ষিত হোৱাৰ প্ৰয়োজন বোধ কৰো আছে।

পুৰুষ প্ৰধান সমাজত, একাংশ নাৰী এতিয়াও শোসিত আৰু দমন হৈ আছে। সমাজ খন যিমানে উন্নতিৰ পথত অগ্ৰসৰ নহওক কিয়, পুৰুষ শাসিত সমাজত নাৰীৰ স্থান সদায়েই নিম্ন। আৰ্থিক দিশতো

নাৰী পুৰুষৰ ওপৰত নিৰ্ভৰশীল। অথচ, ভাৰতীয় সংবিধানত কোনো ক্ষেত্ৰতে স্ত্ৰী-পুৰুষৰ মাজত বিভেদ ৰখা হোৱা নাই। গতিকে নাৰী সকল উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ উঠিব লাগিব। যি দিনাই স্ত্ৰী-পুৰুষৰ শিক্ষিত হাৰ সমান হব, সেইদিনাই এচাম পুৰুষে নাৰীৰ ওপৰত ইমান দিনে চলাই অহা শোষন-নিষ্পেষণৰ অৱসান ঘটিব। তেতিয়া নাৰীয়ে কেৱল নিজৰ প্ৰতিভাখিনি হেচা মাৰি থৈ ৰান্ধনি শালৰ মাজত নিজকে সীমাবদ্ধ কৰি ৰাখিব নালাগিব। প্ৰতিগৰাকী নাৰীয়ে সংসাৰৰ কৰ্ত্তব্যৰ লগতে সমাজ-সংস্কৃতি বিকাশৰ বাবে অগ্ৰসৰ হোৱাৰ সুযোগ গ্ৰহণ কৰিব পাৰিব। নাৰী যিহেতু মাতৃ সেয়ে প্ৰতি গৰাকী নাৰী শিক্ষিত হোৱাৰ লগে লগে সমাজৰ উশৃংখল প্ৰজন্মৰ হাৰো বাৰুকৈয়ে হ্ৰাস পাব বুলি আশা কৰিব পাৰি।

সময় আহি একৈশ শতিকাৰ প্ৰথম দশক পাৰ কৰিলে। এই শতিকাত অসম তথা সমগ্ৰ ভাৰতবৰ্ষতে শান্তিৰ কোলাত জনসাধাৰণে সাধাৰণভাৱে জীয়াই থাকিব পৰা নাই। শন্তি-সমৃদ্ধিৰে ভৰা এখন প্ৰগতিশীল সমাজ গঢ়িবৰ কাৰণে নিজকে আত্মোচৰ্গা কৰি এটা নিষ্পেষণযুক্ত সুন্দৰ জীৱন যাপন কৰিবৰ বাবে প্ৰত্যেক গৰাকী নাৰীয়ে উপযুক্ত শিক্ষা লাভ কৰাৰ প্ৰয়োজন আহি পৰিছে। এই সময় ভাৰতীয় নাৰী সকলে সময় উপযোগী ব্যৱহাৰ কৰিলে এখন শান্তিপূৰ্ণ সমাজ ব্যৱস্থাৰ সৃষ্টি হ'ব আৰু নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ উপলব্ধি বাস্তৱত ৰূপায়ন হ'ব বুলি ক'ব পৰা যাব।

"যদি নাৰীক বিকাশৰ পথত বিপথে
পৰিচালিত কৰা নহলহেতেন, যদি নাৰীৰ
কৰ্তব্য কেৱল ৰক্ষিতা, মাতৃ, ঘৰ ৰাখোতা
হিচাপে সীমিত কৰা নহ'লহেতেন,
যদি নাৰীক বিশাল জনসাধাৰণৰ
সাংস্কৃতিক আৰু ৰাজনৈতিক
কামৰ পৰা আতৰাই সংকীৰ্ণ পৰিসৰত
ৰখা নহ'লহেতেন, সংস্কৃতিদুগুণে
অগ্ৰসৰ হ'লহেতেঁন।"

❖❖❖



মুখামুখি শিতান

# জয়মতীৰ নায়িকা আইদেউ সন্দিকৈৰ সৈতে এখন্তেক

ভদ্রেশ্বৰ ডেকা,
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

অভিনয় মানৱ জীৱনৰ এটা মধুৰ কৰ্ম। এই অভিনয়ে কেতিয়াবা কেতিয়াবা একোজন সাধাৰণ অখ্যাত লোককো নাট্য জগতত বিখ্যাত শিল্পী কৰি তোলে। আকৌ কেতিয়াবা একো গৰাকী শিল্পীয়ে অভিনয়ৰ জৰিয়তে জীৱনৰ পাতনি মেলি নাট্য কলাৰ মঞ্চৰ পৰা ৰূপালী পৰ্দ্দালৈকে খোজ পেলাই ওৰে জীৱন অভিনয়ৰ সৈতে ওতপোতঃ সম্পৰ্ক ৰাখিও বাতৰি কাকতৰ পৃষ্ঠা দখল কৰাৰ পৰা বস্তুত আৰত থাকিব লগা হয়। কাৰণ তেওঁৰ অভিনয়ত কলা কৌশলবোৰ হয়তো আনতকৈ উন্নত হোৱা কলামোদী দৰ্শকৰ চকুত ধৰা নপৰিবও পাৰে। আনফালে কাৰোবাৰ ভাগ্যত এবাৰেই মাথোন অভিনয় কৰি মঞ্চত ঠেৰো-গেৰোকৈ উঠি খ্যাতি আজিও সিমানতে চিৰদিনৰ বাবে অভিনয় জীৱনৰ পৰা আতৰি থাকিব লগা দৃষ্টান্তও আমাৰ মাজত পোৱা যায়। অভিনয়ৰ আৰম্ভণীতে ৰূপালী পৰ্দ্দাত খোজ পেলাই সমাজৰ জাত বিভেদৰ মাজত পৰি নাৰীৰ উচ্চ শিক্ষা অহৰণৰ পৰিবৰ্তে মান-সন্মান, মৰম-স্নেহৰ পৰা বঞ্চিত, অৱহেলিত হৈ ভৰ যৌৱনকো দূৰলৈ ঠেলি দি চিৰকুমাৰী জীৱনৰ ব্ৰত ধৰি জীয়াই থকাৰ কাহিনীকে এই লেখাৰ মাজেৰে কবলৈ প্ৰয়াস কৰিছোঁ। এই নাৰী গৰাকীয়ে হ'ল অসমৰ প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ৰ মূল নীয়িকা জয়মতী কুঁৱৰীৰ ভাওত অভিনয় কৰি চিৰস্মৰণীয় হোৱা শ্ৰীমতী আইদেউ সন্দিকৈ। শ্ৰীমতী আইদেউ সন্দিকৈৰ ঘৰ বৰ্তমানৰ গোলাঘাট জিলাৰ কমাৰ গাঁৱৰ ওচৰৰ পানীদি হিঙীয়াত। আইদেউ সন্দিকৈৰ জন্ম হয় ১৯১৫ চনৰ চত মাহত। পিতা নীলাম্বৰ সন্দিকৈ আৰু মা লক্ষী সন্দিকৈ। পিতৃ নীলাম্বৰ সন্দিকৈ সেই সময়ৰ শিক্ষিত লোক আছিল। আমাৰ জয়মতীৰ নায়িকা মনোমোহা গাভৰুজনী এতিয়া আইতা হৈ জীয়াই থাকি জয়মতীৰ সাক্ষী হৈ আছে।

ইংৰাজী ১৯৩৫ চনৰ ১০ মাৰ্চ। অসমৰ জাতীয় সাহিত্যৰ বুৰঞ্জী পাতত এটি চিৰস্মৰণীয় দিন হৈ পৰিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা কলা-সংস্কৃতিৰ পথাৰত অসমৰ আহোম স্বৰ্গদেউ এগৰাকীৰ ৰাজত্বৰ কালত ঘটি যোৱা ঐতিহাসিক ঘটনাক কেন্দ্ৰ কৰি জন্ম দিলে জাতীয় মাত কথাৰে "জয়মতী" নামৰ কথাছবি এখন কথা ছবি হিচাবে জ্যোতিপ্ৰসাদ আগৰৱালাৰ জয়মতী ছবিয়ে ভাৰতৰ চলচিত্ৰৰ ইতিহাসত এক সুকীয়া স্থান লাভ কৰে। আইতা আইদেউ সন্দিকৈয়ে এই ছবি খনৰ মূল চৰিত্ৰ জয়মতীৰ ভাওত অভিনয় কৰি প্ৰথম অসমীয়া ছবি খনক এক উচ্চ আসনত বহুৱাই জ্যোতি প্ৰসাদৰ শিল্পক যেন সন্মান সাচিলে। ইয়াৰ লগে লগে অসমীয়া বোলছবিৰ ইতিহাসত জয়মতী ছবিৰ দশকিক নায়িকা আইদেউৰ গাভৰু জীয়াৰীয়ে কলা-সংস্কৃতিৰ জ্ঞান, নৃত্য, বাদ্য, সঙ্গীত, অভিনয় কি বুজি নাপাইছিল। এনেকি কোনোদিনে সেইবোৰত অংশ গ্ৰহণ কৰিবলৈকে সুবিধা নোপোৱা স্বত্বেও অভিনয়ত কেনেকৈ সোমাই পৰিব লগা হৈছিল তাৰ এক আচৰিত কাহিনীও সন্দিকৈয়ে অকণমান হাঁহিমাৰি এনেদৰে কলে— "এদিনাখন হঠাতে মোমাইদেৱে গমাৰি ঘাটৰ জাহাজ দেখুৱাব বুলি মোক লগ ধৰাত আমি দুয়ো ওলাই গ'লো মামাৰ লগত। জাহাজেৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ তেজপুৰ উঠিলো। তাৰ পাছত জ্যোতি প্ৰসাদৰ বোলছবিৰ ঘৰত সোমাই পৰিলো।" জ্যোতি প্ৰসাদৰ সৈতে মোমায়েকে আইদেউক চিনাকি কৰি দিয়াত অভিনয়ৰ বাবে তালৈ নিয়াৰ উদ্দেশ্য তেতিয়াহে আইদেউ সন্দিকৈয়ে বুজিব পাৰিলে। কলাইহে কলাক সন্মান যাচে। ইংৰাজী সাহিত্যত পোৱা Art for Art's Sake বোলা কথাষাৰৰ সত্যতা নোহোৱা নহয়। প্ৰকৃততে আইতা আইদেউ সন্দিকৈৰ গাতহে অভিনয়ৰ সচাঁ কলা ৰূপটি জ্যোতিয়ে দেখিবলৈ পালে। সেয়ে জ্যোতি প্ৰসাদেও এই গৰাকী গাভৰুক লগ পাই নিজে প্ৰস্তুত কৰা বোলছবি খনৰ কাহিনীৰ জয়মতী কুঁৱৰীৰ মূল চৰিত্ৰটিত অভিনয় সুন্দৰ কৰি তুলিবলৈ নিজে শাৰী শাৰীকৈ সজাই লোৱা জুপুৰী ঘৰবোৰত দিলে নিশাই 'জয়মতী' ছবিৰ আখৰাত মগ্ন হৈ পৰিল। আইদেউ সন্দিকৈয়ে এগৰাকী পত্নীৰ (জয়মতী) চৰিত্ৰত মাত-কথা, চাল-চলন সজোৱা, খোজ-কাটল সহ সাজ-পাৰ সকলোবোৰ বহু কষ্টেৰে শিকিব লগাত পৰিছিল। পৰিচালক জ্যোতিপ্ৰসাদে দুদিনিয়া চিনাকিৰে লাজকুৰীয়া গাভৰু আইদেউক

হাতে-কামে লাগি অভিনয়ৰ বাবে বহুত কষ্ট কৰি শিকাই-বুজাই লৈছিল।

জয়মতী'ৰ গদাপাণিৰ ভাওত অভিনয় কৰিছিল গোলাঘাটৰ প্ৰয়াত ফুনু বৰুৱাই। এওঁৰে সৈতে আইদেউ সন্দিকৈয়ে অভিনয় কৰা স্বামী স্ত্ৰীৰ চৰিত্ৰ দুটি ছবি খনৰ এক উল্লেখযোগ্য চৰিত্ৰ। গদাপাণি ৰূপী ফুনু বৰুৱাৰ অভিনয়ত ছবিৰ নায়িকা কুঁৱৰী জয়মতীৰ ৰূপত আইদেউৱে নিজৰ দুখ-দুৰ্গতি তথা দেশৰ অৰাজকতাৰ বিষয়ে প্ৰকাশ কৰোতে হৃদয় জয় কৰাৰ মধুৰ সংলাপত 'বঙহৰ দেউ' বুলি উচ্চাৰণ কৰিছিল। এই 'বঙহৰ দেউ' বোলা শব্দটিয়ে আইদেউৰ জীৱনত কাল হৈ পৰিল। যাৰ বাবে আইদেউ সন্দিকৈ আজীৱন চিৰকুমাৰী হৈ আজিলৈকে জীয়াই আছে। এনেকি সমাজৰ পৰা মৰম-স্নেহ পাবলৈও বঞ্চিত হ'ল। তাৰ হয়তো কৰুণ বেদনা 'জয়মতী' ছবি ছোৱাৰ সময়ত দৰ্শকসকলে বুজিব নোৱাৰিলে। চাঁওদাং বৰুৱাৰ সহ কৰ্ম্মী আৰু লালুক সোলাৰ সোহাত স্বৰূপ গাঁঠি হাজৰিকাৰ ভাওত অভিনয় কৰিছিল জ্যোতি প্ৰসাদৰ মনে ৰছা মৰমৰ শিল্পী ফণী শৰ্মাই (বলিন)। এই গৰাকী শিল্পীয়ে পিছত 'নটসূৰ্য্য' উপাধিৰে অসমৰ নাট্য জগতত অলংকৃত হয়। গাঁঠি হাজৰিকাৰূপী ফণী শৰ্মাই জেৰেঙাৰ পথাৰত জয়মতীক শাস্তি দিয়া দৃশ্য আখৰা গৃহত জয়মতীৰ ভাৰৰীয়া আইদেউক সচাঁকৈয়ে কোবাই মাটিত বগৰাই দিছিল। যাৰ ফলত আইদেউৱে গাৰ বিষত ১০/১২ দিনমান আখৰা কৰাৰ পৰা আতৰি থকিব লগা হৈছিল। এই চামতাৰ কোবৰ বিষৰ শুশ্ৰষাও কৰিছিল পৰিচালক জ্যোতি প্ৰসাদৰ খুৰীয়েক দুগৰাকীয়ে। জ্যোতিৰ এই খুৰীয়েক দুগৰাকী আইদেউৰ দেউতাক নীলাম্বৰ মন্দিকৈৰ স্কুলীয়া বান্ধৱী আছিল বুলি খুৰীয়েকহঁতৰ পৰাই জানিব পাৰিছিল। গাঁঠি হাজৰিকাৰূপী ফণী শৰ্মাৰ চামতাৰ কোবৰ কথা আইতা গৰাকীয়ে আজিও পিঠিৰ ফালে দেখুৱাই চিনেমাৰ সোৱাদৰ কথা প্ৰকাশ কৰে। এই চমতাৰ কোবৰ বিষেই আইতাক এতিয়াও মাজে-সময়ে জুৰুলা কৰি থকাৰ কথা কয়।

এই গৰাকী মহিয়সী অভিনেত্ৰী আইতাৰ মনৰ কথা লবলৈ কেইবছৰ মান আগতে বহাগৰ এটি পৰত বহুদিনীয়া আশাৰে ওলাইছিলোঁ আইদেউৰ বাসস্থান দেৰগাঁৱৰ ওচৰত কমাৰ গাঁৱৰ পানীদিহিঙীয়াৰ ঘৰত। সময় তেতিয়া বিয়লি ৩ বাজি গৈছিল। গুৱাহাটী তিনিচুকীয়া ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিতে আইতাহঁতৰ ঘৰ। আইতা গৰাকীৰ ঘৰ সম্পৰ্কে বাটৰুৱা দুজনমানক সুধি-পুচি লৈ চোতাল পালো। চোতাল খনত ল'ৰা এজনক পাই মোৰ আগমনৰ কথা কোৱাত ল'ৰাজনে ভিতৰলৈ গৈ জনালে। কিছু সময়ৰ পিছতে ভিতৰৰ পৰা এগৰাকী মহিলা ওলাই আহিল। মোৰ পৰিচয় ললে- - জনালোঁ। মহিলা গৰাকীয়েও নিজৰ পৰিচয় দিলে। তেওঁ আইতাদেউৰ ভাইবোৱাৰী। কোঠা এটাত বহিবলৈ দি তেখেতে অইন এটা ঘৰৰ কোঠাৰ পৰা আইদেউ সন্দিকৈক মাতি দিলে। মোক বহিব দিয়া কোঠাটিত মই বহি থাকিয়েই চোতালৰ ফালে চাই আছিলো আইতা অহালৈ। এনেতে মই বহা কোঠাৰ পৰা চাওঁতে আইতা নিজৰ কোঠাৰ পৰা ওলাই আহি চোতালত ভৰি দিয়া দেখা মাত্ৰেই তবধ মানিলো। পকা চুলি একোঁচাৰে সাধাৰণ বগা সাজেৰে দুডাল লাখুটিত ভৰ দি নিজে খোজ কাঢ়ি মোৰ কোঠালৈ আহিব ধৰিছে। আইতাৰ তেনে অৱস্থা দেখি মই অলপ উঠি গৈ আইতাক ধৰিব বিছৰাত আইতাই বাধা দি বেজাৰেৰে ক'লে– "আজি ধৰিলে কি হব, জীয়াই থকা দিন কেইটা এনেদৰেই চলিব লাগিব।" লাহে লাহে তেওঁ চোতালৰ সন্মুখৰ বাৰাণ্ডা খনত থকা বেতৰ চকী এখনত বহি ললে। মোৰ পৰিচয় লোৱাত মোৰ পৰিচয় আৰু আগমনৰ কথা কৈ সেৱা এটি কৰি আলোচনাৰ বাবে কাষৰ চকী এখনত বহি ললো। আইদেউ আইতাক দেখাৰ লগে লগে মোৰ মনত ভাবৰ উদয় হ'ল যে– এই গৰাকী নাৰীয়ে অসমৰ প্ৰথম অসমীয়া ছবি 'জয়মতী'ৰ নায়িকাৰূপে অভিনয় কৰি আজিও আমাৰ মাজত ছবি জগতৰ সাক্ষী হৈ জীয়াই আছে। বয়সে ভাটি দিছে, অথচ মুখৰ মাতৰ অকনো লৰচৰ হোৱা নাই। সুন্দৰ মিঠা মাত। কথা-বতৰাত এটা সাংস্কৃতিক আৰ্ট থকা যেন অনুভৱ কৰিলো। সচাঁকৈয়ে আইতা গৰাকীক লগ পাই নিজেই এক প্ৰকাশ কৰিব নোৱাৰা মহাসাগৰৰ লেখিয়া আনন্দ লাভ কৰিছোঁ।

আশীৰ দেওনা গছকা আইতা শ্ৰীমতী আইদেউ সন্দিকৈ ৰুগীয়া হৈ বিছনাখনকে আশ্ৰয় কৰি আছে। ক্ষন্তেকতে উঠা বহা কৰি ফুৰিব নোৱাৰা অৱস্থা হৈছে আইতাৰ। এই গৰাকী নায়িকা আইতা আইদেউৰ সৈতে এখন্তেক বহি তেওঁৰ অভিনয় জীৱনৰ লেৰেলি যোৱা স্মৃতিক সোঁৱৰাই জীৱনৰ বিয়লি বেলাত অকনমান কথা জানিবৰ কৌতুহলেৰে অলপ মুখা-মুখি হলো। আমাৰ এই মুখামুখিৰ কথোপকথন পাঠক পাঠিকাৰ বাবে আগবঢ়ালো।

**প্ৰঃ**— বাৰু আইতা, আপুনি জয়মতী চিনেমাত অভিনয় কৰাৰ আগতে কেতিয়াবা নাচ-গান শিকিছিল নে?

**আইদেউ**- নাই। নাচ-গানৰ প্ৰতি মোৰ ভাবো নাছিল।

**প্ৰঃ**— জয়মতী নামৰ সময়ত আপোনাৰ বয়স তেতিয়া কিমান

হৈছিল।

**আইদেউ**- ১৪/১৫ বছৰমান হৈছিল বোধহয়।

**প্রঃ**-- জ্যোতি প্রসাদৰ 'জয়মতী' ছবি ঘৰলৈ আপুনি ঘৰৰ পৰা মনে মনে গৈছিল নে, জনাকৈ গৈছিল?

**আইদেউ**- মোমাইদেউৱে জাহাজ দেখুৱাৰ কথা কোৱাত তেওঁৰে সৈতে গমাৰিঘাটৰ জাহাজ চাওঁ বুলি মা-দেউতাক কৈ গৈছিলো। ঘাটত জাহাজ দেখুৱাই ..... জাহাজত তুলি সিপাৰ কৰালে। সিপাৰ হৈ যেতিয়া তেজপুৰ পাই জ্যোতিৰ ঘৰ পালো তেতিয়াহে মোৰ ভাব বেলেগ হ'ল আৰু মোমাইদেউৰ পৰা আচল কথা জানিব পাৰিলোঁ।

**প্রঃ**-- জয়মতী'ৰ ছবিৰ জয়মতী'ৰ ভাওত অভিনয় কৰি আপোনৰ কেনে লাগিছিল?

**আইদেউ**- জয়মতী'ৰ ভাওত অভিনয় কৰি সঁচাকৈয়ে মই খুব আনন্দ পাইছিলোঁ। কিন্তু আমাৰ ৰাইজৰ পৰাহে খুব মৰম আৰু সহাৰি নোপোৱাত মনত বেজাৰ পাইছিলোঁ।

**প্রঃ**-- ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আৰু বিষ্ণু ৰাভাৰ মাজত কেনে সম্ভাৱ আছিল।

**আইদেউ**- ভালেই আছিল।

**প্রঃ**-- পৰিচালক জ্যোতি প্রসাদৰ পৰা কেনে ব্যৱহাৰ আপোনালোকে পাইছিল?

**আইদেউ**- আগৰৱালাৰ পৰা সকলো সময়তে আমি মৰম স্নেহ আৰু ভাল ব্যৱহাৰ পাইছিলোঁ। এনেকি তেওঁ নাপিত, ধূবি সকলোকে মৰম স্নেহেৰে আঁকোৱালি লৈছিল।

**প্রঃ**-- জয়মতী'ৰ চুটিং কৰি আহি ঘৰত কি কাম কৰি সময়বোৰ কটাইছিল?

আইদেউ- ঘৰৰ কাম-বনৰ মাজতে সদায় ব্যস্ত আছিলোঁ।

**প্রঃ**-- আপুনি হেনো জয়মতী চিনেমা খনত অভিনয় কৰাৰ বাবে আপোনাৰ গাঁৱৰ মানুহে আপোনাৰ সৈতে কথা-বতৰাও নোকোৱা হ'ল, আনকি পানী আনোতেও পানী অনা দলং খনতো নুঠা হ'ল বুলি আমি জানিব পাৰিছোঁ। এই ক্ষেত্রত আপোনাৰ সৰাকালৰ লগৰীবোৰেও কোনো দিনে মাত-কথা কৰা নাছিল নে?

**আইদেউ**- লগৰবোৰেও কৰা নাছিল। তেওঁলোকে আমাৰ ঘৰলৈকে নহা হ'ল। আনকি নিজৰ মানুহবোৰেও আহিবলৈ এৰি দিলে। মই পুখুৰীৰ পৰা পানী বুৰাই অনাৰ পাছতহে তেওঁলোকে পানী বুৰাই আনিছিল। তেতিয়া মোৰ নিজকে বৰ বেয়া লাগিছিল।

**প্রঃ**-- গাঁঠি হাজৰিকাৰূপী ফণী শৰ্মাই চমতাৰে আপোনাক সঁচাকৈয়ে বেয়াকৈ কোৱাইছিল নে?

**আইদেউ**-ফণী শৰ্মাই সঁচাকৈয়ে কোৱাইছিল। তেওঁৰ মাৰত মই আখৰাৰ মঞ্চতে গ'লো। তেওঁৰ কোবটোও এবাৰহে আছিল। সেই চমতাৰ কোবৰ বিষ আজিলৈকে আছিল। পিছে মই শকতো আছিলো নহয়। হাতভৰি একেবাৰেই ফুলি গৈছিল।

**প্রঃ**-- ফণী শৰ্মাৰ সৈতে আপোনৰ চা-চিনাকি হৈছিল নে?

**আইদেউ**- নাই। তেখেতৰ সৈতে কোনো পৰিচয় নাছিলেই। এনেকি কথা পতাৰো সুযোগ নাছিল। আখৰাতে যি দেখা-দেখি।

**প্রঃ**-- আপোনৰ সৈতে অভিনয় কৰিব পোৱা মোহিনী ৰজকুমাৰী, পদ্মেশ্বৰী গগৈৰ আৰু কাৰোবাক লগ পাইছিল নে?

**আইদেউ**-পাইছিলো। স্বৰ্গজ্যোতি বৰুৱা, ভন্টী বুঢ়াগোঁহাইহঁতকো মোহিনী আৰু পদ্মেশ্বৰীৰ লগত পাই ভাল লাগিছিল।

**প্রঃ**-- মোহিনী ৰাজকুমৰীৰ ঘৰ আপোনাৰ ওচৰৰে মহুৱামুখত নহয়জানো?

আইদেউ- হয়।

**প্রঃ**-- মোহিনী ৰাজকুমাৰী আপোনৰ বয়সৰে নে?

**আইদেউ**- ৰাজকুমাৰী মোৰ মাৰ বয়সৰহে আছিল।

**প্রঃ**-- আপুনি ৰাইজৰ মৰমৰ পৰা বঞ্চিত হৈ চিৰকুমাৰী জীৱন কটাব ললে। তথাপিতো আপোনাৰ প্রতি সঁহাৰি জনাই যোৰহাটৰ এটা সম্ভ্রান্ত পৰিয়ালে আপোনালৈ বিয়াৰ প্রস্তাৱ আগবঢ়োৱাত কেনে পাইছিল আৰু বিয়াৰ প্রস্তৱটো কিয় গ্রহণ নকৰিলে অলপ জানিব পাৰিমনে?

**আইদেউ**-নাই ভাল নালাগিল। মনৰ দুখতে এইবোৰ গ্রহণ নকৰিলো। মোৰ মা-পিতাইয়ো মন নিদিলে। আনকি মা-পিতাইয়ো দুখ নাপালেহৈ যদিহে মোৰ বিয়া হ'লহৈ আৰু ৰাইজৰ পৰা মৰম পালোহৈ।

**প্রঃ**-- আমি জানিব পাৰিছোঁ যে বহু দিনৰ মূৰত আপুনি 'গঙা চিলনিৰ পাখি' নামৰ ছবিখনতো অভিনয় কৰিছিল। কথাষাৰ হয় নে?

**আইদেউ**- হয়। কৰিছিলোঁ।

**প্রঃ**-- ছবি খনৰ কি চৰিত্রত অভিনয় কৰিছিল বাৰু?

আইদেউ- এ, এজনী গাভৰুৰ চৰিত্রত অকণমান সময়ৰ বাবে। পোৱা নোপোৱাটো নামতহে।

**প্রঃ**-- নামত মানে?

**আইদেউ**-কাম অকণমান। ছবি খনত ল'ৰা এজনক চিঠি এখন দি আহিব লাগে, দি আহিছিলোঁ। বোপা ইমানেই দেই।

**প্ৰঃ**— অসম চৰকাৰৰ পৰা কোনো সাহাৰ্য্য পাইছেনে?

**আইদেউ**- দহ হাজাৰ টকাৰ এটি সাহাৰ্য্য ১৯৯২ চনত পাইছোঁ। টকাখিনি পোৱাত বৰ কষ্ঠ হ'ল।

**প্ৰঃ**— আইতা, আপুনি অভিনয় কৰা 'জয়মতী' ছবিখন আপোনৰ চোতালত আজি কেইবছৰ মান আগতেহে চাবলৈ সুযোগ এটি পাইছিল। বাৰু, ছবিখন চোৱাৰ সময়ত আপোনাৰ কেনেকুৱা লাগিছিল?

**আইদেউ**- ছবিখন চাই ভালেই লাগিছিল। ছবিখনত নিজৰ ভূমিকা দেখি মোৰ ভাল নালাগিল। এতিয়া তোমাৰ সৈতে যিদৰে কথা পাতিছো তেনেই লাগিছিল।

**প্ৰঃ**— আপোনৰ এটা সাক্ষাৎকাৰৰ পৰা আমি জানিব পাওঁ যে আপোনলোক গোলাঘাটৰহে আছিল, নহয় জানো?

**আইদেউ**- হয়।

**প্ৰঃ**— তেতিয়া হ'লে আপোনৰ পঢ়া-শুনাত নিশ্চয় গোলাঘাটতে আৰম্ভ কৰিছিল?

**আইদেউ**- পঢ়-শুনা কৰিব নাজানিছিলোঁ। চিনেমা কৰি আহিহে ঘৰতে অলপ অ-আ, ক-খ খন শিকিছিলোঁ। ৰাজেন বৰুৱাই শিকাইছিল।

**প্ৰঃ**— বৰ্তমান এই ঘৰমাটি আপোনাৰ মামাহঁতৰ বুলি শুনিছো, হয়নে?

**আইদেউ**- হয়। দেউতাক মামাহঁতৰ ককাইদেউতাই মৌজা চলাবলৈ ইয়ালৈ আনে আৰু তেতিয়াৰে পৰা ইয়াতে থাকিবলৈ লয়।

**প্ৰঃ**— আইতা, আপোনৰ জীৱনত যি সংঘাট হ'ল তাৰ বাবে আপুনি কাৰোবাক কেতিয়াবা দায়ী কৰিব বিচাৰে নেকি? আৰু এই সম্পৰ্কে আপোনাৰ মনলৈ চিন্তা নাহেনে?

আইদেউ- নাই। এইবোৰৰ প্ৰতি মোৰ কোনো চিন্তা নাই।

**প্ৰঃ**— আইতা, আপোনাৰ সৈতে বহু সময় ধৰি কথা পাতিলো, আপোনাৰ অভিনয় জীৱনকলৈ। এতিয়া কওকচোন আপোনাৰ শৰীৰ কেনে আছে?

**আইদেউ**-আঠুৰ ওপৰৰ পৰা কৰঙলৈকে বিষ। খোজ কাঢ়োতে বৰকৈ বিষাই। সোঁফালটো বেছি। ৰাতি হ'লে কাতি কৰি শুবলৈকে বৰ টান পাওঁ।

**প্ৰঃ**— এই অসুখ হ'বৰ কিমান দিন হ'ল?

**আইদেউ**- ছবছৰ মান হ'ল। লাখুটি নহলে চলিবকে নোৱাৰো।

প্ৰঃ— চকুৰ দৃষ্টি?

**আইদেউ**- ভালে আছো।

**প্ৰঃ**— আইতা, আপুনি এনেকুৱা এটা দিনৰ কথা কওক যিটো আপোনাৰ জীৱনৰ চিৰস্মৰণীয় হৈ আজিও আছে?

**আইদেউ**- তেতিয়া ভাল লগা নাছিল, মানে 'জয়মতী' ছবি কৰি আহি। কিন্তু এতিয়া ভাল লাগিল মনটো। যিদিনা খন আমাৰ চোতালত ছবি খন চাবলৈ পালো। সেইদিনাহে ভাবিছিলো যে আচলতে মই বেয়া কাম কৰা নাই— ভালহে কৰিছোঁ। ছবিখন দেখাৰ পৰাহে নিজকে অলপ দোষমুক্ত যেন লাগিছে। যিহেতু ৰাইজে জাকে জাকে ছবিখন চাইছে।

আইদেউ সন্দিকৈৰ জন্ম হয় গোলাঘাটত। পিতা নীলাম্বৰ সন্দিকৈ আৰু মাতৃ লক্ষী সন্দিকৈৰ চাৰিটা সন্তানৰ ভিতৰত আইদেউ হ'ল প্ৰথম সন্তান। তিনিজন ভায়েকৰ মাজত আইদেউ ডাঙৰ হোৱা বাবে পৰিয়ালৰ সকলোৰে বৰ মৰমৰ হৈ পৰিছিল। আইদেউৰ তলৰ ভায়েক কেশৱ সন্দিকৈ অবিবাহিত হৈ বহু দিন আগতে ঢুকাল। কেশৱ সন্দিকৈৰ তলৰ ভায়েক জয় চন্দ্ৰ আৰু মইনা সন্দিকৈৰ দুই ভায়েকৰ বোৱাৰী সহ-ভতিজাবোৱাৰী পুত্ৰ-কন্যাৰে ভৰা এটি পৰিয়ালত মৰমৰ বান্ধোনেৰে গাভৰু জীৱনৰ পৰা আজিৰ বৃদ্ধা জীৱনলৈকে হাঁহি-মাতি সম্প্ৰতি জীয়াই আছে। বৰ্ত্তমানে আইতা আইদেউ গৰাকীয়ে দুটিমান অসুখত ভুগি বিছনাতে পৰি থাকিব লগা হৈছে। মানুহ গলে আইতাই নিজৰ কোঠালীৰ পৰা গাতে লগা কোঠালীলৈকে লাখুটিত ভৰ দি ওলাই আহি মানুহৰ সৈতে বহি মেলি এঘন্টা-দুঘন্টালৈকে হাঁহি-মাতি নিজৰ এৰি অহা জীৱনক ৰোমান্থন কৰি আলোচনাত মগ্ন হৈছিল। কিন্তু এতিয়া নোৱৰা হৈছে। আইতাই বেজাৰ নাপায়। বৰঞ্চ মানুহ গলে কথা-বতৰা পাতিলে আনন্দ পায় বুলিহে হাঁহি মাৰি জনায়। অসম চৰকাৰৰ পৰা পোৱা টকাৰে নিজৰ চিকিৎসা চলাই থকাৰ কথা জনায়। এই গৰাকী অসমীয়া নাৰীক এতিয়াহে বুজা হ'ল— এগৰাকী সৎ নিষ্ঠাবান সাহসী শতিকাটোৰ মহীয়সী নাৰী হিচাবে। সৌ সিদিনালৈকে নিজে অভিনয় কৰা ছবিখনকে চোৱাৰ পৰা আতৰি আছিল। আজি কেইবছৰ মান আগতে দুজনমান গুণমুগ্ধ ডেকা-সাংকৃতিক সাহিত্যিকৰ যত্নতে আইদেউৰে নিজৰ চোতালতে ছবিখন চাই পৰম তৃপ্তি লাভ কৰাৰ কথা এই লেখকক হাঁহি মাৰি বৰ

আনন্দেৰে কৈছিল। আমাৰ অনাতাৰ বিভাগবোৰ আইদেউৰ সাক্ষাৎকাৰ লৈ প্ৰচাৰ কৰিলে নতুন শিল্পীৰ বাবে প্ৰেৰণাদায়ক নিশ্চয় হব। অৱশ্যে আইদেউৰ এটি সাক্ষাৎকাৰ এবাৰ গুৱাহাটী দুৰদৰ্শন যোগে প্ৰচাৰ কৰাত অসমৰ দৰ্শকে 'জয়মতী'ৰ নায়িকা গৰাকীক নিজ চকুৰে দূৰদৰ্শনৰ পৰ্দ্দাত দেখাৰ সৌভাগ্য ঘটিছিল।

জয়মতীৰ নিচিনা এখন বলিষ্ঠ ইতিহাস প্ৰসিদ্ধ বোলছবিত অভিনয় কৰা এই গৰাকী অভিনেত্ৰীক খ্যাতিৰ চিন স্বৰূপে অসমৰ কেইটিমান মহিলা অনুষ্ঠানে মৰমেৰে কোলাত তুলি ৰাজহুৱাভাবে সৌ সিদিনাহে সন্মান যচাঁ কেইখনমান সম্বৰ্দ্ধনা পত্ৰ আইদেউৰ ঘৰত যতনাই থোৱা দেখিবলৈ পোৱা গ'ল। এই অনুষ্ঠান কেইটি হ'ল-- যোৰহাট লেখিকা সন্থা,. সদৌ বোকাখাত লেখিকা সন্থা, অসম মহিলা লেখিকা সন্থা, ৰাজগড় জ্ঞানোদয় সংঘ, ডিব্ৰুগড় আৰু কমাৰ গাওঁ লেখিকা সমাৰোহ সমিতি। এই সম্বৰ্দ্ধনাবোৰৰ সৈতে কেইখনমান শৰাই, ফুলাম গামোছা আইতাহঁতৰ ড্ৰয়িং ৰুমত সুন্দৰভাবে সজাই থোৱা আছে। উক্ত অনুষ্ঠান সমূহৰ নাৰী সমাজে আইতাক জীৱনৰ বিয়লি বেলাত হলেও অকনমান শান্তিৰ কোলাত আশ্ৰয় দি সুখী কৰিছে বুলি ক'ব পাৰি। লগতে সেই অনুষ্ঠানবোৰৰ সদস্য সকলো শলাগৰ পাত্ৰ হৈ পৰিল।

জ্যোতি প্ৰসাদ আগৰৱালাৰ জয়মতী ছবিয়ে অসমৰ সাংস্কৃতিক জগত খনক ভাৰতবৰ্ষৰ শিল্প কলা তথা বিশ্বৰ শিল্প কলাৰ সৈতে চিনাকি কৰি এটি সাংস্কৃতিক যুগৰ সুচনা কৰিলে। জয়মতী ছবিৰ নাম ভূমিকাত আইতা আইদেউৰ লগতে যি কেইগৰাকী অসমীয়া নাৰীয়ে সমাজৰ কটু কথা আওকান কৰি অভিনয় কৰি যি বলিষ্ট পদক্ষেপ লৈ অৱদান আগবঢ়ালে তাক কেতিয়াও পাহৰিব নোৱাৰি। সি চিৰস্মৰণীয় হৈ ৰব। সেই সকল মহীয়সী নাৰী আমাৰ চিৰনমস্য হৈ ৰওক। এই খিনিতে উল্লেখ কৰা হ'ল যে– "আইদেউ সন্দিকৈ" ৰ ওপৰত এখনি তথ্যচিত্ৰ নিৰ্মাণ কৰিব ওলো বাতৰি ইতিমধ্যে অসমৰ সংবাদ পত্ৰত প্ৰচাৰ হবৰ আজি তিনি / চাৰি বছৰ মান হ'ল– ই শুভ লক্ষণ। তথ্যচিত্ৰখনৰ পৰিচালনাৰ কাম প্ৰবীন সাংবাদিক প্ৰবীত্ৰ কুমাৰ ডেকাই লোৱা বুলি জানিব পাৰি আমি আনন্দ লাভ কৰিছোঁ। শ্ৰীডেকাৰ এনে পদক্ষেপ অসমৰ চলচিত্ৰ ইতিহাসৰ বাবে মহান অৱদান হব। আমি আশা কৰিছোঁ আইদেউ সন্দিকৈৰ দৰে প্ৰতিভাময়ী নাৰীৰ অসমৰ মাটিত জন্ম দি অসমৰ সাহিত্য সংস্কৃতিক বিশ্বৰ মঞ্চত মহিয়ান কৰি তোলক। যোৱা ১৯৯৮ চনত আইদেউ সন্দিকৈক ইষ্টাৰ বটা প্ৰদান কৰি এখন মান পত্ৰ সহ দহ হাজাৰ টকা আগবঢ়ায়। আমি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ যাতে এই গৰাকী প্ৰতিভাময়ী অভিনেত্ৰী আইদেউক ৰোগ মুক্ত কৰি তোলে।

❖❖❖

*<u>বিঃ দ্ৰঃ</u>– (এই গৰাকী আইতাক আমি লগ পোৱাৰ ভালেমান বছৰৰ পিছত ২০০২ চনৰ ১৭ ডিছেম্বৰ তাৰিখে ৰাতিপুৱা নিজ ঘৰতে চিৰদিনৰ বাবে জীৱন নাটৰ সামৰণি মাৰে। উক্ত লেখাটি অসমৰ মাহেকীয়া আলোচনী 'স্বৰূপা'ৰ ২০০০ চনৰ ডিছেম্বৰৰ সংখ্যাত প্ৰকাশ কৰা হয়।)*

কথা শিল্প

# এযোৰ খাৰুৰ বাবে

ৰেজেক আলি
সহকাৰী অধ্যাপক, আৰবিক বিভাগ

ঘৰখনত হঠাৎ হুৱা-দুৱা লাগিল। আলমীৰা, বাকচ, ব্ৰীফ্‌কেচবোৰত পিত-পিতকৈ বিচাৰিলে— নাই। খাৰু যোৰ কোনোবাই নিচে ছাগে- নহ'লেনো আৰু বাকচৰ পৰা খাৰুযোৰ কোনে নিব। এই কেইদিনত বাহিৰা মানুহৰ অহা-যোৱাও তেনেকুৱা নাছিল। কথাষাৰ দীনাৰ ঘৈণীয়েক নীৰুৱে বিৰক্তি আৰু হতাশা মিহলি সুৰেৰে ক'লে। নীৰুৰ হতাশা আৰু বিৰক্তি লগাৰ— কিছু যুক্তি নথকা নহয়। কাইলৈ সৰু ভন্টি মীৰাৰ বিয়া। বিয়ালৈ যোৱাৰ বাবে প্ৰায়বোৰ বস্তু ঠিক ঠাক কৰি লৈছে। বিয়াত পিন্ধাৰ বাবে প্ৰয়োজনীয় কাপোৰবোৰ ভেনিটি বেগ, মানিবেগ. নিজৰ বাবে প্ৰসাধনৰ যাৱতীয় Cosmetic সামগ্ৰীবোৰ ভাগে ভাগে ডাঙৰ ব্ৰিফ্‌কেচটোত সামৰি লৈছে। মাকে দিয়া খাৰু যোৰ নেপাই তাইৰ মনটো দুখতে ভাঙি পৰিছে।

দীনা অফিচৰ পৰা আজি সোনকালে ঘৰলৈ আহিছে। ঘৰখনত যেন কিবা গোমা-গোমা পৰিৱেশ এটাই বিৰাজ কৰিছে। নিৰ্জন নহয় যদিও নীৰৱ নীৰৱ লাগিছে। এনেতে সৰু মাইনা চম্পা দৌৰি আহি খবৰ দিলে দেউতা খাৰু......খাৰুযোৰ কোনোবাই চোৰ কৰি নিছে। দীনাই কিছু সময়ৰ বাবে মনত সাধাৰণ অস্বস্তি অনুভৱ কৰিলেও খাৰুযোৰ যে হেৰুৱা নাই এই কথা তেওঁ ভালকৈ জানে। বিচনাৰ এটা চুকত নীৰুৱে মনে মনে বহি আছিল। দীনাই - নীৰুলৈ চাই লাহেকৈ ক'লে— হেৰা খাৰুযোৰ হেৰুৱা নাই তুমি ইয়াক ওভতাই পাবা নিশ্চয়।

খাৰু যোৰ নীৰুৰ বিয়াৰ সময়ত মাকে উপহাৰ দিছিল। ঘৰ খনত ডাঙৰ ছোৱালী হোৱা বাবে মাকে মৰমতে নিজেই গঢ়াই দিছিল। মাকে দিয়া বাবে খাৰু যোৰ তাই কম ব্যৱহাৰ কৰিছিল। মাকৰ ঘৰৰ পৰা অনা বস্তুৰ বেলেগ এটা আমেজ আছে, তৃপ্তি আছে। নীৰুৱে আবেগ অনুভূতি আৰু খং মিহলিৰ সুৰে দীনালৈ চাই ক'লে, খাৰু যোৰ দীপাৰ বাহিৰে কোনে নিব? তাইৰ বাহিৰে ঘৰখনত আৰু কোন আছে। তাইৰ যে হাতলৰ স্বভাৱ আছে এই কথা মই আগৰে পৰাই জানো। আপুনি দীপাক খুব বিশ্বাস কৰে, তাই আজি



কি ডাঙৰ কাণ্ডটো কৰিলে। সেই কাৰণে মই কৈ থাকো নহয়, এই বিধৱা জনীক বেছি বিশ্বাস কৰিব নেলাগে।

দীপা আছিল দীনা ৰামৰ ঘৰৰ বন কৰা এজনী বিধৱা মহিলা। সংসাৰত কেও কিছু নথকা প্ৰায় দহ বছৰ ধৰি দীনা ৰামৰ ঘৰৰ যাৱতীয় কামবোৰ নিয়াৰিকৈ কৰি যায়। দীনা ৰামৰ ঘৰত কাম কৰি মাহেকত কিবা এটা মজুৰি লৈ ল'ৰাটোৰ পঢ়া শুনাৰ খৰছটো কোনোমতে উলিয়াই। ইয়াৰ উপৰিও আজৰি সময়ত ওচৰৰ আন এঘৰৰ বাচন ধুই, কাপোৰ ধুই দু পইছা অৰ্জন কৰে। দীপাই আজি উপলব্ধি কৰিছে। জীৱনটো এনেকুৱাই, পৃথিৱীত কোনো সুখী নহয়। কপালৰ সেন্দুৰৰ ফোটটো যোৱাৰ লগে লগে মোৰ সকলো শেষ হৈ যোৱা নাই। জয়-পৰাজয়, হৰা-জিকা মানুহৰ জীৱনত আছেই। জীৱনটো হ'ল অদৃষ্টৰ পৰিহাস, এটা ডাঙৰ ৰহস্য মাথোঁন। অতীতক পাহৰি জীয়াই থকাৰ বাবে মাদকতাবোৰ বিচাৰিব লাগিব।

ঘৰখন মুচি বাচন কেইটা ধুবৰ কাৰণে যাব লৈছে মাথোঁন-

- এনেতে নীৰুৱে খং মিশ্ৰিত গদ-গদ মাতেৰে দীপালৈ চাই ক'লে--- দীপা বাকচৰ পৰা খাৰুযোৰ কোনে নিলে। দীপাই লাহেকৈ ক'লে--- মই নিয়া নাই বাইদেউ। খং আৰু বিৰক্তি প্ৰকাশ কৰি নীৰুৱে দীপালৈ চাই উত্তৰ দি ক'লে— খাৰুযোৰ তুমিয়েই নিছা। দীপা তুমি এই মুহূৰ্তত আমাৰ ঘৰৰ পৰা ওলাই যোৱা। অবিশ্বাসী আৰু এনে চোৰ স্বভাৱৰ মানুহৰ এইখন ঘৰত থকাৰ কোনো প্ৰয়োজন নাই।

দীপাই মুহূৰ্ততে খুব অশান্তি অনুভৱ কৰি নিজে নিজে প্ৰকাশ কৰিলে যে— স্বামীৰ মৃত্যুৰ যি দুখ পাইছিলোঁ তাতকৈ আজি অন্তৰত বেছি দুখ পাইছোঁ। কথাখিনিয়ে অন্তৰত বৰ আঘাত দিলে। মই আজি চোৰ, অবিশ্বাসী, নাই নাই— এইখন ঘৰত থকাৰ আৰু কোনো প্ৰয়োজন নাই। কথাষাৰ দুই ওঠৰ ভিতৰত আবদ্ধ কৰি দীপাই দীনা ৰামৰ ঘৰৰ পৰা ওলাই যোৱাৰ সীদ্ধান্ত ললে।

খাৰুযোৰ হেৰুৱা প্ৰায় এমাহ হ'ল। বহুতো বিচাৰ খোচাৰ কৰিলে যদিও খাৰুযোৰ পোৱা নগ'ল। খাৰুযোৰ নোপোৱাৰ বেদনাই নীৰুৰ মনত বৰকৈ আঘাত দি আছে। খাৰুযোৰৰ কথা তাই যেন এটা মুহূৰ্তও পাহৰিব পৰা নাই। খাৰুযোৰ হেৰুৱা, দীপা ঘৰখনৰ পৰা ওলাই যোৱা এনেবোৰ কিছু কথা ভাবি থাকোতে কিবা এটা কৰো বুলি নীৰুৱে ওলাইছে মাথোঁন। এনেতে চাইকেলৰ কলিং বেলটো বজাই পিয়নটোয়ে নীলা খামৰ চিঠিখন আগবঢ়াই দি ক'লে--- বাইদেউ এইয়া চিঠি। চিঠিখন হাতত লৈ গম পালে এইয়া নীলিমাৰ চিঠি। চিঠিখন পঢ়ি থাকোতে নীৰুৰ বুকুখন হঠাৎ চিৰিং কৈ উঠিল। এইয়া কি? খাৰুযোৰ নীলিমাই নিছিল। নীলিমা নীৰুৰ ভনীয়েক। তাই বায়েকৰ ঘৰত কেইদিনমানৰ কাৰণে আলহী খাবলৈ আহিছিল। ঘৰলৈ যাওঁতে নিজৰ খাৰু বুলি ভাবি বায়েকৰ খাৰুযোৰকে হাতত পিন্ধি লৈ গৈছিল।

এদিনাখন আবেলি দীনা ৰাম আৰু নীৰু দুয়ো সন্মুখৰ ঘৰটোত বহি কিবা-কিবি কথা পাতি আছিল। এনেতে নীৰুৱে নিজকে যথেষ্ট সংযত কৰি দীনা ৰামৰ ফালে চাই ক'লে— নীলিমাই ভুলতে মোৰ খাৰুযোৰকে পিন্ধি লৈ গৈছিল। দীনা ৰামে কেৱল হুমনিয়াহ এটা কাঢ়ি নীৰুৰ ফালে কেৰাহিকৈ চালে আৰু বৰ বেছি একো ক'বলৈ ইচ্ছা নকৰিলে। হয়, দীপাৰ বিষয়ে মই জানো, তাইৰ ওপৰত মোৰ সম্পূৰ্ণ আস্থা আৰু বিশ্বাস আছে। তাইৰ দ্বাৰা এনে কাৰ্য কোনো দিনেই হোৱা নাই— দীনাৰামে কথাষাৰ নিজৰ ভিতৰত আবদ্ধ কৰি মনে মনে থাকিল।

সৰু জুপুৰীটোত চকী এখনত বহী দীপাই আজি নিৰ্জনতা অনুভৱ কৰিছে। অবিদিত অবাঞ্চিত জীৱনত পোৱা তিক্তত্তাবোৰত তাইযেন আজি এই মুহূৰ্তটো অনুধাৱন কৰিছে। অনাকাংখিত ঘটনাই তাইৰ ভাববোৰ গৰম কৰি তুলিছে। তাইৰ আবেগবোৰ আগতকৈ অলপ বাঢ়িছে। বিগত দিনৰ স্মৰণে তাইক বৰকৈ আমনি দিছে। তথাপিতো তাই জীৱনত জীয়াই থকাৰ মধুৰ সপোন দেখিছে। এনেকুৱাবোৰ কিছু কথা ভাবি থাকোতে বগা ৰংৰ মাৰুতিকাৰ খনৰ ষ্টাৰ্ট বন্ধ কৰি দীনাৰামে দুখোজমান আগবাঢ়ি আহি লাহেকৈ দীপাক মাত লগলে— এইয়া মাৰুতি দীপা, তুমি সোনকালে ওলোৱা। কথাষাৰ সংশয় আৰু সংবেদনশীল মনোভাবেৰে ক'লে দীনাৰামে। দীপা আজি স্তব্ধ বাকৰুদ্ধ শিলৰ মূৰ্ত্তিটোৰ দৰে থিয় হৈ দীনা ৰামৰ মুখলৈ এবাৰ চাই কলে— আপুনি উভতি যাওঁক। আপোনাৰ দীপা আৰু কোনো দিনেই উভতি নাযায়। বেদনাসিক্ত মাতেৰে নিজৰ মাত স্পষ্ট কৰি ক'লে। অৱশ্যে দীপাই কি ক'লে নিজে গমেই নাপালে। কিছু সময়ৰ পাছত মাৰুতিখন দীপাৰ ঘৰৰ পৰা লাহে লাহে ওলাই গ'ল। কিছু দূৰ পাইছে........ এনেতে দীপাই সৰু কেচুৱা এটাৰ দৰে অপলক দৃষ্টিৰে দীনাৰাম যোৱাৰ ফালে চাই থাকিল।

❖❖❖

রম্য ৰচনা

এক মিনিটৰ গল্প

# স্পৰ্শসুখ

জিতেন্দ্ৰ ডেকা
সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

খংটো খিতিংকৈ উঠিল অসমৰ ট্ৰেন্সপৰ্ট কৰ্পোৰেশ্যনলৈ। কিন্তু আচলতে খংটো উঠিব লাগিছিল এই মোৰ কাষতে থিয় হৈ থকা ভিক্ষাৰীটোলৈ যিয়ে মোক এই গাড়ীত বহাৰ পৰা অসুবিধা দি আছে। অকল মোকে নহয় গোটেই কেইজন মানুহকে ই বিব্ৰত কৰিছে। খেদিলেও নাযায়, খুচুৰা নাই বুলি ক'লেও নুশুনে হাতখন জোকাৰি মুখৰ ফালে চাই থাকিব।

এই যেন গোটেই বিৰক্তিৰ কাৰণ অসমৰ ট্ৰেন্সপোৰ্ট বিভাগ। ইহঁতে যেন ঠিকমতে গাড়ীবোৰ চলালে এই বিপত্তিখন নহয়। জোতাৰ গোৰোহাটো দাঙি সামান্যভাৱে এটা আঘাট কৰিলো বাছখনৰ ফ্ল'ৰত যেন মনৰ খংটো অলপ উজাৰি উক্ত বিভাগলৈ ঠেলি দিলো। অৱশ্যে খুব ধীৰে আনে শুনিলে হয়তো পাগল বোলাৰ সূত্ৰ বিচাৰিব।

অহ থেংক গড। অন্ততঃ গাড়ীখন চলিবলৈ ধৰিলে। অলপ আগতে কিনা মটৰৰ পেকেটটোৰ পৰা অৱশিষ্ট মটৰখিনি মুখৰ ভিতৰলৈ দলি মাৰি দি পৰম সন্তুষ্টিত চোবাই চোবাই কাগজখনৰে হাতত লাগি থকা নিমখ, পিয়াজৰ সৰু সৰু দাগবোৰ মচি খিৰিকীৰে বাহিৰলৈ দলি মাৰি দিলো। মোৰ কাষৰ চিটটো খালী আছিল। দুজনীয়া চিটটোত মই অকলেই বহি আছিলোঁ। মুখ ফুটাই নক'লেও অন্তৰৰ গুঢ়ৰ পৰা অন্ততঃ মনে প্ৰাণে কাষত এনে এজন মানুহ কামনা কৰা নাছিলো। বয়স হয়তো পঞ্চাশৰ ওপৰত । হয়তো তাতোকৈ কম। ভিটামিনৰ অভাৱত বয়স দ্ৰুত গতিত ধাৱমান হৈছে। কিবা ভেকেটা ভেকেটা গোন্ধ পাইছিলো। ওপৰৱালাৰ কৃপাত সন্তুষ্ট থাকি বাহিৰলৈ চাই থাকিলো। ইতিমধ্যে গাড়ীখনে বেগ লৈছিল। এই দূৰত ষ্টেট বেংকটো ওচৰলৈ আহি আছে। আৰু ওচৰ। এই পাৰ হ'ল। D C কোৱাৰ্টাৰৰ বিশাল পুখুৰীটো পালো। দিনটোৰ যোগ-বিয়োগৰ হিচাপ কৰোতে কেতিয়া মাছখোৱা পালো গমেই নাপালো। যেন কিবা এটা যন্ত্ৰণাৰ পৰা মুক্তি পালো। কিন্তু বুজি পোৱা নাছিলো কি এই বিৰাট সকাহ। কাষৰ ফালে চালো। নাই মানুহটো উঠি গৈছে। হয়তো মাছখোৱাত নামিছে। ৰক্ষা!

কাষত সুন্দৰ গোন্ধ পায় আৰ চকুৰে চালো। মুখখন নেদেখিলো। মনটো অজানিতে ভাল লাগি গ'ল। অপেক্ষাৰ ফল মিঠাই হয়। মনতে ভাবিলো। অৱশ্যে এতিয়াও মুখখন চোৱাই নাই। কেনেকুৱা বা হ'ব? নিশ্চয় ভালেই হ'ব। গোন্ধটো চাই য়ে ধৰিব পাৰি। কাষত থিয় হৈ থকা ল'ৰাজনৰ ফালে চোৱাৰ চলেৰে দৃষ্টি ঘূৰাই আনোতে চালো ছোৱালীজনীৰ ফালে। অপূৰ্ব, বাঃ ইমান ধুনীয়া। যেন মেনকাহে। গৰ্বেৰে এবাৰ বাছখনৰ ভিতৰতে থকা সন্মুখৰ মানুহখিনিৰ ফালেই চাইছো। হয়তো সিহঁত হিংসাত জ্বলি পুৰি মৰিছে। সিহঁতে চাগে ভাবিছে, সিহতে যদি এনেকুৱা এটা চিটত বহিব পাৰিলেহেঁতেন। কিন্তু হায়, বেছেৰাহঁত, আজি ভগৱান মোৰ ওপৰত সন্তুষ্ট হৈছে। অজানিতে এবাৰ ওপৰত থকা জনৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। বাছখন আহি ভূতনাথ পালে। ইতিমধ্যে মানুহৰ ভিৰো যথেষ্ট হৈছিল। আৰু যিমানে মানুহৰ ভিৰ হৈছিল সুন্দৰীৰ দেহস্পৰ্শও বাঢ়ি গৈছিল। আহঃ ভগৱান আজি সঁচাকৈয়ে মোৰ ওপৰত সন্তুষ্ট। এনেতে এই বিৰাট ভিৰ ঠেলি কণ্ডাক্টৰ আহিল। মই বাওফালৰ বেক পকেটৰ পৰা মানিবেগটো উলিয়াই গাভৰুৰ সন্মুখতে মেলি দহখন পাঁচশটকীয়া আৰু এখন হাজাৰটকীয়াৰ মাজত থকা এশটকীয়া উলিয়াই কণ্ডাক্টৰক দি গপচত কলো আদাবাৰী এজন। কণ্ডাক্টৰে মোক বাকী টকা ঘূৰাই দিলে। গোটেইখিনি মানী বেগত ভৰাই আকৌ আগৰ স্থানত থৈ দিলো মানীবেগ। অৱশ্যে গাড়ী ভাৰা দিবলৈ মোৰ চোলাৰ সন্মুখৰ পকেটত এশ টকা খুচুৰা আছিল কিন্তু নিদিলো। লাইব্ৰেৰীৰ টকাখিনি মোৰ মানিবেগতে থকাত সেইটো খুলি হয়তো ইম্প্ৰেচন

বেঢ়োৱাৰ বাবে পাঁচশটকীয়া উলিয়াই দিলো। দেখিলো গাভৰুৱে দিছে মালিগাওঁলৈ ভাৰা।

গাটো অলপ লৰচৰ কৰি বহিলো। অভ্যাসৰশতভাৱে এবাৰ সোহাতেৰে পিছৰ চুলিখিনিৰ মাজত চাৰিটা আঙুলি সোমাইআৰু পিছলৈ ঠেলি দিলো। দুয়োফালৰ পৰা দুপাৰ পিছৰ চুলিখিনি ঠিক কৰি ল'লো।

ঃ প্লিজ টাইমটো ক'বনে?

কেচিঅ'ৰ পৰা ওলোৱা বাহীৰ মাতৰ নিচিনা গাভৰুৰ কণ্ঠৰ উত্তৰত খুব আগ্ৰহেৰে ক'লো - হোৱাই নট, চিউৰ:... এতিয়া এঘাৰ বাজিছে।

ঃ থেংক ইউ। পুনৰ শুৱলা কণ্ঠ - মেনচন নট। মুৰটো অলপ লৰাই লাহেকৈ ক'লো এটা মিঠা চাৱনিৰে গোটেই মুখমণ্ডল চেলেকী। গাড়ী পূৰ্ণ গতিত গৈ আছে। গাভৰুৱেও যেন ইচ্ছা কৰিয়ে অলপ মোৰ ওচৰলৈ আহিলে। কোনো ধৰণৰ লৰচৰ নকৰিলো। যেন অলপ লৰচৰ কৰিলেই তাই ৰুষ্ঠ হৈ আঁতৰি যায়। চুপচাপ বহি স্পৰ্শসুখৰ আমেজ লৈ বাহিৰৰ ফালে চাই গ'লো।

মালিগাঁৱত আহি গাড়ীখন কেৰেচকৈ ব্ৰেক মাৰি গৈ গ'ল। পুনৰ সুৱলা কণ্ঠ, 'আহিছো দেই....'

অহঃ মন-প্ৰাণ হৰি নিয়া সেই চাৱনি - বাৰু লগ পাম, নিৰ্লজৰ নিচিনা কৈ উঠিলো। এটা ভুৱন বিজয়ী হাহিৰে বিদায় লৈ গাভৰু গাড়ীৰ পৰা নামিল।

গাড়ী চলাৰ পিছতো খিৰিকীৰে বাহিৰলৈ চালো গাড়ী চলাত গাভৰুৱে সোহাতখন লাহেকৈ উঠাই দুই আঙুলি লৰালে। উৎসাহেৰে ময়ো গোটেইখন হাতেৰেই জোকাৰি জনালো বিদায় সম্ভাষণ।

ইমান সময়ে তাই বহি থকা চিটটো দখল কৰিলে এজন আদহীয়া ব্যক্তিয়ে। বিৰক্তিৰে এবাৰ মানুহজনলৈ চাই বাহিৰলৈ মুখ ঘূৰালো। আস... কি আছিল সেইজনী ছোৱালী নে কোনো সৰগৰ অস্পৰা।

গাভৰুৰ সপোন দেখি থাকোতে কেতিয়া আহি আদাবাৰী পালো গমকে নাপালো। গাড়ী এখনৰ বিকট চিঞৰেহে মোক সজাগ কৰি দিলে। এতিয়া হাজোৰ গাড়ী বিচাৰিব লাগিল। লাহেকৈ নামি খোজ ল'লো আদাবাৰীৰ ভিতৰলৈ। আৰে সৌৱা লভিতা নহয়নে। বাহঃ সুন্দৰ। লভিতা আৰু অকলে। যিয়েই নহওক। এনে সুৱৰ্ণ সুযোগ আৰু নাপাম। ইমান দিনৰ মনৰ গোপন কক্ষত সাচি থোৱা প্ৰেম নিবেদন কৰিম। মনতে এবাৰ ভাবিলো কোনটো ফৰ্মুলা Use কৰিম, তাকে ভাৱি ভাৱি আহোতে লভিতাৰ একেবাৰে কাষ পালোৱেই ।

ঃ হাই লভিতা!

ঃ অ হাই । বিৰাজ তুমি ক'ৰ পৰা। আচৰিত হৈ প্ৰশ্ন কৰিলে।

ঃ টিউচনৰ পৰা। আৰু তুমি।

ঃ যোৱাকালিয়েই আহিছোলো জেঠীৰ ঘৰলৈ। আজি যাওঁ। ভালেই হ'ল তোমাক লগ পালো। একেলগে যাব পাৰিম।

ঃ ব'লাসেইফালে চাও তাত হাজোৰ বাছ থাকে। তাতে টিকট লৈ বহি যাম। আদাবাৰীৰ পশ্চিমফালে দেখুৱলাই কলে লভিতাই।

বঢ়িয়া মই ভাৱিলো। গাড়ীত একেলগে বহি যাওতে প্ৰ'প্ৰজ কৰি দিম। কিন্তু শুনিছিলো ছোৱালীবোৰ হেনো খোৱাত খুউব পাকৈত। বেলেগৰ পইচাৰ ওপৰত খাব পালে একেবাৰে খুচ হৈ যায়। তেনেকুৱা এটা উদ্দেশ্যৰেই ক'লো-'ব'লা আগতে কিবা খাই লও।'

ঃ নাই নাখাও এতিয়া।' লাহেকৈ ক'লে তাই।

ঃ একো নহয় বলা না। প্লিজ।

মই জানো প্ৰথমতে সকলো ছোৱালীয়ে না কয়।

ঃ কিন্তু মোৰ হাতত গাড়ীভাৰাৰ বাহিৰে Extra পইচা একেবাৰে নাই। লভিতাই ক'লে।

ঃ অহ Darling তুমি চিন্তা কৰিছা কিয়। যেতিয়ালৈকে মই আছো তোমাৰ পইচাৰ কোনো চিন্তাই নাই। তুমি মোৰ জীৱন। একাপ চাহ বা নাস্তা সৰু বস্তু। মনতে ভাবিলো এনেকৈ কিন্তু প্ৰকাশ নকৰিলো। এইটো সময় নহয় এনে কথা কোৱাৰ। আগতে ভালকৈ খুৱাই লও।

মুখ ফুটাই ক'লো-

ঃ একো নহয় বলানা। অকনমান কিবা খাই লও!

ঃ বাৰু। ইমান জোৰ কৰিছা যেতিয়া ব'লা। অৱশেষত সৈমান হ'ল লভিতা।

নাখাও নাখাও বুলিয়েই এটা লালমোহন, এখন পৰঠা, এটা কচুৰি হজম কৰিলে লভিতাই লগতে অৱশ্যে মইও। লগত দুটা Mirinda ও। মই জানো ছোৱালীবোৰ এনেকুৱাই।

শেষত ৱেটাৰ এটাই বিল দি গ'ল। চালো ডেৰশ টকা হৈছে। কোনো কথা নাই।

টাওত উঠি মেনেজাৰৰ ওচৰলৈ গৈ তাৰপৰা চপ অলপ লৈ মুখত ভৰাই এখন হাতেৰে বিলখন আগবঢ়াই দি আন খন হাতেৰে মানিবেগটো উলিয়াই আনিলো। কিন্তু ই কি? হাতখন খালী। মানিবেগ নাই। কিন্তু মোৰতো খুব ভালকৈয়ে মনত আছে। কণ্ডাক্টৰক পইচা দি মানিবেগটো মই নিজে বেক পকেটত থৈছিলো। তাৰ পিছত আৰু উলিওৱা নাই। তেন্তে কি হ'ল। হঠাতে চি ৰিংকৈ মনত পৰি গ'ল সেই মালিগাঁওত নামা সুন্দৰী মেনকা যেন গাভৰুলৈ।

বিভ্ৰাট দৃষ্টিৰে চালো বাহিৰৰ আকাশৰ ফালে। দূৰৰ পৰা এজাক ক'লা মেঘ আহি আছে সূৰ্যক ঢাকিবলৈ।

❖❖❖



উভতি চাওঁ

# ঢোলত চাপৰ পৰে

ড° ভূপেন হাজৰিকা

"এই ঢোলৰ ওজাবোৰ আজি-কালি পুৰি খাবলৈকে নোহোৱা হ'ল—বিয়াই-বাৰুৰে, সবাহে-উছৱে বেন পাৰ্টিৰ পেনপেননিৰে ভৰিল। আগৰ দিনত ওজাৰ ঢোলৰ ছেৱত গাঁও-ভূই জনজনাই আছিল। 'প্ৰথমে প্ৰণামো আই সৰস্বতী, দ্বিতীয়ে প্ৰণামো হৰি' বুলি ওজাই ৰাগ ধৰে, তাৰ পাছত ছেও বজায়। ঢোলৰ বোলত আখৈ ফুটে, বজাব নোৱৰা শব্দ নাই; মেঘৰ গাজনি, বৰষুণৰ টোপ টোপ, কুকুৰৰ ভুকভুকনি, বাঘৰ হাউৰি ভাল ওজাই পালে ঢোলত অবিকল ফুটাই দিয়ে।

—— বিয়া-বাৰুত ওজাৰ যুঁজ হয় দৰাঘৰীয়া ওজা আৰু কইনাঘৰীয়া ওজাৰ মাজত। পদ আৰু ছেও বজাই ওজাই ওজাই যুদ্ধ কৰে। তাতে কুমন্ত্ৰ কৰি ইটোৱে সিটোক বাণ মাৰে, আকৌ কুমন্ত্ৰ কৰি বাণ কাটে। দীঘল চুলি জোকাৰি আউল-বাউল কৰি ওজাই ছেও বজায়--মাঘমহীয়া জাৰতো কপাল ঘামেৰে একাকাৰ হয়; তথাপি ৰইখা নাই। হাতত প্ৰথমে পানীজোলা ফুটে; তাৰ পাছত পাবত ঘা হয়; ছিৰলী ছিৰলীকৈ হাত ফাটে, ধাৰাসাৰে তেজ ওলায়; ৰাতি পুওৱাৰ সময়লৈ হাত উখহি ভিণ্ডাকাৰ দিয়ে— ঢোল বজোৱাৰ কিন্তু খতি খন নাই। হোম পোৰা শেষ কৰি পদুলিমুখত বৈ থাকোহি— ওজাৰ যুঁজ চলিয়েই থাকে। গাঁৱৰ ৰাইজৰ মান অপমানৰ কথাতো——"

—— বিহুৰ বতৰত এনে মিঠা অসমীয়া ভাষাই চকুলৈ নচ্‌টেলজিক পানী আনে। সু-সাহিত্যক শ্ৰীদেৱেন্দ্ৰ নাথ আচাৰ্যৰ 'অন্য যুগ অন্য পুৰুষ'ত অসমীয়া গাঁৱলীয়া জীৱনৰ ছবি এনে সুন্দৰকৈ অঁকা হৈছে— এনে নিভাঁজ অসমীয়া শব্দৰ ব্যৱহাৰ তেখেতে কৰিছে যে আৰ্হিৰূপে যে এটা অংশ উদ্ধৃতি দিয়াৰ মই লোভ সামৰিব নোৱাৰিলোঁ। যোৱা বছৰটোত মই পঢ়া কিতাপ সমূহৰ ভিতৰত, এই কিতাপ খনিক অসমীয়া সাহিত্যৰ অন্য এক অনন্য সাধাৰণ সৃষ্টি বুলি মই ভাবোঁ। যা হওঁক, ঢোলত চাপৰ আজিও পৰে। পিছে এতিয়া আৰু হাতত পানীজোলা নুফুটে, পাৰত ঘা নহয়, ছিৰলী-ছিৰলীকৈ হাত নাফাটে। এতিয়া অৰ্থাৎ এই নাটনিৰ দিন কালত অসমীয়াৰ কলিজা ফাটে, ধাৰাসাৰে নেদেখা তেজ নিগৰে। তথাপিও মুখ নুফুটে।

মাথো মনে মনে মাঁধে তেল ঘঁহি, সেওঁতা ফালি-আহ যাওঁ ওমলোগৈ, মোলানদৈ ঐ, বুলি চিঞৰি শুই থকা গৃহস্থক নিশা জগাবৰ মনহে যায়।

দীঘলকৈ আশাৰ পুখুৰী খান্দি খণ্ডৰ সেন্দুৰী আলী সাজি দাঁতিয়ে দাঁতিয়ে নতুন মনৰ সাহসী মানুহৰ ফুলনি পাতি, কাজুৱা মালী ৰাখিবৰ মন যায়— মোলানদৈ ঐ—।

ব'হাগ——— ব'হাগ———
বসন্ত——— আনন্দ———
উজ্জ্বল আকাশত ব'হাগৰ সূৰুয——

তাৰ তপত সজীৱ জ্যোতিৰে সমগ্ৰ এন্ধাৰ অসমৰ পাহাৰ-ভৈয়াম ভৰি গৈছে— অসমীৰ মনত যিখিনি অস্পষ্ট— এক নিমিষতে যেন উৰি গ'ল—— অসমীয়া মই। আজি মোৰ অসমীয়া কলিজাত স্পন্দিত হৈছে— উৰণীয়া চৰাইৰ পাখিৰ শৱদ———

আজি যেন মই উন্মত্ত অশ্বাৰোহী——

অৱহেলা, অপমানৰূপী অৰণ্যৰ দৰে দীঘল খেৰণিৰ মাজে মাজে মোৰ অশ্ব ধাৱমান——

মোৰ মন-অশ্বই খেৰণিক পদ দলিত কৰি তীব্ৰ বেগে আগুৱাইছে—— পদ দলিত খেৰণিৰ মাজতো আমি যেন অদৃশ্য হৈ আগবাঢ়িছোঁ- - - - আমি যেন আমাক নিজকে দেখিছোঁ—— চলন্ত অশ্বৰ পৰা, মই অসমীয়া অশ্বাৰোহীয়ে ফুললৈ চাই পঠিয়াই বিহুৱা আৰ্তনাদ কৰি পাহৰি যোৱা হুঁচৰি গাইছোঁ——

নিলগৰ পৰা, সৰগৰে তৰা
যেন বিমানতে জ্বলে, মোলানদৈ ঐ——
মোৰ অসমৰ সমস্ত উপৰিতল যেন সেউজৰ এখন সাগৰ——

তাতে ছটিয়াই দিছে হাঁহিৰ চম্পা, আশাৰ গুৱামালী, আকাংক্ষাৰ বকুল, জয়ৰ বন্দুলী, কোমলতাৰ জুতি আৰু জাঁই, নম্ৰতাৰ তগৰ, আত্মবিশ্বাসৰ গোলাপ আৰু নিজৰ সৈতে সামূহিক অস্তিত্ব ৰক্ষাৰ দৃঢ়, টলাব নোৱাৰা প্ৰতিজ্ঞাৰ ৰাঙল ৰাঙল সেউতী——

এই দৃশ্যতকৈ এই সুন্দৰ বিশ্ব-প্ৰকৃতিত, মোৰ অসমীয়া

মনটোৰ বাবে আন একো নাই— একো নাই— মই অসমীয়া অশ্বৰোহী-
- ব'হাগ মোৰ সম্মুখত-----
এয়া কি! কেশাগ্ৰ উৰিছে প্ৰচণ্ড বৰদৈচিলাত-মাধে
তেল শুকাই গৈছে ধুমুহাত----
সেওঁতা ভাগি গৈছে প্ৰচণ্ড উন্মাদনাত—
মন-অশ্ব ধাৱমান-----
কিয়?
আজি যে ব'হাগ-- আমি যে চিৰাচৰিত ধোদামিৰ কাল নহয়-
আজি যে অসমীয়া জাতিৰ মনলৈ এক নতুন যৌৱন অহাৰ সময়--
আজি যে ব'হাগ— মই অশ্বাৰোহী গৈ আছোঁ—

"মই"টো জানো মই?
এই 'মই'টো জানো আপুনিও নহয়? সমূহ নহয়?? সময়ৰ ঢোলত চাপৰ পৰা শুনা নাই?
গা চুব--- তেতিয়া!!
গুজৰাট হ'ব সকলো ৰাজ্য। অসমো হ'ব।
বিহুটো যাওকগৈ। তেতিয়ালৈকে
পেটত গামোচা বান্ধি নাচি থাকোঁ
গাই থাকোঁ
নগৰৰ বিহুৰ ৰভাতলিত!!
'সকলো কুশলে থাওক পেটৰ জুই বুকুত বান্ধি'—।

❖❖❖



বি.দ্ৰঃ ড° ভূপেন হাজৰিকাৰ পূণ্য স্মৃতিত আমাৰ মহাবিদ্যালয়ে **বিনন্দিয়ান**'ৰ পাতত হাজৰিকাদেৱৰ অসমৰ লোক সংস্কৃতিৰ ওপৰত আলোকপাত কৰি প্ৰকাশ কৰা **ব'হাগ মাথো এটি ঋতু নহয়** নামৰ গ্ৰন্থখনত উল্লেখিত **'ঢোলত চাপৰ পৰে'** অংশটি হুয়াৰ আমঠু বিনন্দিয়ান তথা অসমৰ পাঠক সমাজলৈ স-শ্ৰদ্ধাৰে আগবঢ়ালোঁ। *সম্পাদনা সমিতি*

# মাতৃ

ড° মামনি ৰয়চম গোস্বামী

বাহিৰত তেতিয়াও কিনকিনকৈ বৰষুণ দি আছিল। দুৱাৰ মুখত থিয় হৈ দ্বিতীয় বাৰ মধু মাষ্টৰে উদং দৃষ্টিৰে মেঘাচ্ছন্ন আকাশৰ বুকুলৈ চৈই পঠিয়ালে।এচুকত আওজাই থোৱা ছাতিটো আকৌ ওবাৰ মেলি চালে-- ওহো কোনোমতে এইটো লৈ বাহিৰলৈ যাব নোৱাৰি।ছাতিতো মেলি দিয়াৰ লগে লগে জাপ খাই থকা সৰু সৰু ফুটাবোৰ দুগুণে ডাঙৰ হৈ মাষ্টৰৰ দৃষ্টিত ধৰা পৰিল। মজিয়া খনৰ বাওপালে থকা ঢেকীশাল ত পিঠা গুৰি খুন্দি থকা পদুমীয়ে অপলক দৃষ্টিৰে মাষ্টৰৰ পিনে চাই আছিল। ছাতিতো লৈ মধু মাষ্টৰে এই দোধৰ মোধৰ মনৰ অৱস্থাতো দেখিয়ে তাই চিঞৰি চিঞৰি কোৱাৰ নিচিনাকৈ ক'লে--- আজি স্কুললৈ নগলে জানো নহয়? তাতেই দেখোন আজি শনিবাৰ।

মাষ্টৰে তাইৰ কথাত হয়ভৰ দি এইবাৰ কোঠাৰ ভিতৰত সোমাই গ'ল। কোঠাৰ এটা চুকৰ পৰা অহা শিশু কণ্ঠৰ গুণগুণনি শুনি মধু মাষ্টৰে এইবাৰ কিন্তু থিৰেৰে থাকিব নোৱাৰিলে। মাতটোত বিতৃষ্ণা আৰু কঠোৰতা সানি তেওঁ ফেকুৰি ফেকুৰি কান্দি থকা সোণক বাহিৰলৈ ওলাই যাবলৈ উপদেশ দিলে। কিন্তু মাষ্টৰৰ আদেশৰ প্ৰতিক্ৰিয়া ওলোটাহে হ'ল। দুগুণ উৎসাহেৰে এইবাৰ সোণ আহি চিঞৰি চিঞৰি কান্দিব আৰম্ভ কৰিলে। কোঠাৰ ভিতৰলৈ তিতি- বুৰি সোমাই অহা পদুমীয়ে এইবাৰ উচাট মাৰি সোমাই আহি তাৰ এধানি হাত এখনত খামোছ মাৰি ধৰি বাহিৰলৈ উলিয়াই লৈ গ'ল। আঠুৰ মাজত মুৰ গুজি মাষ্টৰে মাথো ভাবিবলৈ ধৰিলে।

সোণৰ কান্দোন ইতিমধ্যে বন্ধ হৈ আহিছিল। --------এইবাৰ কিন্তু মাষ্টৰৰ খং উঠিল। কপালৰ দুয়োপিনৰ ৰগ দুডাল টনটনাই উঠিল। এই এদানি ল'ৰাটোৱে কিবা এটা বেছিকৈ খুজিলে তাকে দিব নোখোজে কিয় তাই? ভগৱানে অন্তৰ বোলা বস্তু এটা তাইক দিব পাহৰিলে নেকি? ---- মধু মাষ্টৰৰ মন উৰি গ'ল এটা দিনলৈ--- মানুহ জনক মাষ্টৰে কথা দিছিল, জীৱনৰ শেষ মুহূৰ্তত মুমূৰ্ষ মানুহজনক মাষ্টৰে খুব আশ্বাসেৰে খুব বিশ্বাসেৰে কথা দিছিল। মাষ্টৰে নিজেই দায়িত্ব লৈছে যেতিয়া ল'ৰাটোৰ কাৰণে অলপো চিন্তা কৰিব নালাগে। মৃত্যু শয্যাত পৰি থকা মানুহজনৰ ওচৰৰ পৰা পাঁচবছৰীয়া ল'ৰাটোক মাষ্টৰৰ কোলাত তুলি এবুকু আশা লৈয়ে আহিছিল।-কাৰণ মাষ্টৰৰ ধাৰণা আছিল ইমান দিনে ৰুদ্ধ হৈ থকা মাতৃত্বৰ মকলো কিনি মৰম পদুমিয়ে এই শিশুটোকে উজাৰি দিব। মাত্ৰ এই এটা ভাৱনাই তিলতিলকৈ গ্ৰাস কৰি অহা মানুহজনীৰ বেদনাৰ বহুত উপশম ঘটিব। মধু মাষ্টৰেও উপভোগ কৰিব, ইমানদিনে কোমো বৈশিষ্ট নোহোৱাকৈ চলি অহা সিহঁতৰ শুকান যৌথ জীৱনলৈ নিশ্চয় আহিব এটা নতুন মাদকতা।

এটা এটাকৈ মধু মাষ্টৰৰ মনত কেবিটাও ঘটনাই আহি ভুমুকি মাৰিলেহি-সেইবোৰ কিন্তু মধু মাষ্টৰৰ মনত তেনেই সৰু ঘটনা নহয়-গাৰ তপত তেজকো খন্তেকৰ কাৰণে হ'লেও শীতল কৰি থৈ যোৱা ঘটনা সেইবোৰ। মাষ্টৰৰ একান্ত নিজৰ স্কুলখনতে পঢ়া কেটিমান চোকা মগজুৰ শিশুক নিজৰ ঘৰলৈ আনি মাষ্টৰে পঢ়াবলৈ আৰম্ভ কৰিছিল। যিহেতু মাষ্টৰে খুব ভালকৈয়ে বুজিছিল যে এতিয়াৰ পৰা যত্ন ল'লে সিহঁতৰ মাজত ভৱিষ্যতৰ সম্ভাৱনাৰ বিষয়ে কোনো নিৰাশ হ'ব নালাগে কিন্তু তেওঁৰ এই চেষ্টা গজালিতে উঘালি পেলাহলগীয়া হ'ল। আৰু এই কাণ্ড ঘটিল একমাত্ৰ পদুমিৰ কাৰণে-মাষ্টৰে যেতিয়া মজিয়াত পাটী পাৰি বহি পাখি কলমেৰে চিয়াহীৰ দোৱাতটো আগত লৈ সিহঁতক 'ঐকিক' ল.সা.গু.' বুজাবলৈ আৰম্ভ কৰে মজিয়াৰ আন এটা চকুত ঠিয়য় হৈ পদুম যে সিহঁতক অপলক দৃষ্টিৰে চাই থাকে। নাৰীৰ একোটা দৃষ্টিয়ে ইমান মৌন ভাষাময়-মিন কৰুণাময় বেদনাদায়ক হ'ব পাৰে মধু মাষ্টৰে আগেয়ে কল্পনা কৰিব পৰা নাছিল। ভাতৰ পাছত বহি মধু মাষ্টৰে আৱিস্কাৰ কৰিছিল পদুমিৰ চকুযোৰ ঔ ফুলৰ দৰে ফুলি আছে। ৰুক্ষ চুলিৰ তলৰ সৰু ঘুৰণীয়া মুখখন তেনেই শুকান।

মধু মাষ্টৰে কিন্তু কোনো কথাকে উচ্চাৰণ কৰিব পৰা নাছিল। নিজকে অপৰাধী যেন লগা মনোভাৱৰ পৰা মুক্ত কৰিবলৈ পৰিস্থিতিটো পাতল কৰিবৰ কাৰণে মধু মাষ্টৰে ধেমেলীয়া কথা একোষাৰ কৈ হাঁহিবলৈ চেষ্টা কৰিছিল। দুয়োৰে হাঁহিৰ খোজা মুখ দুখন বিকৃত হৈ যোৱাৰ বাহিৰে আন একোৱেই হোৱা নাছিল। ইয়াৰ পাছত আৰু কেইবাদিনো মধু মাষ্টৰে পদুমিৰ এই ব্যৱহাৰ লক্ষ্য কৰিলে-

এদিন বজাৰৰ পৰা উভতি আহি মাষ্টৰে মজিয়াত দৃশ্য এটা দেখি থমকি ৰ'ল। মূঢ়া এটাত বহি হৰিধনৰ পুত্ৰ পঢ়িবলৈ অহা সাত বছৰীয়া পুতেকক কোচত তুলি লৈছে, দুয়ো অলেখ কথাত মগ্ন হৈ

পৰিছে। পদুমিয়ে যেন নিজৰ অস্তিত্বকে পাহৰি গৈছে। পঢ়িবলৈ অনা কিতাপ-কলম তাৰ বহু দূৰত পৰি আছে। মাষ্টৰক দুৱাৰমুখত দেখি লৰালৰিকৈ সি পদুমিৰ কোচৰ পৰা আতৰি আহিবলৈ টনা আজোৰা লগালে। পদুমিয়েও এবাৰ উভতি চালে-তাৰ পাছত ধৰা পৰি যোৱা এহাল প্ৰণয়ীৰ নিচিনা সাউৎকৰে একেচাবেই গৈ তাই পাকঘৰৰ ভিতৰত সোমাল। এনেকুৱা কেইবাটাও ঘটমা কেইবাটাও দৃশ্য মধু মাষ্টৰৰ দৃষ্টিত ধৰা পৰি গ'ল।

.....অৱশেষত সিহঁতক ঘৰলৈ আহিবলৈ মানা কৰি দিয়াৰ সিদ্ধান্তটোকে কিয় জানো মধু মাষ্টৰে ভাল হ'ব বুলিয়ে বিবেচনা কৰিলে। ....হঠাৎ ৰান্ধনিঘৰৰ পৰা ভাহি অহা সোণৰ কান্দোনৰ শব্দই মধু মাষ্টৰৰ ভাৱত পূৰ্ণযতি পেলালে। আপোনা-আপুনি মধু মাষ্টৰে ভোৰভোৰালে-নাই নাই, চব ফাকি। এই তিৰোতাবোৰক বিশ্বাস কৰিব নোৱাৰি। মৃত্যুশয্যাত দেখা মানুহজনৰ বেদনাক্লিষ্ট ভয়াবহ মুখখন আশাৰ জিলিকণিৰ উজ্জ্বলতাখিনি দ্বিতীয়বাৰ মাষ্টৰৰ চকুৰ আগত ভাহি উঠিল, এৰা মাউৰা ল'ৰাটোক বহুত আশাৰে-মাষ্টৰক গতাই দিছিল। ঠিক সিমানখিনি আশাৰেই আনন্দত উৎফুল্ল হৈ মাষ্টৰে পদুমিৰ কোলাত ল'ৰাটো তুলি দিছিল-তাৰ পিছত অবাক দৃষ্টিৰে বহুত সময় মাষ্টৰে পদুমিৰ চকুলৈ চাই আছিল। অসম্ভৱ ধৰণে গহী হৈ পৰিছিল পদুমীৰ সমগ্ৰ মুখমণ্ডল। কিবা এটা তাই ক'ব খুজিছিল, নক'লে। কোলাৰ পৰা সোণক তাতেই নমাই থৈ আকৌ পদুমিয়ে নিজৰ কামত ব্যস্ত হৈ পৰিছিল।

এৰা, সেইদিনাৰ পৰা গোটেই ঘৰৰ বায়ুমণ্ডলেই যেন কিবা বেলেগ হৈ গ'ল, পদুমিৰ চলন-ফুৰণৰ মাষ্টৰে পৰিৱৰ্তন লক্ষ্য কৰিলে। নাৰীৰ সকলোখিনি কোমলতাৰে পৰি পূৰ্ণ মানুহজনী দুদিনৰ ভিতৰতে ৰুক্ষ হৈ পৰিল। মৌন হৈ থকা মুখখন লাহে লাহে মুখৰা হ'বলৈ আৰম্ভ কৰিছে। এটা-দুটাকৈ বহুত কথাই পদুমীৰ মুখৰ পৰা মাষ্টৰে শুনিলে-সোণ অহা দিনটোৰ পৰা ঘৰত এটা-দুটাকৈ হেনো অঘটন ঘটিবলৈ আৰম্ভ কৰিছে, সি চোতালত ভৰি দিয়াৰ দিনাই হেনো বেমাৰ-আজাৰ নোহোৱাকৈ পাখৰা গৰুজনীৰ দমৰা পোৱালীটো মৰি থাকিল। অথচ সেই পোৱালীটোৰ পেটটো উখহি থকা মাষ্টৰে বহুত দিনৰে পৰা লক্ষ্য কৰিছিল। গাওঁখনত গাখীৰৰ কাৰণে যি খোৱা-কামোৰা, খেৰৰ পোৱালি কৰি আজি গাখীৰ খীৰাওতে পদুমীৰ ধৈৰ্য হেৰাই গৈছে। পদুমীয়ে অসীম যত্নেৰে ৰোৱা ভাতকেৰেলাজোপাৰ পাতবোৰো কথা-বতৰা নোহোৱাকৈ হেনো শুকাই গৈছে। কোনো দিন নোহোৱা ঘৰৰ এই অমংগলবোৰৰ কাৰণ একমাত্ৰ সোণ বুলিয়ে পদুমীয়ে ধৰি লৈছিল। সেই কথা নিঃসংকোচেৰে পদুমীয়ে মাষ্টৰৰ আগত প্ৰকাশো কৰিছিল।

নীৰৱ মাষ্টৰে সকলো শুনি গৈছিল। খোৱা-লোৱা সকলোতে মাষ্টৰে সোণক লগত লৈ ফুৰিবলৈ আৰম্ভ কৰিলে অৱশেষত এদিন স্কুললৈকো লৈ গ'ল। কিতাপ-পেঞ্চিলো কিনি দিলে....

বেৰৰ আঁৰৰ পৰা প্ৰায়ে মাষ্টৰে শুনে প্ৰফুল্লৰ আইতাক বগীতৰাৰ মাকহঁতৰ আগত পদুমীয়ে কোৱা জুই যেন কথাবাৰ।।

—কাৰ বা পুতেক। মাষ্টৰ হ'ল বুলিয়ে আনি একেবাৰে ঘৰ সুমাৱালেহি, আৰু এ ভেঁঠগুটি ল'ৰাটোৱে কিমান খায় জানো-পেঠ নহয় যেনিবা ভোজ ৰন্ধা থালীহে, দিয়া মানেই ভৰাই থাকিব। পিছৰ কথাবোৰ শুনিব পৰা মনৰ অৱস্থা তেতিয়া আৰু মাষ্টৰৰ নাথাকে,— একেচাবেই উঠি গৈ পদুমীৰ মুখখনত সোপা মাৰি ধৰিবৰ ইচ্ছা গৈছিল মাষ্টৰৰ। লাহে লাহে মাষ্টৰৰ কোঠাটোৰ পৰা ওলাই গৈছিল। নঙলামুখ পায়ে মাষ্টৰে দেখিলে ধুলি-মাটিয়ে গোটেইটো একাকাৰ উদংগাৰে খেলি থকা সোণক। আপোন মনেৰে অকলে অকলে খেলি থকা শিশুটোক মাষ্টৰে দুই হাতেৰে সাৱটি কোলাত তুলি ল'লে, ধুতীৰ আগটোৰ গাটো মচি দি দি মাষ্টৰে কৈ গ'ল— ঠিক নিজকে নিজে কোৱাৰ নিচিনাকৈ—বোপাই অ'—তোৰ মাৰ-বাপেৰেহে মৰিল-মই আছো নহয়। এই ভৰ দুপৰীয়া হ'ল পেটে-পিঠিয়ে লগ লাগিল থথাপিও তোৰ খবৰ তাই লোৱা নাই।'

সোণে এইবোৰ খতা বিশেষ একো বুজি নাপালে, সি তাৰ হাত দুখন মাষ্টৰৰ আধা পকা চুলিৰ মাজে মাজে সুমুৱাই—আকৌ খেলিবলৈ নামি যাব খুজিলে।

মাষ্টৰ আহি যেতিয়া ঘৰৰ ভিতৰত সোমাল বাহিৰৰ মানুহকেইজনী ইতিমধ্যে বাৰীৰ পাছফালৰ সৰু বাটকেইটাৰে আতৰি গৈছে। পাকঘৰৰ ভিতৰত ইতিমধ্যে পদুমীয়ে ভাত বঢ়াৰ যো-জা কৰিছে। মাটি খহি যোৱা ইকৰাৰ বিন্ধাটোত চকু থৈ পদুমীয়ে জুমি চালে মজিয়াত বহি মাষ্টৰে সোণক গাটো ধুৱাই আনি মচি দিছে সোণৰ মুখত আখৈ ফুটাদি ফুটিছে ভকতে সেইদিনা গোৱা গীতৰ কলি এটা...মাষ্টৰেও কামৰ ফাকে ফাকে তাৰ লগত তাল ধৰিছে।-পুতেকক এতিয়া নেচালেও হ'ব ডাঙৰ হৈছে,ইপিনে ভাত চেঁচা হৈ গৈছে।

ভাতৰ পাতত বহি আকৌ মাষ্টৰে ভাবিলে ওচৰত বহি গো-গ্ৰোসাৰে ভাত খাবলৈ আৰম্ভ কৰা ভোকাতুৰ ল'ৰাটোৰ মুখখন দেখি দ্বিতীয় বাৰ মাষ্টৰৰ দুখ লাগিল। অকল দুখেই নহয় পদুমীৰ ওপৰত মাষ্টৰৰ ভীষণ খং উঠিল চব ফাকি? চব ভণ্ডুঙ্গ আজিকালি মানুহৰ মৰমতো ঘূণে ধৰিছেঙ্গ আপোন মানুহক যেতিয়া বিশ্বাস কৰিব নোৱাৰি আনক কৰিব কৰিব কেনেকৈ? তেজ মঙহৰ সম্বন্ধ নঘটা কাৰণে

তাই তাক মৰম কৰিব নেজানিলে। নোৱাৰিলে।-----

--------পদুমীৰ মাতত চমক ভাঙিল মাষ্টৰৰ। একে উলাহে পদুমীয়ে কৈছে। -----ল'ৰাটোৰে দেখিছো মানুহ জনকো মোৰ কাষৰ পৰা আতৰাইহে এৰিব। লাজ পালে। হাহি মাৰিব খুজি মাষ্টৰে কাহী খন ওচৰ চপাই ল'লে।

প্ৰথম যিদিনা পদুমীয়ে আহি লাজ লাজকৈ মাষ্টৰক কথাটো ক'লে--- অপুৰ্ব পুলক এটাই মাষ্টৰৰ মানটো তেনেই মেঘাছন্ন কৰি তুলিলে,--- ক্ষন্তেকৰ কাৰণে মাষ্টৰে সোণৰ অস্তিত্বকে পাহৰি গ'ল। প্ৰকৃত পিতৃ হব খোজা এই প্ৰথম বাতৰিটোৱে মাষ্টৰৰ মনৰ পৰিস্থিতিটোক ওলট-পালট কৰি দিলে। কি কৰিব কি নকৰিব প্ৰথম একোৱেই মাষ্টৰে থিৰাং কৰিব নোৱাৰিলে। সেইদিনা স্কুল্‌তা মাষ্টৰে বেছিকৈ মনোযোগ দিব নোৱাৰিলে। ল'ৰাবোৰক থমক দি অংক শিকোৱাৰ সলনি মাষ্টৰে প্ৰতিটোকে হাত মৰৰ পিহি মৰম কৰিবলৈ ইচ্ছা কৰিলে, একোটা নীৰব মুহূৰ্ত আৰু এডোখৰ নীৰৱ ঠাই বিচাৰি মাষ্টৰৰ মন ব্যাকুল হৈ পৰিল।

কিন্তু মাষ্টৰৰ এই ভাৱৰ প্ৰৱণতা থাকিল মাথো কেইদিনমানহে। কিন্তু কিবা এটা অবুজ ত্ৰাসে মাষ্টৰক গ্ৰাস কৰিবলৈ আৰম্ভ কৰিলে।প্ৰতিটো দিন আগবাঢ়ি যোৱাৰ লগে লগে মাষ্টৰৰ মনৰ এই সংগ্ৰাম বাঢ়ি গ'ল। ---এৰা, এতিয়া নিজৰ ৰক্ত মাংসৰ সন্তানৰ মাতৃ হৈ পদুমীয়ে হয়তো সোণক আগতকৈ আৰু দুগুণে বেয়া ব্যৱহাৰ কৰিব। নিঠৰুৱা এই এধানি শিশুটোৰে অৱস্থা এতিয়া মাতৃতুল্য হব। বাৰে বাৰে মাষ্টৰৰ দৃষ্টিত প্ৰতিফলিত হ'ল --- মৃত্যু শৰ্যাত পৰি থকা অসহায় মানুহ এজনৰ পাণ্ডু মুখ এখন। সেইখন মুখত একমাত্ৰ মাষ্টৰেই শেষ মুহূৰ্তত এটা শেতা হাঁহি বিৰিঙাব পাৰিচিল। এতিয়া সেইখন মুখক মাষ্টৰে বিশ্বাসঘাতকতা আৰু অৱমাননা কৰে কেনেকৈ? সেই আত্মাটোৰে জানো মাষ্টৰকসুখেৰে থাকব দিব। মাষ্টৰে আৰু ভাবিব নোৱাৰিলে। ভাৱিব পৰা শক্তিৰ যেন মৃত্যু ঘটিল। আঠুৰ মাজত মুৰ ঘুজি নিতান্ত অসহায় ভাৱে মাষ্টৰবহি থাকিল। হাস্য লাস্য ময়ী পদুমীৰ আনন্দত উৎফুল্ল নতুন স্বভাৱটোৱে মাষ্টৰৰ চিন্তাত দুগুণে ঘিউ ঢালিলে। তে তিয়াহ'লে বাৰু কি কৰা যায় পদুমীক আকৌ এবাৰ বুজাবলৈ চেষ্টা কৰিব নেকি? ওহো নাই পদুমীয়ে নুবুজে , বুজিও নুবুজে---- জানিও নাজানে। ---

বহু দিনৰ কাম্য দিনটো অৱশেষত এদিন আহিল। ত্ৰাস আৰু উত্তেজনাত মাষ্টৰৰ বুকুখন দুৰু দুৰুকৈ কপিঁবলৈ ধৰিলে। বন্ধ দুৱাৰখন ওচৰলৈ গৈ কেইবাবাৰো তেও উভতি আহিল। সদ্যজাত শিশুৰ প্ৰথম কান্দোনৰ ধ্বনি মাষ্টৰে কিন্তু নুশুনিলে। বন্ধ দুৱাৰখন যেতিয়া মেল খালে কঁপা কঁপা খোজ পেলাই মাষ্টৰ পদুমীৰ বিছনাৰ ওচৰ পালে। একেবাৰে শেঁতা বগা কাগজ এখিলাৰ দৰে হোৱা পদুমীৰ মুখলৈ চাই মাষ্ট ব্ৰজহতৰ দৰে থিয় হৈ থাকিল। ওচৰত থিয় হৈ থকা ধআই জনীয়ে বগা চাদৰ এখনেৰে মৃত সন্তানটোক ঢাকি থৈছে। মাষ্টৰক সান্ত্বনা দিবলৈ চেষ্টা কৰিয়ে ক'লে। কি কৰিব আপোনাৰ ভাগ্যত নাই। মাকৰ যে একো নহ'ল এয়ে বহুত।

মাটিৰ পুতলা এটাৰ নিচিনা বহুত সময় মাষ্টৰে পদুমীৰ বিছনাৰ ওচৰত থিয় হৈ থাকিল। পদুমীৰ শুকান ওঁঠটো যেন অলপ অলপ লৰিছে। মুদ খাই থকা চকুযোৰ পদুমীয়ে কিন্তু মেলিবলৈ চেষ্টা কৰা নাই। অলপ হাউলি গৈ মাষ্টৰে কাণ পাতি শুনিবলৈ চেষ্টা কৰিলে। অস্পষ্টভাৱে মাষ্টৰে যেন শুনিলে সচাকৈয়ে যেন পদুমীয়ে ক'বলৈ বিচাৰিছে। ----সোণক আনি দিয়ক মোৰ ওচৰত এবাৰ মাথো তাৰ গাটো চুই চাও---- মাত্ৰ এবাৰ

একে চাবেই মাষ্টৰ বাহিৰলৈ ওলাই আহিল চোতালত খেলি থকা সোণক প্ৰায় টানি অনাৰ নিচিনাকৈ আনি মাষ্ট ৰে পদুমীৰ ওচৰ পোৱালেহি।

এইবাৰ পদুমীয়ে মেলি চালে, কাণৰ কাষেৰে বাগৰি যোৱা লোতক দুসোতা মচি ল'বলৈ পদুমীয়ে কোনো যত্ন নকৰিলে। কাষত থিয় হৈ থকা সোণক নিজৰ বুকুৰ ওচৰ চপাই আনিলে তাই তাৰ গালত চুমা এটা খাই আকৌ তাই আগৰ দৰে নিৰ্বাক হৈ পৰি থাকিল।

এই অপূৰ্ব দৃশ্য দূৰৈৰ পৰা উপভোগ কৰিলে। এদিন এইজনী মানুহক মাষ্টৰে অবিশ্বাস কৰিছিল। সম্পূৰ্ণ নিজৰ এই মানুহজনীক মাষ্টৰে সন্দেহো কৰিছিল । পাতালী গংগাৰ দৰে বৈ থকা নাৰী হৃদয়ৰ এই প্ৰেমৰ বিষয়ে তেওঁ অন্ধ আছিল।

প্ৰথমবাৰৰ কাৰণে তৃপ্তিত মাষ্টৰৰ মন উল্লসিত হৈ উঠিছিল নিজৰ-একান্ত নিজৰ মৃত সন্তানটিৰ কথা মাষ্টৰে তেতিয়া সম্পূৰ্ণ পাহৰি গৈছিল।

❖❖❖

*বি.দ্ৰঃ 'মাতৃ' গল্পটি মামনি বাইদেউৱে ছাত্ৰী অৱস্থাতে লিখা..... সম্পাদনা সমিতি*

# গোলাম

সৌৰভ কুমাৰ চলিহা

"নবেম্বৰ ডিছেম্বৰ মাহত যেতিয়া গুৱাহাটীত বৰফ পৰিব আৰম্ভ কৰে, সৰু ল'ৰা -ছোৱালীবোৰৰ বৰ আনন্দ হয়। ৰাস্তা, ঘৰৰ চাল, ফুল আৰু গছ-গছনি, - যান - বাহন, সকলো বৰফত ঢাক খাই বগা হৈ পৰে। গোটেই চহৰৰ ওপৰত যেন এখন অবিছিন্ন বগা আৱৰণ । গোটেই পৃথিৱীত যেন স্বচ্ছ বগা পোহৰ । পুখুৰীবোৰৰ পানী কেতিয়াবা গোট মাৰে । গজাল লগোৱা বুট আৰু ৰং- বিৰং টুপী পিন্ধী সৰু ল'ৰা -ছোৱালীবোৰে চিএঞৰ বাখৰ কৰি কৰি সিহঁতক স্কী, শ্লেজ- গাড়ী আৰু চকা লগোৱা ৰ'লাৰ স্কে'টাৰবোৰ লৈ পৰম উৎসাহেৰে বাহিৰ হৈ পৰে। সিহঁতে ইটোৱে সিটোৱে গালৈ বৰফৰ বল দলিয়াই হাঁহি অধীৰ হৈ বৰফত পিচল খাই খাই পৰে। চহৰৰ হেলনীয়া ঠাইবোৰত এতিয়া সিঁহতে স্কী দৌৰে। ৰঞ্জু আৰু অঞ্জুৰ ঘৰৰ সন্মুখত সৰু সাঁতোৰা পুখুৰীটোৰ পানী গোট মাৰিছে আৰু তাৰ ওপৰত ওৰে ৰাতি বৰফ পৰি পাৰৰ লগত প্ৰায় সমান হৈ গৈছে। অঞ্জু আৰু ৰঞ্জুৱে মহা স্ফুৰ্তিৰে ৰ'লাৰ স্কেটিং কৰি পুখুৰীটো পাৰ হৈছে। ঘৰৰ সন্মুখৰ হেলনীয়ডোখৰ বৰফে ঢাকি সমান কৰি দিয়াত ৰুণুমীৰ বৰ সুবিধা হৈছে। তাই সৰু ভন্টিজনীক কাঠৰ চকা লগোৱা বাকচটোত বহুৱাই লৈ হুৰহুৰকৈ তললৈ নামি গৈছে। আমি আটায়ে জেকেটৰ বুটামবোৰ ডিঙিলৈকে মাৰি লৈ বৰফ চাবলৈ বাহিৰ হৈছো। পুৱাৰ তীক্ষ্ণ সিৰ্‌সিৰীয়া বতাহে আমাৰ গালত আৰু অনাবৃত কাণত বেজীয়ে বিন্ধাৰ দৰে বিন্ধিছে। তুলাৰ দৰে পাতত চটা চটা বৰফ আমাৰ গালে মুখে আৰু কাপোৰত পৰি গলি যাব ধৰিছে। সৌৱা, ল'ৰাহতে প্ৰকাণ্ড এটা 'বৰফৰ মানুহ সাজিব ধৰিছে। সৌৱা বৰফেৰে বগা হৈ পৰা গেটখন খুলি হে'ৰ বৰুৱা ৰাস্তালৈকে ওলাল। তেওঁ গলত টানকৈ এখন নীলা ৰঙৰ মাফ্লাৰ মেৰুৱাই লৈছে। হে'ৰ বৰুৱাই ঘৰৰ সন্মুখত পাৰ্ক কৰি থোৱা তেওঁৰ মটৰগাড়ী বিচাৰিছে, কিন্তু গাড়ীখনৰ ওপৰত বৰফ পৰি চাৰিওপিনে এটা এস্কিম' সকলৰ ইগ্লুঘৰৰ দৰে হৈ পৰিছে। আস, এতিয়া বাৰু তেওঁ কেনেকৈ গাড়ীৰ ভিতৰ সোমাব? সৌৱা ফ্ৰাউ বৰুৱা বাহিৰলৈ আহি হে'ৰ বৰুৱাক হাত জোকাৰি বিদায় দিছে আৰু চিঠিৰ বাকচটো চাব খুজিছে চিঠি আহিছে নেকি। কিন্তু চিঠিৰ বাকচটোও একেবাৰে বগা হৈ বৰফৰ তলত ঢাক খাই আছে। ফ্লাউ বৰুৱাই তেওঁৰ এপ্ৰনখনত হাত ঘঁহি গৰম কৰি চিঠিৰ বাকচটোৰ পৰা বৰফবোৰ চুঁচি পেলাব ধৰিলে ....................."

মোৰ জাৰ্মন ৰচনাখনৰ এইখিনিলৈ জোৰে জোৰে পঢ়ি ফ্ৰাউ মূল্যাৰে তেওঁৰ ঘূৰণীয়া কাঁচৰ প্ৰাচীন চছমাযোৰ খুলি ক'লে, "চমৎকাৰ, চমৎকাৰ! ব্যাকৰণৰ ভুল এটাও নাই যেন লাগিছে। অতি প্ৰশংনীয়া ।হু!" তাৰ পিছত অলপ অনিশ্চয়তাৰে কিন্তু আপোনালোকৰ দেশত আমাৰ ইয়াৰ দৰেই বৰফ বুলিতো জনা নাছিলোঁ।" ফ্ৰাউ ম্যলাৰে মেজৰ কিতাপ -পত্ৰৰ মাজত থকা ডাঙৰ গোলকটো তৰ্জনীৰে পাক দি ভাৰতবৰ্ষখন উলিয়ালে আৰু পুনৰ চছমাযোৰ পিন্ধি জুমি চালে। ঠিকেই -- তলেৰে বিষুব ৰেখা গৈছে ---- গ্ৰীষ্মমণ্ডল - অসম- অসম - আখ্ এই যে গৌহাটী - গৌহাটী ক'ত, গৌহাটী দোখোন ---" এই গোলকটোত দিয়া নাই হ'বলা", মই লৰালৰিকৈ ক'লো এই যে এইখিনিতে শ্বিলং -- ৰাজধানী পাহাৰৰ ওপৰত , বেছ ঠাণ্ডা - তাৰ ঠিক তলতে গৌহাটী --", ফ্ৰাউ ম্যলাৰৰ প্ৰশ্নটো এৰাবলৈ গৈ মই সোৎসাহে শ্বিলং পাহাৰত বৰ্ণনা এটা আৰম্ভ কৰিলোঁ। "খাছিয়া মানুহৰ ঠাই , অঁকোৱা -পকোৱা পাহাৰী ৰাস্তা বেভেৰিয়াৰ পাহাৰ অঞ্চলৰ গাঁৱৰ দৰে নিজৰা আৰু কুৰুং, আৰু সৰল গছ আপোনালোকৰ 'টানে গছবোৰৰ দৰে ডাঙৰ ডাঙৰ জলপ্ৰপাত আছে। তাৰপৰা বিজুলী উৎপন্ন কৰা হয়। আবহাৱা চেঁচা মৃদু গ্ৰীষ্ম কালীন শৈলবিহাৰৰ জনপ্ৰিয় ঠাই । ভৈয়ামৰ পৰা মটৰ গাড়ীৰ প্ৰায় এশ কিল'মিটাৰ । কিন্তু ৰাস্তা এমুখীয়া, এইটো অৱশ্যে কিছু অসুবিধাজনক যদিও"--

"আ! আ!" ফ্ৰাউ ম্যলাৰ তেওঁৰ বে-চামাল- শুভ্ৰ চুলিৰে ঢাক খোৱা মূৰটো দুপিয়াই দুপিয়াই সাগ্ৰহে ( কিন্তু যেন অলপ আচৰিত হৈ) মোৰ কথা শুনিলে আৰু তাৰ মাজে মাজে নীলা পেঞ্চিলেৰে মোৰ ৰচনাখনত ঠায়ে ঠায়ে দাগ দিব ধৰিলে । যিখন ব্যৱসায়-চালনা (বা ব্যৱসায় প্ৰশাসন) প্ৰতিষ্ঠানত কাম শিকিবৰ বাবে মই জাৰ্মানী আহি পাইছোঁ । তেওঁলোকে মোক পেডাগগিশ্বে'চু ইনষ্টিট্যুটৰ ( অৰ্থাৎ শিক্ষা ইস্কুল) এই ভদ্ৰমহিলাৰ ওচৰলৈ পঠিয়াই দিছে জাৰ্মন ভাষাজ্ঞানৰ

পৰীক্ষা এটা দিবৰ কাৰণে এতিয়ালৈকে মই শিক্ষাবিশেষে হৈ আছোঁ। এই পৰীক্ষাটোত উত্তীৰ্ণ হ'লে তেওঁলোকে মোক নিয়মীযাভাৱে বেআমটাৰ বা কৰ্মচাৰীৰূপে নিয়োগ কৰিব। প্ৰশিক্ষণ শেষ হলে। এখন ডিপ্লমা দিব।

ফ্ৰ উ ম্যুলাৰে ক'লে যে তেওঁ জাপান আৰু ভাৰতবৰ্ষৰ বিষয়ে বহুত কিবা কিবি পঢ়িছে। বিশেষকৈ ভাৰতবৰ্ষলৈ এবাৰ যোৱাৰ তেওঁৰ খুব ইচ্ছা আছে, ঈশ্বৰে কৰিলে দেশখন চাবলৈ তেওঁৰ ল'ৰা ছোৱালীহালকো, গ্ৰেটশ্বন্ আৰফ কীৎচ লগত নিব খোজে প্ৰাচ্যৰ ৰূপকথা যেন লগা দেশবোৰ দেখুৱাবলৈ ( ডিপ্লমা আনিবলৈ নহয়)। ভদ্ৰ মহিলা প্ৰৌঢ়া, কিন্তু এতিয়াও সকলো বস্তুতে আপাতদৃষ্টিত অপাৰ কৌতূলহ'ল। 'না ইয়াঁ হে'ৰ অমুক আপোনাৰ ৰচনাখনে মোক আচঁৰিত কৰিছে, মই কবলৈ বাধ্য হৈছোঁ। আপোনাৰ জাৰ্মান শুধৰণীখিনি আৰু বাক্যৰচনাখিনি যদিও মোটামুটি চলনসই হৈছে, তাত এনেকুৱা দুই এটা প্ৰাথমিক ভুল ৰৈ গৈছে যে শুনিলে আমাৰ ইস্কুলৰ ল'ৰাই হাঁহি মাৰিব। অথচ ৰচনাখন -- " ভদ্ৰমহিলাৰ ৰঙা মৰমিয়াল মুখখনত হতবুদ্ধিৰ ছাঁ পৰিল, —''না ইয়া মুঠৰ ওপৰত ভালেই। যাক, আপোনাৰ লগত পৰিচয় হৈ ভাল লাগিল, ভদ্ৰমহিলাই মেজৰ কাষত থকা বাল্টিটোৰপৰা দুটুকুৰামান কয়লা উনুনত পেলাই দাণ্ডাডলেৰে খুছি দিলে আৰু হঠাৎ বোধ হয় তেওঁৰ মনত পৰিলে যে মই গ্ৰীষ্মমণ্ডলৰপৰা আহিছো,'' ইয়াতে বোধ হয় আপুনি প্ৰথম প্ৰথম বৰ ঠাণ্ডা পাইছিল, নহয়-! অৱশ্যে আপোনাৰ ৰচনাত যিটো বৰ্ণনা---" ভদ্ৰমহিলাৰ মুখত পুনৰ এটা বিভ্ৰান্তিৰ ৰেখা ফুটি উঠি মিলি গ'ল, -- - কোঠাটো গৰম হৈছে নে এতিয়া ? বৰ বেছি গৰম হৈছে যদি কোটটো খুলি ল'ব পাৰে---- "

" ধন্যবাদ, ফ্ৰাউ ম্যুলাৰ", মই কলো আৰু অনুমতি পাই কোটটো খুলি চকীখনত পিঠিত ওলোমাই থলোঁ।।

ফ্ৰাউ ম্যুলাৰে তলমূৰ কৰি মোৰ কাগজকেইখিলাত আৰু কেইটামান দাগ মাৰিলে আৰু কিবা এটা মন্তব্য লিখি লিখি ক'লে " ''বাৰু কওঁকচোন এই ব্যৱসায় চালনা ব্যাপাৰ।'' মই অৱেশ্যে এইবোৰ কথা একো নাজানো -- এই ব্যৱসায় চালনা বিষয়টো আপোনালোকৰ দেশত এতিয়াও বিকাশ কৰা হোৱা নাই নেকি ? মানে আপুনি ইয়াৰ ডিপ্ল'মাখনৰ কাৰণে যে ইমানদূৰ আহিব লগীয়াত পৰিল---- মানে" ভদ্ৰমহিলাই মূৰটো তুলি এটা বিব্ৰত হাঁহি মাৰিলে-- ''মানে, মইটো শুনো আমাৰ ব্যৱসায়, বাণিজ্যৰ প্ৰথা আৰু কায়দা কৌশল ইউৰোপৰ আন দেশবোৰৰ পৰা বিভিন্ন এচিয়াৰ লগততো তেনেহ'লৈ নিশ্চয় বহুখিনি অমিল হ'বই। এই ডিপ্ল'মাখন লৈ তেনেহলে আপোনৰ দেশৰ কি লাভ- ?"

এইটোৰ আৰু কি উত্তৰ দিব পাৰি? কিবা কৈ ডিপ্ল'মাখন লৈ দেশলৈ যাম আৰু দেশৰ মানুহৰ সমুখত সেইখন জোকাৰিম। জাৰ্মানীৰ ডিপ্ল'মা - পদোন্নতি অনিবাৰ্য ! প্ৰথম কেইবছৰ মাটি কিনিব নোৱাৰো।, হয়তো গাড়ীও কিনিব নোৱাৰো। কিন্তু ঘুৰি আহিছোতো! ৰাম, শ্যাম, যদু সকলো 'ঘুৰি আহিছে' বিচিত্ৰ অচিলাত বিচিত্ৰ উপলক্ষে ছলে - বলে- কৌশলে, নহ'লে জীৱন ধিক্, গতিকে মৰেইবা এৰিম কি দুখত ? নিজৰ মাটি থকাহেতেন বন্ধক দিলোহেঁতেন, মেধাৱী হোৱাহেঁতেন বৃত্তি যোগাৰ কৰিব পাৰিলোহেঁতেন। সেইবোৰ নহ'ল যেতিয়া প্ৰচুৰ তেলকেই দিছোঁ। য'ত চব ইয়ে মানুহক ঘৰৰ চাকৰিটোৰপৰা বেতনহীন ছুটীকেই লৈছো আৰু অৱশেষত এতিয়া এয়া মই ইয়াত ! আৰু কোনোমতে এইকেইটা মাহ কটাই ..........

কিন্তু এইবোৰ কথা ফ্ৰাউ ম্যুলাৰে বুজিয়েই নাপাব। সংক্ষেপে ক'লো, ''চাকৰিৰ সুবিধা হয়।'' " অ'! ভদ্ৰমহিলাই নুবুজাৰ দৰে ক'লে। তাৰ পিছত যেন এই দুৰ্বোধ্য কথাবোৰৰ পালা শেষ কৰিবলৈকে কাগজকেইখিলা থুপ কৰি আঁতৰাই থ'লে আৰু ক'লে ''বাৰু আপোনাৰ ভাষা-পৰীক্ষাৰ ৰিৰ্পটটো মই আজিয়েই পঠিয়াই দিয়াৰ চেষ্টা কৰিম। অভিনন্দন !"

পাছ কৰিছোঁ তেনেহ'লে !

''ধন্যবাদ, ফ্ৰাউ ম্যুলাৰ!"

ভদ্ৰমহিলাই ক'লে যে ইয়াৰ পিছত 'বীক্‌মান্ উন্ট বীকমান্ কোম্পানীয়ে মোৰ কি কৰে তেওঁক জানিব দিলে তেওঁ সুখী হ'ব।

''নিশ্চয় জনাম ", মই ক'লোঁ --- একেজাপেই ড্ৰেৰশ মাৰ্ক দৰমহা বাঢ়িব -- আৰু কোটটো তুলি লোৱাৰ দৰে চকীৰ পৰা উঠিবৰ উপক্ৰম কৰিলোঁ।

''যি হওঁক", ফ্ৰাউ ম্যুলাৰে হাতঘড়ী চাই ক'লে "মোৰ পৰৱৰ্তী পৰীক্ষাৰ্থীজন আহে মানে প্ৰায় কুৰি মিনিট সময় আছে। এতিয়াও--- - ইৰাণী ল'ৰা তেল পাইপ লাইন গোলাম ৰক্ষণাবেক্ষণৰ প্ৰশিক্ষণ ল'বলৈ আহিছে। একেবাৰেই কেচা, বোধ হয় মই ঘৰত কৰি আনিব দিয়া কামখিনিৰ একোৱেই .........." ভদ্ৰ মহিলাই পুনৰ ঘড়ী চালে--- - ''আমাৰ ইনষ্টিটিউটৰ কফি বিৰতিৰ সময় হৈছে-- এ আপোনাকো এপিয়লা যাচিব পাৰো নে ? (ধন্যবাদ, ফ্ৰাউ ম্যুলাৰ'')...... যাওঁক এই ভাষা পৰীক্ষাৰ ঝামেলাটো পাৰ হ'ল যেতিয়া আৰু ছমাহৰ ভিতৰত কাম শেষ কৰি আপুনি ঘৰ পাবগৈ পাৰিব, ঈশ্বৰে কৰক। আপোনাৰ বোধ হয়, ইয়াত ইমান দূৰলৈ মনত পৰি থাকে, অ ভাল কথা। ঘৰত আপোনাৰ কোন কোন আছে?

ঘৰৰপৰা আহিবৰ দিনাৰ দৃশ্যটো মনত পৰিল। মেই মাহ, ধাৰসাৰ বৰষুণ নামিছিল-- প্ৰায়, অবিশ্ৰান্ত আৰু চহৰৰ ভিতৰ অঞ্চলত থকা আমাৰ ঘৰটোৰ পৰা যিটো ঠেক ৰাস্তা- মটৰ নাযায় , ৰিক্সাও নাযায়- ডাঙৰ ৰাস্তালৈ ওলাই আহিছে, সেইটো এটা স্ৰোতস্বিনী নদী বিশেষত পৰিণত হৈছিল। গতিকে আমাৰ অফিচৰ শুদা ভৰি বয়'টোৰ হাততে বাকচ পত্ৰ দি মই আৰু মোৰ ভাইটোৱে জোতা মোজা খুলি ট্ৰাউজাৰৰ ঠেং কোঁচাই লৈ 'খাল'টো অতিক্ৰম কৰিবলৈ সাজু হৈছিলোঁ। ভনী দুজনী যদিও সেই গলিছোৱাৰে সদায় মেখেলা চাদৰ কোচাঁই চেণ্ডেল হাতত লৈ ইস্কুললৈ অহা-যোৱা কৰে, সেইদিনা মই তাইহঁতক মোৰ লগে লগে ডাঙৰ ৰাস্তালৈ ওলাই আহিব নিদিলোঁ। প্ৰথম কাৰণ , ডাঙৰ ৰাস্তাত মই টেক্সিত উঠিলে দুয়োজনীয়ে ভে ভে কৈ কান্দিব আৰম্ভ কৰিব, অত্যন্ত বিব্ৰতকাৰী পৰিস্থিতি, আৰু ফলত বেছ কিছু দেৰিও হৈ যাব । দ্বিতীয়তে বৰষুণৰ লগে লগে ঘৰৰ বেৰে মজিয়াই সৰু সৰু ভেকুলী শামুক বহু বিচিত্ৰ পোক পতঙ্গ আৰু বহুবিধ বিভিন্নাকৃতি বিছাও ওলাইছে, দুয়োজনীকে বিছাই দাকিছে, হাত দুখনত ৰঙা দবৰা-দবৰি দাগ, বিছাই দকাৰ অব্যৰ্থ মহৌষধ কাণত দুইথোপা চূণ লগাই দুয়োজনী একেবাৰে জধলা হৈ আছে। তৃতীয়তঃ আমাৰ অঞ্চলটোৰ পিছপিনে শুকান বিলটোৰ পাৰত যিবোৰ অজ্ঞাতকুলশীল উদ্বাস্তু মানুহে কাঠৰ থৰক-বৰক চকীমেজ বনোৱা চালি বা পঁচা আলু-পিয়াজৰ দ'ম বা চোৰাই প্লাষ্টিকৰ মাল মনিবেগ গগলজ আৰু হাৱাই-চপ্পলৰ ব্যৱসায় তৰি বহি গৈছে নিৰ্ব্বিকাৰ আৰু অপ্ৰতিহত। সিহঁতৰ ল'ৰা ছোৱালীবোৰক বিলটোৰ দাঁতিতেই শাৰী পাতি উলংগ হৈ বহি যোৱা কেতিয়াবা দেখিছো ( ডাঙৰবোৰে কি কৰে সেইটো এটা ৰহস্য !) আৰু এতিয়া বৰষুণৰ সোঁতত সেইপিনৰ পানী বৈ আমাৰ এই গলিটোলৈকে আহিছে, তাৰ অৱশ্যম্ভাৱী গাঁতবোৰত নানাৰকমৰ সন্দেহজনক বস্তু থেকেচা লাগি জমা হৈছে, আৰু ফলত উদ্ভৱ হোৱা বিভিন্ন গোন্ধৰ মাজত এটা সেমেকা গোন্ধ যেন কিবকম .. নাই, সিহঁতৰ ভৰিত ঘাঁ হৈ যাব!

মাক সেৱা কৰিলোঁ, দেউতাক সেৱা কৰিলোঁ আৰু বিদায় দিব অহা বয়সীয়া কেইজনমানক । মাই চাদৰৰ আচলেৰে চকু মচিছে আৰু নাকেৰে সোঁৎ সোঁৎ কৰিছে— বোধ কৰোঁ পাকঘৰৰ বেৰকেইখন নানা অন্ধ্ৰ- ৰন্ধ্ৰৰ ছিদ্ৰৰে পানী পৰি জেকা হোৱাই মাৰ পানী লাগিছে। শোৱা ঘৰটোৰ চালখনত এটা ফুটা ওলাই পানী সোমাইছে ( বৰষুণ বতৰ হ'লে মাৰ জেজাজ বেয়া হ'ব ধৰে, বাচন ধোৱা) পকীডোখৰৰ চাৰিওপিনে পঙ্ককুণ্ড হৈ - কাম কৰা ছোৱালীজনী সেইপিনে যাব নোৱাৰো হয় । চুৱা কাঁহী-বাটি দম হৈ পাকঘৰত পৰি থাকে) আৰু পৰ্দাখন খামুচি ধৰি মাই কন্দা- কটাৰ মাজে মাজে একোবাৰ সন্ত্ৰস্ত হৈ শুদা ভৰি দুখনলৈ চাইছে ( কেৰেলুৱাৰ প্ৰতি মাৰ বৰ ভয় দেখিলেই বোলে গাটো ৰি- ৰি কৰি উঠে আৰু এই সময়ত ঘৰৰ মজিয়াত অসংখ্য অসংখ্য কেৰেলুৱা এক্সপ্ৰেছ যাতায়ত কৰে --- ভৰিত কিবা লগা যেন পালেই মাই ঔ আই এইডাল কি ঔ বুলি চিএগ্ৰৰি জাপ মাৰি উঠে) দেউতাৰ চটিৰ ভিতৰত মোজা পিন্ধা ভৰি, দেউতাই মোক বিদায়কালীন উপদেশ, নিষেধাজ্ঞা, আৰু নিৰ্দেশখিনি দিছে ( দেউতা অৱসৰপ্ৰাপ্ত শিক্ষক), হাতত হোকাটো দেউতাৰ মাতটো ৰুক্ষ । দেউতাৰ বাতৰ বিষ আছে, এই খিটখিটীয়া মেজাজ ইস্কলৰ মাষ্টৰণিৰ দৰে হৈ থাকে, তাতে এই সময়ত এন্ধাৰমুৱা জেকা আৰু ঠেক কোঠাটোৰ ভিতৰত বস্তুতঃ ঘৰটোৰ সৰ্বত্ৰ মহে কোঁ কোঁ কৰি থাকে কাণৰ কাযত , য'তে ত'তে উৰহে কামোৰে, থাকি থাকি আমাক গালি পাৰে 'পাণৰপৰা চূণখিনি খহিলেই আৰু হাতেৰে গোটেই গাতো খজুৰাই খজুৱাই চকীখনত বহি হোকা টানি থাকে। মই অনুমান কৰিছোঁ যে মই যোৱাৰ পিছত ভন্টিহত আৰু অন্যান্ন মানুহবোৰ আতঁৰাৰ পিছত যেতিয়া মাই দেউতা অকলশৰে আম কাটি আনি দিব আৰু চাহকাপ সন্মুখত থ'ব তেতিয়াহে দেউতাৰ কৰ্কশ কণ্ঠ কিঞ্চিত কুমলিব। কিন্তু বেছি সময়লৈ নহয়, কিয়নো চাহৰ কাপটোৰ য'তে মুখ দিব তাতে এটা মাখি আহি পৰিব, আৰু আম কেইচকলাৰ ওপৰত ৰাজ্যৰ ভেনামাখি ভেন্ ভেন্ কৰিব, আৰম্ভ কৰিব ক'ৰবাৰপৰা । আজি সন্ধিয়া দেউতা কলৈকে নোলায় (জলাশয় অতিক্ৰম কৰি যাব বা কেনেকৈ ?) লেমটো জ্বলাই কপাল কোচাই অসম বাণী পঢ়িবঃ বানপানী বানপানী। অমুক ঠাইত অনাতন , তমুক ঠাইক মৰক আৰু তমুক ঠাইত মহামাৰী। গতিকে চাউলৰ দাম আৰু বাঢ়িব। বৰষুণত ৰাস্তা খহিছে দলং ভাঙিছে চহৰৰ ৰাস্তা অগম্য, বাছ ষ্টেশ্যন আৰু ৰেল-ষ্টেশ্যনৰ ভিতৰত মহাসাগৰৰ সৃষ্টি হোৱাৰ ফলত যাত্ৰী উঠিব প ৰা নাই ৰিক্সাৱালা পলাই ফাৎ-ৰেল বন্ধ ডাক তাঁৰ বন্ধ, পৰিবহন স্থগিত । ঘৰ হেৰোৱা আৰু খেৰৰ চালি হোৰোৱা মানুহৰ ভিৰ ইত্যাদি পৌনঃপুনিক কাহিনী আৰু স্থানীয় জিলা পুথি ভঁড়ালত মধুগুঞ্জন কৃষ্টিসংস্থাৰ উদ্যোগত বৰ্ষামংগ'ল উৎসৱ উদ্বোধন কৰিব একোডেমী পুৰস্কাৰপ্ৰাপ্ত বিশিষ্ট ...........

মোৰ ভাই নীৰেনে কলেজত পঢ়ে সিও মধুগুঞ্জন'ৰ অন্যতম ভ্ৰমৰ অলপ ৰোমন্টিক টাইপ। মোক বিমানকোঠত থৈ আহি সি কি কৰিব সেইটোও মই অনুমান কৰিব পাৰিছোঁ। মটৰগাড়ীয়ে ছিটিকোৱা বোকাপানী চেক লগা পায়জামাটো দুহাটেৰে দাঙি সি মিউনিছিপালটিৰ জহন্নামে যাব কৈ আমাৰ গলিটোত সোমাব । গলিৰ প্ৰায় মুখতে মাণিক বাবুৰ নতুন ঘৰটো মাণিকবাবু ৱাৰ্ড কাউন্সিলাৰ । সেইখিনিত

অভ্যাসমতে এবাৰ ক্রুদ্ধ দৃষ্টি হানি সি এবাৰ মাণিক বাবুৰ মুণ্ডপাত কৰি ( কিয়নো ) অঞ্চলটোৰ ভিতৰত মাথো উক্ত বাৰ্ড কাউন্সিলাৰৰ ঘৰৰ সমুখৰ পৰা বাহিৰ ওলোৱা গলিখিনিয়েই কিবা ৰহস্যময় কাৰণত পকা আৰু গমনসাধ্য। সামাজিক কৰ্তব্য শেষ, এইবোৰ সৰু কথা। তাৰ পিছত কোনোমতে ঘৰ সোমাই সি পায়জামা জহৰকুৰ্তাটো খুলিব। ভৰিখন ধুই ভন্টিৰ ছেণ্ডেলযোৰ পিন্ধিব ভন্টিক খুজি চাহ একাপ খাব আৰু তাৰ ৰুমত সোমাব। বৰ্ষামংগলৰ প্ৰয়োজনত সি তাৰ কিতাপ-শ্বেলফত থকা তাৰ সঞ্চয়িতা নামৰ মোটা কবিতাৰ কিতাপখন টানিব নে নাটানে ক'ব নোৱাৰো ( মেজাজ লৈ কথা ) য'ত কোৱা হৈছে যে আমাৰ দেশৰ শ্যামগম্ভীৰ নৱযৌৱনা বৰষা সুন্দৰ , অপৰূপ, ইয়াৰ তুলনা নাই এনেকুৱা দিনত যেতিয়া বাহিৰত জল ঝৰে অনিবাৰ নিভৃত নিৰ্জন চাৰিধাৰ' আমি ডেকা ল'ৰা ছোৱালীবোৰে দুজনে মুখা মুখি বহি গভীৰ দুখত দুখী হৈ পৰস্পৰৰ মুখলৈ চকু স্থিৰ কৰি চাই থাকিব লাগে বেকুবৰ দৰে ( বোধ হয় বাহিৰলৈ ওলোৱাটো অসম্ভৱ কাৰণেই)। (আৰু আমাৰ নিজৰ চকু নাকবোৰ এতিয়া আমি পকেটত ভৰাই থব পাৰো কিয়নো বিলাতৰ মানুহে কবিৰ তাৰিফ কৰিছে যেতিয়া তেওঁৰ কথাই নিশ্চয় সচাঁঃ আমাৰ দেশখন ইমান সুন্দৰ, ইমান পৰিস্কাৰ ,ইমান সৌম্য স্তব্ধ , সমাহিত শান্তিৰে ভৰা আবেশবিবহুল স্বপ্নপুৰী, বৰষা নামিলে প্ৰতিখন চহৰ প্ৰতিখন গাওঁ, প্ৰতিটো ৰাস্তা, প্ৰতিখন জংগল আৰু পৰিস্কাৰ আৰু সুন্দৰ আৰু অপৰূপা হৈ। পৰে ইয়াৰ তুলনা যে নাই !) অৱশ্যে তাৰ পৰৱৰ্ত্তী সমস্যাটো হ'ব মোৰ ৰচনাবোৰৰ দৰেঃ সৌৰা নীৰেন দত্ত দৃষ্টিক লাই ব্ৰেৰী লৈ যাব ওলাইছে.........আখ, তেওঁ বাৰু সন্ধিয়া কেনেকৈ তেওঁৰ মননজীৱীৰ পোছাকৰ পৰিপাটী বজাই ৰাখি ডাঙৰ ৰাস্তাত উপনীত হ'ব?

কফিত চুমুক দি পৰিতৃপ্ত হলো । আঃ অৱশেষত মোৰ সপোন সচাঁ হৈ আহিব ধৰিছে। অহা মাহত ঘৰলৈ তিনি চাৰিশ মাৰ্ক যি পাৰো পঠিয়াব লাগিব। দেউতাৰ ৰুমটোৰ বেৰকেইখন আৰু মাৰ পাকঘৰৰ ফুটা চালিখন মেৰামতি কৰাই লওঁক কিছু কিছু।

ঘৰলৈ গৈ মাণিক বাবুক কৈ মেলি পাৰিলে ঘৰৰ সমুখৰ পৰা কিছু দূৰ পকা কৰাই লৈ বন্ধা নৰ্দমা দুটা কটাই দিয়া ( পাৰিলে ঢাকি দিয়াৰ) চেষ্টা এটা দিম ( চেষ্টা এটা ভন্টিহতঁৰ আৰু আমাৰ নহ'লে বৰ অসুবিধা হয়।) অঞ্চলটোৰ বাকীখিনি অৱশ্যেই মোৰ চেষ্টাৰ মুল্লুকত নপৰে । চব কাম কি এজনেই কৰিব। ইমান কাঠ খেৰ পুৰি' জাৰ্মানীলৈ আহিছোঁ কি ঘৰলৈ গৈ ৰাজ্যৰ মানুহৰ কথা ভাবি মৰিবৰ বাবে? মই কি গৰ্দভ?

ইৰাণী ল'ৰাজনৰ আহিবৰ সময় হৈ আহিল। ফ্ৰাউ ম্যলাৰৰ চকীৰপৰা উঠি কৰমৰ্দন কৰিলে আৰু পুনৰবাৰ নকৈ নোৱাৰিলে যে " তোমাৰ চহৰখনৰ এটা বৰ্ণনা", যিটো মই জাৰ্মান ভাষাত লিখি আনি দিলোঁ, সেইটো 'আউফ জাৎচ'-- সেইটো ৰচনা তেওঁৰ বাবে একেবাৰে আশাতীত হৈছে, সম্পূৰ্ণ নিৰ্ভুল, আৰু একেবাৰে পকা হাতৰ বৰ্ণনা। এনেকুৱা বুলি জনাহেঁতেন তেওঁ মোক আৰু অলপ দীঘল ( আৰু কঠিন ) কাম দিলেহেতেন, যেনে ধৰক এই বিষয়ে বস্তুটোকেই যদি লোৱা যায় বৰফ গলিবৰ আৰম্ভ কৰাৰ পাছত আপোনাৰ চহৰখনৰ অৱস্থা কেনেকুৱা হয় তাৰ এটা বৰ্ণনা --

মই মনে মনে প্ৰমাদ গণিলোঁ, কিন্তু মিচিকিয়াই হাঁহিলোঁ। " বোধ হয় মোটামুটি আমাৰ ইয়াৰদৰে , আপোনাৰ এই 'আউফ জাৎচ'টো পঢ়ি যি ধাৰণা হৈছে, ফ্ৰাউ ম্যলাৰে তেওঁৰ বগা চুলিবোৰৰ মাজেৰে আঙুলি চলাই চলাই ল্যাহে লাহে ভাৰি কলে বৰফ গলিছে, ঘৰৰ ৰঙা চালবোৰ, বস্তুবোৰৰ অৱয়ৱ , গছ-গছনি, ৰাস্তা ঘাটৰ ওপৰৰ পৰা বৰফৰ আৱৰণ আতঁৰি গৈছে, নিজ নিজ ৰূপত আকৌ আত্ম প্ৰকাশ কৰিব আৰম্ভ কৰিছে, পুনৰ যান প্ৰবাহ আৰু জীৱনৰ চাঞ্চল্য............. অৱশ্যে ধূলিয়ে বোকাই গলিত বৰফ পানীৰে ৰাস্তা ঘাট কিছু লেতেৰা হৈছে প্ৰথম প্ৰথম, ৰাস্তাত ঠায়ে ঠায়ে ডোঙা বান্ধিছে । যদিও অৱেশ্য, সোনকালেই বৰফ চুঁচি নিয়া গাড়ীবোৰ আহিব, কেইঘন্টামান পিছতেই পুনৰ সকলো আগৰ দৰে পৰিস্কাৰ হৈ যাব। (ৰাজহুৱা পৰিচ্ছন্নতাৰ ভাৰ চহৰ-পিতা-সকলেই লৈছে , সেই বিষয়ে আৰু যি হওঁক আজি আৰু নাগৰিক চিন্তিত হ'ব নালাগে ) অৱশ্যে কিছুমান ৰাস্তাত সেই আহুকলীয়া গাড়ীবোৰ সোমাব নোৱাৰে, তাত আমি নিজে নিজৰ ব্যৱস্থা কৰি ল'ব ইমানদিনে জানিছোঁ, ঈশ্বৰক ধন্যবাদ। এই ধৰক, মোৰ ঘৰটো, ক্লিনকাৰফুচ্গাচে বোলা ঠেক গলি এটাৰ ভিতৰত-সেইপিনে কেতিয়াবা গৈছে নে? য়াকবি গীৰ্জাৰ কাষেৰে সোমাই গৈছে-- তাত এই গাড়ীবোৰ নাযায়, আমৰ ঘৰৰ সমুখৰ বৰফখিনি মোৰ ল'ৰা -ছোৱালী দুয়োটাই কাৰ মাৰি ছাফা কৰি দিয়ে । দুকাষৰ দুঘৰ মানুহৰ ঘৰত আকৌ তেনেকুৱা কৰ্মঠ মানুহ নাই, বুঢ়া-বুঢ়ী থাকে, সেই বাবে মোৰ গেটশ্ব'ন আৰু ফ্ৰীৎচক কৈছোঁ তহঁতেই এই গুঘৰ মানুহগৰ বৰফখিনিও পৰিস্কাৰ কৰি দিবি ..... যি হওঁক বোধকৰো আপোনালোকৰ সিপিনেও--- "

মিচিকি হাঁহিটো কোনোমতে বজাই ৰাখি সামন্য মূৰ দুপিয়াই শুনি গ'লো। ভৱিষ্যতে যদি মোৰ ল'ৰা-ছোৱালী হয় তেনেহলে মোৰ গ্ৰেটস্খেন'জনীক পাৰিলে এইপিনৰ পৰা উভতি যোৱা কোনো ল'ৰা এটাৰ লগত বিয়া দিম আৰু মোৰ ফ্ৰীৎ চ'কো এইপিনৰ পৰা ডিপ্ল'মা এখন নিবলৈ পঠিয়াব। আৰু এয়া ফ্ৰাউ ম্যলাৰে সিহঁতৰ হতুৱাই কিবা

লোকৰ গৰ পৰিস্কাৰ কৰাৰ কথা ক'ব ধৰিছে। বুদ্ধি -টুদ্ধি একেনৰাৰেই নাই ? তুষাৰপাত শেষ হ'লে- বা বৰং বৰষুণ এৰিলে মোৰ চহৰখনৰ ৰাস্তা -ঘাট নলা নৰ্দমাই কিদৰে আত্মপ্ৰকাশ কৰিব আমাৰ আই ওলোৱা গলিটো আৰু পিছপিনৰ বিলৰ পাৰৰ ৰিফিউজি কল'নিৰ চালিঘৰবোৰ কি ৰূপত প্ৰকট হৈ উঠিব ( গোন্ধবোৰৰ কথা উহ্যই ৰাখিলোঁ) তাৰ বৰ্ণনাৰে এটা 'আউফ- জাৎচ' লিখি মই অৱশ্যেই ভদ্ৰমহিলাক দিব নোৱাৰেঁ, কাৰণ তিমানখিনি জাৰ্মান ভাষাজ্ঞান -আচলতে মোৰ নাই। যিটো বৰ্ণনা লিখি দিছোঁ --- সেইটো সহজেই অনুমেয় --- 'সৰল জাৰ্মান শিক্ষা নামৰ এখন পুৰণি জাৰ্মান -ইংৰাজী কিতাপৰ পৰা তস্কৃত, আমাৰ চহৰত বৰফ" --- মাথোঁ নামেবোৰ সলাই দিছোঁ, 'আমাৰ চহৰৰ ঠাইত 'গুৱাহাটী' বহুৱাই দিছোঁ।

❖❖❖



বি.দ্ৰঃ- গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ স্মৃতিত শ্ৰদ্ধা জনাই তেখেতৰ অন্যতম 'গোলাম' নামৰ গল্পটি পাঠক সমাজলৈ আগবঢ়োৱা হ'ল — *সম্পাদনা সমিতি*

ছন্দ শিল্প

# "জোনাক"

*লতিকা ডেকা*
*স্নাতক প্ৰথম বৰ্ষ*



এখনেই পৃথিৱী,
এইখনেই বিশাল মুক্ত আকাশ
দূৰণিৰ সেই পাহাৰখনৰ পৰা
বৈ অহা নিজৰাৰ
সেই শান্তিৰ কুলকুল ধ্বনি
শুনিছিলো মই সেই সন্ধিয়াটিত
যেতিয়া সেই নিজান দ্বীপৰ
শুকুলা পাৰ চৰাই দুটিয়ে
মোৰ বাবে কঢ়িয়াই আনিছিল
প্ৰেমৰ সংবাদ ?
জাগি উঠিছিলো মই
মোৰ জৰ্জৰিত হৃদয়
সীমাহীন বাধা বিঘিনি পাৰ কৰি
মোৰ নয়নেৰে বৈ আহিছিলে
দুধাৰি অশ্ৰু....
আৰু মোৰ মনটো হৈ পৰিছিল
এক ত্যাগৰ প্ৰতীক--
মোৰ মানস পটত জিলিকিছিল হেপাহ
জীয়াই থকাৰ হেপাহ।
আছো মই তোমাৰ বাবে
থাকিম মই তোমাৰ বাবে জোনাক
তুমি আহিবা জোনাক
তুমি আহিবা
তোমাৰ অপেক্ষাত ৰৈ আছো।
পদূলিৰ সেই বকুলজোপাৰ তলত
যিদিনা তোমাক লগ পাম
